● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

দিগ্‌দৰ্শন

যদি আপুনি কঠোৰ শ্ৰম কৰে আৰু দায়িত্ব পূৰ্ণ কৰিব পাৰে তেন্তে আগুৱাই যাব পাৰিব। লাগিলে আপুনি য'ৰ পৰাই নাহক, যেনেকুৱাই আপুনি নেদেখক।

বাৰাক অ'বামা
প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি

৫ প্ৰথমবাৰলৈ পুৰুষতকৈ অধিক হ'ল মহিলাৰ জনসংখ্যা
১৫ অভিষেকতে দৃষ্টি আকৰ্ষণ শ্ৰেয়াছ আয়াৰৰ
৪ সুখ-দুখৰ অনুভূতি আৰু আপেক্ষিকতাৰ শৃংখল

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৫০তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ৯ আঘোণ ১৪২৮ ভাস্কৰাব্দ ২৬ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 26 November 2021 মূল্য ঃ ৯.০০ টকা

অসমৰ বিপ্লৱী শংকৰ গুহ নিয়োগী

■ ৰাজ্যত অসংগঠিত খণ্ডৰ প্ৰকৃত শ্ৰমিকৰ দুৰ্দশা ■ শ্ৰমিক নহ'লেও আঁচনি লাভৰ আশাত লক্ষ লক্ষ সাধাৰণ লোকৰ 'ই-শ্ৰম' প'ৰ্টেলত পঞ্জীয়ন ■ শ্ৰমিকৰ তথ্য অবিহনেই আঁচনি ঘোষণা

ৰূপায়ণৰ পূৰ্বেই আৰম্ভ হ'ল দুৰ্নীতি

দেশ-কাল-সমাজ

ড° দীনেশ বৈশ্য

অধ্যাপক অনিল সদগোপালে মোক এখন হিন্দী কিতাপ উপহাৰ দিছিল। কিতাপখন যুটীয়াভাৱে লিখিছিল অনিল সদগোপাল আৰু শ্যাম বাহাদুৰ নম্ৰ নামৰ এজনে। কিতাপখনৰ প্ৰথম পৃষ্ঠাত সদগোপালে লিখিছিল— 'প্ৰিয় দীনেশজীলৈ, অসমৰ সুসন্তান এজন মহান বিপ্লৱীৰ স্মৰণত।' কিতাপখনৰ নাম আছিল সংঘৰ্ষ আৰু নিৰ্মাণ। শিৰোনামাৰ তলত লিখা আছিল

১০ পৃষ্ঠাত চাওক

সংকটমুক্ত বুলি জনালে চিকিৎসালয়ে

গোসাঁইগাঁৱত চকোলেট খাই অসুস্থ ১০ শিশু শিক্ষাৰ্থী

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ২৫ নৱেম্বৰ ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱত আজি এখন বিদ্যালয়ত খাদ্যত বিষক্ৰিয়া ঘটি ১০গৰাকী শিশু শিক্ষাৰ্থী অসুস্থ হৈ

১০ পৃষ্ঠাত চাওক

অসমীয়া কাব্যজগতৰ ভোটাতৰা ■ মাটি-মানুহৰ জয়গান গাইছিল

খহি পৰিল এক উজ্জ্বল নক্ষত্ৰ! শব্দহীনতাত জনপ্ৰিয় কবি সনন্ত তাঁতি

ষ্টাফ ৰিপ'ৰ্টাৰ



গুৱাহাটী, ২৫ নৱেম্বৰ ঃ শব্দৰ পৰা শব্দহীনতাত চিৰকাললৈ বুৰ গ'ল বহুজনৰ প্ৰিয় কবি সনন্ত তাঁতি। অসমীয়া কাব্যজগতৰ অন্যতম ৰূপকাৰ, ভোটাতৰা সদৃশ কবি তাঁতিয়ে যোৱা নিশা ১-০৫ বজাত দিল্লীৰ এখন হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুত ৰাজ্যজুৰি শোকৰ ছাঁ পৰিছে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা বিশিষ্ট

১০ পৃষ্ঠাত চাওক

কবিতাৰ মাজেৰেই আমাৰ মাজত থাকিব মানৱতাৰ সেনানী হৈ

তেওঁক বিদায় দিয়াটো কঠিন

■ পূৰবী বৰুৱা

পুৱাই খবৰটো পালো, কবি সনন্ত তাঁতি গ'লগৈ। লগে লগে গভীৰ দুখবোধৰ সমান্তৰালভাৱে মনলৈ আহিল তেওঁৰেই কবিতাৰ কেইটামান শাৰী— 'প্ৰিয় বন্ধুসকল, আপোনালোক থিয় হওক আৰু মোক মুকলি কৰি দিয়ক/অন্ধত্ব আৰু দুঃসহ যন্ত্ৰণাৰ পৰা/আজি ৰাতি অথবা কাইলৈৰ পৰা...'

এৰা, তেওঁক বিদায় দিয়া কঠিন। নোৱাৰো। কবিতাৰ মাজেৰেই

১০ পৃষ্ঠাত চাওক

■ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিলে ৰাজ্যপাললৈ

ৰাজ্যৰ ৩১জন চিকিৎসকে বিচাৰিলে স্বেচ্ছা অৱসৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৫ নৱেম্বৰ ঃ পূৰ্বে নোহোৱা ঘটনা সংঘটিত হ'ল ৰাজ্যৰ স্বাস্থ্য খণ্ডত। একেলগে স্বেচ্ছামূলক অৱসৰ বিচাৰিলে ৰাজ্যৰ বিভিন্ন চিকিৎসালয়ত কৰ্মৰত হৈ থকা ৩১জন চিকিৎসকে। স্বাস্থ্য বিভাগৰ গাফিলতিৰ বাবেই এই চিকিৎসকসকলে স্বেচ্ছামূলক অৱসৰ ল'বলৈ ইচ্ছা প্ৰকাশ কৰা বুলি সূত্ৰই জনাইছে। আজি এই ৩১জন

১০ পৃষ্ঠাত চাওক

নিয়ম উলংঘা কৰি পঞ্জীয়নৰ নামতে পাঁচশ পৰ্যন্ত আদায়ৰ অভিযোগ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৫ নৱেম্বৰ ঃ শেহতীয়াকৈ ৰাজ্যৰ প্ৰব্ৰজিত, বিশেষকৈ অসংগঠিত খণ্ডৰ শ্ৰমিকসকলক সকাহ দিয়াৰ উদ্দেশ্যে অসম চৰকাৰে এক বিশেষ আঁচনি 'অসম প্ৰব্ৰজিত শ্ৰমিক খাদ্য সুৰক্ষা আঁচনি' ঘোষণা কৰাৰ লগে লগে কেতবোৰ হতাশাজনক তথ্য ওলাই পৰিছে। কিয়নো অসম চৰকাৰৰ হাতত অসংগঠিত খণ্ডৰ শ্ৰমিকৰ সংখ্যাৰ সন্দৰ্ভত কোনো তথ্যই নাই কিন্তু আঁচনি প্ৰস্তুত কৰা হৈছে। ফলত অসংগঠিত খণ্ডৰ শ্ৰমিক নহ'লেও যিকোনো লোকে চৰকাৰী সাহায্যৰ আশাত 'ই-শ্ৰম' প'ৰ্টেলত কৰিছে নাম পঞ্জীয়ন। লগে লগে আহিছে 'কমন ছাৰ্ভিচ চেন্টাৰ' (চি এছ চি)সমূহৰ অবাধে ধন ঘটাৰ আন এক সুযোগ। কিয়নো বিভাগীয় নীতি-নিৰ্দেশনা অনুসৰি চি এছ চিসমূহে পঞ্জীয়নৰ নামত এটকাও মাননি ল'ব

১০ পৃষ্ঠাত চাওক

একে নিশাতে মেঘালয়ত সৰ্ববৃহৎ বিৰোধী দল হ'ল তৃণমূল কংগ্ৰেছ

■ বিৰোধীৰ যোগ্যতাও হেৰুৱাইছে কংগ্ৰেছে ঃ দলত্যাগী চাংমাৰ ক্ষোভ

মমতা বেনাৰ্জীৰ আগ্ৰাসী অভিযানে সৃষ্টি কৰিছে নতুন সমীকৰণৰ

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ২৫ নৱেম্বৰ ঃ মেঘালয়ত নজিৰবিহীন উত্থান ঘটিল মমতা বেনাৰ্জীৰ তৃণমূল কংগ্ৰেছৰ। ৰাজনৈতিক মহলত তীব্ৰ জোকাৰণি তুলি মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মুকুল চাংমাৰ নেতৃত্বত ১২জন বিধায়কে তৃণমূলত যোগদান কৰাই নহয়, বিৰোধী হিচাপেও কংগ্ৰেছ ব্যৰ্থ হৈছে বুলি ক্ষোভ উজাৰিছে। স্বাধীনোত্তৰ ভাৰতত সুদীৰ্ঘকাল শাসন কৰি অহাৰ পাছত

১০ পৃষ্ঠাত চাওক

হাইকমাণ্ডে ভংগ কৰিলে পূৰ্বৰ সমিতি

অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি হ'ল অংকিতা দত্ত

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৫ নৱেম্বৰ ঃ অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব লাভ কৰিলে অংকিতা দত্তই। প্ৰাক্তন মন্ত্ৰী তথা প্ৰভাৱশালী কংগ্ৰেছ নেতা প্ৰয়াত অঞ্জন দত্তৰ কন্যা অংকিতাক আজি দলৰ

১০ পৃষ্ঠাত চাওক

Muthoot Finance
গ'ল্ড লোন
57 পইচা
দুই পৃষ্ঠাত চাওক
1800 313 1212
muthootfinance.com

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, অসম
অসম চৰকাৰ

মিছন বসুন্ধৰা
মোৰ মাটি মোৰ অধিকাৰ

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

মাথোঁ ৫ দিন বাকী
এই সুযোগ এনেয়ে নেহেৰুৱাব

ভূমি নথি উন্নীতকৰণৰ বাবে ক্ষিপ্ৰ সেৱাসমূহ

- উত্তৰাধিকাৰী সূত্ৰে নামজাৰি
- দলিল সূত্ৰে নামজাৰি
- বিবাদমুক্ত বাটোৱাৰা
- একচনীয়া পট্টাৰ ম্যাদীকৰণ
- মাটিৰ শ্ৰেণী পৰিবৰ্তন
- ৰাজহ নথিৰ পৰা দখল / স্বত্ববিহীন পট্টাদাৰৰ নাম কৰ্তন
- আবণ্টিত মাটিৰ ম্যাদীকৰণ
- ভূমি নথিৰ সংশোধনী (নাম আৰু মাটিকালিৰ সংশোধন)
- ভূমিনথিত পট্টাদাৰৰ ম'বাইল নম্বৰ অন্তৰ্ভুক্তকৰণ

পঞ্জীয়নৰ চূড়ান্ত সময়সীমা
৩০ নৱেম্বৰ, ২০২১
নিৰ্ধাৰিত সময়ৰ ভিতৰতেই সেৱাসমূহ প্ৰাপ্ত কৰক

আবেদন কৰক
basundhara.assam.gov.inৰ যোগেদি

সফলতাসমূহ
- এই পৰ্যন্ত লাভ কৰা মুঠ আবেদন
২.৫ লাখতকৈ অধিক
- ইতিমধ্যে নিষ্পত্তি কৰা আবেদন
৩০ হাজাৰতকৈ অধিক
- ক্ষেত্ৰ জৰীপ
২৩০+ খন অনা জৰীপ গাওঁ

আবেদন নিষ্পত্তিৰ সময়সীমা
১০ মে', ২০২২

অনলাইন আবেদনৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'লে নিজ এলেকাৰ চক্ৰ বিষয়াৰ কাৰ্যালয়ত পোনপটীয়াকৈ আবেদন কৰাৰ সুবিধাও উপলব্ধ

জনসংযোগ/ডি এফ/১৬৯৫/২১

AFFIDAVIT

I DHARMA KANTA DAIMARY, S/o-Rati Kanta Daimary, Kamarkuchi, P.O.-Tepesia, P.S-Sonapur, Dist-Kamrup (M) Assam do hereby declared by an affidavit before Notary Kamrup (M) on 25-11-2021 that DHARMA KANTA DAIMARY and DIBRU DAIMARY is the same and one person i.e. myself.

হেৰাইছে

মোৰ ২০১২ ইং চনৰ টে'ট উত্তীৰ্ণ Marksheet Cum Certificate Roll No- 3010044 খন হেৰাইছে।

মনালিছা বৰ্মন
গাঁও ঃ বেতকুছি
ডাক ঃ সাউকুছি
জিলা ঃ কামৰূপ (ম)
পিন-৭৮১০৪০

পদ খালী

Direct Posting গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ছুপাৰভাইজাৰ আৰু পেকেজিং কাম কৰাৰ বাবে বহুত যুৱকৰ প্ৰয়োজন। থকা-খোৱা **Free**। দৰমহা ৩০,০০০/- টকালৈকে।

Perfect Jobsite
Dispur
98640 20419,
8011007148

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৰৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

ত্যাজ্য পুত্ৰ

মই অংগনা বেজবৰুৱা, গুৱাহাটী, থানা-গড়চুক, জিলা-কামৰূপ (ম) অসমে, ইং, ২৫/১১/২০২১ তাৰিখে নটাৰী গুৱাহাটীযোগে সম্পন্ন কৰা এক শপতনামাযোগে মোৰ পুত্ৰ প্ৰিয়াংশু শৰ্মাক ত্যাজ্যপুত্ৰ ঘোষণা কৰিলো। ভৱিষ্যতে তেওঁক মোৰ সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিলো।

পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ দ্বাৰা বাটৰ নাট প্ৰদৰ্শন

অগ্ৰদূত বাৰ্তা

চামতা, ২৫ নৱেম্বৰ ঃ অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সেৱাসমূহ জনসাধাৰণৰ বাবে সহজলভ্য কৰাৰ লগতে সেৱা সমূহক জনমুখী কৰাৰ উদ্দেশ্যে চৰকাৰে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বাবে 'মিছন বসুন্ধৰা' নামৰ এক বিশেষ কাৰ্যসূচী ৰূপায়ণৰ পদক্ষেপ লৈছে। মিছন বসুন্ধৰাৰ সেৱাসমূহ সুচল তথা ক্ষিপ্ৰতাৰে কৰাৰ পদক্ষেপ লোৱাৰ উদ্দেশ্য আগত ৰাখি বুধবাৰে পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ উদ্যোগত এলানি বাটৰ নাট কাৰ্যসূচী আৰম্ভ কৰা হয়। সাহপুৰ ৰাজঘাটস্থিত নদলা বজাৰ, জাগাৰা চ'ক আৰু শোলমাৰা বজাৰত যথেষ্ট ৰাইজৰ উপস্থিতিত বাটৰ নাট প্ৰদৰ্শন কৰা হয়। বাটৰ নাটত অংশগ্ৰহণ কৰে ছিকিম ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা প্ৰজ্ঞা তালুকদাৰৰ নেতৃত্বত কুলদ্বীপ তালুকদাৰ, নিৰ্মল বৰ্মন, অনুপ বৰ্মন, কাকলি বৈশ্য আৰু কিশোৰ বৰ্মনে। উক্ত নাট প্ৰদৰ্শনৰ সময়ত উপস্থিত থাকে পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়া অৰ্পণা শৰ্মা, সংলগ্ন ৰাজহ চক্ৰ বিষয়া বেদান্ত বৰুৱা গাঁও প্ৰধান তথা সংবাদকৰ্মী অতুল ভূএগ, পঞ্চায়ত সভাপতি অমৰ দাস, সমাজকৰ্মী লোহিত দাস আদি।

AFFIDAVIT

I SATYEN DAIMARY, S/o-Rati Kanta Daimary, Kamarkuchi, P.S.-Sonapur, P.O-Tepesia, Dist-Kamrup (M), do hereby declared by an affidavit before Notary Kamrup (M) on 25-11-2021 that SATYEN DAIMARY (সত্যেন দৈমাৰী) and CHAITYEN DAIMARY (চৈতেন দৈমাৰী) is the one and same person having single identity i.e. myself.

LOST

I have lost my H.S. Final Admit Card Roll-0521 No-10304 & Registration Certificate No-167973 year 2016-17
Urmi Mondal, Kokrajhar

ডিজিটেল ট্ৰেডিং

ডিজিটেল কাৰেন্সি ট্ৰেডিং শিকক ব্লকচেইন প্ৰযুক্তিৰ ইক'ছিষ্টেমৰ মাধ্যমেৰে লগ ইন কৰি। দৈনিক ০.৫ % নিশ্চিত আয়।
যোগাযোগ ঃ 7003747450

"NOTICE INVITING TENDER (NIT)

NIT NO. TMB 184/15th FC/2020-21/2269 Dated: 23/11/2021, NIT NO. TMB 172/14th FC/2020-21/2257 Dated: 23/11/2021, NIT NO. TMB 185/14th FC/2019-20/2270 Dated: 23/11/2021, NIT No. TMB 190/2020-21/14th FC/2268 Dated: 23/11/2021, NIT No. TMB 144/2019-20/2266 Dated: 23/11/2021.

Sealed quotations are hereby invited by affixing Non-refundable Non-Judicial Court Fee Stamp of Rs. 8.25 (Rupees Eight & Twenty Five paisa) only from the intending Contractor / suppliers / firms/ companies for Construction/supply works of following items under

1. Under 14th Finance Commission, 2nd Installment, General Basic Grant for the year 2017-18, during the year 2019-20, under Teok Municipal Board 2020-21, 2 (Two) Nos. Road Development works.
2. Under 14th Finance Commission, 1st Installment, General Basic Grant for the year 2018-19, during the year 2019-20, under Teok Municipal Board 2020-21, 2 (Two) Nos. Road Development works.
3. Under 1st installment (25%) of United Basic Grant of the Govt. of India for the Urban Local Bodies in Non Million Plus Cities in General areas of Assam under the award of 15th Finance Commission for the financial year 2020-21 under Teok Municipal Board during the year 2020-21. 1 (One) No Drain Development Works.
4. 14th Finance Commission, 2nd Installment 2018-19 for the purpose of Online Building Permission System Computer supply.
5. Solid Waste Management/IEC&PA of Swachh Bharat Mission (Urban): Plastic Waste Shredder Machine (Single Shaft), Supply, Fittings of segregation household dustbin & Supply fitting & fixing of Plastic Bank.

A. Received Date of Tender Papers: 25/11/2021 to 09/12/2021 up to 2.00 PM.
B. Last Date of received Tender Documents: 10/12/2021 up to 2.00 PM for all works.
C. Opening Time and Date: 10/12/2021 from 2.30 PM for all works at Teok MB Office.

Collect the tender forms from office of the undersigned after payment of DD/ Banker Cheque/Cross IPO as per mentioned at details NIT described at Notice Board NIT. Details NIT's are also displayed at Notice Board of Teok MB, DCs Office, Jorhat, Teok R Circle Office, DD T&CP Office, Jorhat & EE PWD(R) Office, Near Engineering Collage, Jorhat (Tender Paper cost is not refundable).

Details particulars i.e. Details of Particulars, terms & conditions etc. may be seen at the office of the undersigned from the date 25/12/2021 between office hours.

If the office happens to be closed on the date of tender, the tender will be received and opened at the same place and time on the next working day.

Sd
Executive Officer
Teok Municipal Board
Teok."

Janasanyog/CF/2098/21

No. ACE-35/Tech/UDL(R&B)/IFB/2018-19/202 *Dated Kokrajhar, the 25th Nov., 2021*

Tender No. 37 of 2021-22

PRESS NOTICE RE-INVITING TENDER

The Addl. Chief Engineer-cum-Director, PWD, BTC, Kokrajhar re-invites bids from approved and eligible contractors registered with Assam PWD (Roads) or BTC for 2 (Two) Nos. of works under SOPD (BTC) for the year 2021-22 amounting to Rs.1,41,83,637.00 (Rupees one crore forty-one lakh eighty-three thousand six hundred thirty-seven) only pertaining to PWD, Udalguri (R&B) Division, Udalguri. Details may be seen at the website **http://assamtenders.gov.in** and also in the office of the undersigned from **29-11-2021 to 14-12-2021** during office hours.

Sd/-
Addl. Chief Engineer-cum Director,
PWD, BTC, Kokrajhar

IPR(BTC)-451/2021

No. BDB/15th FC (Tender)/2020-21/7 *Dated Borobazar, the 25th Nov.,2021*

SHORT NOTICE INVITING TENDER (SNIT)

Tender No. 14 of 2021-22

The office of the Block Dev. Officer, Borobazar T. Dev. Block, Chirang invite bid for the works under 15th FC for the year 2020 -21 in Bid system (F2 Form) affixing a non-refundable court fee stamp of Rs. 8.25 (Rupees eight & paise twenty-five) only from the registered contractors of Class-I (A, B & C) and Class-II category of Assam PWD (Road & Building) as details below.

Sl. No.	Name of the work	Tender Value (in Rs.)	Earnest Money/ Bid Security		Cost of Bid	Period of completion
1	Land development and Earth filling at FCI Godown at Malipara village	**495000.00**	1% for reserved category	2% for general category	500.00	6 months

Detail NIT may be seen in all working days during office hours in the office of the undersigned. In case the office remain close on tender issuing/ receiving/opening date the same will be issued/received/opened on the next working day.

1. Bank Draft/ Fixed Deposit certificate against the Earnest money/Bid security should prepare in favour of BDO, Borobazar T.D. Block.
2. Bank draft on cost of tender form/ Cost of bid should prepare in favour of Principal Secretary, BTC, Payable at BSI, Kokrajhar.
3. **Date of issue of Bid Document: 29/11/2021**
4. **Last date of issue and submission of Bid Document: 6/12/2021 up to 2.00 PM**
5. **Date of opening of Bid: 6/12/2021 at 2.30 PM**

Sd/-
Block Dev. Officer,
Borobazar T.D. Block

IPR(BTC)-449/2021

No. ADHTB (P) 03/209-20/26 *Dtd. Mushalpur the 23rdNov./2021*

INVITING NOTICE SHORT TENDER

Sealed Tenderonaffixing non-refundable Court fee ofRs. 8.25 (Rupees eight and TwentyfivePaise) onlyare hereby invited under two bid systems (Technical & Financial Bid) from the intending Manufacturers/ authorized Dealers/ Distributors/ govt. approved Firms etc. for supply& installation of Computer Aided Textiles Designing (CATD) software with accessories and Jacquard Card Auto Punching machine for TamulpurRurban Cluster under Work Code-W-314-10-333-76425, Product Design and Marketing Center CATD CAM in the roof of CFC, as per administrative approval No. DRDA/BAKSA/SPRM-2/2016-17/4035, dated 02nd December/2021.

The details may be obtained from the office of the Asstt.Director, Handloom & Textiles, Baksa during office hours from 26/11/2021 to 06/12/2021 upto 12.00 noon (except Govt. holiday) on payment of Tender fees of Rs. 200/- (Rupees two hundred) only in form of IPO/Demand Draft/Bankers Cheque, drawable in favour of the "**Asstt. Director, Handloom & Textiles, Baksa**" from any Nationalized Bank and payable at Mushalpur. The last date of tender submission is 06-12-2021 upto 1.00 P.M and opening of the Technical Bid on 06-12-2021 at 2.00 PM.

Sd/-M. Rahman.
Assistant Director,
Handloom and Textiles,
Baksa, Mushalpur.

IPR(BTC)-444/2021

No.BDB/SOPD/06/2017-18/1638 *Date :-23/11/2021*

SHORT NOTICE INVITING TENDER

Sealed tenders affixing a non - refundable court fee stamp of Rs. 8.25 (Rupees eight & paisa twenty five) only with a validity period of 180 days, which will subsequently to be converted and drawn up in the printed F - 2 forms are invited from the registered Contractors of Class - II and Class - I (A,B & C) category of Assam PWD (Roads & Building and BTC, according to their eligibility for submitting tenders for the works under Library Services Deptt.SOPD Fund for the year 2021-22 as stated below. The tenders will be received by the undersigned up to 2.00 P.M. on Dtd 05/12/2021 and will be opened on the same date & place at 2.30 P.M.

Sl. No.	Name of Work	Tender Value of the work	Cost of Tender Paper	Time of Completion of Work
1.	Earth filling at Sub-Divisional Library,Bhergaon compound under Udalguri Dist.	9,90,000.00	300.00	6 Months

Detail N.I.T. may be seen in all working days during Office hours in the Office of the undersigned. Tender papers will be issued to the Contractors or their authorized agents from 29/11/2021 to 03/12/2021 up to 3.00 P.M. in the Office of the undersigned on payment in the form of demand draft/banker's cheque from any Nationalized Bank, duly pledged in favour of the Principal Secretary, BTC, Kokrajhar, payable at Kokrajhar. The Contractor should attested copy of latest Registration certificate, latest certificate of Income Tax and Sales Tax, GST Registration, Pan card along with the tenders. In case the Office remains closed on tender issuing/receiving/opening date the same will be issued/received/opened on the next working day without further notification. (The successful tenderer has to be submit 1% (One P/C) (in case of ST/SC/OBC) and 2% (Two P/C) (in case of General) Earnest Money against the work in the form of FDR/Banker's cheque/D.Draft from any Nationalized Bank duly pledge to the Block Dev. Officer, Bhergaon Dev.Block, Bhergaon as mentioned above at the time of allotment of work). The Block Dev. Officer, Bhergaon Dev.Block reserves the right of accepting of tender papers or outright rejection of the same without assigning any reason thereof.

Sd/-
Block Dev.Officer
Bhergaon Dev.Block, Bhergaon

IPR(BTC)-442/2021

No DDB-151/SOPD/2020-21/931 *Dated-25/11/2021*

SHORT NOTICE INVITING TENDER

Sealed tender affixing Court Fee of Rs. 8.25 (Rupees eight & twenty five paisa) only with a validity period of 180 (One hundred eighty) days, which will subsequently to be converted and drawn up in the APWD's F-2 forms are invited from the registered contractors of Class-II and Class-I (A, B & C) category of Assam (Roads & Building) and BTC, according to their eligibility for submitting tenders for the following works under SOPD fund" for the year 2021-22. The tenders will be received by the undersigned up to 2:00 PM on 01/12/2021 and will be opened on the same date and place at 2:30 PM.

Sl. No.	Name of work	Tender Value (Rs. in Lakh)	Earnest Money	Cost of tender paper	Time of completion	Remarks
1	Const, of Boundary Wall with Iron Gate at No. 1256 Sindorjhora LP. School	Rs. 9.25	Rs. 9,250/- (1% for ST, SC & OBC) & Rs. 18,500/-(2% for Gen)	Rs. 300/-	3 Months	
2	Earth filling and Boundary Wall with Iron Gate at Tulshijhora LP. School No. 6051	Rs. 19.99062	Rs. 20,000/-(1% for ST, SC & OBC) & Rs. 40,000/- (2% for Gen)	Rs. 800/-	3 Months	
3	Earth filling & boundary wall with iron Gate at Belguri LP. School No. 1882	Rs. 19.99062	Rs. 20,000/- (1%for ST, SC & OBC) & Rs. 40,000/- (2% for Gen)	Rs. 800/-	3 Months	

Details NIT may be seen in all working days during office hours in the office of the undersigned tender papers will be issued to the contractors or their authorized agent from 26/11/2021 to 01/12/2021 in the office of the undersigned on payment of cost of tender paper in the form of demand draft/bankers cheque from any Nationalized Bank, duly pledged in favour of the Principal Secretary, BTC, Kokrajhar, payable at Kokrajhar. The contractor should submit attested copy of latest Registration Certificate GST Labour License, PAN Card, etc. along with the tender. In case office remains closed on tender issuing/receiving/opening date the same will be issued/received/opened on the next working day without further notification. The successful tenderer has to be submitted 1% (One P/C in case ST/SC/OBC/MOBC) and 2% (Two P/C in case of General) S.D. money against the work in the form of FDR/Bankers Cheque/Demand Draft from any nationalized bank duly pledge to the Block Dev. Officer, Debitola Dev. Block, Debitola as mentioned above at the time of allotment of work. The Block Dev. Officer, Debitola Dev. Block, Debitola reserves the right of accepting of tenders paper or outright rejection of the same without assigning any reason thereof.

Sd/-
Block Development Officer,
Debitola Dev. Block

IPR(BTC)-450/2021

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

৯ আঘোণ শুকুৰবাৰ ২৬ নৱেম্বৰ

সূৰ্যোদয় ঃ ঘঃ ৫।৫৪।৭ **সূৰ্যাস্ত ঃ** ঘঃ ৪।২৭।৫৯। **তিথি ঃ** কৃষ্ণা সপ্তমী, দং ৪৬।২৮।৪৮ ৰাঘ ১২।২৯।৩৮। **নক্ষত্ৰ ঃ** অশ্লেষা, দং ২৫।১৪।৪৯ঘ ঃ ৪।০।৫। **যোগ ঃ** ইন্দ্ৰ দং ৫৭।৫২।৩০ শেষ ৰাঘ ৫।৩।৭ **কৰণ ঃ** বিষ্টি। **জন্মত ঃ** কৰ্কটৰাশি, বিপ্ৰবৰ্ণ, দেৱাৰিগণ, বৰাহৰঅস্থি, বায়ুযোগ, অষ্টোত্তৰী চন্দ্ৰ বিংশোত্তৰী বুধৰ দশা ঘঃ ৪।০।৫ যোৱাত সিংহৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, বান্দৰৰ অস্থি, অষ্টোত্তৰী মঙল, বিংশোত্তৰী কেতুৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া কান্তা যোগ। **মৰণত দোষ ঃ** এপদ, ৰাঘ ১২।২৯।৩৮ যোৱাত নাই। **যোগিনী**- বায়ুকোণত, ৰাঘ ১২।২৯।৩৮ যোৱাত ঈশানকোণত। **যাত্ৰা ঃ** নাই, পাপযোগ দোষ, ৰাঘ ১২ঘ২৯।৩৮ যোৱাত তিথ্যাদি দোষ। **শুভকৰ্ম** ঃ বিবাহ (ৰাঘ ৫ঘ৫৮ৰ পৰা ৮।১১ পুনঃ ৰাঘ ১০।৩০ৰ পৰা ৩।১ৰ ভিতৰত মিথুন, সিংহ আৰু কন্যা লগ্নত সুতহিবুক যোগত। **ভক্ষ্যাভক্ষ্য ঃ** নিমতিতা, ৰাঘ ১২।২৯।৩৮ যোৱাত নাৰিকল খোৱা নিশেষ।

দিনটোৰ ৰাশিফল

মেষ ঃ ঘৰুৱা উন্নতিৰ চেষ্টাত বাধা কম। সৰু-সুৰা বিৰোধী কথাত বেছি মন নিদিলে কৰ্মক্ষেত্ৰতো শুভ ফল। বহুদিন ভাবি থকা সুযোগৰ আশা সমাগত যেন লাগিব। দাম্পত্যত শুভ। শুভ ৰং ক্ৰীম, শুভ সংখ্যা ২।

বৃষ ঃ আৰ্থিক উন্নতিৰ ক্ষেত্ৰত যিকোনো চেষ্টাত কিবা নহয় কিবা বাধা অনুভৱ কৰিব। ঘৰুৱা দিশত অৱশ্যে সিমান দুশ্চিন্তা। বাটে-পথে ফুৰোতে সতৰ্ক হওক। বিদ্যাত মধ্যম। শৰীৰৰ দুৰ্বলতা। শুভ ৰং বগা, শুভ সংখ্যা ৪।

মিথুন ঃ কৰ্তব্যত আপোনাৰ যোগ্যতা থাম্বিব। কোনোৰে বাস্তৱ খোজ পেলাই উপকৃত হ'ব। সৰু-সুৰা কথাত মানসিক কিছু প্ৰভাৱ পেলাব। বন্ধুৰ সহায়। আৰ্থিক প্ৰাপ্তিৰ আশা। শুভ ৰং কমলা, শুভ সংখ্যা ৩।

কৰ্কট ঃ পূৰ্বদিনৰ তুলনাত আজি বহুলাংশে যোগাযোগাদিত উন্নত। শৰীৰো ভালে যোৱাৰ কাৰক। অৱশ্যে আপোনাৰ হুৰমুৰীয়া স্বভাৱৰ দোষত শাৰীৰিকত কিছু আহুকালৰ কাৰক বিদ্যাত মধ্যম। শুভ ৰং পাতল নীলা, শুভ সংখ্যা ৫।

সিংহ ঃ কোনো আকস্মিক বাধা বা ক্লেশে লগ ধৰিব পাৰে। সহজতে যি কৰো বুলি থিৰাং কৰিছিল তাক সম্পূৰ্ণ কৰাত বাধা পাব। বাকী দিশত মজলীয়া ফল দাম্পত্যত নতুন চিন্তা। অৱশ্যে থাকিব। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৮।

কন্যা ঃ কৰ্মক্ষেত্ৰত আপোনাৰ ভাবমূৰ্তি প্ৰায় ঠিক থাকিব যদিও কোনো কাৰণে চিন্তা কাৰণ হ'ব। জাতকৰ কোনো উন্নত যোগাযোগৰ পৰা লাভ। বিদ্যাত বেয়া নহ'ব। ভ্ৰমণাদিত মধ্যম। শুভ ৰং গেৰুৱা, শুভ সংখ্যা ৭।

তুলা ঃ কোনোৰে প্ৰৱঞ্চকৰ কবলত পৰাৰ কাৰক। সাৱধান হ'লে ভয় কম বিদ্যাত যত্নৰ ফল লাভ। সাধাৰণ শৰীৰৰ আহুকাল অলপ। দাম্পত্যত ভালেই। কৰ্মাদিত উৎসাহ। ভ্ৰমণাদিত অমনোযোগী নহ'ব। সুনাম।। শুভ ৰং ক'লা, শুভ সংখ্যা ৬।

বৃশ্চিক ঃ ক্ৰমে দিনটো বাঢ়ি অহাৰ লগে লগে মনটো গধুৰ হ'ব পাৰে। হ'বলগীয়া কামত অনগ্ৰসৰ হোৱাৰ যোগ। মুঠতে কিছু অসুবিধাৰ কাৰক। জাতক জাতিকাই সাৱধান থাকিলে ভাল। শুভ ৰং নীলাস শুভ সংখ্যা ১১।

ধনু ঃ উন্নত দিনৰ অনুমান। যোগাযোগৰ খুব বেয়া নহ'ব। ভবা কথাৰ লগত সাদৃশ্য কম যদিও প্ৰতিকূলো নহ'ব। বিশেষকৈ অনুৰাধা নক্ষত্ৰৰ মানসিক শান্তি। বিদ্যাত বাধা কম। শিক্ষক বুদ্ধিজীৱিৰ সুখ। শুভ ৰং ক্ৰীম, শুভ সংখ্যা ৯।

মকৰ ঃ ভগা পতা কৰি ভাল পাব পুৰণি পৰিৱেশৰ সলনিৰ প্ৰতি মন কৰিব পাৰে ভ্ৰমণত সষ্টম হওক। কিন্তু কোনোৰ প্ৰিয় বন্ধু-বান্ধৱীৰ সংগত সুখ লাভ যিসকল যোগ্যবান।

শুভ ৰং বগা, শুভ সংখ্যা ৮।

কুম্ভ ঃ ৰুক্ষ চিন্তা অত্যাধিক খৰচ হ'লেও আয়ত্ত থাকিব। পঢ়া-শুনাত মনোযোগ লাগিব। দুষ্টৰ সংগই বিপদ আনিব পাৰে লোহ, লক্ক ইস্পাত কাঠ, কয়লাত লাভ। পদমৰ্যাদা লাভ। শুভ ৰং হালধীয়া, শুভ সংখ্যা ২।

মীন ঃ আৰ্থিক যোগাযোগত কিছুদিন উপকৃত তথা খৰচ। মতান্তৰ হ'ব লগা কথাত মন নিদিব। শৰীৰ মধ্যম। সুৰ-সুৰা সংবাদকে গুৰুতৰ বুলি নল'ব। ভ্ৰমণত সাৱধান। নতুন সম্পদক ক্ৰয়। শুভ ৰং ক'লা, শুভ সংখ্যা ১।

শব্দ-বেহু ঃ ২৬নবেম্বৰ ২০২১



@ সব্যসাচী

পথালিয়ে ঃ

১। দেখাত পটলৰ দৰে কিন্তু তাতকৈ সৰু এবিধ পাচলি (৩)
৩। বহুত বয়সলৈকে বিয়া কৰাবলৈ ছোৱালী নোপোৱা অবিবাহিত পুৰুষ (৩)
৫। এবাৰত চৰুত বহাই ৰন্ধা ভাতৰ পৰিমাণ (২)
৭। হিৰণ্যকশিপু দৈত্যৰ বিষ্ণু-ভক্ত পুতেক (৩)
৮। মনত দুখ দিব পৰা হীন বা বেয়া মাত-কথা (২)
১০। নেৰানেপেৰাকৈ কেইবাদিনো বৰষুণ দি থকা অৱস্থা (৩)
১১। খেতিৰ মাটি হাল-কোৰ বাই প্ৰস্তুত কৰা কাৰ্য্য (২)
১২। কলমৰ মুখত লগাই লিখা কাম কৰা ধাতুৰ যতন (২)
১৪। বেটাৰিৰ পৰা পোৱা বিদ্যুৎ শক্তিৰে জ্বলাই লৈ ফুৰিব পৰা দীঘল আকাৰৰ চাকি (২)
১৫। ডাবি-হুমকি দি উদ্দেশ্য সিদ্ধি কৰি ফুৰা লোক (২)
১৬। বাৰিষা পানী ৰোৱা, খৰালি শুকাই যোৱা দ ঠাই (২)
১৭। মাটিত থিয়কৈ পোতা দীঘলীয়া মাৰি বা খুঁটি (২)
১৯। মৈদা, ভৰিৰে হেঁচুকি শাক-পাচলি কটা এবিধ কটাৰী (২)
২১। জুই, অনল (২)
২২। পিন্ধা-উৰাত পৰিপাটি নোহোৱা (৩)
২৪। মুছলমানৰ বিচাৰক, নিকাহৰ পুৰুহিত (২)
২৬। সহগৰ লগত থকা মান পৰিৱৰ্তনশীল উপাদানটো (৩)
২৭। দৈৰ্ঘ্য বা দূৰত্বৰ একক, প্ৰায় বাৰ ইঞ্চি মাপৰ দূৰত্ব (২)
২৯। আঞ্জা, স্বৰৰ সহায় নোহোৱাকৈ ফুটাই মাতিব নোৱাৰা আখৰ (৩)
৩০। কৰোতা, যাৰ জৰিয়তে হয় (৩)

থিয়কৈ ঃ

১। ৰহস্যময় কাৰ্য্য-কলাপ, মায়া (৩)
২। পুৰুষত্বহীন, তেনেই খীণ (২)
৩। গোটা চাউল ভাগি হোৱা টুকুৰা, সৰু (২)
৪। খাজনা, চৰকাৰ বা ৰজাক দিব লগীয়া কৰ (৩)
৬। জৰা-ফুঁকা কৰা ব্যক্তি, কোনো বিষয়ৰ পাৰ্গত লোক (২)
৭। ব্যাপকভাৱে হোৱা ধ্বংস-কাৰ্য্য (৩)
৯। দেখাত ঘনচিৰিকাৰ দৰে, জাক পাতি উৰি ফুৰা এবিধ সৰু চৰাই (২)
১১। দুৰ্গাৰ কপালৰ পৰা দুটা অসুৰক বধ কৰিবলৈ ওলোৱা দেৱীৰ এটা ৰূপ (৩)
১৩। আনুষ্ঠানিকভাৱে বিয়া নকৰোৱাকৈ তিৰোতা ৰখা পুৰুষ (৩)
১৫। জনৰৱ,উৰা-বাতৰি, হুনুবাৰ্তা (৩)
১৬। যজ্ঞৰ অনল,হোমৰ জুই (৩)
১৮। অংকত যিটো ৰাশিৰে আন এটা ৰাশিক ভাগ কৰা হয় (৩)
২০। নিৰ্দিষ্ট মূল্যৰ বিনিময়ত নিৰ্দিষ্ট পৰিমাণৰ কাম কৰি দিয়াৰ চুক্তি বা বন্দৱস্ত (২)
২১। সাধু বা সভ্য সমাজৰ উপযুক্ত নোহোৱা অশিষ্ট আচৰণ (৩)
২৩। পকা কাঠত বা জেকা ঠাইত হোৱা কাঠফুলা (২)
২৫। এবিধ সক্ৰিয় ধাতৱ মৌল, দস্তাৰ ৰাসায়নিক নাম (৩)
২৬। বৰ্ষ, বছৰৰ প্ৰথম মাহৰ পৰা শেষ মাহ পৰ্য্যন্ত সময় (২)
২৮। আমাৰ দেশৰ কাগজী মুদ্ৰা, বিহুগীতৰ এবিধ বাদ্য (২)

উত্তৰ অহা সংখ্যাত

২৫ নবেম্বৰ ২০২১ সংখ্যাৰ উত্তৰ ঃ

পথালিয়ে ঃ ১। টোলোঠা ৩। খাদিম ৫। চাফা ৭। মঞ্জীৰ ৮। নামী ১০। ওকোল ১১। কাৰা ১২। নট ১৪। কাচি ১৫। কাম ১৬। ফালি ১৭। ডুবি ১৯। লগি ২১। চাঙী ২২। খৰিচা ২৪। দাতা ২৬। খামিৰা ২৭। বিপ্ৰ ২৯। ছনেট ৩০। ভুজিয়া

থিয়কৈ ঃ ১। টোকোনা ২। ঠাচা ৩। খাৰ ৪। মন্থৰা ৬। ফাও ৭। মলমা ৯। মীন ১১। কাৰ্দম ১৩। টকালি ১৫। কাবিল ১৬। ফালেঙী ১৮। আখৰা ২০। গিদা ২১। চাৰ্কাছ ২৩। চাবি ২৫। তাজিয়া ২৬। খাট ২৮। প্ৰভু

দৈনিক অগ্ৰদূত

গুৱাহাটী ২৬ নৱেম্বৰ, ২০২১ শুকুৰবাৰ পৃষ্ঠা তিনি

সংগঠন শক্তিশালী কৰাটোৱে প্ৰত্যেক বিজেপি কৰ্মীৰ ধৰ্ম ঃ মুখ্যমন্ত্ৰী

বঙাইগাঁৱত একাধিক কাৰ্যসূচীত অংশ ল'লে মুখ্যমন্ত্ৰীয়ে

অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা

বঙাইগাঁও/কাজলগাঁও, ২৫ নৱেম্বৰ ঃ 'বঙাইগাঁওবাসী ৰাইজে মোৰ লগতে মন্ত্ৰী পৰিষদ, দলৰ কৰ্মকৰ্তাসকলক মৰম আৰু আতিথ্য দিয়াৰ বাবে মই কৃতজ্ঞতা জনাইছো। সংগঠন শক্তিশালী কৰাটোৱেই হৈছে প্ৰত্যেক বিজেপি কৰ্মীৰ ধৰ্ম আৰু ৰাজ্যখনত *ছয় পৃষ্ঠাত চাওক*

প্ৰশ্নকাকত ফাদিল ঃ মৰিগাঁৱত বাতিল হ'ল নৱম-দশম শ্ৰেণীৰ পৰীক্ষা

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ২৫ নৱেম্বৰ ঃ মৰিগাঁও জিলাত আজি অনুষ্ঠিত হ'বলগীয়া নৱম আৰু দশম শ্ৰেণীৰ ছমহীয়া পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ ফলস্বৰূপে পৰীক্ষা বাতিল কৰিবলগীয়া হোৱা অবাঞ্চিত ঘটনাই শৈক্ষিক সমাজৰ লগতে শিক্ষাৰ্থীসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ক'ভিড পৰিস্থিতিয়ে দুটাকৈ বৰ্ষত সৃষ্টি কৰা বেমেজালিৰ পাছত মৰিগাঁৱত শিক্ষা বিভাগে নৱম আৰু দশম শ্ৰেণীৰ সমাজ বিজ্ঞান বিষয়ৰ পৰীক্ষা অনুষ্ঠিত কৰিছিল যদিও প্ৰশ্নকাকত ফাদিল হোৱাৰ পৰিপ্ৰেক্ষিতত সেয়া বাতিল কৰিবলগীয়া হয়। উল্লেখ্য যে আজি মৰিগাঁৱত অনুষ্ঠিত হোৱা নৱম আৰু দশম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ প্ৰশ্নকাকত পুৰাতেই *ছয় পৃষ্ঠাত চাওক*

ছাত্ৰীক অশ্লীল ইংগিত দিয়া অধ্যাপকক গ্ৰেপ্তাৰৰ দাবীত উত্তাল গোসাঁইগাঁও মহাবিদ্যালয়

■ অধ্যক্ষৰ আশ্বাসত সাময়িকভাৱে স্থগিত প্ৰতিবাদ ■

অভিযুক্ত জয়নালে ব্যৱহাৰ কৰা ছিম কাৰ্ডৰ গৰাকীক গ্ৰেপ্তাৰ

PROTEST AGAINST
PROF. JOYNAL ABEDIN
FOR SEXUAL HARASSMENT
WE WANT JUSTICE

অগ্ৰদূত বাৰ্তা

গোসাঁইগাঁও/শ্ৰীৰামপুৰ/দোতমা, ২৫ নৱেম্বৰ ঃ অধ্যাপকে ছাত্ৰীক অশ্লীল ইংগিত দিয়াৰ প্ৰতিবাদত আজিও উত্তাল পৰিৱেশৰ সৃষ্টি হয় গোসাঁইগাঁও মহাবিদ্যালয়ত। অভিযুক্ত অধ্যাপক জয়নাল আবেদীনক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ লগতে শীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দাবী জনায়। অৱশ্যে মহাবিদ্যালয়ৰ অধ্যক্ষৰ বুজনিত ছাত্ৰ-ছাত্ৰীসকলে সাময়িকভাৱে প্ৰতিবাদী কাৰ্যসূচী স্থগিত ৰাখে। ইপিনে, অভিযুক্ত অধ্যাপকজনে ভুক্তভোগী ছাত্ৰীগৰাকীলৈ ফোন কৰাত ব্যৱহাৰ কৰা ম'বাইলৰ ছিম কাৰ্ডখনৰ গৰাকীজনক আৰক্ষীয়ে *ছয় পৃষ্ঠাত চাওক*

সোঁতৰ বিপৰীতে



■ এন আৰ চি প্ৰক্ৰিয়া সম্পূৰ্ণৰ দাবীত তামুলপুৰত এবিএমছুৰ ধৰ্ণা ■ হাৰাশাস্তি বন্ধ কৰিবলৈ আহ্বান

ভাৰতীয়ক বিদেশী সজোৱাৰ ষড়যন্ত্ৰ বন্ধৰ দাবী

Start the Appeal Process for persons excluded from NRC
BORDER POLICE, ASSAM IS THE MACHINE TO MAKE INDIAN CITIZENS STATELESS

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ২৫ নৱেম্বৰ ঃ প্ৰকৃত সংখ্যালঘু ভাৰতীয় নাগৰিকক সীমান্ত আৰক্ষী আৰু বিদেশী ন্যায়াধিকৰণে বিদেশী সজোৱাৰ ষড়যন্ত্ৰ বন্ধ আৰু এন আৰ চি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ দাবীত বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এ বি এম ছুৱে কেন্দ্ৰীয়ভাৱে আজি তামুলপুৰ জিলা সমিতিৰ সহযোগত তামুলপুৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সন্মুখত পুৱা ১১ বজাৰ পৰা তিনিঘন্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। সহস্ৰাধিক ধৰ্মীয় সংখ্যালঘু ৰাইজৰ উপস্থিতিত ৰূপায়িত তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীত উপস্থিত থকা প্ৰতিবাদকাৰীসকলে 'এবিএমছু জিন্দাবাদ, প্ৰকৃত ভাৰতীয় নাগৰিকক সীমান্ত আৰক্ষী আৰু বিদেশী ন্যায়াধিকৰণে বিদেশী সজোৱাৰ ষড়যন্ত্ৰ বন্ধ কৰক, এন আৰ চি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰক, ডি ভোটাৰৰ অত্যাচাৰ বন্ধ কৰক, অসম আৰক্ষী, সীমান্ত আৰক্ষী মুৰ্দাবাদ, ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান কৰক, আমাৰ দাবী ন্যায্য দাবী, অসম চৰকাৰ হায় হায়' আদি শ্ল'গান দি ধৰ্ণাথলী উত্তাল কৰে। ইপিনে, ধৰ্ণাথলীত এবিএমছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক টাইছন হুছেইনে অংশগ্ৰহণ কৰি কয়, 'সমগ্ৰ অসমতেই সীমান্ত আৰক্ষী আৰু বিদেশী ন্যায়াধিকৰণে সম্পূৰ্ণ ষড়যন্ত্ৰমূলকভাৱে চৰকাৰৰ পৃষ্ঠপোষকতাত প্ৰকৃত ভাৰতীয় নাগৰিকক বিদেশীৰ নামত ৰাষ্ট্ৰহীন নাগৰিক সজাইছে। সমগ্ৰ অসমতেই সম্পূৰ্ণ অন্যায়ভাৱে কোনো ধৰণৰ তদন্ত অবিহনে প্ৰকৃত ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে সীমান্ত আৰক্ষীয়ে বিদেশীৰ নামত ভুৱা গোচৰ ৰুজু কৰি বিদেশী ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰি আহিছে। বিদেশী ন্যায়াধিকৰণে বেছিভাগ ক্ষেত্ৰতে প্ৰকৃত ভাৰতীয় নাগৰিকক ত্ৰুটিপূৰ্ণভাৱে বিদেশী বুলি ঘোষণা কৰিছে। ফলত হেজাৰ হেজাৰ ভাৰতীয় নাগৰিক বিদেশীৰ নামত ৰাষ্ট্ৰহীনত পৰিণত হৈছে। আনকি বহুতো ভাৰতীয় নাগৰিকে ডিটেনছন কেম্প বা ট্ৰেনজিত কেম্পত বন্দিত্ব জীৱন কটাবলগীয়া হৈছে। মুছলিম মণ্ডল বনাম অসম ৰাজ্য গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায় অনুসৰি সীমান্ত আৰক্ষীয়ে তদন্তৰ ক্ষেত্ৰত পালন কৰিবলগীয়া নীতি-নিয়মসমূহ কেতিয়াও পালন কৰা নাই বুলি হুছেইনে অভিযোগ উত্থাপন কৰে। বিভিন্ন সময়ত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ বিদেশী চিনাক্তকৰণৰ বিদেশী ন্যায়াধিকৰণ ব্যৱস্থাৰ বিভিন্ন ত্ৰুটিৰ কথা তথ্যসহ উন্মোচিত হোৱাৰ পাছতো চৰকাৰ-কৰ্তৃপক্ষই নাগৰিকত্ব নিৰ্ধাৰণৰ দৰে এই গুৰুত্বপূৰ্ণ *ছয় পৃষ্ঠাত চাওক*

হৰিশিঙা ৰাস মহোৎসৱৰ সামৰণি

বিশেষ সংবাদদাতা

ওদালগুৰি, ২৫ নৱেম্বৰ ঃ যোৱা ১৯ নৱেম্বৰৰ পৰা ছয়দিনীয়া কাৰ্যসূচীৰে হৰিশিঙা ৰাস ময়দানত অনুষ্ঠিত হৰিশিঙা ৰাস মহোৎসৱৰ কালি সামৰণি পৰে। ক'ভিড-১৯ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পূৰ্বতকৈ কিছু অনুষ্টুপীয়াকৈ অনুষ্ঠিত ৰাস মহোৎসৱৰ স'তে সংগতি ৰাখি উদ্‌যাপন সমিতিয়ে একক নৃত্য প্ৰতিযোগিতা, দলীয় নৃত্য প্ৰতিযোগিতা, আইসকলৰ নাম-প্ৰসংগ অনুষ্ঠিত কৰে। প্ৰথমদিনা ৰাস মহোৎসৱৰ মুখ্যদ্বাৰ মুকলি কৰে বিটিআৰৰ উপমুখ্য কাৰ্যবাহী সদস্য তথা ওদালগুৰি বিধানসভা সমষ্টিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে। আনহাতে, বন্তি প্ৰজ্বলন কৰি *ছয় পৃষ্ঠাত চাওক*

চমুখা আঞ্চলিক এম ই মাদ্ৰাছা হাইস্কুলৰ শিক্ষকৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ২৫ নৱেম্বৰ ঃ পশ্চিম বড়িগোগ মৌজাৰ অন্তৰ্গত চমুখা আঞ্চলিক এম ই মাদ্ৰাছা হাইস্কুলৰ শিক্ষক আলতাফ হুছেইন (৫৫)ই যোৱা নিশা এক নম্বৰ ধুহিৰ নিজা বাসভৱনৰ পাছফালে গছত চিপ লৈ আত্মহত্যা কৰে। অবিবাহিত শিক্ষকজনে কি কাৰণত আত্মহত্যা কৰে সেয়া জানিব পৰা হোৱা নাই। পাছত কঞা থানাৰ আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। তেওঁৰ মৃত্যুত চমুখা আঞ্চলিক এম ই মাদ্ৰাছা হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ লগতে পৰিচালনা সমিতি চমুখা আঞ্চলিক ঈদগাহ সমিতি, চমুখা অৰ্ধসাপ্তাহিক *ছয় পৃষ্ঠাত চাওক*

■ কোচ ৰাজবংশী জাতীয় পৰিষদক মুখ্যমন্ত্ৰীৰ আশ্বাস ■ বিশ্ববিদ্যালয়-অভিযান্ত্ৰিক মহাবিদ্যালয় নামকৰণৰ বাবে বিধায়ক ফণীভূষণ চৌধুৰীক দায়িত্ব ■ চিকিৎসা মহাবিদ্যালয়ৰ নাম হ'ব বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়

সমষ্টি নিৰ্ধাৰণ হ'লেই কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ২৫ নৱেম্বৰ ঃ বঙাইগাঁও আৰ্ত ভৱনত যোৱা নিশা কোচ ৰাজবংশী জাতীয় পৰিষদৰ এটি প্ৰতিনিধি দলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে বৈঠকত হয় আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় সমস্যা সমাধানৰ বাবে আলোচনা কৰে। মন্ত্ৰী পীযুষ হাজৰিকা আৰু বঙাইগাঁৱৰ বিধায়ক ফণীভূষণ চৌধুৰী উপস্থিত থকা আলোচনাত মুখ্য স্থান পায় কমতাপুৰ ৰাজ্যৰ দাবীটোৱে। প্ৰধানমন্ত্ৰী নতুবা কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত নতুন দিল্লীত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰি ৰাজনৈতিকভাৱে সমাধান কৰা, অচিৰেই কোচ ৰাজবংশীসকলক জনজাতিকৰণৰ মৰ্যাদা দিয়া, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰা বিষয়তো আলোচনা হয়। আজি বিজনী চহৰত অনুষ্ঠিত কৰা এক সংবাদমেলযোগে পৰিষদে জনায় যে মুখ্যমন্ত্ৰীয়ে কোচ ৰাজবংশী জাতীয় পৰিষদৰ দাবীক সন্মান জনাই বঙাইগাঁও মহাবিদ্যালয়ক উন্নীতকৰণ কৰি বিশ্ববিদ্যালয়ৰূপে গঢ়ি তোলা, প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু চিলাৰায় আন্তঃদ্বাৰ ষ্টেডিয়ামৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে অসম চৰকাৰে কেবা কোটি টকা আৰ্থিক বৰঙণি আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু বঙাইগাঁৱৰ বিধায়ক চৌধুৰীক ধন্যবাদ জ্ঞাপন কৰি পৰিষদে *ছয় পৃষ্ঠাত চাওক*

শক্তি আশ্ৰমত কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ দশম স্মৃতি দিৱসৰ আয়োজন

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ২৫ নৱেম্বৰ ঃ কোচ-ৰাজবংশী সাহিত্য সভাৰ উদ্যোগত অহা চাৰি ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে কোকৰাঝাৰ জিলাৰ শক্তি আশ্ৰমস্থিত সাহিত্য সভা ভৱনত কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ দশম সংখ্যক স্মৃতি দিৱস উদ্‌যাপন কৰা হ'ব। উক্ত স্মৃতি দিৱস পৰিচালনাৰ বাবে ইতিমধ্যে মনীন্দ্ৰ চন্দ্ৰ দাসক সভাপতি আৰু ড° মানিক সিংহক সম্পাদকৰূপে লৈ এখন অভ্যৰ্থনা কমিটী গঠন কৰা হৈছে। কাৰ্যসূচী মতে, সিদিনা পুৱা কোচ ৰাজবংশী সাহিত্য সভাৰ পতাকা *ছয় পৃষ্ঠাত চাওক*

■ভৌতিক কাণ্ড বুলি প্ৰতিষ্ঠা কৰাৰ চেষ্টা একাংশৰ ■ দুষ্কৃতিকাৰীৰ কাণ্ডত অঞ্চলজুৰি সন্ত্ৰাসৰ সৃষ্টি

তেজপুৰত এটা পৰিয়ালৰ বাসগৃহত শিল-ইটা বৰ্ষণ

অগ্ৰদূত বাৰ্তা

তেজপুৰ, ২৫ নৱেম্বৰ ঃ তেজপুৰৰ ঢেকিয়াল গাঁৱৰ জ্যোতিনগৰত কালি দিনৰ পৰা আৰম্ভ হোৱা শিল, ভঙা ইটা নিক্ষেপৰ ঘটনাক লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তেজপুৰৰ চহৰৰ গাতে লাগি থকা এই অঞ্চলটোৰ বিপিন দাস নামৰ লোকজনৰ চোতালত কালি দিনৰ প্ৰায় ১২-৩০ বজাৰ পৰা আৰম্ভ হয় এই ঘটনা। অজ্ঞাত স্থানৰ পৰা আহি পৰিয়ালটোৰ চোতাল তথা কাষৰ পৰিয়ালৰ ঘৰৰ দুৱাৰত উফৰি পৰেহি যথেষ্ট ডাঙৰ আকৃতিৰ পাথৰ আৰু ইটাৰ টুকুৰা। এনেকৈ উফৰি পৰা শিলে পথেদি গৈ থকা এগৰাকী যুৱতীৰ ভৰিতো আঘাত কৰে। এই ঘটনাই স্বাভাৱিকতে অঞ্চলটোত হাহাকাৰ সৃষ্টি কৰে। উল্লেখ্য যে কালি দুপৰীয়াৰ পৰা আৰম্ভ হোৱা এই শিলাবৰ্ষণ প্ৰায় দুই বজালৈকে চলাৰ পাছত শাম কাটে যদিও পুনৰ বিয়লি তিনিমান বজাৰ পৰা আৰম্ভ হয়। সেইবাৰ এই ঘটনা সন্ধিয়া প্ৰায় ছয় বজালৈকে চলে। নিশা পুনৰ ১০ বজাত এই ঘটনাৰ পুনৰাবৃত্তি ঘটে নিশা ১২বজা পৰ্যন্ত। এনে নাভূত- নাশ্ৰুত কাণ্ডত পৰিয়ালটো আতংকিত হৈ পৰে। দৰিদ্ৰ সীমাৰেখাৰ তলৰ *ছয় পৃষ্ঠাত চাওক*

বিটিচি সচিবালয়ত বড়োলেণ্ড কল্যাণ বিভাগৰে বিটিচি কৰ্তৃপক্ষৰ পৰ্যালোচনা সভা

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ২৫ নৱেম্বৰ ঃ কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু বড়ো আন্দোলনৰ সংগ্ৰামী সংগঠনসমূহৰে বিগত ২০২০ৰ ২৭ জানুৱাৰীত স্বাক্ষৰিত হোৱা ঐতিহাসিক *ছয় পৃষ্ঠাত চাওক*

■ পুনৰ প্ৰাণ পাই উঠিছে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰ্যটন ক্ষেত্ৰ

ক'ভিড শংকামুক্ত হৈ সোঁত বৈছে দেশী-বিদেশী পৰ্যটকৰ

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৫ নৱেম্বৰ ঃ ক'ভিডসৃষ্ট পৰিৱেশে সমগ্ৰ দেশৰ লগতে ৰাজ্যখনৰ জনজীৱন প্ৰায় স্তব্ধ কৰি পেলোৱাৰ উপক্ৰম হোৱাৰ পাছতো বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানে পৰ্যটন উদ্যোগটোৰ স'তে প্ৰকৃতিপ্ৰেমীসকললৈ লৈ আহিছে এক আশাৰ বতৰা। যোৱা তিনি মে'ৰ পৰা ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে পৰ্যটকসকলৰ বাবে উদ্যানখন সম্পূৰ্ণৰূপে বন্ধ থকাৰ পাছত পুনৰ পহিলা অক্টোবৰত চৰকাৰী নিৰ্দেশ অনুযায়ী উদ্যানখন পৰ্যটকৰ বাবে পুনৰ মুকলি কৰি দিয়া হৈছিল। কিন্তু পৰ্যটকৰ আগমনক লৈ বহুতৰে মনত থকা আশংকাক অমূলক প্ৰতিপন্ন কৰি চলিত বৰ্ষত অক্টোবৰত ৰাষ্ট্ৰীয় উদ্যানখনলৈ কৰা পৰ্যটকসকলৰ আশানুৰূপ আগমনে উদ্যানখনৰ *ছয় পৃষ্ঠাত চাওক*

বজালী জিলা পৰিদৰ্শন মন্ত্ৰী কেশৱ মহন্তৰ

বিশেষ সংবাদদাতা

পাঠশালা, ২৫ নৱেম্বৰ ঃ ৰাজধানীৰ বাহিৰত দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত কেবিনেট বৈঠক বঙাইগাঁও জিলাত সমাপ্ত হোৱাৰ পাছত মুখ্যমন্ত্ৰীৰ নিৰ্দেশত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আজি পৰিদৰ্শন কৰে বজালী জিলা। ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ আৰু বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীক লগত লৈ মন্ত্ৰীজনে পৰিদৰ্শন কৰে জিলাখনৰ কে'বাটাও স্থান। বিভিন্ন স্থানৰ হিতাধিকাৰী ব্যক্তিক লগ লাগি মন্ত্ৰীজনে অৰুণোদয় আঁচনি আৰু বিভিন্ন পেঞ্চন আঁচনিৰ ধন সময়মতে লাভ কৰিছেনে নাই আৰু অন্য কিবা *ছয় পৃষ্ঠাত চাওক*

■ কৃতিত্ব অৰ্জন কৰাৰ পিছত পাঠশালাৰ নিজগৃহত উপস্থিত বৰ্ণালী দাস■ কৃষ্ণকান্ত সন্দিকৈ জুনিয়ৰ কলেজে উষ্ম সম্বৰ্ধনা জনালে প্ৰাক্তন ছাত্ৰীক■ কাষত পাই উৎফুল্লিত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী

জুনিয়ৰ কলেজৰ
বিশিষ্ট বিজ্ঞানী
ড° বৰ্ণালী দাস

দুটা দশকৰ বিজ্ঞানী মহলৰ ভুল ধাৰণা দূৰ কৰিলে অসম-কন্যাৰ গৱেষণাই

বিশেষ সংবাদদাতা

পাঠশালা, ২৫ নৱেম্বৰ ঃ বজালীৰ জীয়ৰী বৰ্ণালী দাসৰ কৃতিত্বই গৌৰৱান্বিত কৰিছে সমগ্ৰ অসমবাসীক । পুনেস্থিত টাটা ইনষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিচাৰ্হত গৱেষণা কৰি বৰ্ণালীয়ে সূৰ্যতকৈ ডাঙৰ, অতি উষ্ণ আৰু বৃহৎ চুম্বকীয় ক্ষেত্ৰৰ অধিকাৰী আঠটাকৈ তৰাৰ ৰহস্য তথা বৈশিষ্ট্যৰ সন্ধান উলিয়াবলৈ সক্ষম হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত স্থান *ছয় পৃষ্ঠাত চাওক*

স্বয়ম্ভূ অধ্যক্ষ জাকিৰ হুছেইন ভূএগ্ৰাৰ বিৰুদ্ধে অভিযোগ কৃষক শ্ৰমিক উন্নয়ন পৰিষদৰ

সত্ৰৰ মাটি বেদখলেৰে অট্টালিকা নিৰ্মাণ নগাঁৱৰ এছ আৰ কে কনিষ্ঠ মহাবিদ্যালয়ৰ

গুৱাহাটী, ২৫ নৱেম্বৰ ঃ সত্ৰৰ ভূমি বেদখলকাৰীৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কঠোৰ স্থিতি গ্ৰহণ কৰি অহাৰ মাজতে নগাঁৱত মাটি দখলেৰে অট্টালিকা নিৰ্মাণ কৰিলে এখন কনিষ্ঠ মহাবিদ্যালয়ৰ স্বয়ম্ভূ অধ্যক্ষই। এই অভিযোগ উত্থাপন কৰিছে কৃষক শ্ৰমিক উন্নয়ন পৰিষদ, অসমে। এক বিবৃতিত পৰিষদৰ মুখ্য উপদেষ্টা প্ৰদীপ কলিতাই উল্লেখ কৰে যে নগাঁও জিলাৰ আউনীআটি সত্ৰৰ অধীনস্থ সদৰ ৰাজহ চক্ৰৰ নিজৰ চহৰ মৌজাৰ কচলুখোৱা কিছামতৰ ৩২ নম্বৰ দাগৰ অংশ নগাঁও ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ কনিষ্ঠ মহাবিদ্যালয়ৰ স্বয়ম্ভূ অধ্যক্ষ জাকিৰ হুছেইন ভূএগ্ৰাই বেদখল কৰি নীতিবহিৰ্ভূতভাৱে বৃহৎ অট্টালিকা নিৰ্মাণ কৰিছে। উল্লেখ্য যে এইজন লোকৰ ছত্ৰছায়াতে নিজৰ আত্মীয়-স্বজনৰ লগতে ১১০টা পৰিয়ালৰ পৰা বহু লাখ টকাৰ সংগ্ৰহৰে ৮৮,৯৫,৬৮,৬৭, ৩৩, ৩৪, ৩৫, ৩২, ৯২, ১০০, ৯৮, ৯৯, ৯৬, ৯৪, ৯০, ৮৯, ৯৭, ৯৩, ৯১, ৩০, ২৯, ৩১ আৰু ২৮ নম্বৰ দাসৰ মুঠ ৪৯ বিঘা এক কঠা চাৰি লেচা মাটি অবৈধভাৱে বেদখল কৰা পকী বাসগৃহ নিৰ্মাণেৰে জীৱন নিৰ্বাহ কৰি থকাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে এই সকলো তথ্য আৰ টি আইৰ জৰিয়তে পোহৰলৈ আনিছে পৰিষদৰ প্ৰাক্তন সভাপতি প্ৰদীপ কলিতাই। কলিতাই কয় যে স্বয়ম্ভূ অধ্যক্ষ হুছেইন ভূএগ্ৰাৰ দ্বাৰা সত্ৰৰ ভূমি বেদখল আৰু বেদখলকাৰীক উৎসাহ যোগোৱা সমস্ত তথ্য লৈ শীঘ্ৰে কাষ চাপিব মুখ্যমন্ত্ৰী তদাৰকী শাখাৰ।

■ ১১৮ বছৰীয়া ঐতিহ্যমণ্ডিত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচুপনি ■ অধ্যক্ষ, ১০ বিষয় শিক্ষকক ধৰি ৩৩ পদ খালী ■ কংগ্ৰেছৰ লেখীয়াকৈ বিজেপি চৰকাৰৰো নাই গুৰুত্ব ■ উপায়ুক্ত-পৰিদৰ্শকৰো নপৰে পদধূলা ■ আছুও নিৰ্বিকাৰ

ভাড়াতীয়া শিক্ষক-শিক্ষয়িত্ৰীৰে চলিছে বিদ্যালয়

অগ্ৰদূত বাৰ্তা

মঙলদৈ, ২৫ নৱেম্বৰ ঃ দৰং জিলাৰ ১১৮ বছৰীয়া ঐতিহ্যৰে মহিমামণ্ডিত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰচ'ৰাত চলিছে উচুপনি। এই মৰ্মবেদনা আজিলৈ চৰকাৰী পক্ষই অনুভৱ নকৰাত ক্ষোভৰ বহিঃপ্ৰকাশ ঘটিছে শিক্ষানুষ্ঠানখনৰ ভিতৰচ'ৰাত। শিক্ষানুষ্ঠানখনৰ শিক্ষক, প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীয়ে মুকলিকৈ বিভিন্ন মাধ্যমত অসন্তুষ্টি প্ৰকাশ কৰিছে। ১৯০৩ত স্থাপিত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খনত ২০১২ৰ পৰা স্থায়ী অধ্যক্ষ নথকাত প্ৰশাসনিক দিশটো সোলোক-ঢোলোক হৈ পৰিছে। কোনেও কাৰো কথা নুশুনাৰ পৰিৱেশ সৃষ্টি হৈছে। কোন শিক্ষক- শিক্ষয়িত্ৰী কেতিয়া আহিছে, গৈছে কেতিয়া তাৰো কোনো যেন চাওতা নাই। এই লৈ শিক্ষানুষ্ঠানখনৰ নিষ্ঠাৱান শিক্ষক-শিক্ষয়িত্ৰীসকল সৰৱ হৈ পৰিছে। উচ্চতৰ মাধ্যমিক খণ্ডত কলা, বিজ্ঞান আৰু বৃত্তিমূলক এই তিনিটা শাখা থকা এই শিক্ষানুষ্ঠানখনত ১০ টা বিষয় শিক্ষকৰ পদ দীৰ্ঘদিন ধৰি খালী হৈ আছে। *ছয় পৃষ্ঠাত চাওক*

আঁচনিসহ আবণ্টিত ধনৰ বিৱৰণৰ বিপৰীতে পথৰ কাষত উকা নামফলক- পথ নহয়-মৰণফান্দহে

টাপাট্টাৰী উন্নয়ন খণ্ডৰ সন্তোষপুৰ-ডুমেৰগুৰী পঞ্চায়তত সভাপতি-সচিবৰ লুণ্ঠন

অগ্ৰদূত বাৰ্তা,

অভয়াপুৰী, ২৫ নৱেম্বৰ ঃ গ্ৰামোন্নয়ন বিভাগে প্ৰতিখন পঞ্চায়ত অঞ্চলত প্ৰতিটো বিত্তীয় বৰ্ষত এম জি এনৰেগা, চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত কোটি কোটি টকা আবন্টন দি আহিছে যদিও আবণ্টিত ধনৰ সিংহভাগেই লুণ্ঠন হোৱাত গ্ৰামাঞ্চলৰ উন্নয়ন স্থবিৰ হৈ আছে। আন আন পঞ্চায়তৰ দৰে বঙাইগাঁও জিলাৰ টাপাট্টাৰী উন্নয়ন খণ্ডৰ অধীনস্থ একাংশ পঞ্চায়তত‌ো জনপ্ৰতিনিধি, সচিব, অভিযন্তা, কনিষ্ঠ অভিযন্তাই লুণ্ঠন চলোৱাৰ বাবে গাঁৱৰ সমস্যা সমস্যা হৈয়ে আছে। উন্নয়ন খণ্ডটোৰ অন্তৰ্গত সন্তোষপুৰ- ডুমেৰগুৰী পঞ্চায়ততো বিভিন্ন আঁচনিৰ অধীনত কোটি কোটি টকা আবন্টন হৈ আহিছে যদিও পঞ্চায়ত সভাপতি, সচিবৰ বিৰুদ্ধে সততে ধন লুণ্ঠনৰ অভিযোগ উত্থাপিত *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্রদূত

গুৱাহাটী শুকুৰবাৰ ৯ আঘোণ ১৪২৮ ভাস্কৰাব্দ ২৬ নৱেম্বৰ ২০২১

আন্তৰিকতা নে হুজুগ?

সমাজপ্ৰিয় মানুহে কেৱল নিজক লৈয়ে সন্তুষ্ট হৈ থাকিব নোৱাৰে আৰু তেনে ধাৰণাৰ আধাৰতে সুষম সমাজ তথা জাতিৰ পটভূমি গঢ়ি উঠে। বিভিন্ন জনগোষ্ঠীৰ বাসভূমি উত্তৰ-পূব ভাৰতৰ জনগণৰ মাজত শ্ৰীমন্ত শংকৰদেৱৰ বাণীৰ প্ৰাসংগিকতাই সৰ্বাধিক। দৰাচলতে আমি নিজৰ স্বাৰ্থ পূৰণৰ বাবেই সামাজিক অথবা জাতিগত বিকাশৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। মানুহে কেৱল নিজৰ পৈতৃক নামটোৰে চিনাকি দিয়েই সন্তুষ্ট নহয়। ফলস্বৰূপে ভিন্নজনে জাৰ্মান, ফৰাছী, ইংৰাজ, সিংহলী, ভাৰতীয়, অসমীয়া, বাঙালী আদি হিচাপে চিনাকি দিবলৈ বিচৰাই কেৱল নহয়, জাতীয় আদৰ্শৰ বাবেই মানৱ জাতিয়ে দুখনকৈ মহাসমৰ আৰু অলেখ সমৰৰ সন্মুখীন হ'ব লগা হৈছে। কোনো কোনো মনীষীয়ে জাতীয়তাবাদক নস্যাৎ কৰিবলৈ গৈও সফল হৈছে বুলি ক'ব নোৱাৰি। মানুহে জাতীয় স্বাৰ্থত সা-সম্পত্তিয়েই কেৱল নহয়, নিজৰ প্ৰাণ উছৰ্গা দিবলৈকো কুণ্ঠাবোধ নকৰে। সেয়েহে জাতীয় ঐক্যৰ বাণী স্ব-মহিমাৰে উজ্জ্বল হৈ আহিছে।

এইটো অনস্বীকাৰ্য যে জাতি-প্ৰেমৰ তাড়নাতেই বহু যুৱক-যুৱতীয়ে অমূল্য প্ৰাণ দি ছহিদ হোৱাৰ উপৰি অসংখ্য লোকে সা-সম্পত্তি হেৰুৱাব লগা হৈছে। যদি সিয়েই হয়, তেন্তে অসমীয়াৰ জাতিপ্ৰেমৰ দুৰ্বলতা কোনখিনিত? দৰাচলতে হঠাতে তেনেদৰে জাতিপ্ৰেম জাগি উঠাৰ আঁৰত যুক্তিতকৈ হুজুগেহে বেছি ক্ৰিয়া কৰিছে। হুজুগ সৃষ্টিৰে প্ৰাণ আহুতি দিয়াটোকে জাতিপ্ৰেম নুবুজায়।

অসমীয়া জাতিৰ চাৰিত্ৰিক বৈশিষ্ট্য মূলতঃ ভাষা-সাহিত্যৰ ওপৰত নিৰ্ভৰশীল। অসমীয়াসকলে মাতৃভাষাক ভাল পায় বুলি দাবী কৰে আৰু অসম সাহিত্য সভাৰ বিয়াগোম অধিবেশনেই তাৰ স্বাক্ষৰ বহন কৰে বুলি কৈ অহা হৈছে। কিন্তু বহুতে অসম সাহিত্য সভাৰ মেলামুখিতাক হুজুগ বুলিয়ে গণ্য কৰি আহিছে। আনকি সাহিত্য সভাৰ বিষয়ববীয়াসকলৰ সতি-সন্ততিয়ে মাতৃভাষাৰ বিদ্যালয়ত অধ্যয়নৰ পৰা বিৰত থকাৰ অভিযোগ উঠি আহিছে। সাহিত্য সভাৰ বিষয়ববীয়াই ধন আত্মসাৎ কৰাৰ অভিযোগো প্ৰায়েই শুনিবলৈ পোৱা যায়। তেন্তে ভাষা-সাহিত্যৰ প্ৰতি থকা আন্তৰিকতাৰ প্ৰমাণ ক'ত? হুজুগৰ বাবেই সাহিত্য সভাৰ প্ৰতি এই আকৰ্ষণ নেকি? তেনেদৰেই ৰঙালী বিহুক জাতীয় উৎসৱৰ আখ্যা দি উলহ-মালহেৰে পালন কৰা হয় বিষয়ববীয়াসকলৰ নিজৰ জেপৰ ধনেৰে নহয়। বিহু উৎসৱৰ বাবে নানা হেঁচা প্ৰয়োগ কৰি বিভিন্নজনৰ পৰা বৰঙণি আদায় কৰা হয় আৰু সেই ধনৰ কিয়দংশ আত্মসাৎ কৰা হয় বুলিও সময়ে সময়ে অভিযোগ উত্থাপিত হৈ আহিছে। কিন্তু অসমত থকা ৰাজস্থানী, বিহাৰী, পঞ্জাৱী, বাঙালী আদি সম্প্ৰদায়ৰ লোকে তেওঁলোকৰ জাতীয় উৎসৱ পালনৰ উদ্দেশ্যে অসমীয়াৰ পৰা ধন বিচৰা দেখা নাযায়। একেদৰে অসমীয়াৰ জাতীয় সাজপাৰ, নিজস্ব খাদ্য সম্ভাৰ আদিৰ প্ৰতি অনীহা প্ৰকাশ কৰিবলৈ লোৱা দেখা গৈছে; অথচ এই সকলোবোৰেই উচ্চ গুণসম্পন্ন সামগ্ৰী। অসমীয়াই জাতীয় প্ৰেমৰ আচল নিদৰ্শন দাঙি ধৰিবলৈ হ'লে আন্তৰিকতাৰে নিজৰ ভাষা-সাহিত্যৰ লগতে সাজপাৰ, খাদ্য সম্ভাৰ আৰু নিজস্ব উৎসৱসমূহৰ পৱিত্ৰতা ৰক্ষা কৰি স্বকীয়তা দাঙি ধৰিব লাগিব। এই সকলোৰে ওপৰত অৱস্থান কৰিছে স্বাভিমানে। আনৰ প্ৰতি যথোচিত মৰ্যাদা প্ৰদৰ্শন কৰিও নিজস্ব জাতীয় বৈশিষ্ট্যসমূহক লৈ গৰ্ব কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। তাৰ বাবে সৎ আৰু যুক্তিনিৰ্ভৰ হ'ব লাগিব। তথাকথিত সস্তীয়া হুজুগ বিসৰ্জন দি আত্মনিৰ্ভৰশীল হোৱাৰ তাড়নাৰ ওপৰতে প্ৰকৃত স্বদেশপ্ৰেম নিৰ্ভৰ কৰে। আমদানিকৃত সামগ্ৰীৰে পেট পূৰাই জাতিৰ নাম লৈ ডকা-হকা দি আনৰ পৰা ধন সংগ্ৰহ কৰি স্বদেশ প্ৰেমৰ ধ্বনি দিয়াটো প্ৰকৃত দেশপ্ৰেম নহয়, ই চূড়ান্ত ভণ্ডামিহে। বিদেশী বিতাড়নৰ নামত হুজুগৰ মাজেদি অহা ছাত্ৰ নেতাসকলে আঞ্চলিক দল গঠন কৰি কিদৰে অসমবাসীক প্ৰতাৰণা কৰিলে তাক নতুনকৈ ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। হুজুগৰ অন্ত পেলাই নিস্বাৰ্থ স্বদেশপ্ৰেম আৰু যুক্তিৰ বাটেৰে দৃঢ়তাৰে খোজ পেলোৱাৰ ওপৰতেই অসমীয়া সমাজৰ বিকাশ নিৰ্ভৰ কৰে। সেয়ে নহ'লে সামাজিক অস্থিৰতা আমাৰ সহচৰ হৈ থাকিব আৰু অধোগতিৰ বাবে আনৰ ওচৰত লজ্জানত হ'ব লাগিব।

খোলা মঞ্চ

অসমীয়াৰ বৰ্ণাঢ্য সাজ-পাৰবোৰ হেৰাই যাব নেকি?



অসম উত্তৰ-পূব ভাৰতৰ এখন প্ৰাকৃতিক সম্পদেৰে চহকী মনোৰম ৰাজ্য। বিভিন্ন জাতি-উপজাতিৰ বসতি স্থান অসমৰ মেটমৰা সংস্কৃতি ভাণ্ডাৰৰ উপৰি সাজপাৰৰ বাৰেবৰণীয়া পৰম্পৰা চলি আহিছে। অসমীয়া বোৱনীয়ে তাঁতশালত অতীজৰ পৰা নিজৰ আৱশ্যকীয় সাজপাৰ বৈ আহিছে। ৰজা ভাস্কৰ বৰ্মনে অসমৰ শিপিনীয়ে বোৱা উৎকৃষ্ট ৰেচমি মিহি কাপোৰৰ প্ৰশংসা কৰাৰ কথা ড° লীলা গগৈৰ 'অসমীয়া সংস্কৃতি' নামৰ গ্ৰন্থত উল্লেখ কৰি গৈছে।

অসমত বসতি কৰা বিভিন্ন জাতি-উপজাতিৰ নিজা নিজা ভাষা-সংস্কৃতি আছে আৰু লগতে সাজপাৰো বিভিন্ন। কিন্তু বৰ্তমানে এই সাজপাৰৰ পৰম্পৰা সীমিতভাৱে চলি আছে। ব্ৰিটিছ শাসনৰ আগলৈকে ঘৰৰ তাঁতশালত বোৱা সাজপাৰেই অসমৰ সাধাৰণ মানুহৰ সাজ-পোছাকৰ চাহিদা পূৰণ কৰিছিল। কিছু আঢ্যৱন্ত মানুহেহে পশ্চিমীয়া সাজপাৰৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু মাজে-সময়ে ব্যৱহাৰ কৰিছিল যদিও ই ব্যাপকভাৱে প্ৰচলিত নাছিল। কিন্তু ব্ৰিটিছে অসম অধিকাৰ কৰি শাসনভাৰ কাঢ়ি লোৱাৰ পৰা পশ্চিমীয়া সাজপাৰৰ প্ৰভাৱ লাহে লাহে অসমতো পৰিবলৈ ধৰিলে। অসম আছিল কৃষিপ্ৰধান ৰাজ্য, ইয়াৰ অৰ্থনীতিও মূলতঃ কৃষিজাত সামগ্ৰীৰ উৎপাদনৰ ওপৰতেই নিৰ্ভৰশীল। গতিকে ইয়াৰ মানুহৰ সাজ আৰ্হি-কৃষি কৰ্মৰ কাৰণে সুবিধা হোৱাকৈ তৈয়াৰ কৰি লৈছিল। মূলসুঁতিৰ অসমীয়া পুৰুষে কামৰ সময়ত চুটিকৈ চুৰিয়া পিন্ধিছিল আৰু চুটিকৈ চিলাই লোৱা হাত কটা চোলা পিন্ধিছিল। তেনেধৰণে নাৰীসকলে মেখেলা-চাদৰ আৰু হাত দীঘল ব্লাউজ পিন্ধিছিল। গামোচা কিন্তু পুৰুষ নাৰী উভয়েই প্ৰায় সকলো সময়তে কান্ধত ৰাখিছিল। কিন্তু যুগৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ জীৱন ধাৰণৰ পদ্ধতি সলনি হ'বলৈ ধৰিলে আৰু ৰুচিবোধৰো পৰিৱৰ্তন হ'ল। বৰ্তমান সমগ্ৰ মানৱ জাতিৰ ওপৰত বজাৰ অৰ্থনীতিৰ প্ৰভাৱ এনেধৰণে পৰিছে যে সাধাৰণ জীৱন ধাৰণ কৰাৰ যুঁজখনত মানুহে অতীজৰ পৰা চলি অহা নিজস্ব সংস্কৃতি আৰু পৰম্পৰা ধাৰাটো ধৰি ৰখাটো সম্ভৱ নোহোৱা হৈছে। এই পৰিৱৰ্তনে সাজ-পোছাকৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। এই ক্ষেত্ৰত প্ৰথমে নাৰীসকলতকৈ পুৰুষসকল বেছি প্ৰভাৱান্বিত হ'ল। কাৰণ কৰ্ম ক্ষেত্ৰত সুবিধা হোৱাকৈ তেওঁলোকে নিজৰ সাজপাৰ সলনি কৰি ল'বলৈ বাধ্য হ'ল। লাহে লাহে নাৰীসকলেও পৰিয়ালৰ অৰ্থনীতি সবলতা আনিবলৈ বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত হ'ব লগা হ'ল, আৰু তেওঁলোকেও কাম কৰাৰ সুবিধা হোৱাকৈ সাজপাৰ পিন্ধিব লগা হ'ল। তথাপি কম-বেছি পৰিমাণে এতিয়াও নাৰীসকলে নিজৰ প্ৰাচীন সংস্কৃতিক ধৰি ৰাখিবলৈ চেষ্টা কৰা দেখা গৈছে। সাজপাৰৰ ক্ষেত্ৰতো অসমীয়া সংস্কৃতিৰ এক বিৰাট পৰিৱৰ্তন সাধন হয়। যি ৰিহা-মেখেলা পিন্ধিলেই অসমীয়া লোক বুলি পৰিচিত আছিল সেই ৰিহা-মেখেলা বৰ্তমান অসমীয়া গাভৰুসকলে চিনি নোপোৱা হ'ল। সমূহীয়া উৎসৱত অসমীয়া সাজপাৰ এযোৰ পৰিধান কৰাতকৈ জাকজমক পোছাক এযোৰ পৰিধান কৰি নিজকে আধুনিক বুলি দেখুৱাবলৈ আমাৰ অসমীয়া যুৱতীসকলে বেছি ভাল পোৱা হ'ল।

মনীষা শৰ্মা, *লেখিকা*

বৰ্তমান সময়ত মহিলাৰ আন এবিধ সৰ্বজনপ্ৰিয় পোছাক হ'ল চুৰিদাৰ। ব্যক্তিগত সুবিধাৰ বাবে চুৰিদাৰৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। আগৰ দিনত বেছিভাগ মহিলাৰ ঘৰ-সংসাৰক লৈ একোটা সীমাৰ ভিতৰতে আবদ্ধ হৈ আছিল। তেওঁলোকে প্ৰয়োজন সাপেক্ষে কেতিয়াবাহে বাহিৰ ওলাইছিল; কিন্তু বৰ্তমান যুগৰ মহিলাৰ জীৱন প্ৰণালীত বহুত পৰিৱৰ্তন আহিছে। এই পৰিৱৰ্তন মানি ল'ব লাগিবই। কাৰণ উন্নতিৰ পথত আগুৱাবলৈ হ'লে সময়ৰ পৰিৱৰ্তনৰ লগে লগে জীৱন প্ৰণালীতো পৰিৱৰ্তন অহা প্ৰয়োজন। এটা জাতিৰ বা এটা গোষ্ঠীৰ প্ৰধান পৰিচয় হৈছে সেই জাতি বা গোষ্ঠীৰ সাংস্কৃতিক ভেটি। সাজপাৰ হৈছে সেই সংস্কৃতিৰ প্ৰথম পৰিচয়। বৰ্তমান জটিল অৰ্থনৈতিক চাপত চলা সমাজ ব্যৱস্থাৰ মাজতে এটা জাতি বা গোষ্ঠীয়ে নিজস্ব সাংস্কৃতিক পৰম্পৰা ধৰি ৰাখিব লাগিব।

ফোন ঃ ৭৬৬৩০২৬৩০১

সুখ-দুখৰ অনুভূতি আৰু আপেক্ষিকতাৰ শৃংখল

আপুনি যদি উৎকট গৰমত একুৰা জুইৰ ওচৰত বহি থাকে, তেন্তে এক মিনিটকে এঘন্টা যেন লাগিব। আনহাতে, এজনী ধুনীয়া ছোৱালীৰ লগত যদি তিনি ঘন্টাও কথা পাতে, তেন্তে ১০ মিনিটমান হোৱা যেনহে লাগিব

দৃষ্টিপাত



ড° খৰ্গেশ্বৰ ভূঞা

দুখৰ যন্ত্ৰণা, সুখৰ অনুভূতি আদি নিজৰ অনুভৱৰ বিষয়। শাৰীৰিক আঘাত পালে যেনেকৈ কষ্ট হয়, তেনেকৈ মানসিক আঘাততো মানুহ বিপৰ্যস্ত হয়। ওলোটাকৈ শাৰীৰিক আৰু মানসিকভাৱে ভাল লগা কিবা ঘটিলে সুখৰ অনুভূতি আহে। শাৰীৰিক সুখ বা দুখতকৈ মানসিক সুখ বা দুখ বেছি মাহাত্ম্য থকা হয় নে নহয় সেয়া দাৰ্শনিক কথা বুলি বহুতেই ক'ব। যেনে— পেটে-ভাতে কোনোমতে খাই থকাজনৰ সন্তানে পৰীক্ষাত কৃতিত্ব অৰ্জন কৰিলে মানসিক তৃপ্তি লাভ কৰাটোৱেই সাধাৰণ অনুভৱ বুলি ধৰা হ'ব। এটা কথা ঠিক যে সকলোৱে সুখ-দুখবোৰ একেদৰে যেনেকৈ নলয়, তেনেকৈ আনৰ সুখ-দুখৰ তীব্ৰতাৰ বিষয়েও অনুভৱ সকলোৱে একেদৰে কৰিব নোৱাৰে। একমাত্ৰ সন্তানৰ যুৱক অৱস্থাত মৃত্যু হ'লেও কোনোবাই স্থিৰে থাকিব পাৰে, আন কোনোবাই এশ টকা হেৰাই গ'লেও দুখত ভাগি পৰিব পাৰে। সুখ-দুখৰ অনিশ্চয়তা আৰু এইবোৰে মানুহক সুস্থ জীৱন-যাপনত বাধা দিব পাৰে বাবেই হয়তো ভাৰতীয় দৰ্শনত সংসাৰ বিৰাগী হোৱাৰ ধাৰণা দিয়া হৈছিল। সকলোৱে তেনে ধাৰণা ল'লে অৱশ্যেই মানৱ সভ্যতা আগনাবাঢ়িব।

দুখ বিলাই দিব পাৰিলে ইয়াৰ তীব্ৰতা কমে, অৰ্থাৎ দুখ বিলাই দিয়াৰো সুখ আছে বুলিব পাৰি। পিছে এই ক্ষেত্ৰত এজনৰ দুখ অইন এজনে গুৰুত্ব দিয়াৰ সমস্যাটো আছেই, তদুপৰি লোকৰ দুখৰ অনুভৱ কৰাটোও সহজ নহয়। লোকৰ দুখত 'আই ঐ দেহী' বুলি সহানুভূতি প্ৰদৰ্শন কৰিলেও আচলতে দুখ পোৱাজনৰ অৱস্থাটো সঠিকভাৱে উপলব্ধি নকৰে। এয়া আপত্তিজনক নহয়, শাৰীৰিক কষ্টৰ ক্ষেত্ৰত সাধাৰণতে নিজে সুস্থ থাকিলে লোকে পোৱা কষ্টখিনিক বুজি পাবলৈ স্নায়ুতন্ত্ৰই সুবিধা নিদিয়ে। সেয়েহে আনৰ কষ্ট অনুভৱ কৰাটো বাদেই এসময়ত দুখ-কষ্টৰ মাজেৰে কটাবলগীয়া হোৱাজনেও পিছৰ জীৱনত দুখ-কষ্ট পালে পূৰ্বৰ কষ্টবোৰ অনুভৱ কৰিবলৈ চেষ্টা কৰিও বিফল হয়, যেনে পুহমহীয়া জাৰত লেপৰ কথা বাদেই, সাধাৰণ কম্বল এখনো নাথাকিলে ৰাতিটো কেনেদৰে অতি দীঘল যেন লগা হয়, তাৰ অভিজ্ঞতা থকাসকলেও অপৰ্যাপ্ত গৰম কাপোৰ ল'ব পৰা অৱস্থা হোৱাৰ পাছত পূৰ্বতে ঠাণ্ডা লগাৰ কষ্টখিনি পাহৰি যায়।

পেটৰ ভোক থাকিলে, জাৰৰ দিনত গৰম কাপোৰ নাথাকিলে, পিয়াহত পানী খাবলৈ নাপালে, বৰষুণৰ দিনত উৰুখা পঁজাত থাকিলে মানুহৰ দিন-ৰাতিবোৰ দীঘলীয়া যেন লগা হয়। একেবাৰে মিলি নগ'লেও এই ক্ষেত্ৰত আইনষ্টাইনে নিজৰ আপেক্ষিকতাবাদ সৰলভাৱে বুজোৱাৰ উদাহৰণটো ল'ব পাৰি। মহান বিজ্ঞানী আইনষ্টাইনৰ দুটা কালজয়ী তত্ত্ব হৈছে বিশেষ আপেক্ষিকতাবাদ আৰু সাধাৰণ আপেক্ষিকতাবাদ। ঊনবিংশ শতিকাৰ শেষ ভাগত আৰু বিংশ শতিকাৰ পহিলা ভাগত পদাৰ্থ বিজ্ঞানীসকলে ভাবিবলৈ লৈছিল যে বিজ্ঞানে বিশ্বব্ৰহ্মাণ্ডৰ সকলো ৰহস্যই প্ৰায় জানিলে, বিশেষকৈ নিউটনৰ বলবিদ্যা আৰু মহাকৰ্ষণ, মাধ্যাকৰ্ষণ আদি তত্ত্বৰে সকলোবোৰ ঘটনাই ব্যাখ্যা কৰিব পাৰি। পিছে আইনষ্টাইনৰ তত্ত্বই তেওঁলোকৰ ভুল ভাঙিলে। এই বিষয়ে পূৰ্বতে উল্লেখ কৰা



হৈছিল। বিশাল বিশ্বব্ৰহ্মাণ্ডৰ তুলনাত পৃথিৱীক ক্ষুদ্ৰ ধূলিকণা এটা বুলিলেও অত্যুক্তি কৰাহে হয়। পৃথিৱীত ঘটি থকা সীমিত বেগ, শক্তি, ভৰ আদিৰে সংযুক্ত ঘটনাবোৰ নিউটনৰ তত্ত্বৰ যোগেদি ব্যাখ্যা কৰিব পাৰিলেও পৃথিৱীৰেই অণু-পৰমাণুৰ স্তৰৰ লগতে বহিৰ্বিশ্বৰ ঘটনাবোৰ ব্যাখ্যা কৰিব নোৱাৰি। আইনষ্টাইনৰ আপেক্ষিকতাবাদে বিজ্ঞানীক এই অনুভৱ কৰোৱাৰ লগে লগে পদাৰ্থ বিজ্ঞান, ৰসায়ন, জ্যোতিৰ্বিজ্ঞান আদিৰ গৱেষণাৰ পৰিসৰো বিশাল ৰূপত বিস্তৃত হ'ল। এতিয়া আৰু কোনোৱেই নাভাবে যে বিজ্ঞানে বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো ৰহস্য সম্পূৰ্ণভাৱে জানিবলৈ সক্ষম হ'ব। বিজ্ঞানীৰ এই উপলব্ধিয়ে অৱশ্যেই বিজ্ঞানৰ মৰ্যাদা হ্ৰাস নকৰে। ইয়াৰ বিপৰীতে শাস্ত্ৰ আৰু দৰ্শন বিশ্বাস কৰাসকলে অৱশ্যেই এই অমোঘ সত্য উপলব্ধি নকৰে।

আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ ভিতৰুৱা কথাবোৰ বুজাটো সহজ নহয় যদিও ইয়াৰ অনুসিদ্ধান্তবোৰ বোধগম্য। যেনে— গৈ থকা মানুহৰ ক্ষেত্ৰত সময় ৰৈ থকা মানুহৰ তুলনাত খৰকৈ যায়। অৱশ্যে বেগ যথেষ্ট বেছি নহ'লে সময়ৰ এই পাৰ্থক্য জুখিব বা ধৰিব নোৱাৰি। সেয়েহে পাৰ্থিৱ গতিশীল বস্তুৰ ক্ষেত্ৰত সময়ৰ পাৰ্থক্য নধৰ্তব্য যেন লাগে। যেনে— এশ কিঃ মিঃ প্ৰতি ঘন্টা বেগত গৈ থকা মটৰ-গাড়ী এখনত বহি যোৱা মানুহ এজনৰ ঘড়ী ৰৈ থকা এজনতকৈ লাহে লাহে চলিলে হ'ব লগা এক ছেকেণ্ডৰো কোটি কোটি ভাগৰ এভাগৰ সময়ৰ পাৰ্থক্য জুখিব পৰা নাযায়। ১৯৭১ত ৱাশ্বিংটন বিশ্ববিদ্যালয় আৰু মাৰ্কিন নৌবাহিনীৰ দলে নশ কিলোমিটাৰ প্ৰতি ঘন্টা (২৫০ মিটাৰ প্ৰতি ছেকেণ্ড) বেগত ৭০৭ বোয়িং বিমান চলাই-৫৯ নেন' ছেকেণ্ড (এক নেন' ছেকেণ্ড=এক ছেকেণ্ডৰ এক কোটি ভাগৰ এভাগ) সময়ৰ পাৰ্থক্য ধৰা পেলাইছিল। আজি-কালিৰ মহাকাশ যানৰ বেগ যথেষ্ট পৰিমাণে বঢ়াবলৈ বিজ্ঞানী সক্ষম হৈছে। যেনে— মঙলগ্ৰহলৈ পঠিওৱা যানৰ বেগ আছিল ৩৯,৬০০ কিঃ মিঃ প্ৰতি ঘন্টা বা ১১ কিঃ মিঃ প্ৰতি ছেকেণ্ড, সেইদৰে মানৱ নিৰ্মিত যানৰ সৰ্বোচ্চ বেগ লাভ কৰিছিল সৌৰ যানে, ইয়াৰ বেগ আছিল প্ৰতি ঘন্টাত ৫৩২ হেজাৰ কিঃ মিঃ বা প্ৰায় ১৪৮ কিঃ মিঃ প্ৰতি ছেকেণ্ড। এইবোৰ মহাকাশ যানত থকা ঘড়ী ধীৰে ধীৰে চলিছিল পৃথিৱীত থকা ঘড়ীৰ তুলনাত। অৰ্থাৎ এনে মহাকাশযানত যোৱা মানুহৰ বয়সো পৃথিৱীৰ মানুহৰ তুলনাত কমকৈ বাঢ়িব। পিছে বয়সৰ পাৰ্থক্য যথেষ্ট বেছি হ'বলৈ হ'লে মহাকাশ যানৰ বেগো হ'ব লাগিব পোহৰৰ বেগৰ (প্ৰতি ছেকেণ্ডত তিনি লাখ কিঃ মিঃ) ওচৰা-ওচৰি। যেনে— প্ৰতি ছেকেণ্ডৰ ২.৯৮৫ লাখ কিঃ কিঃ বেগত যোৱা যানত থকা মানুহৰ বয়স পৃথিৱীৰ তুলনাত ১০ গুণ কমিব। উদাহৰণস্বৰূপে ধৰা হওক, দুজন ৩০ বছৰ বয়সীয়া যুৱকৰ 'ক' নামৰ জন পৃথিৱীত থাকিল আৰু ২০২১ত 'খ' নামৰজন ২.৯৮৫ লাখ কিঃ মিঃ বেগত চলা মহাকাশ যানত উঠি গ'ল মহাকাশ ভ্ৰমণলৈ। ৫০ বছৰৰ পাছত অৰ্থাৎ ২০৭১ত যানখন ঘূৰি আহিল। পৃথিৱীত থকা 'ক'ৰ বয়স হ'ব ৮০ বছৰ আৰু 'খ'ৰ বয়স হ'ব ৩৫ বছৰ। এইবোৰ উদাহৰণ (যেনে এজনৰ বয়স ৫০ বছৰ বঢ়াৰ বিপৰীতে আনজনৰ বয়স পাঁচ বছৰহে বৃদ্ধি হোৱা) বাস্তৱত পৰিণত হয়তো নহ'বও পাৰে, কাৰণ প্ৰথম কথা মাত্ৰ ১৫০ কিঃ মিঃ প্ৰতি ছেকেণ্ডত যাব পৰা মহাকাশ যান সজাৰ ক্ষমতা থকা মানুহে প্ৰায় তিনি লাখ কিঃ মিঃ বেগত চলা যান সাজিবলৈ পাৰিবনে নাই ক'ব নোৱাৰি। দ্বিতীয়তে, মানুহৰ শৰীৰে বৰ্তমানলৈ ন কিঃ মিঃ প্ৰতি ছেকেণ্ডতকৈ অধিক বেগত যোৱা যানত উঠাৰ ক্ষমতা অৰ্জন কৰা নাই।

এইবোৰ হিচাপ-নিকাচ পুৰণি হ'ল যদিও আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ সিদ্ধান্তবোৰ সাধাৰণ লোকৰ বাবে অবান্তৰ যেন লগাৰ উদাহৰণ দিবলৈহে এইবোৰৰ অৱতাৰণা কৰা হৈছে। তত্ত্বটোত গতিশীল বস্তুত্ব দৈৰ্ঘ্যৰ হ্ৰাস-বৃদ্ধি, শক্তি আৰু পদাৰ্থ পৰস্পৰলৈ ৰূপান্তৰিত হোৱা, পদাৰ্থ পৰিৱৰ্তিত হ'লে লব্ধ শক্তিৰ পৰিমাণ আদিৰ কথাও আছে।

তত্ত্বৰ যুগপৎ জটিলতা আৰু সৰলতাৰ বাবে ইয়াৰ প্ৰতি সাধাৰণ লোকৰো আকৰ্ষণ-বিকৰ্ষণ দুয়োটাই আছে। তেনে এজন সাধাৰণ লোকে হেনো তত্ত্বটো সৰলভাৱে বুজাই দিবলৈ বিজ্ঞানীজনক কওঁতে আইনষ্টাইনে উদাহৰণ দিলে— 'আপুনি যদি উৎকট গৰমত একুৰা জুইৰ ওচৰত বহি থাকে, তেন্তে এক মিনিটকে এঘন্টা যেন লাগিব। আনহাতে, এজনী ধুনীয়া ছোৱালীৰ লগত যদি তিনি ঘন্টাও কথা পাতে, তেন্তে ১০ মিনিটমান হোৱা যেনহে লাগিব।' আইনষ্টাইনৰ তত্ত্ব ইমান সহজে বুজাব নোৱাৰি যদিও মানুহৰ মনে তুলনাৰ যোগেদিহে কথাবোৰ অনুভৱ কৰে। মানুহৰ পঞ্চেন্দ্ৰিয়ই মগজুৰ ভিতৰলৈ বাহিৰত হৈ থকা পৰিৱৰ্তনবোৰৰ 'বতৰা' পঠিয়াই থাকে যদিও মনে অৰ্থাৎ মগজুৱে সেইবোৰৰ তাৎপৰ্য 'অনুভৱ' নকৰালৈকে সেইবোৰ অৰ্থহীন। সময়ৰ আপেক্ষিকতা সম্পৰ্কীয় আমাৰ নিজস্ব অভিজ্ঞতা কিছুমান আছে। হাইস্কুলত আমাৰ প্ৰতি শনিবাৰে আৰম্ভণিতে প্ৰাৰ্থনা হয় আৰু সপ্তাহৰ বাকী পাঁচটা দিনত ঠিক ১০ বজাত সকলোৱে নিজ নিজ শ্ৰেণীকোঠাত থিয় হৈ এক মিনিট সময় মৌনভাৱে প্ৰাৰ্থনা কৰে। এনে মৌনব্ৰত মৃতকৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ সময়তো কৰা হয়। আমাৰ স্কুলত ১০ বজাত এজন পিয়নে মস্ত ঘন্টাটোত একোব মাৰি তাতে থিয় হৈ থাকে আৰু এক মিনিটৰ পাছত পুনৰ ঘন্টা মাৰি মৌনব্ৰত ভাঙে। পিছে পিয়নজনে ঘড়ী চাই নাথাকে বাবে ৩০-৪০ ছেকেণ্ডৰ ভিতৰতে এক মিনিট বুলি বেল মাৰে। আমাৰ এজন ছাত্ৰে ধেমালিতে কৈছিল— 'আমাৰ পিয়নৰ হিচাপত ঘড়ীটো চলাহেঁতেন শ্ৰেণীবোৰত ২৫ মিনিট (৪০ মিনিটৰ শ্ৰেণী) মানতে শেষ কৰিব পাৰিলোহেঁতেন।' পিয়নজনে ইচ্ছা কৰি সময় কমাই নিদিয়ে, তেওঁৰ মগজুৱেই যেন কৈ দিয়ে এক মিনিট হৈ গ'ল বুলি, কাৰণ সকলোৰে লগতে তেওঁ থিয় হৈ থাকিবলৈ বেয়া পায়।

পঞ্চেন্দ্ৰিয়ই ভুল হিচাপ দিয়াৰ বাবে যন্ত্ৰৰ আৱশ্যকতা আহিল। ইয়াৰে থাৰ্মমিটাৰ আৱিষ্কাৰৰ লগত সাঙুৰি এটা উদাহৰণ দিয়া হয়। সোঁহাতখন সহ্য কৰিব পৰা গৰম পানীত আৰু বাওঁহাতখন বৰফ চেঁচা পানীত ভৰাই দিয়ক। কিছু সময়ৰ পাছত দুয়োখন হাত আনি কুহুমীয়া গৰম পানীত ভৰাওক। সোঁহাতখনে কুহুমীয়া পানীখিনি ঠাণ্ডা যেন অনুভৱ কৰাৰ বিপৰীতে বাওঁহাতখনে পানীখিনি গৰম যেন পাইছে। অৰ্থাৎ একেখিনি উষ্ণতাৰ পানীকে একেজন মানুহৰ সোঁহাতখনে ঠাণ্ডা বুলি ভাবিছে আৰু বাওঁহাতখনে গৰম বুলি ভাবিছে। মানুহৰ মগজুৱে সদায় বিষয়বোৰৰ আপেক্ষিক বিচাৰ কৰে, আনকি একেজন মানুহৰ মগজুৱেই দুটা অংগৰ 'অভিজ্ঞতা'ক বেলেগ বেলেগ ধৰণে বিচাৰ কৰে।

দুখৰ দিন দীঘলীয়া আৰু সুখৰ দিন চুটি, একেদৰে এজনে আন এজনৰ দুখ-সুখবোৰ সঠিকভাৱে অনুভৱ কৰিব নোৱাৰে। ইয়াৰ মাজত অৱশ্যেই আপেক্ষিকতাৰ কথা আছে। এনে ধৰণৰ কথাবোৰে মানুহৰ সামাজিক জীৱনতো বাৰুকৈয়ে ক্ৰিয়া কৰে। সামাজিক জীৱনৰ লগত ৰাজনৈতিক কথাও সাঙোৰ খাই থাকে। সাধাৰণতে ৰাজ্য বা দেশৰ এটা চাম যথেষ্ট দুখীয়া হোৱাৰ বিপৰীতে ৰাজ্য বা দেশ চলোৱাসকল যথেষ্ট চহকী। এওঁলোকে সাধাৰণতে দুখীয়াৰ দুখ বুজি পোৱাৰ কথা নহয়। তথাপি দেখা যায় যে আধুনিক কালত চৰকাৰবোৰে বিনামূলীয়া চাউলকে ধৰি বিভিন্ন সামগ্ৰী দৰিদ্ৰ সীমাৰেখাৰ তলত থকা অৰ্থাৎ নিজৰ সামৰ্থ্যৰে অন্ন-বস্ত্ৰ-বাসস্থানৰ যোগাৰ কৰিব নোৱাৰাসকলক যোগান দিয়ে। কৰ্মসংস্কৃতিৰ মূৰ খোৱা হ'লেও এইবোৰ সহায় প্ৰকৃত দৰিদ্ৰৰ বাবে খুবেই দৰকাৰী। ক্ষমতা প্ৰয়াসীৰ বাবে দুখীয়াৰ দুখত পমি যোৱাৰ কথা নাই, ক্ষমতা অব্যাহত কৰাৰ পদ্ধতিহে প্ৰধান কথা। ভোট যুদ্ধত জিকিবলৈ ৭০/৮০ শতাংশ ভোট নালাগে ৩০/৩৫ শতাংশ হ'লেই হয়। আমাৰ দেশ বা ৰাজ্যত সিমানখিনি দৰিদ্ৰ লোক থাকেই। সেইখিনিক নানা সামগ্ৰীৰে ভুলাই ৰাখিব পাৰিলে ক্ষমতা গজগজীয়া হোৱাটো নিশ্চিত। দৰিদ্ৰ সীমাৰেখাৰ তলত থকাখিনি নিজৰ সামৰ্থ্যৰ ওপৰলৈ উঠি অহাটো চৰকাৰবোৰেও নিবিচাৰে। এইসকলৰ লগতে দল একোটাৰ প্ৰতি নিষ্ঠাৱান এটা অংশ থাকেই। গতিকে ৰাজ্যৰ বা দেশৰ ৬০ শতাংশ মানুহে চৰকাৰৰ বিৰুদ্ধে চিঞৰ-বাখৰ কৰি থাকিলেও কেৰেপ কৰাৰ দৰকাৰ নাই। এইবোৰ ক্ষেত্ৰতো আপেক্ষিকতাৰ সূত্ৰ প্ৰয়োগ কৰিব পাৰি। মুঠতে সকলোবোৰ যেন আপেক্ষিকতাৰ এনাজৰীৰে বন্ধা, এই সীমাই পৃথিৱী চেৰাই বিশ্বব্ৰহ্মাণ্ডও সামৰে।

ফোন ঃ ৮১৩৫৮৩৫২১৯

হিতাধিকাৰী ব্যৱস্থাই কৰ্মসংস্থান দিবনে?

যোগী আহে ভূৰত উঠি, পাৰ পালে ভূৰতে মাৰে লাথি

আছুতীয়া চিন্তা

জয়কান্ত শৰ্মা (কনিষ্ঠ)

সহায়-সাহায্য, দান-দক্ষিণা পাই থাকিলে মানুহে ভাল পায়। দাতাৰ প্ৰশংসাত পঞ্চমুখ হয় গ্ৰহণ কৰোতা; কিন্তু সহায়-সাহায্য, দান-দক্ষিণা বা অৰিহণাই মানুহক কৰ্মসংস্থান দিব নোৱাৰে। স্বাৱলম্বীও কৰিব নোৱাৰে। হিতাধিকাৰী সৃষ্টিৰ দ্বাৰা মানুহক কৰা হয় অকৰ্মা, এলেহুৱা আৰু পৰমুখাপেক্ষী। ই এক জাতিধ্বংসী কাৰবাৰ। এই কাৰবাৰটো আগৰ চৰকাৰৰ দৰে বৰ্তমান চৰকাৰেও কৰি থকা নাইনে? আগৰ তুলনাত এতিয়া বহুত বেছি হোৱা নাইনে?

ত্যাগত শান্তি পোৱা যায়। দয়া-কৰুণা, প্ৰেম-প্ৰীতিয়ে জীয়াই থকাৰ বাবে প্ৰেৰণা যোগায়; কিন্তু মানুহে কৰা দান-পুণ্য অহংকাৰহে মাথোঁ। দান-পুণ্যত ত্যাগৰ কথা নাথাকে, থাকে ৰাইজৰ পৰা বাঃ বাঃ লোৱাৰ একান্ত বাসনা। স্বাৰ্থসিদ্ধিৰ কামনা।

হিতাধিকাৰী সৃষ্টি কৰি যেতিয়া কোনো ৰাজনৈতিক দল বা চৰকাৰে দুখীয়া-নিছলাক সহায় কৰিবলৈ আগবাঢ়ি আহে, তেতিয়াই জানিব লাগিব যে তাৰ অন্তৰালত বৃহৎ স্বাৰ্থ নিহিত হৈ আছে। তাত জড়িত হৈ আছে ভৱিষ্যতে সেই গৰিব-নিছলাবোৰৰ পৰা বৃহৎ কিবা আদায় কৰাৰ অভিসন্ধি।

সকলোৱে জনা কথা যে ৰাজনৈতিক দল বা চৰকাৰে জনতাক ধন, বস্তু-সামগ্ৰী আদি আগবঢ়োৱাৰ ধূম উঠে ঠিক নিৰ্বাচনৰ আগে আগে। নেতাৰ ভাষ্য-ভাষণত প্ৰলোভনৰ জোৱাৰ উঠে কেৱল মাত্ৰ ভোট আদায়ৰ কাৰণে। নতুন নতুন আঁচনি-পৰিকল্পনা আগবঢ়ায় একেটা কাৰণতে। এনেকুৱা দান-পুণ্য বা সেৱা ভাৱত আন্তৰিকতা মুঠেই নাথাকে। আঁচনি ৰূপায়ণ বা আশা পূৰণ কৰাৰ কাৰণে নাথাকে অকণো সদিচ্ছা। ৰাজনীতিৰ মেলখন প্ৰকৃততে ভোটাৰক নচুওৱা খেলহে। ধৰ্ম-সম্প্ৰদায়ৰ নামত মানুহক ভাগ ভাগ কৰি খণ্ডিত মানসিকতা গঢ়ি নিজৰ নিজৰ স্বাৰ্থ সিদ্ধি কৰি লোৱাৰ বাহিৰে ৰাজনৈতিক নেতাৰ নাথাকে জনতাৰ প্ৰতি অকণো দায়বদ্ধতা। যোগী আহে ভূৰত উঠি, পাৰ পালে ভূৰতে মাৰে লাথি। এনেকুৱাই মানসিকতা আজিৰ ৰাজনৈতিক নেতাৰ।

ন'বেল বঁটা বিজয়ী অৰ্থনীতিবিদ মহম্মদ ইউনচে কৈছে যে মানুহক সহায় কৰিবলৈ আমি দান দিওঁ; কিন্তু দানৰ দ্বাৰা দাৰিদ্ৰ্যৰ সমাধান নহয়। দান-বৰঙণিয়ে আমাৰ বিবেকক সমস্যা সমাধানৰ সলনি কেৱল দায়িত্বহীন হ'বলৈহে সুৰুঙা তৈয়াৰ কৰে।

তেনেকুৱা অৱস্থা এটাই হৈছিল ৰজা ভোজৰ শাসন কালত। ঘটনাটো আছিল এনে ধৰণৰ— ৰজা ভোজ বৰ দয়ালু আৰু অতি দানী আছিল। মুক্তহস্তে দান কৰি ৰজাই আনন্দ লভিছিল। কোনো প্ৰজাকে বিমুখ নকৰা ৰজাই ৰাজকোষৰ পৰা ধন-সোণ দান কৰি পৰম সন্তোষ পোৱাই নহয়, তাকে লৈ গৰ্ববোধ কৰিছিল। এইবোৰ কথা এজন জ্ঞানী ঋষিৰ কৰ্ণগোচৰ হ'ল। ৰজাৰ দান-পুণ্যৰ ওপৰত ইমান মতি-গতি দেখি ঋষিৰ খং উঠিল। এদিন ৰাজপ্ৰাসাদলৈ লৰৰি আহি ৰজাৰ সন্মুখত উপস্থিত হ'ল। ঋষিক দেখি দানবীৰ ৰজা ভোজে মাত লগালে—

'ঋষিবৰ আহক! ৰাজদৰবাৰলৈ আপোনাক স্বাগতম! কওক! অধমে আপোনাক কি দান-দক্ষিণা আৰু ভোজনেৰে আপ্যায়িত কৰিব পাৰো?' উত্তৰত ঋষিয়ে ক'লে, 'ৰাজন! মই কোনো দান-দক্ষিণাৰ বাবে অহা নাই। মই আহিছো প্ৰজাৰ কল্যাণৰ কাৰণে। মানুহৰ হিত সাধন আৰু মংগল কামনা মোৰ জীৱনৰ ব্ৰত। মানৱ সেৱাই মোৰ ধৰ্ম।'

ঋষিৰ কথাত ৰজা সন্তুষ্ট হ'ল। তেওঁ ক'লে, 'ভাল কথা। আপোনাক ধন্যবাদ। দিয়ক আপোনাৰ বহুমূলীয়া সদুপদেশ আৰু সুপৰামৰ্শ।'

'উপদেশ, পৰামৰ্শ বা আশিসবাণী একোৰে দিবলৈ অহা নাই ৰাজন। মই আহিছো আপোনাক সকীয়নি দিবলৈহে।' কথা শুনি ৰজা ভোজৰ খং উঠিল।

'ঋষিবৰ! সকীয়নি! মোক সকীয়নি দিবলৈ আহিছে? মোৰ দৰে বলৱান, দয়াৱান আৰু দানশীল ৰজা এজনক ধমকি দিবলৈ আহিছে নেকি? ইমান সাহস আপোনাৰ! ৰজাক সকীয়নি দিবলৈ ক'ত পালে আপুনি অধিকাৰ?

'ৰাজন! আপুনিয়ে বাৰু ক'ত পালে অধিকাৰ ৰাজকোষ উদং কৰি দেশৰ নাগৰিকৰ বিপদ মাতি আনিবলৈ?' মই আপোনাক সতৰ্ক কৰি দি পুনৰ কওঁ যে দান-দক্ষিণা দি কিম্বা সহায় কৰি কৰি প্ৰজাক অকৰ্মা নকৰিব। প্ৰজাৰ অমংগল মাতি নানিব। নিজেও নুভুগিব চৰম হতাশাত।'

'এয়া আপুনি কি কৈছে ঋষিবৰ! মই প্ৰজাৰ অমংগল মাতিছো? ই কেনেকৈ সম্ভৱ। দান-দক্ষিণা দি মই পুণ্য অৰ্জন কৰো আৰু প্ৰজাৰ মংগলহে কৰো।'

'ৰাজন! আপুনি প্ৰজাৰ মংগল সাধন প্ৰকৃততে কৰা নাই। প্ৰজাসকলক অকৰ্মণ্যহে কৰি তুলিছে। ৰাজভঁৰাল অক্ষয় ভাণ্ডাৰ নহয় মহাৰাজ! ৰাজকোষ নহয় অবিনাশী। সি এদিন শেষ হ'ব। তাৰ পাছত ক'ৰ পৰা দিব?'

ৰজা ভোজৰ মস্তিষ্কত টোকৰ পৰিল। তেওঁৰ চিন্তা হ'ল। ৰজাৰ নিদ্ৰাহীন নিশা পাৰ হ'বলৈ ধৰিলে। চলন্তি পথত অজান্তি বিপদৰ গোন্ধ পাব ধৰিলে ৰজাই। ক্ৰমে ৰাজকোষ উদং হৈ আহিল। ঋষিৰ সতৰ্কবাণীয়ে বাৰুকৈয়ে ভবাই তুলিলে ৰজা ভোজক।

দুজন সংগী লগত লৈ ৰজাই এদিন ছদ্মবেশ ধৰি দূৰণিৰ গাঁও এখনলৈ গ'ল। এঘৰত প্ৰৱেশ কৰি বুঢ়ী এজনীক সমুখত পাই ৰজাই তেওঁকে মাত লগালে— 'আইতা, নমস্কাৰ। আপোনাৰ নিশ্চয় ভাল!'

'ভাল বাচাহঁত। পৰম পিতা ঈশ্বৰ আৰু ৰজা ভোজৰ কৃপাত সুন্দৰ ৰকমে চলি আছো আৰু।'

'আইতা, আপোনাৰ ঘৰত কোন কোন আছে?'

'বোপাহঁত, মোৰ ল'ৰা দুজন। সিহঁতৰ দুটি সৰু সুখী পৰিয়াল আছে। নাতি-নাতিনীও আছে বহুত।'

'আপোনালোকৰ খেতি-খোলা, শিল্প-বাণিজ্য, কি আছে? উপাৰ্জনৰ উৎস কি বাৰু?'

'থাকোতে খেতি-বাতি আছিল। পথাৰত শস্যও উৎপন্ন হৈছিল অনেক। এতিয়া চহ কৰোতা নাই। উৎপাদন হ'ব ক'ৰ পৰা। পথাৰখন হাবি হ'ল। কে'বা বছৰো ছন পৰি ৰ'ল, বোপাহঁত! মোৰ গাত বল নাই...।'

'চহ কৰোতা নাই মানে? আপুনিয়ে দেখোন ক'লে বোলে আপোনাৰ ল'ৰা দুজন। ভগৱানে দিয়া বোৱাৰী, নাতি-নাতিনী সকলোবোৰ আছে! তেনেস্থলত...?'

'থাকোতে সকলোবোৰ আছে। কৰ্ম কৰোতাহে নাই। ...ঈশ্বৰে ৰজা ভোজক দীৰ্ঘায়ু কৰক। তেওঁ দয়াৰ সাগৰ। দানশীল নৃপতি। তেওঁৰ ওচৰলৈ গ'লে ধন-সোণ সোপাকে দান কৰে। তাৰে আমাৰ বেছ কিছুদিন চলি যায়। শেষ হ'লে আকৌ ৰজাৰ ওচৰলৈ গৈ আবেদন কৰিলেই হ'ল, ধন-সোণ দি সহায় কৰে তেওঁ। এনেকৈয়ে চলি আছো, বোপাহঁত!'

'অ' হয় নেকি? বৰ ভাল কথা। আমি আহিলো আইতা' বুলি ৰজা ভোজ আৰু সংগী দুজন বুঢ়ীৰ ঘৰৰ পৰা ওলাই আহিল। লাহে লাহে ৰজা ভোজৰ বোধ উপজিল। বিচক্ষণ, বুদ্ধিসম্পন্ন ৰজাৰ বুজিবলৈ বাকী নাথাকিল ঋষিৰ সকীয়নিৰ কথা। ৰজাই ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ঘূৰি ফুৰি সুধি জানিব পাৰিলে প্ৰজাৰ প্ৰকৃত স্বৰূপ। সকলো ঠাইতে একে কথা, একে কাহিনী আৰু একেটাই দৃশ্য। বাৰী-বস্তি-পথাৰ সকলো খালী খালী। শিল্প-বাণিজ্যত কাৰো ৰাপ নাই। সাহিত্য-সংস্কৃতিত কাৰো মতি নাই। নাই কাৰো হাতত কৰ্ম। সকলো শ্ৰেণীৰ লোকে যেন অৱসৰ লৈ হাত ধুই ঘৰত বহি গৈছে।

প্ৰজাৰ কথা-কাণ্ডই ৰজাক চিন্তাত পেলালে। তেওঁৰ খং উঠিল ভয়ানকভাৱে। খঙে-ৰাগে ঘোষণা কৰি দিলে যে অন্ধ, খোৰা, পংগু আৰু ৰুগীয়া লোকৰ বাহিৰে সুস্থ-সবল কোনো প্ৰজাই যাতে দান প্ৰাপ্তিৰ বাবে ৰজাৰ ওচৰলৈ দুনাই নাহে। দান-দক্ষিণা ল'বলৈ অহা লোক যদি সক্ষম প্ৰমাণিত হয়, তেওঁ কাৰাগাৰত ভাত খোৱাটো নিশ্চিত বুলিও ক'লে লগতে।

ঘোষণাটোত আৰু কোৱা হ'ল যে ৰাজ্যৰ প্ৰত্যেকজন প্ৰজাই নিজ নিজ কৰ্মত প্ৰবৃত্ত হোৱাটো বাধ্যতামূলক। কৃষকবোৰে নিজ নিজ খেতিপথাৰত নিজৰ অন্নমুঠি উৎপন্ন কৰাৰ উপৰি ৰজাৰ উদং হৈ যোৱা ৰাজকোষলৈ কৰ হিচাপত উৎপাদনৰ এটা অংশ পঠিয়াব লাগিব। তেনেদৰে কৰ আগবঢ়াব লাগিব শিল্প-বাণিজ্যত প্ৰবৃত্ত হোৱা প্ৰজাগণে।

ৰজাৰ ঘোষণা শুনি প্ৰজাৰ মাজত হাহাকাৰ লাগিল। ৰজা ভোজৰ ভয়ত কৃষকবোৰে পথাৰত নামিল, শিল্পী-কাৰিকৰবোৰে শিল্প কৰ্মত লাগিল, বেপাৰ-বাণিজ্যত মনোযোগ দিলে বেপাৰী-বণিয়াই। ৰাজকোষলৈ হোৱাহোৱে কৰ-কাটল আহিব ধৰিলে। কেইবছৰ মানৰ ভিতৰতে ৰাজ্যখন সুজলা-সুফলা, শস্য-শ্যামলা হৈ পৰিল। ৰাজকোষ ভৰি গ'ল। কৃতজ্ঞতাৰ চিনস্বৰূপে পুৰস্কাৰ হিচাপে ৰজাই ঋষিক মন্ত্ৰীপদ যাচিলে। লোভ-লালসাহীন ঋষিবৰে নিজৰ আশ্ৰমখনেই শ্ৰেষ্ঠ ঠাই আৰু নিজৰ কৰ্মই শ্ৰেষ্ঠ কৰ্ম বুলি কৈ ৰজাক ধন্যবাদ দি গুচি গ'ল। ঋষিৰ আশ্ৰমতে তেওঁ শান্তিৰে থাকিল।

আমি সকলোৱে দেখি-শুনি আহিছো কিছু দশকৰ পৰা ভাৰতৰ ৰাজনৈতিক দলবোৰে সাধাৰণ প্ৰজাক গৰিব-দুখীয়া, ডাল-দৰিদ্ৰ কৰি ৰখাৰ ষড়যন্ত্ৰত লিপ্ত হৈ আহিছে। হিতাধিকাৰীৰ সৃষ্টিৰে জনসাধাৰণক কৰ্মবিমুখ কৰাই নহয় পৰ (চৰকাৰ) মুখাপেক্ষী কৰি তুলিছে। চৰকাৰে জনতাক কি দিলে, কি দিব তাকে লৈ আলোচনা-বিলোচনাৰ অন্ত নাই। নিৰ্বাচন আহিলে দুয়োপক্ষ সজাগ-সচেতন হয় দিয়া আৰু পোৱাৰ আশাত।

এনেদৰে আৰু কিছু বছৰ চলি থাকিলে অসমীয়া জাতিটো এটা অকৰ্মণ্য আৰু পংগু জাতিত যে পৰিণত হ'ব, তাত অকণো সন্দেহ নাই। হিতাধিকাৰীৰ সৃষ্টি কৰি সদায় দান-দক্ষিণা দি জনগণৰ কল্যাণ সাধিব নোৱাৰি। সহায়-সাহায্য আগবঢ়াই মানুহক স্বনিৰ্ভৰশীল কৰিবও নোৱাৰি। যিকোনো চৰকাৰ, দল-সংগঠনৰ পৰিকল্পনা হ'ব লাগে ৰাজ্যৰ জনসাধাৰণক কৰ্মমুখী কৰা। যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থানৰ ব্যৱস্থা কৰাটোহে অত্যন্ত জৰুৰী।

অসমক শ্ৰেষ্ঠ ৰাজ্যৰূপে গঢ়ি তুলিবলৈ ভাষ্য-ভাষণ দি থাকিলে নচলিব। হাতে-কামে আগবাঢ়িব লাগিব। প্ৰতিজন নাগৰিক স্বনিৰ্ভৰশীল আৰু স্বাৱলম্বী হ'লেহে ৰাজ্যখন স্বাৱলম্বী হ'ব। অসমত যিহেতু বৃহৎ উদ্যোগ প্ৰতিষ্ঠা হোৱাৰ সম্ভাৱনা বৰ্তমান বৰ কম, কৃষি-বাণিজ্য, শিল্পকলা আৰু পৰ্যটনৰ ওপৰত জোৰ দি জাতীয় আয় বৃদ্ধি কৰাতহে মনোযোগ দিয়া দৰকাৰ। প্ৰতিজন লোকৰ হাতত সৰু-বৰ কৰ্ম দি আত্মনিৰ্ভৰশীলৰূপে গঢ় দি তোলাহে অতি জৰুৰী।

ফোন ঃ ৮৮২২১৮৮৬৭৯

পুনৰ হ্ৰাস পালে সংক্ৰমণ, এদিনত মৃত্যু ৩৯৬ জনৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ নৱেম্বৰ ঃ বুধবাৰৰ তুলনাত বৃহস্পতিবাৰে দেশৰ দৈনিক ক'ভিড সংক্ৰমণ পুনৰ সামান্য হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত কৰ'নাত আক্ৰান্ত হ'ল ৯,১১৯ জন লোক। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে বিগত এদিনত প্ৰাণ কাঢ়িলে ৩৯৬ জন লোকৰ। বৰ্তমানে দেশত এক লাখ ন হেজাৰ ৯৪০ জন সক্ৰিয় ক'ভিড ৰোগী আছে। বিগত ৫৩৯ দিনৰ পাছত দেশগু সৰ্বনিম্ন হ'ল সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা। দেশৰ ১১৯ কোটিৰো অধিক লোকে ইতিমধ্যে কৰ'নাৰ কমেও এপালি প্ৰতিষেধক লাভ কৰিছে।

কুল্লু-মনালীতকৈও অধিক শীতল হ'ল ৰাজস্থান, তাপমাত্ৰা দুই ডিগ্ৰীলৈ নামিল

নিউজ ব্যুৰ', জয়পুৰ, ২৫ নৱেম্বৰ ঃ নৱেম্বৰৰ চতুৰ্থ সপ্তাহত ৰাজস্থানত প্ৰচণ্ড শীতে স্বাভাৱিক জনজীৱন ব্যাহত কৰিছে। তিনিসপ্তাহ পূৰ্বলৈকে ৰাজ্যখনত তাপমাত্ৰা স্বাভাৱিক আছিল যদিও বৰ্তমানে ৰাজস্থানৰ বিভিন্ন অঞ্চলত তাপমাত্ৰা দুই-তিনি ডিগ্ৰী চেলছিয়াছলৈকে অৱনমিত হৈছে। ৰাজ্যখনৰ ছেখাবাটি অঞ্চলত বুধবাৰে তাপমাত্ৰা দুই ডিগ্ৰী চেলছিয়াছলৈকে হ্ৰাস পাইছিল। মনালীত সম্প্ৰতি তাপমাত্ৰা তিনি ডিগ্ৰী চেলছিয়াছৰ আশে-পাশে আছে। অৰ্থাৎ এইবাৰ শীতত ৰাজস্থান কুল্লু-মনালীতকৈও অধিক শীতল হৈছে। ৰাজস্থানৰ পাহাৰীয়া অঞ্চল মাউণ্ট আবুত যোৱা নিশা তাপমাত্ৰা ১০ ডিগ্ৰী চেলছিয়াছলৈ অৱনমিত হৈছিল। বতৰ বিজ্ঞান বিভাগৰ পূৰ্বানুমান অনুসৰি, আগন্তুক কেইটামান দিনত ৰাজ্যখনত তাপমাত্ৰা অধিক অৱনমিত হোৱাৰ সম্ভাৱনা আছে।

বেআইনীভাৱে ৱেব ছিৰিজ বিক্ৰীৰ অভিযোগত এজনক মৃত্যুদণ্ডৰ শাস্তিৰ ৰায় উত্তৰ কোৰিয়াত

নিউজ ব্যুৰ', পিয়ং ইয়ং, ২৫ নৱেম্বৰ ঃ উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে 'ফায়াৰিং স্কোৱাড'ৰ দ্বাৰা এজন ব্যক্তিক গুলীয়াই হত্যা কৰাৰ নিৰ্দেশ দিলে। প্ৰকাশিত বাতৰি অনুসৰি, এই ব্যক্তিজনে নেটফ্লিক্সৰ জনপ্ৰিয় ৱেব ছিৰিজ 'স্কুইড গে'ম'ৰ নকল কপি বিক্ৰী কৰিছিল আৰু এই অপৰাধতে তেওঁক মৃত্যুদণ্ডৰ শাস্তি বিহিলে কীমে। আনহাতে, ৱেব ছিৰিজৰ নকল কপি ক্ৰয় কৰা এজন ছাত্ৰক যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশ দিয়া হৈছে। মাৰ্কিন সংবাদ মাধ্যমৰ বাতৰি অনুসৰি এজন ব্যৱসায়ীয়ে অবৈধভাৱে চীনৰ পৰা 'স্কুইড গে'ম'ৰ কপি উত্তৰ কোৰিয়ালৈ আমদানি কৰি বিক্ৰী কৰিছিল। এই বিষয়টো কীম প্ৰশাসনৰ দৃষ্টিগোচৰ হোৱাৰ পাছতে অভিযুক্তক বিচাৰ চলাই মৃত্যুদণ্ডৰ ৰায় দিয়া হৈছিল। উল্লেখ্য যে 'স্কুইড গে'ম' হৈছে দক্ষিণ কোৰিয়াত তৈয়াৰ কৰা এখন ধাৰাবাহিক নাটক।

আমেৰিকাত এসপ্তাহত ১.৪১ লাখ শিক্ষাৰ্থী কৰ'নাত আক্ৰান্ত

নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৫ নৱেম্বৰ ঃ আমেৰিকাৰ বিভিন্ন অঞ্চলত সম্প্ৰতি বিদ্যালয়সমূহ ছাত্ৰ-ছাত্ৰীৰ বাবে পুনৰ মুকলি কৰা হৈছে। কৰ'নাৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত দীৰ্ঘদিন ধৰি শিক্ষানুষ্ঠানসমূহ বন্ধ হৈ আছিল। কিন্তু বিদ্যালয় পুনৰ মুকলি কৰাৰ পাছত দেশখনৰ বিভিন্ন অঞ্চলত শিক্ষাৰ্থীৰ মাজত ক'ভিডৰ সংক্ৰমণ যথেষ্ট বৃদ্ধি পাইছে। মাৰ্কিন স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, বিদ্যালয় পুনৰ মুকলি হোৱাৰ পাছত মাত্ৰ এসপ্তাহতে আমেৰিকাৰ বিভিন্ন শিক্ষানুষ্ঠানত অধ্যয়নৰত ১.৪১ লাখ শিশু কৰ'নাত আক্ৰান্ত হ'ল।

কৰ্ণাটকৰ চিকিৎসা মহাবিদ্যালয়ত ৬৬ শিক্ষাৰ্থী কৰ'নাত আক্ৰান্ত

নিউজ ব্যুৰ', বাংগালুৰু, ২৫ নৱেম্বৰ ঃ ধাৰবাৰত থকা এছ ডি এম মেডিকেল কলেজত অধ্যয়নৰত ৬৬ ছাত্ৰ-ছাত্ৰীৰ লগতে একাংশ কৰ্মচাৰীৰ শৰীৰত ধৰা পৰিল কৰ'নাৰ সংক্ৰমণ। জিলা প্ৰশাসনে ইতিমধ্যে চিকিৎসা মহাবিদ্যালয়খনৰ ছাত্ৰাবাসক কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰিছে। কৰ'নাত আক্ৰান্ত সৰহসংখ্যক শিক্ষাৰ্থীৰে শৰীৰত ক'ভিডৰ লঘু লক্ষণ প্ৰত্যক্ষ হৈছে। মেডিকেল শিক্ষানুষ্ঠানখনত অধ্যয়নৰত মুঠ ২৭০ শিক্ষাৰ্থীৰ ক'ভিড পৰীক্ষণ কৰোৱা হৈছিল আৰু বৃহস্পতিবাৰৰ পুৱালৈকে ৬৬ জন শিক্ষাৰ্থীৰ শৰীৰত ক'ভিডৰ সংক্ৰমণৰ তথ্য নিশ্চিত হয়।

১,০০০ পুৰুষৰ বিপৰীতে মহিলাৰ অনুপাত ১,০২০ ঃ চহৰৰ তুলনাত দেশৰ গ্ৰামাঞ্চলত উন্নত হৈছে নাৰী-পুৰুষৰ অনুপাত

দেশত প্ৰথমবাৰলৈ পুৰুষতকৈ অধিক হ'ল মহিলাৰ জনসংখ্যা

নিউজ ব্যুৰ' নতুন দিল্লী, ২৫ নৱেম্বৰ ঃ ভাৰতত প্ৰথমবাৰৰ বাবে পুৰুষৰ তুলনাত মহিলাৰ জনসংখ্যা বৃদ্ধি পালে। বৰ্তমানে দেশত প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে মহিলাৰ অনুপাত হৈছে ১,০২০ গৰাকী। দেশৰ স্বাধীনতাৰ পাছত প্ৰথমবাৰৰ বাবে জনসংখ্যাৰ ক্ষেত্ৰত এনে এক অভিলেখ ৰচিত হ'ল। প্ৰজননৰ ক্ষেত্ৰতো পুত্ৰ আৰু কন্যা সন্তানৰ অনুপাত পূৰ্বৰ তুলনাত উন্নত হ'ল। ২০১৫-১৬ বৰ্ষত ভাৰতত সদ্যোজাত সন্তানৰ ক্ষেত্ৰত প্ৰতি ১০০০ টা পুত্ৰ সন্তানৰ বিপৰীতে জন্ম হোৱা কন্যা সন্তানৰ সংখ্যা আছিল ৯১৯। ২০১৯-২১ বৰ্ষত দেশত পুত্ৰ-কন্যা সন্তানৰ জন্মৰ এই অনুপাত হ'ল প্ৰতি ১,০০০ পুত্ৰৰ বিপৰীতে ৯২৯ কন্যা সন্তান। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা (এন এফ এইচ এছ-৫)ৰ পৰিসংখ্যাত দেশৰ গাঁও আৰু চহৰৰ নাৰী-পুৰুষৰ অনুপাতো বিশ্লেষণ কৰা হৈছে। সমীক্ষা অনুসৰি নাৰী-পুৰুষৰ অনুপাত

চহৰৰ তুলনাত দেশৰ গ্ৰামাঞ্চলত উন্নত হৈছে। দেশৰ গ্ৰামাঞ্চলত প্ৰতি ১,০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ১,০৩৭ হোৱাৰ বিপৰীতে চহৰত মহিলাৰ সংখ্যা হৈছে ৯৮৫ গৰাকী। ইয়াৰ পূৰ্বে চলোৱা এন এফ এইচ এছ-৪ সমীক্ষাৰ তথ্য অনুসৰি সেই সময়ত ভাৰতত গ্ৰামাঞ্চলত প্ৰতি ১,০০০ পুৰুষৰ বিপৰীতে ১,০০৯ গৰাকী মহিলা আছিল আৰু চহৰত মহিলাৰ অনুপাত আছিল ৯৫৬ গৰাকী।

উত্তৰ প্ৰদেশত সমাজবাদীৰে মৰ্চা গঠন কৰিব পাৰে আপে

নিউজ ব্যুৰ' লক্ষ্ণৌ, ২৫ নৱেম্বৰ ঃ উত্তৰ প্ৰদেশৰ আগন্তুক বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে সমাজবাদী পাৰ্টি আৰু আম আদমী পাৰ্টি (আপ)য়ে মৰ্চা গঠন কৰিব পাৰে। সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱ আৰু আপৰ সাংসদ সঞ্জয় সিঙৰ সাক্ষাৎকাৰৰ পাছত এই বিষয়ত জল্পনা-কল্পনা অব্যাহত আছে। আজি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে ইংগিত দি কয় যে ৰাজনৈতিক কাৰণতে আপৰ সাংসদ সিঙে সমাজবাদী পাৰ্টিৰ মুৰব্বীক সাক্ষাৎ কৰিছিল। উল্লেখ্য যে বুধবাৰে আপৰ সাংসদজনে অখিলেশক সাক্ষাৎ কৰিছিল।

শপতগ্ৰহণৰ এদিন পাছতে পদত্যাগ ছুইডেনৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰীৰ

নিউজ ব্যুৰ', ষ্ট'কহোম, ২৫ নৱেম্বৰ ঃ ছুইডেনৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী হিচাপে ইতিহাস গঢ়াৰ মাত্ৰ কেইঘণ্টামানৰ পাছতে পদত্যাগ কৰিলে মেগডালিনা এণ্ডাৰছনে। বুধবাৰে দায়িত্ব গ্ৰহণৰ পাছত বৃহস্পতিবাৰে এণ্ডাৰছনে প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰে। দৰাচলতে মৰ্চাৰ সংগী দলে চৰকাৰৰ প্ৰতি হঠাতে সমৰ্থন প্ৰত্যাহাৰ কৰাত এণ্ডাৰছন চৰকাৰৰ পতন নিশ্চিত হৈছিল আৰু ইয়াৰ পাছতে এণ্ডাৰছনে পদত্যাগৰ সিদ্ধান্ত লয়। সাংবাদিকৰ আগত পদত্যাগৰ কথা ঘোষণা কৰি এণ্ডাৰছনে কয়, 'মোৰ বাবে এই পদ অতি সন্মানৰ। কিন্তু মই এনে কোনো চৰকাৰৰ নেতৃত্ব বহন কৰিব নিবিচাৰো, যাৰ বৈধতাক লৈ প্ৰশ্ন উঠিব পাৰে।' বিগত সাত বছৰ ধৰি ছুইডেনৰ বিত্তমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত বুধবাৰে সংসদত অনুষ্ঠিত ভোটত দেশখনৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী নিৰ্বাচিত হৈছিল এণ্ডাৰছন। কিন্তু মৰ্চাৰ সহযোগীয়ে চৰকাৰৰ প্ৰতি সমৰ্থন প্ৰত্যাহাৰ কৰাত ৫৪ বছৰীয়া এণ্ডাৰছনে পদত্যাগ কৰিব লগা হ'ল।

ইংলিছ চেনেলত নাও ডুবি মৃত্যু ২৭ অনুপ্ৰৱেশকাৰীৰ

নিউজ ব্যুৰ', পেৰিছ, ২৫ নৱেম্বৰ ঃ ইংলিছ চেনেলত ফ্ৰান্সৰ পৰা ব্ৰিটেইন অভিমুখে যাত্ৰা কৰাৰ সময়তে এখন ক্ষুদ্ৰ নাও ডুব যোৱাত ২৭ জন যাত্ৰীৰ মৃত্যু হ'ল। ২০১৪ৰ পাছত বিশ্বৰ অন্যতম ব্যস্ত ইংলিছ চেনেলত সবাতোকৈ মৰ্মান্তিক দুৰ্ঘটনা সংঘটিত হ'ল। স্থানীয় সময় অনুসৰি ফ্ৰান্সৰ কালাই উপকূলৰ ওচৰত বুধবাৰে সন্ধিয়া এই নৌকা দুৰ্ঘটনা সংঘটিত হৈছিল। এই দুৰ্ঘটনাৰ বাবে ফ্ৰান্স আৰু ব্ৰিটেইনে পৰস্পৰক দোষাৰোপ কৰিছে। দুই দেশৰ মধ্যৱৰ্তী এই জলপথেদি প্ৰায়ে অনুপ্ৰৱেশকাৰীয়ে যাত্ৰাৰ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। সৰবৰাহকাৰীসকলে নৌকাত অত্যধিক যাত্ৰী বোজাই কৰাৰ ফলতে এনে নৌকা দুৰ্ঘটনা সংঘটিত হোৱাৰ অভিযোগো উত্থাপিত হৈছে।

মোদীক সাক্ষাৎ কৰা মমতাই কিয় লগ নকৰিলে ছোনিয়াক ঃ নিজে দিলে উত্তৰ

নিউজ ব্যুৰ' নতুন দিল্লী, ২৫ নৱেম্বৰ ঃ কালি বিয়লিবেলা নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি বৈঠকত অংশ লৈছিল পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে। মোদীক সাক্ষাৎ কৰিলেও এইবাৰৰ দিল্লী ভ্ৰমণত কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীক লগ নকৰিলে মমতাই। মমতাই কিয় ছোনিয়াক সাক্ষাৎ নকৰিলে বুলি এক প্ৰশ্ন উত্থাপিত হৈছে। এই প্ৰশ্নৰ উত্তৰ দিলে স্বয়ং তৃণমূল কংগ্ৰেছৰ নেত্ৰীয়ে। 'মই কিয় দিল্লীলৈ আহি প্ৰতিবাৰ ছোনিয়াক লগ কৰিম? এইবাৰ কেৱল প্ৰধানমন্ত্ৰীৰ পৰা সময় বিচাৰিছিলো। কংগ্ৰেছৰ নেতা এতিয়া পঞ্জাৱৰ নিৰ্বাচনক লৈ ব্যস্ত। তদুপৰি সকলো সময়তে মই ছোনিয়া গান্ধীৰ স'তে সাক্ষাৎ কিয় কৰিম? এয়া

কোনো সাংবিধানিকভাৱে বাধ্যতামূলক বিষয় নহয়।' প্ৰধানমন্ত্ৰীৰ স'তে সাক্ষাতৰ পাছত মমতাই এইদৰে মন্তব্য কৰি লগতে কয়, 'ৰাজনৈতিক মতাদৰ্শগত পাৰ্থক্য থাকিবই, কিন্তু ইয়াৰ বাবে কেন্দ্ৰ-ৰাজ্যৰ সংঘাত কাম্য নহয়। উদ্যোগ সন্মিলনৰ মুকলি অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰীক নিমন্ত্ৰণ দিলো আৰু প্ৰধানমন্ত্ৰীয়ে নিমন্ত্ৰণ গ্ৰহণ কৰিলে।'

কংগ্ৰেছক ভাঙিবলৈ প্ৰশান্তৰ ষড়যন্ত্ৰ, মোদীৰ ভয়তে ছোনিয়াক লগ নকৰিলে মমতাই ঃ অভিযোগ অধীৰৰ



নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ নৱেম্বৰ ঃ কংগ্ৰেছৰ সাংসদ অধীৰ ৰঞ্জন চৌধুৰীয়ে মেঘালয়ত কংগ্ৰেছৰ ১২ জন বিধায়কে তৃণমূল কংগ্ৰেছত যোগদান কৰাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ইয়াৰ বাবে নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰক দোষাৰোপ কৰিলে। অধীৰে কয় যে প্ৰশান্তই কংগ্ৰেছত ভাঙোন সৃষ্টি কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। 'যদিহে মমতা বেনাৰ্জীয়ে এতিয়া ছোনিয়া গান্ধীক সাক্ষাৎ কৰিলেহেঁতেন, তেন্তে প্ৰধানমন্ত্ৰী মোদী অসন্তুষ্ট হ'লহেঁতেন। ই ডিয়ে মমতাৰ ভতিজাকক চমন দিয়াৰ পাছতে তেওঁৰ আচৰণ সলনি হ'ল। ইয়াৰ পূৰ্বে মমতাই ছোনিয়া গান্ধীলৈ পত্ৰ লিখি বিজেপিৰ বিৰুদ্ধে একেলগে যুঁজ দিয়াৰ কথা কৈছিল। কংগ্ৰেছক দুৰ্বল কৰাৰ ষড়যন্ত্ৰ কেৱল মেঘালয়তে নহয়, সমগ্ৰ উত্তৰ-পূবত অব্যাহত আছে। ইয়াৰ আঁৰত আছে প্ৰশান্ত কিশোৰ। মোদীৰ ভয়তে ছোনিয়াক সাক্ষাৎ নকৰিলে মমতাই।' অধীৰে আজি এইদৰে কয়।

কৰ'না কালত বিপন্ন দেশৰ চলচ্চিত্ৰ উদ্যোগ ঃ কেন্দ্ৰীয় বিত্তমন্ত্ৰীলৈ পত্ৰ ইম্পাৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ নৱেম্বৰ ঃ এইবাৰ কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ৰ দ্বাৰস্থ হ'ল ইণ্ডিয়ান ম'চন পিকচাৰ প্ৰডিউচাৰ এছ'চিয়েচন (ইম্পা)। চলচ্চিত্ৰ ব্যৱসায়ৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱাকৰ (জি এছ টি) প্ৰত্যাহাৰৰ দাবীৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনলৈ পত্ৰ লিখিলে ইম্পাৰ সদস্যই। কৰ'না কালত চলচ্চিত্ৰ ব্যৱসায়ৰ সৰ্বাধিক ক্ষতি হ'ল। বৰ্তমানে চিত্ৰগৃহসমূহ পুনৰ মুকলি কৰা হৈছে যদিও দৰ্শকৰ সংখ্যা সীমিত হোৱাত প্ৰযোজকসকল সৰ্বাধিক ক্ষতিৰ সন্মুখীন হৈছে। এই ক্ষেত্ৰত সবাতোকৈ ডাঙৰ সমস্যাত পৰিণত হৈছে জি এছ টি। এই পত্ৰত ইম্পাই কয়, 'চলচ্চিত্ৰ উদ্যোগত চৰকাৰে কোনো ধন বিনিয়োগ নকৰে, বৰঞ্চ যি উপাৰ্জন হয় তাৰ সৰহসংখ্যক কৰৰূপে চৰকাৰে আদায় কৰে। বৃহৎ পৰিমাণত জি এছ টি আৰোপ কৰাৰ ফলত চলচ্চিত্ৰ ব্যৱসায়ৰ অৱস্থা এতিয়া যথেষ্ট শোচনীয় হৈছে। ১৮ শতাংশ জি এছ টি আদায় দিয়াটো যথেষ্ট কঠিন। এয়া বহন কৰাটো প্ৰযোজকসকলৰ বাবে অসম্ভৱ হৈছে। সেয়েহে চলচ্চিত্ৰ উদ্যোগক জীয়াই ৰাখিবলৈ হ'লে ইয়াক নতুন জীৱন দান কৰাটো প্ৰয়োজন।' ইম্পাই চলচ্চিত্ৰ উদ্যোগৰ সাম্প্ৰতিক সমস্যাৰ কথা অৱগত কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীক এই বিষয়ত দৃষ্টি ৰাখিবলৈ অনুৰোধ জনাইছে।

মুম্বাইত উপস্থিত হৈ পৰমবীৰে ক'লে 'তদন্তত সহযোগৰ বাবে আহিছো'

নিউজ ব্যুৰ', মুম্বাই, ২৫ নৱেম্বৰ ঃ কিছুদিন পলাতক লৈ থকাৰ পাছত মুম্বাইৰ প্ৰাক্তন আৰক্ষী আয়ুক্ত পৰমবীৰ সিঙে আজি পুৱাতে চণ্ডীগড়ৰ পৰা মুম্বাইত উপস্থিত হয়। মুম্বাইত প্ৰৱেশৰ পাছতে পৰমবীৰে কয়, 'মই তদন্তত সহযোগিতা আগবঢ়াবলৈ আহিছো আৰু মোৰ ন্যায়পালিকাৰ প্ৰতি সম্পূৰ্ণ বিশ্বাস আছে।' উল্লেখ্য যে পৰমবীৰক মুম্বাইৰ এখন আদালতে অলপতে পলাতক ঘোষণা কৰিছিল। মহাৰাষ্ট্ৰত একাধিক গোচৰত পৰমবীৰৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈছিল। পূৰ্বে পৰমবীৰে মহাৰাষ্ট্ৰৰ প্ৰাক্তন গৃহমন্ত্ৰী অনিল দেশমুখৰ বিৰুদ্ধে মুম্বাইৰ বিভিন্ন পানশালা আৰু ৰেস্তোৰাঁৰ পৰা আৰক্ষীৰ জৰিয়তে অবৈধভাৱে এশ কোটি টকা প্ৰতিমাহে সংগ্ৰহ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। এই গোচৰতে উচ্চতম ন্যায়ালয়ে আত্মগোপন কৰি থকা পৰমবীৰক সহযোগিতা আগবঢ়াবলৈ কৈছিল আৰু বুধবাৰে প্ৰাক্তন আৰক্ষী বিষয়াজনে চণ্ডীগড়ত থকা বুলি জানিবলৈ দিছিল। বৰ্তমানলৈকে পৰমবীৰৰ বিৰুদ্ধে মুঠ ছটা গোচৰ ৰুজু হৈছে।

দেশত প্ৰৱৰ্তিত হ'ব পাৰে চৰকাৰী ডিজিটেল মুদ্ৰা

নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ নৱেম্বৰ ঃ বিভিন্ন ব্যক্তিগত প্ৰতিষ্ঠানৰ মাধ্যমৰে বিশ্বজুৰি সম্প্ৰতি ক্ৰিপ্টকাৰেন্সীৰ প্ৰচলন জনপ্ৰিয় হৈছে। এই ধৰণৰ ডিজিটেল মুদ্ৰাৰ স'তে ভাৰতীয় অৰ্থনৈতিক ব্যৱস্থাৰ পৰিচয় নতুন যদিও শেহতীয়াভাৱে বিশ্বৰ আন বহু দেশৰ লগতে ভাৰততো বিটকইনৰ দৰে ক্ৰিপ্টকাৰেন্সী জনপ্ৰিয় হৈ উঠিছে। ক্ৰিপ্টকাৰেন্সীৰ এনে বৰ্ধিত জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে দেশত 'ক্ৰিপ্টকাৰেন্সী এণ্ড ৰেগুলেচন অৱ অফিচিয়েল ডিজিটেল কাৰেন্সী বিধেয়ক ২০২১' যুগুত কৰিছে। লোকসভাৰ আগন্তুক শীতকালীন অধিবেশনত নৰেন্দ্ৰ মোদীৰ চৰকাৰে ডিজিটেল মুদ্ৰা নিয়ন্ত্ৰণ বিষয়ক এই বিধেয়ক দাখিল কৰিব। উল্লেখ্য যে কিছুদিন পূৰ্বে স্বয়ং প্ৰধানমন্ত্ৰীয়ে ডিজিটেল মুদ্ৰাক লৈ বিশেষ সতৰ্কবাৰ্তা দেশবাসীলৈ প্ৰেৰণ কৰিছিল। মোদীয়ে কৈছিল যে ডিজিটেল মুদ্ৰাৰ প্ৰয়োজন আছে যদিও ইয়াৰ সঠিক ব্যৱহাৰ নহ'লে ভৱিষ্যতে বিপজ্জনক হ'ব পাৰে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ৰ এক সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, কেন্দ্ৰীয় চৰকাৰে দেশত চৰকাৰী ডিজিটেল মুদ্ৰা প্ৰৱৰ্তন কৰাৰ সন্দৰ্ভত চিন্তা-চৰ্চা কৰিছে। ডিজিটেল মুদ্ৰাৰ বিশ্বজুৰি ব্যাপক জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰৰ চৰকাৰে ভাৰততো চৰকাৰী ডিজিটেল মুদ্ৰা জাৰি কৰাৰ সম্ভাৱনা আছে বুলি সূত্ৰটোৱে দাবী কৰিছে।

সম্পত্তি বৃদ্ধিৰ প্ৰতিযোগিতাত আম্বানীক তীব্ৰ প্ৰত্যাহ্বান আদানীৰ

নিউজ ব্যুৰ' মুম্বাই, ২৫ নৱেম্বৰ ঃ এদিন পূৰ্বে অৰ্থাৎ কালি সম্পত্তি আহৰণৰ প্ৰতিযোগিতাত ভাৰত তথা এছিয়াৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে পৰিচিত হৈ অহা ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানীক অতিক্ৰম কৰি শীৰ্ষস্থান দখল কৰিছিল আন এগৰাকী উদ্যোগপতি গৌতম আদানীয়ে। অৱশ্যে আজি পুনৰ এছিয়াৰ সবাতোকৈ ধনী ব্যক্তিৰ স্বীকৃতি অক্ষত ৰাখিবলৈ সফল হ'ল আম্বানী। বৰ্তমানেও এছিয়াৰ সবাতোকৈ ধনী ব্যক্তি হিচাপে আম্বানী পৰিচিত হ'লেও আদানীৰ স'তে তেওঁৰ সম্পত্তিৰ বিশেষ প্ৰভেদ নাই। অতি দ্ৰুতগতিত সম্পত্তিৰ পৰিমাণ বৃদ্ধি পাইছে আদানী গোষ্ঠীৰ মুৰব্বী গৌতম আদানীৰ। ব্লুমবাৰ্গৰ আজি প্ৰকাশিত পৰিসংখ্যা অনুসৰি, বৰ্তমানে আম্বানীৰ সম্পত্তিৰ পৰিমাণ হৈছে ৮৯.৭ বিলিয়ন ডলাৰ। আনহাতে, আদানীৰ আজি সম্পত্তিৰ পৰিমাণ ৮৯.১ বিলিয়ন ডলাৰলৈ বৃদ্ধি পায়। কালি আম্বানীৰ সম্পত্তিৰ পৰিমাণ ১.৩২ বিলিয়ন ডলাৰ অৰ্থাৎ ৯,৮৪১ কোটি টকা হ্ৰাস পোৱাৰ বিপৰীতে আদানীৰ সম্পত্তি ৩৭.৫ কোটি

ডলাৰ অৰ্থাৎ ২,৭৯৫ কোটি টকা বৃদ্ধি পাইছিল। বৰ্তমানে বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত আম্বানীয়ে ১২সংখ্যক আৰু আদানীয়ে ১৩ সংখ্যক স্থানত আছে। আদানীৰ দ্ৰুত সম্পত্তি বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখিলে আগন্তুক সময়ত যিকোনো দিনতে আম্বানীক অতিক্ৰম কৰি আদানীয়ে এছিয়াৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ স্বীকৃতি অৰ্জন কৰাৰ যথেষ্ট সম্ভাৱনা আছে।

১৮ বছৰ বয়সৰ পূৰ্বে কন্যাৰ বিবাহত দেশৰ ভিতৰতে শীৰ্ষত পশ্চিমবংগ

নিউজ ব্যুৰ', কলকাতা, ২৫ নৱেম্বৰ ঃ ৰাষ্ট্ৰীয় পৰিয়াল আৰু স্বাস্থ্য সমীক্ষাৰ তথ্য অনুসৰি, ভাৰতত ১৮ বছৰ অনূৰ্ধ্ব বয়সৰ নাবালিকাৰ বিবাহৰ ক্ষেত্ৰত দেশৰ ভিতৰতে শীৰ্ষস্থানত আছে পশ্চিমবংগ। এই সমীক্ষা অনুসৰি, ২০-২৪ বছৰৰ যিসকল মহিলাই ভাৰতত ১৮ বছৰত ভৰি দিয়াৰ পূৰ্বে বিবাহপাশত আবদ্ধ হৈছিল, তেওঁলোকৰ ৰাষ্ট্ৰীয় গড় হৈছে ২৩.৩ শতাংশ। কিন্তু এই বয়সৰ মহিলাসকলৰ যিসকলে ১৮ বছৰ বয়সৰ পূৰ্বে বৈবাহিক জীৱন আৰম্ভ কৰিছিল তেওঁলোকৰ পশ্চিমবংগত গড় হাৰ হৈছে ৪১.৬ শতাংশ।

পূৰ্বৰ তুলনাত দেশত কন্যা সন্তানৰ মাজত বাল্যবিবাহৰ প্ৰৱণতা হ্ৰাস পাইছে যদিও বৰ্তমানেও দেশত কন্যা সন্তানৰ বাল্যবিবাহৰ হাৰ হৈছে ২৩.৩ শতাংশ। অৰ্থাৎ প্ৰতি পাঁচগৰাকী কন্যা সন্তানৰ এগৰাকীৰ বিবাহ ১৮ বছৰ বয়সৰ পূৰ্বে দেশত সম্পন্ন হৈ আহিছে। ১৮ বছৰ বয়সৰ পূৰ্বে বিবাহপাশত আবদ্ধ হোৱা বাল্যবিবাহৰ হাৰ বিহাৰত ৪০.৮ শতাংশ, ত্ৰিপুৰাত ৪০.১ শতাংশ, ঝাৰখণ্ডত ৩২.২ শতাংশ, অসমত ৩১.৮ শতাংশ, অন্ধ্ৰ প্ৰদেশত ২৯.৩ শতাংশ, ৰাজস্থানত ২৫.৪ শতাংশ, তেলেংগানাত ২৩.৫ শতাংশ, মধ্য প্ৰদেশত ২৩.১ শতাংশ, মহাৰাষ্ট্ৰত ২১.৯ শতাংশ।

ৱাংখেড়ে পৰিয়ালক সকাহ ঃ অনাৱশ্যক মন্তব্য কৰিব নোৱাৰিব মলিকে



নিউজ ব্যুৰ', মুম্বাই, ২৫ নৱেম্বৰ ঃ নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ বিষয়া সমীৰ ৱাংখেড়ে আৰু তেওঁৰ পৰিয়ালক বৃহৎ সকাহ দিলে বোম্বে উচ্চ ন্যায়ালয়ে। মহাৰাষ্ট্ৰ চৰকাৰৰ মন্ত্ৰী তথা এন চি পিৰ নেতা নবাব মলিকক অনাৱশ্যক মন্তব্য প্ৰকাশৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিলে আদালতে। আদালতে এই নিৰ্দেশনা জাৰি কৰি কয় যে মলিক আৰু তেওঁৰ পৰিয়ালৰ সদস্যই ৱাংখেড়ে পৰিয়ালৰ সন্দৰ্ভত অনাৱশ্যক মন্তব্য প্ৰকাশ কৰিব নোৱাৰিব। মলিক আৰু তেওঁৰ পৰিয়ালৰ এনে আচৰণ শোভনীয় নহয় বুলিও বোম্বে উচ্চ ন্যায়ালয় বিচাৰপীঠে মত প্ৰকাশ কৰে। এজন মন্ত্ৰীয়ে এনে অনাৱশ্যক মন্তব্য প্ৰকাশ কৰাটো মুঠেও শোভনীয় নহয় বুলি মন্তব্য কৰি ন্যায়ালয়ে অহা ন ডিচেম্বৰত এই গোচৰৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে আৰু উক্ত দিনলৈকে মলিকে ৱাংখেড়ে আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে কোনো মন্তব্য প্ৰকাশ কৰিব নোৱাৰিব বুলি স্পষ্ট কৰি দিয়ে। উল্লেখ্য যে এন চি বিৰ বিষয়া সমীৰে বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানক মুম্বাইৰ এখন প্ৰমোদতৰীৰ পৰা নিষিদ্ধ ড্ৰাগছৰ গোচৰত গ্ৰেপ্তাৰ কৰাৰ পাছৰে পৰা মন্ত্ৰী মলিকে সমীৰৰ লগতে তেওঁৰ পৰিয়ালৰ সদস্যৰ সন্দৰ্ভত বিভিন্ন মন্তব্য প্ৰকাশ কৰি আহিছিল।

শক্তি আশ্ৰমত কমতাৰত্ন

তিনি পৃষ্ঠাৰ পৰা উত্তোলন, কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত ১০ বজাত বিশিষ্ট কবি, সাহিত্যিক আৰু শিল্পীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। দিনৰ ১২-৩০ বজাত কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকতৰ পৌৰোহিত্যত অনুষ্ঠিত হ'ব কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ স্মৃতিচাৰণ সভা। উক্ত স্মৃতি চাৰণ সভাত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে মুখ্য অতিথি হিচাপে উপস্থিত থাকি কোচ ৰাজবংশী সাহিত্য সভাৰ 'ৱেব ছাইট'টো আনুষ্ঠানিকভাৱে মুকলি কৰিব। সভাখনত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকা, খিলঞ্জীয়া জনজাতি সাহিত্য সভাৰ সম্পাদক প্ৰধান কমলাকান্ত মুছাহাৰী আৰু ৰাভা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক ক্ৰমে অমৰসিং কোচ আৰু ৰাজকুমাৰ ৰাভা উপস্থিত থাকি কেইখন- মান ৰাজবংশী ভাষাৰ গ্ৰন্থ উন্মোচন কৰিব। উল্লেখ্য যে নৱগঠিত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্বৰ্তীকালীন পৰিষদৰ অধ্যক্ষ, উপাধ্যক্ষ, মুখ্য কাৰ্যবাহী পাৰিষদকে ধৰি সকলো কাৰ্যবাহী পাৰিষদ আৰু পাৰিষদসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব।

সংগঠন শক্তিশালী কৰাটোৱে প্ৰত্যেক

তিনি পৃষ্ঠাৰ পৰা ২০১৪ৰ পাছত বিজেপি দলে এক বিশেষ সাংগঠনিক শক্তি লাভ কৰিছে।' এই মন্তব্য মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ। আজি বঙাইগাঁৱত জিলা বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বঙাইগাঁৱত উন্নয়নৰ ধাৰা তেওঁৰ চৰকাৰৰ দিনত অব্যাহত থাকিব। উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে আজিও বঙাইগাঁৱত একাধিক কাৰ্যসূচীত অংশ লয়। পুৱা মুখ্যমন্ত্ৰীয়ে অসম গণ পৰিষদৰ বঙাইগাঁও জিলা সমিতিৰ কাৰ্যালয়ত উপস্থিত হৈ সৌজন্যসূচক আলাপত মিলিত হোৱাৰ পাছত চহৰৰ সমীপৰ মাজগাঁৱত স্থাপন কৰিবলৈ লোৱা বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ৰ স্থান পৰিদৰ্শন কৰে। ইয়াৰ পাছতে তেওঁ চহৰৰ নিকটৱৰ্তী সন্ন্যাসী পাহাৰত নিৰ্মীয়মান বঙাইগাঁও অভিযান্ত্ৰিক মহাবিদ্যালয় পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্যত বিলম্ব নকৰিবলৈ নিৰ্মাণ কাৰ্যত নিয়োজিত সংস্থাক নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে তেওঁ লিচুতোলাত অনুষ্ঠিত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকত অংশগ্ৰহণ কৰে।

পাছত জিলা বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকত আগন্তুক পৌৰসভা আৰু গুৱাহাটী পৌৰ নিগমৰ লগতে দেউৰী স্বায়ত্ত শাসিত পৰিষদ আৰু ঠেঙাল স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে দলীয় স্থিতি সন্দৰ্ভত আলোচনা হয়। তেওঁ লগতে কয়, 'বঙাইগাঁও পৌৰসভা নিৰ্বাচনত দলে অকলে অৱতীৰ্ণ হ'ব নে অগপৰ স'তে মিত্ৰতা কৰিব, সেয়া জিলা সমিতিয়ে নিৰ্ণয় কৰিব।' আনহাতে, ৰাজ্যিক কাৰ্যনিৰ্বাহক সন্দৰ্ভত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতায়ো আগন্তুক নিৰ্বাচনসমূহৰ বিষয়ে আলোচনা হোৱা বুলি কয়। কলিতাই কয়, 'যিহেতু যোৱা বিধানসভা নিৰ্বাচন, উপ-নিৰ্বাচনত আমি সফল হৈছো; গতিকে বিপুলভাৱে আশা কৰিছো যে আগন্তুক পৌৰসভা আৰু অন্যান্য নিৰ্বাচনসমূহতো সফল হ'ম।' এই নিৰ্বাচনত ৰাজ্যিক পৰ্যায়ত মিত্ৰতা নাথাকে বুলি সদৰী কৰি সভাপতিজনে লগতে কয় যে তলৰ পৰ্যায়ত যদি কোনো ঠাইত মিত্ৰতা হয়, তেন্তে সেয়া বেলেগ কথা। স্থানীয় অগপ বিধায়ক ফণীভূষণ চৌধুৰীৰ সহায়ক হোৱাকৈ বঙাইগাঁৱত বিজেপিয়ে তৎপৰতা আৰম্ভ কৰা বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি সভাপতি কলিতাই লগতে কয়, 'ইয়াত আমিও সংগঠন কৰিব বিচাৰিছো তেওঁৰ সহায় হোৱাকৈ।'

ভাৰতীয়ক বিদেশী সজোৱাৰ ষড়যন্ত্ৰ বন্ধ

তিনি পৃষ্ঠাৰ পৰা ব্যৱস্থাটোৰ পুনৰীক্ষণৰ ব্যৱস্থা নকৰাটো খুবেই দুৰ্ভাগ্যজনক বুলি ক্ষোভ ব্যক্ত কৰে হুছেইনে। বিদেশী ন্যায়াধিকৰণ আৰু সীমান্ত আৰক্ষী চৰকাৰৰ স্বদেশীক বিদেশী তথা ৰাষ্ট্ৰহীনত পৰিণত কৰাৰ যন্ত্ৰ আখ্যা দি বৰ্তমান সময়ত বিশেষকৈ তামুলপুৰ মহকুমাত হকে-বিহকে জাৰি হৈ থকা জাননী শীঘ্ৰেই বন্ধ কৰিবলৈ দাবী জনাই হুছেইনে পুনৰ কয় যে ভাৰতৰ দৰে এখন কল্যাণকামী গণতান্ত্ৰিক ৰাষ্ট্ৰত নিজৰ দেশৰ নাগৰিককেই বিদেশী সজোৱা ৰাষ্ট্ৰৰ এই অন্যায়মূলক ব্যৱস্থাৰ বিৰুদ্ধে এবিএমছুই ধাৰাবাহিকভাৱে গণতান্ত্ৰিক সংগ্ৰাম চলাই নিয়া হ'ব বুলি হুংকাৰ দিয়ে। উক্ত ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰি এবিএমছুৰ সভাপতি আশ্ৰাফুল ইছলামে ৰাজ্যৰ বহু অপেক্ষিত এন আৰ চিত নাম অন্তৰ্ভুক্ত হোৱা ব্যক্তিসকলক ৰাষ্ট্ৰীয় পৰিচয়পত্ৰ প্ৰদান আৰু নাম বাদ পৰা সকলৰ বাবে আপীল প্ৰক্ৰিয়া শীঘ্ৰেই আৰম্ভ কৰিবলৈ দাবী উত্থাপন কৰে। সভাপতি ইছলামে সংখ্যালঘুৰ ওপৰত বিদেশীৰ নামত চলোৱা নিৰ্যাতন অনাগত দিনত বন্ধ নহ'লে ভৱিষ্যতে এবিএমছুৱে গণতান্ত্ৰিকভাৱে ৰাজপথত আন্দোলন কৰিবলৈ বাধ্য হ'ব বুলি সকীয়াই দিয়ে। 'কাৰ্যসূচীৰ অন্তত এবিএমছুৰ সভাপতি আৰু সম্পাদক স্বাক্ষৰিত এখন স্মাৰকপত্ৰ তামুলপুৰৰ মহকুমাধিপতিৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে। উক্ত ধৰ্ণা কাৰ্যসূচীত এবিএমছুৰ উপ-সভাপতি আলি আজিম শেখ, আইনাল আলী, সাংস্কৃতিক সম্পাদক জাহাংগীৰ খান, আহমেদ, বিত্ত সম্পাদক হালিম খান, তামুলপুৰ জিলাৰ সভাপতি বদৰুদ্দিন খান, সাধাৰণ সম্পাদক বুবুল আলী, মুছলপুৰ জিলাৰ সভাপতি আলিফ হুছেইন, আজিজুল হক আদি নেতা উপস্থিত থাকে।

ভাড়াতীয়া শিক্ষক-শিক্ষয়িত্ৰীৰে চলিছে

তিনি পৃষ্ঠাৰ পৰা প্ৰাপ্ত তথ্য মতে, ২০১১ৰ পৰা হিন্দী, ২০১২ৰ পৰা অসমীয়া, ২০১৫ৰ পৰা বুৰঞ্জী, ভূগোল, ২০১৯ৰ পৰা ইংৰাজী, সংস্কৃত, ৰসায়ন বিজ্ঞান, ২০২০ৰ পৰা প্ৰাণী বিজ্ঞান, উদ্ভিদ বিজ্ঞান আৰু বৃত্তিমূলক শাখাৰ বিষয় শিক্ষকৰ পদ খালী হৈ আছে। তদুপৰি বিজ্ঞান শাখাৰ দুটাকৈ ডেমনষ্ট্ৰেটৰ পদ খালী। বিনামূলীয়াকৈ নামভৰ্তিৰ সুবিধা লাভ কৰি বহু ছাত্ৰ ছাত্ৰী শিক্ষানুষ্ঠানখনলৈ আহি ১০ টাকৈ বিষয় শিক্ষকৰ পদ খালী হৈ থকা কথাটো অৱগত হৈ ছাত্ৰ-ছাত্ৰীসকলে মুৰে-কপালে হাত দিবলগীয়া হৈছে। উপায়ান্তৰ হৈ এই দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলে গাইপতি বুজন পৰিমাণৰ চান্দা তুলি আঠজনকৈ ভাড়াতীয়া শিক্ষক-শিক্ষয়িত্ৰীৰ জৰিয়তে পাঠ গ্ৰহণ অব্যাহত ৰাখিবলগীয়া হৈছে। ইপিনে, শিক্ষানুষ্ঠানখনত ১১ জনকৈ সহকাৰী শিক্ষকৰ পদ খালী হৈ আছে। শ্ৰেণী কোঠা হিচাপত শিক্ষক-শিক্ষয়িত্ৰী নথকা সত্ত্বেও থকাকেইজনৰ পৰা ১২ জন শিক্ষক-শিক্ষয়িত্ৰীক কৰ'না ভাইৰাছৰ প্ৰতিষেধকৰ কামত লগোৱাত বিদ্যালয়ত পাঠদান একপ্ৰকাৰ বন্ধ হোৱাৰ দৰে হৈ পৰিছে। তদুপৰি বিদ্যালয়খনত আঠটাকৈ তৃতীয়া- চতুৰ্থবৰ্গৰো পদ দীৰ্ঘদিন ধৰি খালী। দৰং জিলাৰ একমাত্ৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰখনৰ এনে লাওলোৱা অৱস্থাৰ বিষয়ে দীৰ্ঘদিন ধৰি চৰকাৰৰ শিক্ষা বিভাগক বিদ্যালয়ৰ কৰ্তৃপক্ষ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে অৱগত কৰি আহিছে যদিও আজিলৈ কোনো গুৰুত্ব প্ৰদান কৰা নাই। ইপিনে, দৰং জিলাৰ উপায়ুক্ত, বিদ্যালয়সমূহৰ পৰিদৰ্শক, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি, আছুকে ধৰি বিভিন্ন ছাত্ৰ সংগঠনো এই ক্ষেত্ৰত ৰহস্যজনকভাৱে মৌন। উপায়ুক্ত, বিদ্যালয়সমূহৰ পৰিদৰ্শকে বিদ্যালয়খনত এবাৰ ভুমুকি মৰাৰো প্ৰয়োজনবোধ কৰা নাই। মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এনে দুৰৱস্থাই চৰকাৰৰ চৰকাৰী শিক্ষানুষ্ঠানৰ প্ৰতি কৰি অহা চূড়ান্ত অৱহেলাৰ ছবিখন পৰিস্ফুট হৈছে বুলি চৰ্চা হৈছে।

তেজপুৰত এটা পৰিয়ালৰ বাসগৃহত

তিনি পৃষ্ঠাৰ পৰা পৰিয়ালটোৰ বাসগৃহত সংঘটিত এই ঘটনাত বিনিদ্ৰ ৰজনী অতিবাহিত কৰে সদস্যসকলে। নিশা চেগাচোৰোকাকৈ এনে ঘটনা ঘটি থকাৰ পাছত পুৱতি নিশা তিনিমান বজাত শাম কাটে যদিও আজি পুৱা প্ৰায় আঠ বজাৰ পৰা আকৌ আৰম্ভ হয় একেই কাণ্ড। এই বিষয়ে স্থানীয় সংবাদকৰ্মীসকল অৱগত হৈ ঘটনাস্থলীত উপস্থিত হোৱাৰ সময়ত শিলবৰ্ষণ বন্ধ হয়; কিন্তু সংবাদকৰ্মীসকলে পৰিয়ালটোৰ চৌহদৰ পৰা আহি পদূলিত ৰোৱাৰ সময়তে পুনৰ পাতলীয়াভাৱে একেদৰেই শিল আহি পৰেহি পৰিয়ালটোৰ বাসগৃহ চোতালত। এই শিলাবৰ্ষণৰ ঘটনা প্ৰত্যক্ষ কৰা দাস আৰু একাংশ লোকে সদৰী কৰা মতে, যথেষ্ট উচ্চতালৈ দলিয়াই দিয়া শিলবোৰ উভতি আহি পৰেহি পৰিয়ালটোৰ চৌহদত। একাংশ লোকে দাবী কৰিছে যে এই ঘটনা কোনো অচিনাক্ত দুষ্কৃতিকাৰীয়ে পৰিয়ালটোৰ বাসগৃহৰ সমীপৰ পৰাই সংঘটিত কৰিছে। আকস্মিকভাৱে আৰম্ভ হোৱা এই ঘটনাক লৈ ভুক্তভোগী পৰিয়ালটো আতংকিত হৈ পৰাৰ লগতে একাংশই এয়া ভৌতিক কাৰ্য বুলি প্ৰচাৰ চলাইছে। উল্লেখ্য যে আজি সংবাদকৰ্মী উপস্থিত থকাৰ সময়তে তাত উপস্থিত হয়হি এজন অচিনাক্ত লোক। লোকজনে পৰিয়ালটোক এয়া এক ভৌতিক ঘটনা বুলি পতিয়ন নিয়াবলৈ অপচেষ্টা চলোৱাৰ লগতে এই বিপদ দূৰীকৰণৰ বাবে তেওঁৰ চিনাকি বেজ অনাৰ বাবেও পৰিয়ালটোক হেঁচা দিয়ে। তাৰবাবে যথেষ্ট ধনৰো প্ৰয়োজন হ'ব বুলি আতংকগ্ৰস্ত পৰিয়ালটোৰ মুৰব্বী দাসক কৈ থকাৰ সময়তে সংবাদকৰ্মী কাষ চাপি অহাত অচিনাক্ত লোকজনে ঘটনাস্থলী ত্যাগ কৰে। মন কৰিবলগীয়া যে অঞ্চলটোত এটা পথ নিৰ্মাণৰ কাম চলি আছে আৰু পথত ব্যৱহাৰ কৰিবলৈ অনা পাথৰেই এই দুষ্কাৰ্যত ব্যৱহাৰ কৰিছে অজ্ঞাত দুষ্কৃতিকাৰীয়ে। ঘটনাৰ সন্দৰ্ভত এই পৰ্যন্ত পৰিয়ালটো আৰক্ষীৰ কাষ চপা নাই আৰু স্থানীয় একাংশই এই ঘটনাক কোনো দুষ্কৃতিকাৰীৰ কাৰ্যৰ পৰিৱৰ্তে এক ভৌতিক কাণ্ডৰূপে প্ৰতিষ্ঠা কৰাত অধিক গুৰুত্ব আৰোপ কৰিছে। সমগ্ৰ ঘটনাও এতিয়াও ৰহস্যৰ আৱৰ্ততে আছে।

ছাত্ৰীক অশ্লীল ইংগিত দিয়া অধ্যাপকক

তিনি পৃষ্ঠাৰ পৰা গ্ৰেপ্তাৰ কৰিছে। অৱশ্যে অভিযুক্ত অধ্যাপকজনৰ শুংসূত্ৰ আৰক্ষীয়ে এতিয়াও লাভ কৰা নাই।

উল্লেখ্য যে গোসাঁইগাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক আবেদীনৰ তেওঁৰ বিভাগৰ এগৰাকী ছাত্ৰীৰ স'তে ম'বাইলৰ বাৰ্তালাপৰ বাণীবদ্ধৰূপ সামাজিক মাধ্যমত সংক্ৰমিত হয়। উক্ত ম'বাইল বাৰ্তাত অধ্যাপকজনে ছাত্ৰীগৰাকীক অশ্লীল ইংগিত দিয়া কথাটো স্পষ্ট হোৱাৰ পাছতে কালিৰে পৰা মহাবিদ্যালয়খনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ভুক্তভোগী ছাত্ৰীগৰাকীৰ পৰিয়ালে আৰক্ষীক এজাহাৰ দিয়াৰ পাছৰে পৰা অভিযুক্ত অধ্যাপকজনে পলায়ন কৰে। কালিও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰি অভিযুক্ত আবেদীনৰ শাস্তি দাবী কৰিছিল। আজি পুৱাও ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণী বৰ্জন কৰি মহাবিদ্যালয়ৰ সন্মুখত অৱস্থান কৰি প্ৰতিবাদী ধ্বনিৰে মহাবিদ্যালয় চৌহদ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে অভিযুক্ত অধ্যাপকজনক চাকৰিৰ পৰা বৰ্খাস্তৰ লগতে গ্ৰেপ্তাৰৰ দাবী জনায়। প্ৰায় দুঘণ্টাৰ প্ৰতিবাদৰ অন্তত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কুমুদ ৰঞ্জন বসুমতাৰীয়ে অন্যান্য প্ৰবক্তাৰ স'তে প্ৰতিবাদস্থলীত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীৰে আলোচনাত মিলিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ছাত্ৰ একতা সভাৰ তৰফৰ পৰা অধ্যক্ষক এখন স্মাৰক পত্ৰ অৰ্পণ কৰি ৭২ ঘণ্টাৰ ভিতৰত অধ্যাপক আবেদীনক বৰ্খাস্ত কৰাৰ সময়সীমা বান্ধি দিয়ে। অধ্যক্ষ ড° বসুমতাৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক জনায় যে মহাবিদ্যালয়ৰ নীতি-নিৰ্দেশনা অনুসৰি কৰ্তৃপক্ষই সভা অনুষ্ঠিত কৰি সমগ্ৰ ঘটনাৰ তদন্তৰ বাবে এখন কমিটী গঠন কৰিব আৰু সেই কমিটীৰ প্ৰতিবেদন অনুসাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলে সাময়িকভাৱে প্ৰতিবাদ স্থগিত ৰাখি পাঠদানত অংশগ্ৰহণ কৰে।এই সন্দৰ্ভত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকে সংবাদ মাধ্যমৰ আগত কয়, 'মহাবিদ্যালয়ৰ অধ্যক্ষৰ প্ৰতিশ্ৰুতি মৰ্মে আজি সাময়িকভাৱে আন্দোলন স্থগিত ৰখা হৈছে। যদি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত অধ্যাপকজনক বৰ্খাস্ত বা গ্ৰেপ্তাৰ কৰা নহয়, তেনেহ'লে পুনৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।'

ইপিনে, অভিযুক্ত আবেদীনে ব্যৱহাৰ কৰা ম'বাইল ছিম কাৰ্ডৰ গৰাকী তথা অধ্যাপকজনৰ খুলশালী জোঁৱাই ধুবুৰী জিলাৰ কামানডাংগাৰ নিবাসী হাফিজুৰ ৰহমান তালুকদাৰক গোসাঁইগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ধৃত তালকদাৰৰ ছিম কাৰ্ড ব্যৱহাৰ কৰিয়েই অভিযুক্ত আবেদীনে ভুক্তভোগী ছাত্ৰীগৰাকীক অশ্লীল ইংগিত দিছিল বুলি আৰক্ষীয়ে জনাইছে। ধৃত তালুকদাৰক আজি গ্ৰেপ্তাৰৰ পাছতে আদালতত হাজিৰ কৰোৱা হয়। আদালতে তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ইতিমধ্যে ধৃত লোকজনৰ বেংক একাউণ্টৰ লেনদেন প্ৰক্ৰিয়াও বন্ধ কৰি দিয়া হৈছে বুলি আৰক্ষী সূত্ৰই জনাইছে। সূত্ৰই লগতে কয় যে পলাতক আবেদীনৰ বিৰুদ্ধে সম্প্ৰতি অভিযান তীব্ৰতৰ কৰি তোলা হৈছে আৰু শীঘ্ৰেই অভিযুক্তজন আৰক্ষীৰ জালত পৰিব। পলাতক অধ্যাপকজনে যাতে আন্তঃৰাজ্যিক সীমান্ত অতিক্ৰম কৰি আন ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰে, তাৰ বাবে আৰক্ষীয়ে অসম-পশ্চিমবংগ সীমান্ত অঞ্চলসমূহৰ নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে। লগতে তেওঁৰ পাৰপত্ৰও অচিৰেই নিষ্ক্ৰিয় কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

সাহিত্য সভাৰ অধিৱেশনৰ পূৰ্ণাংগ আদৰণি সমিতি গঠন

অগ্ৰদূত বাৰ্তা

বিহপুৰীয়া, ২৫ নৱেম্বৰ ঃ অসম সাহিত্য সভাৰ ষষ্ঠসপ্ততিতম নাৰায়ণপুৰ অধিৱেশনৰ পূৰ্ণাংগ আদৰণি সমিতিখন আজি গঠন কৰা হয়। আদৰণি সমিতিয়ে নাৰায়ণপুৰ ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত কৰা এখন সংবাদমেলত এই কথা সদৰী কৰে। ইতিমধ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্য পৃষ্ঠপোষক, প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি অসম মন্ত্ৰীসভাৰ কেইগৰাকীও মন্ত্ৰী আৰু বিধায়কক পৃষ্ঠপোষক, সাহিত্য সভাৰ বিহপুৰীয়া অধিৱেশনৰ আদৰণি সমিতিৰ সম্পাদক স্মৃতিসূৰ্য গোলোক চন্দ্ৰ হাজৰিকাক মুখ্য উপদেষ্টা, বিহপুৰীয়াৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞাক সভাপতি, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° শৰৎ হাজৰিকাক কাৰ্যকৰী সভাপতি, অধ্যাপক মাখন তামুলীক সাধাৰণ সম্পাদক হিচাপে লৈ ৩২ খন উপ-সমিতিসহ এখন পূৰ্ণাংগ আদৰণি সমিতি গঠন কৰা হৈছে বুলি সংবাদমেলত সদৰী কৰে। আনহাতে, ২০২২ৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব লগা অধিৱেশনখন এবছৰ পিছুৱাৰ বাবে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ ওচৰত আবেদন জনোৱাৰ কথাও সংবাদমেলত সদৰী কৰে আদৰণি সমিতিয়ে। আনহাতে, নাৰায়ণপুৰৰ ঐতিহাসিক বিশাল বৰখামটি পথাৰৰ মনিকাঞ্চন সংযোগক্ষেত্ৰ নামাকৰণেৰে সাহিত্য সভাৰ অধিৱেশন অনুষ্ঠিত কৰিবৰ বাবে আদৰণি সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে নাৰায়ণপুৰ নগৰৰ বৰখামতি পথাৰৰ এক কিলোমিটাৰ ব্যাসাৰ্ধ সামৰি সভাৰ অধিৱেশনৰ প্ৰস্তুতি আদৰণি সমিতিৰ। উক্ত আদৰণি সমিতিৰ সভাপতি ড° অমিয় কুমাৰ ভূঞাৰ লগতে সাধাৰণ সম্পাদক মাখন তামুলী, সাহিত্য সভাৰ প্ৰস্তুতি সমিতিৰ সভাপতি যোগেন্দ্ৰ নাথ শইকীয়া, বিহপুৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমূল্য কুমাৰ হাজৰিকা, প্ৰাক্তন বিধায়ক কেশৰাম বৰা প্ৰমুখ্যে আদৰণি সমিতিৰ বহুকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

চমুখা আঞ্চলিক এম ই মাদ্ৰাছা

তিনি পৃষ্ঠাৰ পৰা বজাৰ সমিতি, ধুহি উন্নয়ন মঞ্চকে ধৰি অঞ্চলটোৰ বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

সমষ্টি নিৰ্ধাৰণ হ'লেই

তিনি পৃষ্ঠাৰ পৰা প্ৰস্তাৱিত বিশ্ববিদ্যালয়খনক কমতাপুৰ বিশ্ববিদ্যালয়, বিশ্ব মহাবীৰ চিলাৰায়ৰ নামত অভিযান্ত্ৰিক মহাবিদ্যালয়খনৰ নামকৰণ কৰিবলৈ মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। জাতীয় পৰিষদৰ স'তে হোৱা আলোচনাৰ পাছত মুখ্যমন্ত্ৰীয়ে কমতাপুৰ ৰাজ্যৰ দাবীটো ৰাজনৈতিকভাৱে সমাধান কৰাৰ বাবে পুনৰ ত্ৰিপাক্ষিক বৈঠকৰ আশ্বাস দিয়াৰ লগতে জনজাতিকৰণৰ দাবীটো সমাধানৰ এক ৰূপৰেখা প্ৰস্তুত কৰিব বুলি আশ্বাস দিয়ে। সেইদৰে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সমষ্টি নিৰ্ধাৰণ হ'লেই পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰিব বুলি দোহাৰে। সেইদৰে প্ৰস্তাৱিত বিশ্ববিদ্যালয় আৰু নিৰ্মীয়মাণ অভিযান্ত্ৰিক মহাবিদ্যালয়খনৰ নামকৰণৰ বাবে বিধায়ক চৌধুৰীক মুখ্যমন্ত্ৰীয়ে দায়িত্ব দিয়ে। মুখ্যমন্ত্ৰীয়ে প্ৰস্তাৱিত চিকিৎসালয়খন বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ৰূপে নামকৰণ কৰিব বুলি জনায়। জাতীয় পৰিষদে মুখ্যমন্ত্ৰীক নৰনাৰায়ণৰ নামেৰে কলাক্ষেত্ৰ গঢ়ি তোলা, বঙাইগাঁও চহৰত প্ৰয়াত জননেতা শৰৎ চন্দ্ৰ সিংহৰ নামেৰে আন এক বিকল্প পথ নিৰ্মাণ, কাকৈজানা সংৰক্ষিত বনাঞ্চলক অভয়াৰণ্যৰ স্বীকৃতি দিয়া, কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ ভৌগোলিক চাৰিসীমা বৰ্ধিত কৰি প্ৰকৃত স্বায়ত্ত শাসন প্ৰৱৰ্তন কৰা, গুৱাহাটীত এটা কমতাপুৰ ভৱন নিৰ্মাণ কৰা, ভাকাৰীভিটাস্থিত বীৰ চিলাৰায় সামাজিক-সাংস্কৃতিক কেন্দ্ৰৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে পাঁচ কোটি টকাৰ পেকেজ ঘোষণা কৰা আৰু আন কেইটাও দাবী সম্পৰ্কে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে এই প্ৰস্তাৱসমূহ পৰ্যায়ক্ৰমে কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। আজিৰ সংবাদমেলত কোচ ৰাজবংশী জাতীয় পৰিষদে মুখ্যমন্ত্ৰীৰ যোগাত্মক দৃষ্টিভংগীক ধন্যবাদ জনায়। মুখ্যমন্ত্ৰীৰে হোৱা আলোচনাত কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন, সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়, সহকাৰী সাধাৰণ সম্পাদকদ্বয় ভূপেন ৰায়, জগন্নাথ ৰায়, মানিকপুৰ জিলা কোচ ৰাজবংশী জাতীয় পৰিষদৰ উপ-সভাপতি নিফুল ৰাজবংশী উপস্থিত আছিল।

দুটা দশকৰ বিজ্ঞানী মহলৰ ভুল

তিনি পৃষ্ঠাৰ পৰা লাভ কৰা বৰ্ণালীৰ এই কৃতিত্বৰ বাবে সমগ্ৰ বজালী জিলাৰ লগতে অতি আনন্দিত হৈ পৰিছে তেওঁৰ পিতৃ-মাতৃ। পিতৃ মুনিন দাস আৰু মাতৃ শিৱন কলিতা দাসে নিজ কন্যা বৰ্ণালীৰ সফলতাৰ বাবে আনন্দ প্ৰকাশ কৰাৰ লগতে ব্যক্ত কৰিছে নিজৰ মনৰ কথা। উল্লেখ্য যে বৰ্ণালীয়ে অহা জানুৱাৰীত আমেৰিকালৈ উৰা মাৰিব মহাকাশৰ ৰহস্য ভেদ কৰি গ্ৰহ-নক্ষত্ৰৰ সন্ধান উলিয়াবলৈ। আজি পাঠশালাৰ ঘৰত নিজৰ মনৰ কথা প্ৰকাশ কৰিলে বৰ্ণালীয়ে। আজি পাঠশালাৰ অন্যতম বেচৰকাৰী শিক্ষানুষ্ঠান কৃষ্ণকান্ত সন্দিকৈ জুনিয়ৰ কলেজত প্ৰাক্তন ছাত্ৰীগৰাকীৰ সফলতাৰ বাবে আয়োজন কৰা হয় এক আদৰণি অনুষ্ঠান। উল্লেখ্য যে পাটাছাৰকুছি শংকৰদেৱ শিশু নিকেতনৰ পৰা হাইস্কুল আৰু কৃষ্ণকান্ত সন্দিকৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল তেওঁ। বিদ্যালয়ৰ বাকৰিত অধ্যক্ষ ৰবীন কলিতাৰ সভাপতিত্ব অনুষ্ঠিত উষ্ম আদৰণি অনুষ্ঠানত ছাত্ৰীগৰাকীয়ে গৱেষণাৰ বিষয়বস্তু সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়।

ইপিনে, আজি নিজগৃহত সংবাদ মাধ্যমৰ আগত কৃতী গৱেষক ছাত্ৰীগৰাকীয়ে জনায় যে তেওঁ আমেৰিকাত দুবছৰ গৱেষণা কৰিব। আমেৰিকাৰ মহাকাশ গৱেষণা কেন্দ্ৰত গৱেষণা কৰি মহাকাশৰ ৰহস্য ভেদৰে গ্ৰহ-নক্ষত্ৰৰ গতি-বিধি তথা ইয়াৰ গাত থকা ৰেডিঅ' তৰংগ আদিৰ সন্ধান উলিয়াবলৈ চেষ্টা কৰিব বুলি জানিবলৈ দিয়ে। বৰ্ণালীয়ে কয়, 'যথেষ্ট প্ৰত্যাহ্বান আৰু ৰোমাঞ্চৰে ভৰা মোৰ মহাকাশ গৱেষণাৰ বিষয়বস্তু। সূৰ্যতকৈও উত্তপ্ত মহাকাশত থকা বিষয়টো বিজ্ঞানী মহলত আগৰে পৰা চৰ্চিত হৈ আহিছে। সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ দৰে আমি এইবোৰ নতুনকৈ আৱিষ্কাৰ কৰা নাই। আমি মাথোঁ এই আঠটা তৰাৰ বৈশিষ্ট্য, ধৰ্ম, ইয়াৰ ৰেডিঅ' তৰংগ বিকিৰণ কৰিব পৰা ক্ষমতা আদিৰ বিষয়ে নতুনকৈ আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছো। এই আৱিষ্কাৰৰ দ্বাৰা যোৱা দুটা দশকধৰি মহাকাশ বিজ্ঞানী মহলত যি ভুল ধাৰণা আছিল, সেই ধাৰণা আমি দূৰ কৰিবলৈ সক্ষম হৈছো।' ইতিমধ্যে বিবাহপাশত আবদ্ধ হোৱা বৰ্ণালীৰ স'তে এই গৱেষণাত অংশ লৈছিল পুনম জেন্দ্ৰা, কানাডা নিবাসী প্ৰফেচাৰ গ্ৰেবেট আৰু আমেৰিকাৰ এজন বিজ্ঞানী।

টাপাট্টাৰী উন্নয়ন খণ্ডৰ

তিনি পৃষ্ঠাৰ পৰা হৈছে। তেওঁলোকৰ সীমাহীন লুণ্ঠনৰ বাবে আই, মানাহৰ বিধৌত অঞ্চলটোৰ বাট-পথৰ অৱস্থা তথৈবচ হৈয়ে আছে। পঞ্চায়তখনত ২০১৮-১৯ বিত্তীয় বৰ্ষত আমজাদ হুছেইনৰ ঘৰৰ পৰা তালুকদাৰপাৰালৈ যোৱা পথ নিৰ্মাণৰ নামত চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত দ্বিতীয় কিস্তিত তিনি লাখ ৯৫ হেজাৰ টকা আবন্টন হৈছিল যদিও সভাপতি, সচিবে উক্ত আঁচনিৰ সিংহভাগ ধনেই লুণ্ঠন চলোৱা বুলিও অভিযোগ উত্থাপিত হৈছে। একেদৰে পঞ্চায়তখনৰ অধীনস্থ সন্তোষপুৰ দ্বিতীয় খণ্ডত ২০১৯-২০ বিত্তীয় বৰ্ষৰ চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত হৰিপদ মণ্ডলৰ ঘৰৰ পৰা সন্তোষপুৰ দ্বিতীয় খণ্ডলৈ চি চি ব্লকৰ পথ নিৰ্মাণৰ বাবে দ্বিতীয় কিস্তিত ছয় লাখ টকা আবন্টন হৈছিল যদিও আঁচনি অনুপাতে পথৰ দৈৰ্ঘ্য-প্ৰস্থ কম হোৱাৰ লগতে নিৰ্মাণ কাৰ্যও অতি নিম্নমানৰ বুলি অভিযোগ উঠিছে । তদুপৰি পথছোৱাত কোনো ছাইডবাম নথকাত উক্ত পথছোৱা থিয় গৰাৰ লেখীয়া হোৱাত যিকোনো সময়তে পথছোৱা দুৰ্ঘটনাৰ কাৰক হৈ পৰিছে। এনে অৱস্থাত মৰণফান্দতহে পৰিণত হৈছে পথটো। তেনেদৰে একেটা বিত্তীয় বৰ্ষৰ অধীনত একেখন আঁচনিৰ অধীনত আমিৰউদ্দিনৰ ঘৰৰ পৰা সন্তোষপুৰ দ্বিতীয় খণ্ডলৈ যোৱা পথ নিৰ্মাণৰ বাবে তিনি লাখ টকা আবন্টন হৈছিল যদিও নামমাত্ৰ বালিমাটি পেলায়ে দায়িত্ব সামৰিলে পঞ্চায়ত প্ৰতিনিধি তথা সচিবে। তদুপৰি একেটা বিত্তীয় বৰ্ষৰ একেখন আঁচনিৰ অধীনত সুৰেন দাস প্ৰাথমিক বিদ্যালয়ৰ পৰা গাঁও পঞ্চায়ত কাৰ্যালয়লৈ যোৱা মথাউৰি পথত শিল বালি পেলোৱাৰ নামত সাত লাখ টকা আবন্টন হৈছিল যদিও মথাউৰিটোত নতুনকৈ শিল-বালি নেপেলোৱা বুলি বহু সময়ত অভিযোগ উত্থাপন হৈ আহিছে। এই সন্দৰ্ভত বিভাগে তদন্ত কৰে যদিও ৰহস্যজনকভাৱে সকলো তদন্ত ভেঁকোভাওনাত পৰিণত হৈ আহিছে। আনপিনে পৰৱৰ্তী বিত্তীয় বৰ্ষতো চতুৰ্দশ বিত্তীয় আয়োগ, এম জি এনৰেগা আঁচনিৰ নামতো লাখ লাখ টকা আবন্টন হৈ আহিছে যদিও পঞ্চায়ত সভাপতি, সচিব আদিয়ে লোকচক্ষুক অজ্ঞাত ৰখাৰ বাবে নামফলকৰ ব্যৱস্থা কৰা নাই । এনে পৰিপ্ৰেক্ষিতত পঞ্চায়তখনৰ কি কি আঁচনি, কিমান টকা আবন্টন হৈছে সেয়া বহু সময়ত অজ্ঞাত পঞ্চায়তবাসী। আনকি বহু সময়ত উকা ফলক আঁৰি দিয়া ঘটনাই পঞ্চায়তখনত চলা নৈৰাজ্যকে সূচনা কৰিছে। উল্লেখ্য যে নৈপৰীয়া অঞ্চলত অৱস্থিত হোৱাৰ সুবিধা লৈ লুণ্ঠন চলোৱা বুলিও ৰাইজৰ মাজত চৰ্চিত হৈছে।

সকলো অংগনৱাড়ী কেন্দ্ৰ প্ৰাথমিক বিদ্যালয়ৰে চামিল হ'ব ঃ ডাঃ পেগু

বিশেষ সংবাদদাতা

বৰপেটা, ২৫ নৱেম্বৰ ঃ ১৯৭১ তে নিজে পঢ়ি যোৱা বৰপেটাৰ ঐতিহ্যমণ্ডিত চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি নষ্টালজিক হৈ পৰিল শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। আজি বৰপেটা জিলাৰ কে'বাখনো বিদ্যালয়, মহাবিদ্যালয়, চিকিৎসালয় আৰু অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শনৰ অন্তত নিজৰ নিৰ্দিষ্ট ভ্ৰমণসূচীত নথকা সত্ত্বেও উশৈ শতিকাতে স্থাপিত বিদ্যালয়খনলৈ ইয়াৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ স'তে মত বিনিময় কৰে। তেওঁ বিদ্যালয়খনৰ ভালদৰে ঘূৰি-পকি চাই পূৰ্বৰ স্মৃতি সুঁৱৰি আৱেগিক হৈ পৰে। তেওঁ কয় যে ১৯৭১-৭২ত এইখন বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ আছিল। সেই সময়ত তেওঁৰ পিতৃ বৰপেটা মহকুমাৰ নিৰ্বাচন বিষয়াৰূপে নিয়োজিত হৈ আছিল। সেয়েহে বৰপেটাৰ প্ৰতি তেওঁৰ এক বিশেষ আকৰ্ষণ আছে বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীৰ অসম সৰলীকৰণ কাৰ্যসূচীৰ অধীনত বঙাইগাঁৱত অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছত ওভতনি যাত্ৰাত আজি বৰপেটা জিলা ভ্ৰমণ কৰি মন্ত্ৰী ডাঃ পেগুৱে পোনতে চাকাবাউসী প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা বিভাগীয় বিষয়াসকলৰ স'তে বাৰ্তালাপ কৰে। তেওঁ কয় যে যিবোৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা খুবেই কম সেইবোৰ ওচৰৰ আন বিদ্যালয়ৰ স'তে সংলগ্ন কৰা হ'ব। এনেদৰে অপ্ৰয়োজনীয় বিদ্যালয়ৰ সংখ্যা কমাই আনিব পাৰিলে চৰকাৰী বিদ্যালয়সমূহ পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰাটো যথেষ্ট সহজতৰ হৈ পৰিব তেওঁ মত প্ৰকাশ কৰে। তেওঁ বিদ্যালয়ৰ মণ্ডল কেন্দ্ৰ সমন্বয়কসকলেও নিয়মীয়াকৈ পাঠদান কৰিব লাগিব বুলি স্পষ্ট কৰি দিয়ে। ইয়াৰ পাছতে মন্ত্ৰীজনে সৰভোগত সমূহীয়া স্বাস্থ্য কেন্দ্ৰ আৰু প্ৰতিষেধক প্ৰদান কেন্দ্ৰ পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ পৰিৱেশ পৰিস্থিতিত বেচ সন্তুষ্টি প্ৰকাশ কৰে। তাৰ পাছত ওচৰৰ নিজ দমকা গাঁৱৰ অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰি কেন্দ্ৰটোৰ কৰ্মী-সহায়িকা আৰু ছুপাৰভাইজৰৰ স'তে বাৰ্তালাপ কৰে। ইয়াত তেওঁ উল্লেখ কৰা মতে যিবোৰ অংগনৱাড়ী কেন্দ্ৰ প্ৰাথমিক বিদ্যালয়ৰ স'তে একেটা চৌহদতে আছে সেইবোৰ অতি শীঘ্ৰে বিদ্যালয়খনৰ স'তে সংলগ্ন কৰা হ'ব। আনবোৰ পৰ্যায়ক্ৰমে একেলগ কৰা হ'ব। এই ক্ষেত্ৰত অংগনৱাড়ী কেন্দ্ৰৰ কমী-সহায়িকাসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। ডাঃ পেগুৱে পাছত বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়লৈ আহি ইয়াৰ অৱস্থাৰ বুজ লয়। ইয়াৰ পাছতে জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত উপস্থিত থকা অৰুণোদয়, বিধৱা পেঞ্চন, বৃদ্ধ পেঞ্চন আৰু ক'ভিড বিধৱা সাহায্য আঁচনিৰ কে'বাগৰাকী হিতাধিকাৰীৰ স'তে বাৰ্তালাপ কৰি তেওঁলোকৰ মনোভাব বুজিবলৈ চেষ্টা কৰে। হিতাধিকাৰীসকলে আঁচনিসমূহৰ ধন সময়মতে পাইছে নে নাই সেই বিষয়ে জানিব বিচাৰে। তেওঁ হিতাধিকাৰীসকলক ঘৰলৈ গৈ সাক্ষাৎ কৰিব নোৱৰা বাবে দুখ প্ৰকাশ কৰে।

অবৈধ ধন সংগ্ৰহ ঃ অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদ-টাইপাৰ ছয় নেতা-কৰ্মীক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

শিৱসাগৰ, ২৫ নৱেম্বৰ ঃ ৰাজ্যৰ মুখ্যমন্ত্ৰীজনে অবৈধ প্ৰক্ৰিয়াৰে ধন সংগ্ৰহ কৰা চান্দা মাষ্টৰৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ল'বলৈ অসম আৰক্ষীক নিৰ্দেশ দিয়াৰ পিছতেই ৰাজ্যৰ আন স্থানৰ লগতে শিৱসাগৰ আৰক্ষীও অবৈধ ধন সংগ্ৰহকাৰীৰ বিৰুদ্ধে কঠোৰ হৈ পৰিছে। বিগত 48 ঘণ্টাত উজনিৰ ভিন্ন প্ৰান্তত কে'বাটাও সংগঠনৰ কে'বাজনো নেতা-কৰ্মী অবৈধ প্ৰক্ৰিয়াৰে ধন সংগ্ৰহ কৰিবলৈ গৈ আৰক্ষীৰ জালত পৰাৰ ঘটনাই সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি থকাৰ সময়তেই এইবাৰ শিৱসাগৰ আৰক্ষীৰ জালত পৰিল দুটাকৈ জাতীয় সংগঠনৰ ছয় জন নেতা-কৰ্মী। শিৱসাগৰ আৰক্ষীৰ অভিযানত আৰক্ষীৰ জালত পৰা কৰ্মীকেইজনে প্ৰতিনিধিত্ব কৰা সংগঠনকেইটা হ'ল অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদ আৰু তাই আহোম যুৱ পৰিষদ। শিৱসাগৰ আৰক্ষীৰ সূত্ৰই অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদৰ এটা দলে চহৰৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত ধন সংগ্ৰহ কৰি আহিছিল। গোপন সূত্ৰে এই তথ্য লাভ কৰি আজি বিয়লি 3-30 বজাত সদৰ আৰক্ষীৰ এটা দলে কেন্দ্ৰীয় বজাৰৰ সমীপৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখৰ পৰা অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি পিংকুমণি দাস, সাংগঠনিক সম্পাদক পাৰ্থ দাস আৰু সদস্য জিণ্টু দাস, দিগন্ত বৰাক গ্ৰেপ্তাৰ কৰে। আটকাধীন চাৰিওজন সদস্যৰ বিৰুদ্ধে শিৱসাগৰ সদৰ আৰক্ষীয়ে বলপূৰ্বক ধন সংগ্ৰহৰ নিজাববীয়া এক গোচৰ ৰুজু কৰি চাৰিওজন সদস্যক গ্ৰেপ্তাৰ কৰিছে। ইফালে, আটকাধীন চাৰিওজন যুৱকে শিৱসাগৰ আৰক্ষীয়ে উত্থাপন কৰা অভিযোগ একেমুখে অস্বীকাৰ কৰিছে। চাৰিওজন সদস্যই অহা ছয় ডিচেম্বৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশমৰ্মে শিৱসাগৰ যুৱদলত বি আৰ আম্বেদকাৰ শ্ৰদ্ধাঞ্জলি দিৱস উদ্‌যাপনৰ বাবে চহৰখনৰ কেইখনমান ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা 50 টকাৰ পৰা সৰ্বাধিক 100 টকা বৰঙণি সানুনয়ে বিচাৰিছিল। ছয় ডিচেম্বৰৰ যুৱদলৰ অনুষ্ঠানটোৰ বাবে সমগ্ৰ চহৰখনত বেনাৰ-পোষ্টাৰ আঁৰি উক্ত কাৰ্যসূচীৰ ব্যাপক প্ৰচাৰ চলাই থকাৰ মাজতেই আজি সংগঠনটোৰ আন প্ৰায় ১০জনমান সদস্যৰ স'তে কেন্দ্ৰীয় বজাৰৰ সন্মুখত ৰৈ থকা অৱস্থাতেই আৰক্ষীৰ এটা দলে পিংকু-দিগন্ত-জিণ্টু আৰু পাৰ্থক সদৰ থানাত কিবা এক আলোচনা আছে বুলি মতাই আনি গ্ৰেপ্তাৰ কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে ধৃত জিলা সভাপতি পিংকুমণি দাসে। আনহাতে, তাই আহোম যুৱ ছাত্ৰ পৰিষদৰ কেইজনমান সদস্যই শিৱসাগৰৰ একাংশ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা বলপূৰ্বক ধন সংগ্ৰহ কৰাৰ গোপন অভিযোগৰ ভিত্তিত শিৱসাগৰ আৰক্ষীৰ এটা দলে ডিমৌৰ পৰা দুজনকৈ সংগঠনটোৰ বিষয়ববীয়াক গ্ৰেপ্তাৰ কৰে। সংগঠনটোৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক শৈলেন চাংমাই আৰু আনজন সদস্য সুনীল চাংমাই। শিৱসাগৰ আৰক্ষীয়ে নিজাববীয়াকৈ ৰুজু কৰা 1351021 নম্বৰৰ গোচৰৰ ভিত্তিত শৈলেন আৰু সুনীলক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰিছে।

প্ৰশ্নকাকত ফাদিল ঃ মৰিগাঁৱত

তিনি পৃষ্ঠাৰ পৰা জিলাখনৰ মৈৰাবাৰীৰ এখন বিদ্যালয়ৰ পৰা ফাদিল হয়। ইয়াৰ পাছতেই মৰিগাঁও জিলাৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই তাৎক্ষণিকভাৱে এই পৰীক্ষা বাতিল কৰিবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে। উপায়ুক্তৰ নিৰ্দেশনা অনুসৰি জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° বুলি গগৈয়ে আজি সমগ্ৰ মৰিগাঁও জিলাত অনুষ্ঠিত হোৱা সমাজ বিজ্ঞানৰ পৰীক্ষা বাতিল কৰি এই পৰীক্ষাটো অহা ৩০ নৱেম্বৰত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে। ইপিনে, মৰিগাঁও জিলা আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। উল্লেখ্য যে মৰিগাঁও জিলা শিক্ষা বিভাগটো তলৰ পৰা ওপৰলৈকে গেলিছে বুলি একাংশ সচেতন লোকে দীৰ্ঘদিন ধৰি অভিযোগ কৰি অহাৰ পাছতো এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলতে আজি মৰিগাঁৱত এনে অবাঞ্ছিত পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি অভিযোগ উত্থাপিত হৈছে।

হৰিশিঙা ৰাস মহোৎসৱৰ

তিনি পৃষ্ঠাৰ পৰা জিলা উপায়ুক্ত পি উদয় প্ৰবীণে। ৰাস মহোৎসৱত উপস্থিত দৰ্শকক ক'ভিড-১৯ নীতি-নিৰ্দেশনা মানি চলাৰ লগতে কেনেদৰে ক'ভিডৰ পৰা নিজকে ৰক্ষা কৰিব পাৰি সেই বিষয়েও উদ্‌যাপন সমিতিয়ে সময়ে সময়ে মাইকযোগে ঘোষণা কৰে। ৰাস মহোৎসৱত সীমিত সংখ্যক প্ৰতিমাৰে শ্ৰীকৃষ্ণৰ বিভিন্ন অৱতাৰ তথা জীৱনৰ বিষয়ে দেখুওৱাৰ প্ৰয়াস কৰে।

বজালী জিলা পৰিদৰ্শন মন্ত্ৰী

তিনি পৃষ্ঠাৰ পৰা সমস্যাৰ সন্মুখীন হৈছে নে নাই তাৰ বুজ লয়। ইয়াৰ পাছতেই মন্ত্ৰী মহন্তই ক'ভিড আক্ৰান্ত হৈ মৃত্যু হোৱা ভৱানীপুৰৰ হৰিপুৰ গাঁও আৰু বাংলীপাৰা দুই পৰিয়ালৰ লোকক পৃথকে পৃথকে সাক্ষাৎ কৰে। পাঠশালাস্থিত বিশেষভাৱে সক্ষম শিশুৰ আৱাসগৃহ 'তপোবন'ত উপস্থিত হৈ মন্ত্ৰীজনে মন্তব্য কৰে যে তপোবনত শিশুবোৰৰ বাবে সপ্তাহত দুদিন চিকিৎসকৰ সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰে। লগতে বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শিশুবোৰৰ বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰিব। তপোবনৰ পাছতেই মন্ত্ৰী মহন্তই নিত্যানন্দ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি স্বাস্থ্য কেন্দ্ৰটোৰ সাম্প্ৰতিক পৰিস্থিতিৰ বুজ লয়।

বিটিচি সচিবালয়ত বড়োলেণ্ড কল্যাণ

তিনি পৃষ্ঠাৰ পৰা বিটিআৰ শান্তি চুক্তি মৰ্মে নতুনকৈ গঠন হোৱা বড়োলেণ্ড কল্যাণ বিভাগৰ উচ্চস্তৰীয় বিষয়াৰ স'তে আজি বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো নেতৃত্বাধীন মিত্ৰজোঁটৰ পৰিষদখনৰে প্ৰথমবাৰৰ বাবে এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। উল্লেখ্য যে বিটিচি সচিবালয়ৰ আলোচনা কক্ষত আজি অনুষ্ঠিত হোৱা বড়োলেণ্ড কল্যাণ বিভাগ আৰু বিটিচি কৰ্তৃপক্ষৰে হোৱা পৰ্যালোচনা সভাখনত ডব্লিউ পি টি এণ্ড বি চি বিভাগৰ স'তে বিটিআৰৰ মাজত সমন্বয়ৰে আঁচনিসমূহ সঠিক ৰূপায়ণত গুৰুত্বাৰোপৰে আজিৰ বৈঠকখন অনুষ্ঠিত হয়। বিটিচিৰ সচিব প্ৰধান শান্তনু পি গোটমাৰৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, ৰাজ্য চৰকাৰৰ মুখ্য সচিব মুকেশ চাহু, কোকৰাঝাৰ পূব সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰী আৰু বিটিচিৰ পৰিষদ মাধৱ ছেত্ৰী উপস্থিত থাকে। ইফালে, সচিবালয়ত ঘণ্টাজোৰা বৈঠকৰ অন্তত মন্ত্ৰী গৌৰা ব্ৰহ্মই কয় যে বৈঠকখন মূলতে বিটিআৰ চুক্তিৰ মৰ্মে চৰকাৰে নতুনকৈ গঠন কৰা 'বড়োলেণ্ড কল্যাণ বিভাগৰে বিটিআৰ প্ৰশাসনৰ মাজত কাম কৰাৰ এক সু-সম্পৰ্ক স্থাপন কৰাৰ লক্ষ্যৰে অনুষ্ঠিত কৰা হৈছে।

ক'ভিড শংকামুক্ত হৈ সোঁত বৈছে দেশী

তিনি পৃষ্ঠাৰ পৰা বিষয়া-কৰ্মচাৰী আৰু বনৰক্ষীসকলৰ লগতে পৰ্যটন উদ্যোগটোৰ স'তে প্ৰত্যক্ষভাৱে জড়িত বিষয়া-কৰ্মচাৰীসকলক উৎসাহিত কৰিছে। উল্লেখ্য যে উদ্যানখনৰ সীমাৰ সমীপতে উদ্যানখনলৈ অহা দেশী-বিদেশী পৰ্যটকসকলক ৰখাৰ কাৰণে বেংগল ফ্ল'ৰিকেন কটেজ, মুছা জাংগল ৰি ট্ৰিট, বিৰিণা টুৰিষ্ট লজ, বাঁহবাৰী ৰজ, চিখ্ৰী কটেজ, স্মাইলিং টাস্কাৰ এলিফেণ্ট কেম্প, মানস মাওজিগেন্দ্ৰী ইকো টুৰিজিম ছ'চাইটি, ফ্ল'ৰিকেন জাংগল কটেজ, কেম্প বাফেলো ৰি ট্ৰিট, দি ৱাইল্ড টাইগাৰ ৰিজ'ৰ্ট আদিকে ধৰি মুঠ ১২ টাকৈ টুৰিষ্ট লজে পৰ্যটকসকলক থকা-খোৱাৰ সুবিধা প্ৰদান কৰি আহিছে। আনহাতে, পৰ্যটন উদ্যোগটোৰ স'তে জড়িত হাতী ছাফাৰী, জীপ ছাফাৰী নতুবা নৌকা বিহাৰৰ স'তে জড়িত কৰ্মচাৰীসকলেও উদ্যানখনৰ পৰ্যটন উদ্যোগটোৰ শ্ৰীবৃদ্ধিৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে অৰিহণা যোগাই আহিছে। আনহাতে, উদ্যানখনৰ দাঁতিকাষৰীয়া গাঁওসমূহৰ অধিকাংশ দুখীয়া ৰাইজে নিজৰ জীৱন-জীৱিকাৰ বাবে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে উদ্যানখনৰ পৰ্যটন উদ্যোগটোৰ স'তে বছৰ বছৰ ধৰি নিৰ্ভৰশীল হৈ আহিছে। উল্লেখ্য যে উদ্যানখনৰ পৰ্যটন উদ্যোগটোৰ স'তে জড়িত এইসকল গঞা ৰাইজে তেওঁলোকৰ দ্বাৰা উৎপাদিত বস্ত্ৰ সামগ্ৰীকে ধৰি বিভিন্ন থলুৱা সামগ্ৰী দেশী-বিদেশী পৰ্যটকক ওচৰত বিক্ৰী কৰি দুপইচা উপাৰ্জন কৰাৰ সুবিধা লাভ কৰাৰ লগতে ৰাজ্যখনৰ থলুৱা চহকী কৃষ্টি-সংস্কৃতিৰ দেশে বিদেশে প্ৰচাৰতো সুবিধা দান কৰি আহিছে। উল্লেখ্য যে চলিত বৰ্ষৰ তিনি মে' আৰু তাৰ পূৰ্বৱৰ্তী বছৰটোতো ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে চৰকাৰে দিয়া সম্পূৰ্ণ তথা 'অৰ্ধ তলাবন্ধ'ৰ ফলত পৰ্যটন উদ্যোগটোৰ স'তে প্ৰত্যক্ষভাৱে জড়িত ২৫০ টা পৰিয়ালৰ প্ৰায় ১৫০০ সদস্যৰ জীৱনলৈ চৰম ভাবুকি আহিছিল। পহিলা অক্টোবৰত উদ্যানখন পৰ্যটকৰ বাবে মুকলি কৰি দিয়াৰ পাছত অক্টোবৰ মাহটোত ৰাষ্ট্ৰীয় উদ্যানখনে ১৫ লাখ ২৩ হেজাৰ ৪০ টকা পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিছে। ৰাজহ আদায়ৰ এই পৰিমাণ বিগত বৰ্ষৰ অক্টোবৰ মাহত সংগৃহীত ৰাজহ দুগুণতকৈও অধিক। বিগত বৰ্ষৰ উক্ত সময়ছোৱাত উদ্যান কৰ্তৃপক্ষই দেশী-বিদেশী পৰ্যটকৰ পৰা সংগৃহীত ৰাজহৰ পৰিমাণ আছিল ছয় লাখ ৯২ হেজাৰ ২২০ টকা। যোৱা অক্টোবৰ মাহত ৭,৫০৫ জন দেশী-বিদেশী পৰ্যটকে ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰিছে। আনহাতে, উদ্যানখনৰ পৰ্যটন উদ্যোগটোৰ স'তে জড়িত এই ৰাজহ বৃদ্ধিৰ আঁৰত বিগত বৰ্ষত কৰ'নাজনিত পৰিস্থিতিৰ কাৰণে চৰকাৰে দিয়া 'সম্পূৰ্ণ তলাবন্ধ' আৰু এই বেলি চলিত বৰ্ষতো দিয়া 'আংশিক তলাবন্ধ'ৰ কথাটো প্ৰত্যক্ষভাৱে সাঙোৰ খাই আছে। 'আংশিক তলাবন্ধ'ৰ ফলত পূৰ্বৰ তুলনাত ৰাজ্যৰ পৰিস্থিতি তুলনামূলকভাৱে কিছু স্বাভাৱিক হৈ থকাৰ লগতে জনসাধাৰণৰ জীৱনযাত্ৰা পূৰ্বৰ বছৰটোৰ তুলনাত কিছু হ'লেও স্বাভাৱিক হৈ থকাৰ ফলত জনসাধাৰণ কৰ'না ভীতিৰ পৰা কিছু পৰিমাণে মুক্ত হৈ থকাত ইয়াৰ প্ৰভাৱ উদ্যানখনৰ পৰ্যটন উদ্যোগটোৰ ওপৰত পৰা বুলি প্ৰতীয়মান হৈছে। তদুপৰি চলিত বৰ্ষত কেন্দ্ৰীয় চৰকাৰে কৰ'না প্ৰতিষেধক প্ৰদান কাৰ্যসূচী আৰম্ভ কৰাৰ ফলতো জনসাধাৰণ অধিক শংকামুক্ত হোৱাত উদ্যানখনলৈ পৰ্যটকৰ অধিক আগমন বৃদ্ধি হোৱা কথাটো প্ৰতীয়মান হৈছে। উল্লেখ্য মানাহ ৰাষ্ট্ৰীয় উদ্যানে আপুৰুগীয়া জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ, বৃদ্ধিৰ ব্যৱস্থা তথা বি টি চি প্ৰশাসনৰ সহযোগত উদ্যানখনত চোৰাং চিকাৰ ৰোধৰ ক্ষেত্ৰত দেখুওৱা উল্লেখনীয় সফলতাৰ বাবে ইতিমধ্যে বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হৈছে।

অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ গ্ৰাসৰ পৰা মুক্তি কেনি?

■ মানসী মিশ্ৰ

এইখন সমাজত, আমাৰ ৰাজ্যখনত এতিয়াও কোবাই কোবাই মানুহ হত্যা কৰা হয়। ডাইনীৰ দৰে অন্ধবিশ্বাসত এতিয়াও মানুহক নিৰ্মম শাস্তি দিয়া হয়। এগৰাকী সুস্থ-সবল মানুহক ডাইনীৰ সন্দেহত হত্যা কৰি পেলোৱা হয়। জীয়াই থাকিলেও জীৱন্তে মৃত্যুৰ দৰেই হয়। আজিৰ একবিংশ শতিকাতো এচাম মানুহে মানুহক যিদৰে জীৱ-জন্তুৰ দৰে কোবাই কোবাই হত্যা কৰে, হয়তো বন্যজীৱ-জন্তুকো এনেদৰে হত্যা কৰিব পৰা নাযায়।

একবিংশ শতিকাৰ নাগৰিক আমি। বিজ্ঞান আৰু প্ৰযুক্তিৰে আকাশ চুব খোজাৰ বাসনা আমাৰ। বিশ্বায়নে একাকাৰ কৰি পেলোৱা এখন আধুনিক পৃথিৱীৰ বাসিন্দা আমি। এই একৈশ শতিকাৰ বাসিন্দাসকলে গাঁৱে-ভূঞে, নগৰে-চহৰে ব্যৱহাৰ কৰি আছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ সমন্বয়ৰে গঢ় দিয়া সকলো সা-সামগ্ৰী আৰু ইয়াৰ লগে লগে প্ৰায় সকলোৱে নিজকে আধুনিক বুলি দাবী কৰিছে। এইসকল লোকৰ অধিকাংশই পিন্ধনে-উৰণে, ভাষাই, মাতে-কথাই। আচবাব-পত্ৰৰে নিজে আধুনিক মনৰ, আধুনিক ফেশ্বনৰ মানুহ বুলি দাবী কৰে যদিও এইসকল লোক আভ্যন্তৰীণ দিশ, মানসিকতাৰ ফালৰ পৰা আধুনিক দৃষ্টিভংগী সম্পন্ন হৈছে জানো? নিশ্চয় হোৱা নাই। এইখন সমাজত, আমাৰ ৰাজ্যখনত এতিয়াও কোবাই কোবাই মানুহ হত্যা কৰা হয়। ডাইনীৰ দৰে অন্ধবিশ্বাসত এতিয়াও মানুহক নিৰ্মম শাস্তি দিয়া হয়। এগৰাকী সুস্থ-সবল মানুহক ডাইনীৰ সন্দেহত হত্যা কৰি পেলোৱা হয়। জীয়াই থাকিলেও জীৱন্তে মৃত্যুৰ দৰেই হয়। আজিৰ একবিংশ শতিকাতো এচাম মানুহে মানুহক যিদৰে জীৱ-জন্তুৰ দৰে কোবাই কোবাই হত্যা কৰে, হয়তো বন্যজীৱ-জন্তুকো এনেদৰে হত্যা কৰিব পৰা নাযায়। একবিংশ শতিকাত বিজ্ঞান আৰু প্ৰযুক্তিৰ জয়গান গোৱা মানুহে এইখন সমাজত আজিৰ দিনতো সোপাধৰা, পিছল মানুহ আদি বিশ্বাস কৰে। খুব সঘনাই আজিকালি আমাৰ সমাজত এনেকুৱা ঘটনা হৈ থাকে। বহু ঘটনা প্ৰকাশ নোপোৱাকৈয়ে থাকি যায়। মানুহ এতিয়াও অন্ধবিশ্বাস, কুসংস্কাৰৰ আবেষ্টনীৰ মাজত বেয়াকৈ সোমাই আছে। ছ'চিয়েল মিডিয়াযোগে কোনো এটা উৰা বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে তাৰ কোনো সত্যতা বিচাৰ কৰাৰ বাবে, নিজৰ বিবেকটোক সুধি চোৱাৰ বাবে এচাম মানুহৰ সময় নহয়। আজিৰ এই দিনতো তেনে এচাম উদণ্ড-উন্মত্ত মানুহৰ নৃশংসতাৰ মাজত পোত গৈ থকা এচাম উদণ্ড মানুহৰ নৃশংসতাৰ বলি হ'ল গুৱাহাটীৰে সংস্কৃতিবান, সম্ভ্ৰান্ত পৰিয়ালৰ দুজন যুৱক। মটৰচাইকেল স্মাৰ্টফোন নহ'লে এখোজো দিব নোৱাৰা বহু সংখ্যক মানুহৰ মাজত একৈশ শতিকাতো কুসংস্কাৰ, ধৰ্মান্ধতাৰে ভৰা মানসিকতা দেখিলেই নিজৰ মনতে প্ৰায়ে প্ৰশ্ন জাগে যে আমি এতিয়াও আদিম যুগতেই বসবাস কৰি আছো নেকি? মানুহে যে এতিয়া ব্যয়বহুল শিক্ষা-দীক্ষাও লৈছে, বিজ্ঞান আৰু প্ৰযুক্তিৰ নানা উপাদানেৰে নিজকে সমৃদ্ধও কৰিছে। যি শিক্ষাই মানুহৰ মনৰ দুৱাৰ-খিৰিকী মুকলি কৰিব নোৱাৰে, অন্ধবিশ্বাস, কুসংস্কাৰৰ পৰা নিজক মুক্ত কৰিব পৰা নাই, তেনে মানুহক আমি শিক্ষিত বুলি ক'মনে? নে আধুনিক বুলিয়ে ক'ম? এতিয়াও আমাৰ চৌপাশে ডাইনীৰ দৰে অন্ধবিশ্বাসত কেৱল এটা পৰিয়ালকে নহয়, সমগ্ৰ পৰিয়ালটোকে সমাজচ্যুত কৰা হয়। ইয়াৰ লগে লগে সোপাধৰাৰ দৰে অন্ধবিশ্বাসতো নিৰীহ মানুহৰ ওপৰত অত্যাচাৰ চলোৱা হ'ল। আজিৰ দিনতো ছোৱালী সন্তান জন্ম দিয়া বাবেই মহিলাক হত্যা কৰা ঘটনা এইখন পৃথিৱীতে সংঘটিত হৈ আছে।

দুবছৰ মানৰ আগতে কাৰ্বি আংলং জিলাৰ ডকমকাত সোপাধৰাৰ সন্দেহত গাঁৱৰ ৰাইজ উঠি আহি বাঁহ কাঠেৰে অতি নিৰ্মমভাৱে কোবাই কোবাই দুজন উঠি অহা যুৱকক হত্যা কৰিছিল। এই ঘটনাই সমগ্ৰ ভাৰতবাসীকে লজ্জানত কৰিছিল। দুয়োজন যুৱকে নিজৰ পৰিচয় দাঙি ধৰি, পিতৃ-মাতৃৰ নাম কৈ, অহাৰ উদ্দেশ্য জনোৱাৰ পাছতো অতি পাশৱিকভাৱে হত্যা কৰিছিল এদল উন্মত্ত জনতাই— হয়তো বনৰীয়া জীৱ-জন্তুৰেও ইমান নিষ্ঠুৰভাৱে আন জীৱ-জন্তুক হত্যা নকৰে। বহুতো ক্ৰিয়াকাণ্ড দেখিলে, জীৱ-জন্তুৰ হিংস্ৰতাতকৈ মানুহৰ হিংস্ৰতা, উগ্ৰতা বহু বেছি ওপৰত যেন লাগে। এই দুজন যুৱকেনো কি অপৰাধ কৰিছিল। কৰ্মব্যস্ত জীৱনত সদায়ে সৃষ্টিশীল কাম কৰি অহা এই দুজন যুৱকে কাৰ কি অপৰাধ কৰিছিল? ব্যস্ত মহানগৰীৰ পৰা কিছু আঁতৰত থাকি প্ৰকৃতিৰ নিৰিবিলি পৰিৱেশৰ মাজত সময় কটাবলৈ গৈছিল। এইখনেই আমাৰ স্বাধীন গণতান্ত্ৰিক দেশ নেকি য'ত সৰ্বসাধাৰণ ৰাইজৰ সামান্য সুৰক্ষাও নাই। নিজৰ ঘৰৰ পদূলিতে জীৱনটোৰ তিলমানো সুৰক্ষা নাই। পৰিয়ালৰ সূত্ৰই জনোৱা মতে দুয়োজনে সৃষ্টিশীল কামত নিজকে জড়িত কৰি ৰখা যুৱক। পিতৃ-মাতৃ, আত্মীয়-স্বজনৰ ভাষ্য অনুসৰি দুয়োজন যুৱকেই সৃষ্টিশীল কামৰ উৎস আৰু প্ৰেৰণা বিচাৰি প্ৰাকৃতিক পৰিৱেশে আৱৰা ঠাইলৈ ভ্ৰমণ কৰে। এইটো ঘটনাই প্ৰথম নহয়। এনে বহু দুৰ্ভাগ্যজনক ঘটনা ঘটি গৈছে এইখন ৰাজ্যত। ঘটনাসমূহ সংঘটিত হোৱাৰ লগে লগে চাৰিওফালে সৰৱ প্ৰতিবাদ হয় কিন্তু কেইদিনমান যোৱাৰ পাছতেই চৌদিশে নিতাল মাৰে। বহু মাৰাত্মক ঘটনাত জড়িত অপৰাধীসকল কেনেকৈ আইনৰ সুৰুঙাইদি সাৰি যায়, সেয়া ৰাইজৰ সমুখত সবাতোকৈ ডাঙৰ প্ৰশ্ন। এনে ধৰণৰ বিচাৰসমূহ ফাৰ্ষ্ট ট্ৰেক আদালতৰ যোগেদি নোহোৱা হেতুকে, আইনৰ লেহেমীয়া গতিৰ বাবেই আমাৰ ৰাজ্যখনত বহুতো মাৰাত্মক অপৰাধ সংঘটিত হৈ আহিছে। এই ক্ষেত্ৰত চৰকাৰৰ প্ৰতিনিধি দুজনমান গৈ কেইটামান টকাৰ চেক এখন দি আহিলেই সমস্যাটো শেষ হৈ নাযায়। অকালতে শেষ হৈ যোৱা মানুহজনক ঘূৰাই আনিব পাৰি জানো? ৰাজ্যখনত প্ৰায়ে সংঘটিত হৈ অহা এনে বিচাৰ প্ৰক্ৰিয়াৰ ওপৰত চৰকাৰখনৰ স্থিতি অতি দৃঢ় আৰু কঠোৰ হোৱা উচিত।

আমাৰ ৰাজ্যৰ বিভিন্ন পিছপৰা, দুৰ্গম অঞ্চলত বিশেষকৈ জনজাতীয়, চাহ জনজাতীয় অঞ্চলসমূহত অন্ধবিশ্বাস, কুসংস্কাৰৰ মাত্ৰা বহুগুণে বেছি। এনেধৰণৰ পিছপৰা অঞ্চলসমূহত ব্যাপকভাৱে অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ ওপৰত সজাগতামূলক কাৰ্যসূচী হ'ব লাগে। এই ক্ষেত্ৰত প্ৰচাৰ মাধ্যমসমূহো যথেষ্ট সক্ৰিয় হ'ব লাগে কিয়নো এনে ধৰণৰ ঘটনাসমূহ পঢ়াৰ লগে লগে প্ৰকৃত তথ্যসমূহ পোহৰলৈ আহিব।

দৰাচলতে আমাৰ ৰাজ্যখনত অন্ধবিশ্বাস নিবাৰণ আৰু নিৰ্মূলকৰণৰ হকে এখন কঠোৰ আৰু কটকটীয়া আইন হ'ব লাগে। ৰাজ্যখনত যিটো বিয়াগোম আৰক্ষী বিভাগ আছে তেওঁলোকেও এনে দুৰ্গম অঞ্চলসমূহত অধিক তৎপৰ হ'ব লাগে। চৰকাৰীভাৱেও ৰাজ্যখনৰ দুৰ্গম, জনজাতীয় অঞ্চলসমূহৰ বাবে যিখিনি সজাগতামূলক কাৰ্যসূচী হ'ব লাগে সেইখিনি আজি পৰ্যন্ত হৈ উঠা নাই। আনকি এই পিছপৰা লোকসকলৰ মাজত এনে অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে এখন আঁচনিৰ প্ৰৱৰ্তন হোৱা নাই, এখন নিৰ্দিষ্ট আইন হৈ উঠা নাই। এখন গণতান্ত্ৰিক দেশৰ চৰকাৰৰ সৰ্বপ্ৰথম দায়িত্ব সৰ্বসাধাৰণ ৰাইজৰ জীৱনসমূহক নিৰাপত্তা দিয়া। কিন্তু আমাৰ ৰাজ্যত সেয়া কিমান দূৰ সফল হৈছে, প্ৰতিজন সচেতন ব্যক্তিয়ে নিজক সুধি চালেই গম পাব। চৰকাৰৰ লগতে আমাৰ সমাজখন কুসংস্কাৰমুক্ত কৰাৰ ক্ষেত্ৰত সমাজৰ প্ৰতিটো স্তৰৰ লোকৰে সামাজিক দায়বদ্ধতা আছে। আমি প্ৰত্যেকেই নিষ্ঠা আৰু আন্তৰিকতাৰে সেইখিনি কৰিবলৈ আগবাঢ়ি যাব লাগে।

ফোন ঃ ৮৬৩৮০৬০৫৭৩

অসমৰ চাহ জনগোষ্ঠী জলহাসকলৰ পম খেদি



■ গোলাম ৰচুল আলী জলহা

সময়ৰ হাতবুলনিত এই চাহ জনজাতি জলহা শ্ৰমিকসকল অসমত বিলীন হৈ অসমখনকে আপোন ঘৰ কৰি লৈছে। বৃহত্তৰ চাহ-শ্ৰমিকৰ জীৱন গাথা অতি কৰুণ। চাহ-শ্ৰমিকৰ কেঁচা তেজৰ বিনিময়ত অসমত ‘কেঁচা সোণ’ খ্যাত চাহপাতৰ উৎপাদনে অসমক বিশ্ব দৰবাৰত কাললৈকে প্ৰতিষ্ঠা কৰিলে। অসমত উৎপাদিত চাহপাতে দেশৰ লগতে আমাৰ অসমৰ অৰ্থনৈতিক ভেটি নিৰ্মাণ কৰিলে যদিও চাহ-শ্ৰমিকৰ জীৱনশৈলীত আজিও ৰেখাপাত কৰিবলৈ সক্ষম নহ'ল।

চিৰ সেউজী চাহ বাগিচাক জীৱন বুলি গণ্য কৰা সহজ-সৰল চাহ জনগোষ্ঠী জলহা শ্ৰমিকসকলৰ বিষয়ে হয়তো আজিও বহুতৰে ধাৰণা অতি কম বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সময়ৰ হাতবুলনিত এই চাহ জনজাতি জলহা শ্ৰমিকসকল অসমত বিলীন হৈ অসমখনকে আপোন ঘৰ কৰি লৈছে। বৃহত্তৰ চাহ-শ্ৰমিকৰ জীৱন গাথা অতি কৰুণ। চাহ-শ্ৰমিকৰ কেঁচা তেজৰ বিনিময়ত অসমত ‘কেঁচা সোণ’ খ্যাত চাহপাতৰ উৎপাদনে অসমক বিশ্ব দৰবাৰত কাললৈকে প্ৰতিষ্ঠা কৰিলে। অসমত উৎপাদিত চাহপাতে দেশৰ লগতে আমাৰ অসমৰ অৰ্থনৈতিক ভেটি নিৰ্মাণ কৰিলে যদিও চাহ-শ্ৰমিকৰ জীৱনশৈলীত আজিও ৰেখাপাত কৰিবলৈ সক্ষম নহ'ল। বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত বৃহত্তৰ চাহ-জনগোষ্ঠীৰ অৱদান অনস্বীকাৰ্য।

প্ৰাগ্ ঐতিহাসিক কালৰে পৰা ব্ৰহ্মপুত্ৰৰ দুই পাৰৰ সমতলভূমিত বিভিন্ন নৃগোষ্ঠীয় লোকসকল বসতি স্থাপন কৰি আহিছে। শেহতীয়াভাৱে ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা জীৱিকাৰ তাড়নাত অসমলৈ আহি ইয়াৰ বায়ু-পানী-মাটিৰ স'তে সংপৃক্ত হৈ পৰা জনসমষ্টিয়েই হৈছে অসমৰ বৃহত্তৰ চাহ জনগোষ্ঠী। এই চাহ জনগোষ্ঠীৰ শ্ৰমিকসকলক ব্ৰিটিছসকলে বাগানত সস্তীয়া শ্ৰমিক হিচাপে কাম কৰিবলৈ বিভিন্ন ফুচুলনি দি আৰু দালালৰ জৰিয়তে আমদানি কৰি আনিবলৈ সক্ষম হৈছিল। এই আমদানিকৃত শ্ৰমিকসকল বিভিন্ন ভাষিক, সাংস্কৃতিক, সামাজিক আৰু ধৰ্মীয় গোটৰ অংশীদাৰ যদিও অসমৰ চাহ বাগিচাসমূহত শ শ বছৰ ধৰি একেলগে একেখন লাইন নতুবা বস্তিত বসবাস কৰা হেতুকে বিভিন্ন পৰিস্থিতি আৰু পৰিৱেশজনিত কাৰণত এওঁলোকৰ মাজৰ উল্লিখিত ভিন্নতাসমূহ ক্ৰমশঃ বিলুপ্ত হৈ চাহ জনগোষ্ঠী আদিবাসী হিচাপে পৰিগণিত হৈছে।

ব্ৰিটিছ চাহ কোম্পানীৰ সহায়ক হোৱাকৈ ভিন-ভিন পদ্ধতিৰে মধ্য-পূব ভাৰতৰ বিভিন্ন অঞ্চল আৰু ভাষিক-সামাজিক তথা সাংস্কৃতিক পৰিমণ্ডলৰ পৰা ভিন্ন নৃ-গোষ্ঠীয় লোকসকলক অসমৰ চাহ-বাগিচালৈ চাহ শ্ৰমিক হিচাপে কাম কৰাৰ নিমিত্তে অনা হয়। এই চাহ শ্ৰমিকসকলক অসম চৰকাৰে ১৯৭৫ৰ ২৭ নৱেম্বৰত এক জাননী মৰ্মে ৯০ টা জাতি-জনজাতি আৰু উপাধি তথা গোষ্ঠীৰ নামেৰে অসম চৰকাৰে চাহ বাগিচা আৰু প্ৰাক্তন চাহ বাগিচা শ্ৰমিক-জনগোষ্ঠী নামেৰে ‘অন্যান্য পিছপৰা শ্ৰেণী’ হিচাপে তালিকাভুক্ত কৰে। আনহাতে, অসম চৰকাৰে ১৯৭৫ত প্ৰকাশিত জাতিসমূহৰ তালিকাখন পিছপৰা শ্ৰেণীৰ ৰাষ্ট্ৰীয় আয়োগে ১৯৯৩ আৰু১৯৯৫ত কিছু সংশোধন ঘটাই আৰু কিছু যুক্ত কৰি ৯৬ টা জাতিৰ তালিকা এখন এটা গোটত সন্মিলিতভাৱে চাহ বাগিচা শ্ৰমিক, চাহ-জনগোষ্ঠী, প্ৰাক্তন চাহ বাগিচা শ্ৰমিক আৰু প্ৰাক্তন চাহ জনগোষ্ঠী হিচাপে অনুমোদিত ৰূপত প্ৰকাশ কৰে। উক্ত তালিকাত অন্তৰ্ভুক্ত জাতিসমূহৰ নাম ঃ অহিৰ, গোৱালা, আৰ্যমালা, অসুৰ, বাঢ়ে, বাচফৰ, ভক্তা, বাউৰী, বউৰী, ভূএঞা, ভূমিজ, বেদিয়া, বেলদাৰ, বৰাইক, ভাট, বাচৰ, বাইগা, বাইজাৰা, ভীল, বুণ্ডু, বিনজিয়া, বীৰহড়, বিৰজিয়া, বেদ্দি, চামাৰ, চৌধুৰী, চেৰু, চিক বৰাইক, দণ্ডাৰি, দণ্ডাশী, দুযাদ, ধানবাৰ, গাঁড়া, গণ্ডা, গঁড়, ঘাঁচী, গৰাইত, ঘাটোৱাৰ, হাড়ি, হলৰা, জলহা, কেওট, কৈৰী, খংগৰ, কুৰ্মি, কাঁৱাৰ, কৰমালি, কৰুৱা, কোল, কালাহাণ্ডি, কটৱাল, খাড়িয়া, কুমহাৰ, কিষাণ, লোহাৰ, লোধা, লোধি, মাদাৰী, মাহলি, মহালি, মোদী, মাহাতো, মাল পাহাড়ীয়া, মানকি, মাজৱাৰ, মিৰ্ধা, মুণ্ডা, নুনীয়া, নাগেচিয়া, নাগবংশী, নট, ওৰাওঁ, পাচি, পৈৰী, পান, পনিকা, পৰজা, পাত্ৰ, তাঁতী, প্ৰধান, ৰাজৱাৰ, চহৰা চাওঁতাল, চবৰ, তুৰী, তেলেঙা, তাছা, অন্তবায়, তেলী, তাঁতী ইত্যাদি। উল্লিখিত জাতিসমূহৰ মাজৰ কেৱল তালিকাভুক্ত জলহাসকল হৈছে ইছলামধৰ্মী। অন্যান্য সকল হিন্দু অথবা খ্ৰীষ্টান ধৰ্মাৱলম্বী।

সেয়ে এনে ধাৰণা অমূলক যে অসমৰ চাহ বাগিচাসমূহত কেৱলমাত্ৰ হিন্দু অথবা খ্ৰীষ্টান বা অন্যান্য ধৰ্মাৱলম্বী শ্ৰমিক থাকে। আনহাতে, যিদৰে বাগিচাত চাহ শ্ৰমিকসকল মিলিজুলি বসবাস কৰে একেদৰে বাগিচাৰ বাহিৰৰ গাঁৱে-ভূঞে প্ৰাক্তন চাহ জনগোষ্ঠী-আদিবাসী জলহাসকলেও বসবাস কৰি আহিছে। মূলতঃ ইছলামধৰ্মী চাহ জনগোষ্ঠীসকলৰ গোষ্ঠীগত টোটেম চিনাক্ত কৰা কঠিন। এই জলহাসকল ধৰ্মান্তৰিত। বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰা ধৰ্মান্তৰিত হোৱাৰ বাবেই সঠিক টোটেম পোৱাত অসুবিধা। জলহাসকলৰ পূৰ্বপুৰুষসকল বেছিভাগেই জনজাতীয় চৰিত্ৰৰ। এই লোকসকল আধুনিক নৃ-বিজ্ঞানৰ দৃষ্টিত মূলতঃ অষ্ট্ৰেলিয়, দাবিড়ীয় প্ৰজাতিৰ বাহিৰেও অষ্ট্ৰেলিয়-দ্ৰাবিড়ীয়, অষ্ট্ৰেলিয়-নৰ্ডিক আৰ্য, দ্ৰাবিড়ীয়-নৰ্ডিক আৰ্য ৰক্তমিশ্ৰিত প্ৰজাতিৰ লোক। আধুনিক নৃ-বিজ্ঞানীসকলৰ মতে অনুলোম বিবাহ বা আন্তবিবাহ আৰু প্ৰতিলোম বিবাহৰ ফলত প্ৰাচীন সময়ছোৱাত এনে বহু জনসমষ্টি-জাতি বা জনবৰ্গৰ সৃষ্টি হৈছিল।

শৈক্ষিক, সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিকভাৱে পিছপৰা চাহ জনগোষ্ঠী আদিবাসী জলহাসকল আজিও বৃহত্তৰ চাহ জনগোষ্ঠীৰ স'তে নিজৰ সংগ্ৰাম অব্যাহত ৰাখিছে। মেটমৰা সাংস্কৃতিক সম্ভাৰেৰে পৰিপুষ্ট চাহ জনগোষ্ঠীৰ অংশবিশেষ জলহাসকল

‘খৰঠা’ ভাষাৰ গৰাকী যদিও বৰ্তমান সময়ত বাগিচা কিম্বা বস্তিত বসবাস কৰা জলহাসকল অন্যান্য চাহ জনগোষ্ঠীৰ লেখীয়াকৈ উদ্ভাৱিত সংযোগী চাদৰী ভাষা ব্যৱহাৰ কৰাৰ লগতে অসমীয়া ভাষাকে আদৰি লৈছে। বৃহত্তৰ চাহ জনগোষ্ঠীৰ বিভিন্ন সামাজিক তথা জাতীয় সংগঠনসমূহ হৈছে জলহাসকলৰ পিতৃ সংগঠন। অসম চাহ জনজাতি ছাত্ৰ সন্থা, অসম চাহ জনগোষ্ঠী সাহিত্য সভা, আদিবাসী মহাসভা, অসম চাহ মজদুৰ সংঘকে ধৰি বিভিন্ন জাতীয় সংগঠনেই হৈছে জলহাসকলৰ আপোন সংগঠন। অন্যান্য চাহ জনগোষ্ঠীৰ দৰে জলহাসকলো জলহা জনগোষ্ঠীক আগুৱাই নিবলৈ ‘অসম চাহ আৰু প্ৰাক্তন চাহ জনজাতি জলহা সমাজ’ শীৰ্ষক এটি সামাজিক সংগঠন ১৯৮৪ ত স্থাপন কৰে।

চাহ জনগোষ্ঠী জলহাসকল কিদৰে আৰু ক'ৰ পৰা অসমৰ চাহ বাগিচাসমূহত নিয়োগ কৰা হৈছিল তলৰ ৰিপোৰ্টৰ পৰা অধিক স্পষ্ট হ'ব পাৰি’— The question that needs an answer is : why should large numbers of Labourers, even though they are assisted by the employers, migrate from long distances--even of a thousand miles and more--to work in the slave plantations of Assam? First of all, it must be born in mind that every attempt is made to picture the conditions in Assam before the agriculturists in the areas from which recruitment takes place, as ideal and eminently desirable, compared with the conditions under which they live and work in their homes.The recruiting areas are Chota Nagpur, Sonthal Parganas, the Agency tracts of Ganjam, Vizagapatam, Orissa and the Central Provinces. From other province, it is stated, the lower cast Hindus and a few Muhammadans are also recruited.' উল্লিখিত Report ১৯২৮-১৯৩১ ত প্ৰস্তুত কৰি Royal Commission on labour in India ৰ Chairman John Henry Whitley য়ে Evidence before Royal Commission on Labour, Volume. VI, Part 1, Page 49 t Para 508 of the Report ত তথ্যসমূহ উল্লেখ কৰিছে। উল্লেখ্য যে উল্লিখিত Muhammadans সকলেই হৈছে আজিৰ অসমৰ চাহ আৰু প্ৰাক্তন চাহ জনজাতি খিলঞ্জীয়া জলহা।

আনহাতে, অসমৰ চাহ জনগোষ্ঠী জলহাসকলৰ বিষয়ে অধিক স্পষ্ট হ'বলৈ হ'লে তলৰ লোকপিয়লৰ প্ৰতিবেদন জনা দৰকাৰ ঃ ১৯০১ৰ চাহ বাগিচা লোকপিয়লৰ প্ৰতিবেদন অনুসৰি, অসমৰ বিভিন্ন চাহ বাগিচাত জলহা পুৰুষ ঃ ৭২৪ জন, জলহা মহিলা ঃ ৭৯৫ গৰাকী। আনহাতে, ১৯১১ৰ লোকপিয়ল মতে জলহা পুৰুষ ১৪৬৮ জন আৰু ইয়াৰ বিপৰীতে মহিলা ১৪৪৫ জন। ১৯২১ ৰ লোকপিয়ল অনুসৰি জলহা পুৰুষ ৩৭২৮ জন আৰু মহিলা জলহা ৩৪০৭ গৰাকী। ১৯২১ত অসমৰ চাহ বাগিচাৰ লোকসকলৰ সৰ্বভাৰতীয় জাতি-জনগোষ্ঠীৰ পৰিচয় প্ৰদানেৰে লোকপিয়ল কৰা হৈছিল। কিন্তু ১৯৩১ ৰ লোকপিয়লত জাতি-জনগোষ্ঠীৰ লোকপিয়লৰ পৰিৱৰ্তে ধৰ্মীয় গোষ্ঠীৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। সেই সময়ৰ অসমৰ চাহ বাগিচাৰ মুঠ জনসংখ্যা আছিল ৯,৫৫,৩৩০ জন। সেই সময়ত অসমত অৱস্থিত চাহ বাগিচাসমূহৰ অন্তৰ্গত লিংগ আৰু ধৰ্মৰ ভিত্তিত ইছলামধৰ্মী শ্ৰমিকৰ তথ্য হৈছে— পুৰুষ ঃ ১০,০৮২ জন, মহিলা ঃ ৭,৮৫০ জন, মুঠ ১৭,৯৩২ জন পুৰুষ-মহিলা শ্ৰমিক সেই সময়ৰ অসমৰ চাহ বাগিচাত নিয়োজিত হৈ আছিল। উক্ত চাহ জনগোষ্ঠীৰ জলহাসকল সেই সময়ত কাছাৰ, ছিলেট বিশেষকৈ সুৰমা উপত্যকা তথা ব্ৰহ্মপুত্ৰ উপত্যকাৰ কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ আৰু লখিমপুৰ জিলাৰ চাহ বাগিচাত শ্ৰমিক হিচাপে নিয়োজিত আছিল।

ধেমাজি জিলা সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা লেখক নৱ কুমাৰ ডেকাই ‘অসমীয়াৰ সংজ্ঞা বিচাৰি’ শীৰ্ষক গ্ৰন্থখনত চাহ শ্ৰমিক/চাহ জনগোষ্ঠী শিৰোনামাৰে লিখা গৱেষণাধৰ্মী প্ৰৱন্ধত চাহ জনগোষ্ঠী জলহা সম্পৰ্কে এইদৰে লিখিছে’— চাহ বাগিচাৰ সংখ্যা অভাৱনীয়ভাবে বৃদ্ধি পোৱাৰ ফলত বিভিন্ন দক্ষিণ ভাৰতীয় জনগোষ্ঠী আৰু অতি তাকৰীয়া সংখ্যক ‘আঞ্চাৰী’ উপাধিধাৰী ইছলামধৰ্মী লোকৰো চাহ বাগিচাৰ শ্ৰমিকৰূপে আগমন ঘটে।’ পৰিশেষত তেওঁ উল্লেখ কৰিছে, ‘বাচফৰ, চামাৰ ইত্যাদি জনগোষ্ঠী ভাৰতৰ বহু ৰাজ্যৰ নথিভুক্ত অনুসূচিত জাতি। বাকী জনগোষ্ঠীসমূহ ভাৰতৰ অন্যান্য ৰাজ্যৰ অনুসূচিত জাতি সম্প্ৰদায়ৰ লোকসকলতকৈ উচ্চ বৰ্ণৰ। ইছলামধৰ্মী চাহ শ্ৰমিকসকলেও ধৰ্মীয় পৰিচয়ৰ বাহিৰে সামাজিকভাৱে বাকী চাহ শ্ৰমিকসকলৰ লগত একেই ভাষা ব্যৱহাৰ কৰে।’

বিশাল অসমীয়া সমাজ যিদৰে অকল এটা জাতি বা গোষ্ঠীৰ দ্বাৰা গঢ়ি উঠা নাই তেনেদৰেই বৃহত্তৰ চাহ জনগোষ্ঠী আদিবাসী সমাজখনো এটা জাতি বা জনগোষ্ঠীৰে আৱৰা নহয়। শতাধিক জাতি-জনগোষ্ঠীৰ বাৰেবৰণীয়া সাংস্কৃতিক পৰিমণ্ডলৰে পৰিপূৰ্ণ অসমৰ চাহ জনগোষ্ঠী-আদিবাসী সমাজখনৰ চাহ জনজাতি জলহাসকল এক ক্ষুদ্ৰ জাত্যাংশ। আজিও বৃহত্তৰ চাহ জনগোষ্ঠী আদিবাসী শ্ৰমিকৰ লগতে অখ্যাত চাহ জনগোষ্ঠী আদিবাসী জলহাসকল উপেক্ষিত।

ফোন ঃ ৭০০২৪০৩৩৬৭

বিশাল অসমীয়া সমাজ যিদৰে অকল এটা জাতি বা গোষ্ঠীৰ দ্বাৰা গঢ়ি উঠা নাই তেনেদৰেই বৃহত্তৰ চাহ জনগোষ্ঠী আদিবাসী সমাজখনো এটা জাতি বা জনগোষ্ঠীৰে আৱৰা নহয়। শতাধিক জাতি-জনগোষ্ঠীৰ বাৰেবৰণীয়া সাংস্কৃতিক পৰিমণ্ডলৰে পৰিপূৰ্ণ অসমৰ চাহ জনগোষ্ঠী-আদিবাসী সমাজখনৰ চাহ জনজাতি জলহাসকল এক ক্ষুদ্ৰ জাত্যাংশ। আজিও বৃহত্তৰ চাহ জনগোষ্ঠী আদিবাসী শ্ৰমিকৰ লগতে অখ্যাত চাহ জনগোষ্ঠী আদিবাসী জলহাসকল উপেক্ষিত।

ইছলামত বলপূৰ্বক ধৰ্মান্তৰকৰণ নাই

ধৰ্মৰ নামত জোৰজুলুম ইছলামী পন্থা নহয়

■ চাহাবুদ্দিন আহমেদ

জেহাদ। সাম্প্ৰতিক সময়ত অধিক প্ৰচলিত এই শব্দটোৰ অপব্যাখ্যাৰে সমগ্ৰ বিশ্বৰ মুছলমানক সন্ত্ৰাসবাদীৰ দৃষ্টিৰে চোৱা বা কল্পনা কৰা এটা পৰম্পৰা গঢ় লৈ উঠিছে। যিটো অমানৱীয়েই নহয় ধৰ্মটোৰ প্ৰতিও অপমানজনক। পূৰ্বতে এই সম্পৰ্কে আমি অধিক তথ্য সহকাৰে ব্যাখ্যা কৰি আহিছো। জেহাদৰ চমৎকাৰী ব্যাখ্যা আগবঢ়াইছে বেইৰুটৰ বিখ্যাত পণ্ডিত ইউছুফ ইবিদে। তেওঁৰ মতে, জেহাদ হ'ল মানুহৰ পশু প্ৰবৃত্তিৰ বিৰুদ্ধে এক সংগ্ৰাম বা যুদ্ধ। ই আভন্তৰীণ বৌদ্ধিক সংগ্ৰাম। অৰ্থাৎ অশ্লীলতা আৰু নগ্নতাক পৰাজয় কৰি ঈশ্বৰৰ পথত গমন কৰাৰ ই এক প্ৰক্ৰিয়া। এক কথাত আত্মিক শুদ্ধিকৰণৰ সংগ্ৰাম বা মানৱতাক জয় কৰাৰ মহান যুদ্ধ। তেওঁৰ মতে, মানুহৰ জীৱন ৰক্ষা, সম্পদ ৰক্ষা এক মৌলিক কৰ্তব্য। ইয়াৰ বাবে মানৱজাতি সদায় প্ৰস্তুত থাকিব লাগিব। এয়াও একপ্ৰকাৰ জেহাদ।

আনহাতে, অধ্যাপক ব্ৰুছ বি লৰেন্সে তেওঁৰ গৱেষণা গ্ৰন্থ ‘ছাটাৰিং দা মিথঃ ইছলাম বিয়ণ্ড ভায়োলেঞ্চ’ত কৈছে—জেহাদ সাম্প্ৰতিক সময়ত শাসকীয় চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰা এক কলুষিত তথা নিন্দাসূচক সাংকেতিক শব্দ। এই দৃষ্টিভংগীৰে চালে জেহাদ সকলোৰে বাবে গ্ৰহণযোগ্য; কিন্তু বৰ্তমান সময়ত জেহাদৰ প্ৰাসংগিকতা হেৰাই গৈছে ইয়াৰ সংকুচিত সংজ্ঞাত। এতিয়া এনে হৈছে যে জেহাদ মানে বিধৰ্মী বা অনা-মুছলমানক হত্যা কৰাটোৰে জেহাদ। যাৰ বাবে সমগ্ৰ বিশ্বতে এতিয়া জেহাদ মানে সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ বুলি অভিহিত কৰা হয়। জেহাদ শব্দটোৰে এতিয়া এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। জেহাদ মানে যেন অনা- মুছলমানক বলপূৰ্বকভাৱে ইছলাম ধৰ্মলৈ ধৰ্মান্তৰকৰণ কৰা। প্ৰকৃততে এই সকলো ধাৰণা ভুল। কাৰণ বিধৰ্মীক হত্যা কৰিব লাগে বুলি পৱিত্ৰ কোৰান শ্বৰীফ বা আল্লাহৰ ৰছুলে কৈ যোৱা হাদিছতো নাই। এই কথাৰ সত্যতা ওলাই পৰে নবী কৰিম (ছঃ)-এ মদিনা দখল কৰাৰ পাছত যুদ্ধত বন্দী হোৱা লোকসকলক বা পৰাজিত মানুহখিনিক কৰা ব্যৱহাৰৰ ক্ষেত্ৰত। কাৰণ পৰাজিতসকলৰ সা-সম্পত্তি, ঘৰ-দুৱাৰ আৰু উপাসনা গৃহসমূহৰ চোৱা-চিতাৰ দায়িত্ব অৰ্পণ কৰিছিল বিজেতা মুছলমানসকলৰ ওপৰত যাতে পৰাজিতসকলৰ কোনো ধৰণৰ লোকচান নহয় তাতো দৃষ্টি ৰাখিছিল। যদি বিধ্বৰ্মীক হত্যা কৰাই উদ্দেশ্য হ'লহেঁতেন তেনেহ'লে হজৰত মহম্মদ (ছঃ)-এ সেই সম্পত্তিসমূহ অধিকাৰ কৰি মানুহবোৰক জোৰ-জুলুমকৈ ইছলাম ধৰ্মলৈ ধৰ্মান্তৰকৰণ কৰিলেহেঁতেন বা কৰিব পাৰিলেহেঁতেন। ইয়াৰ পৰা বুজিব পাৰি জেহাদৰ অপব্যাখ্যাৰ কথা।

ইয়াৰ জৰিয়তে এটা কথা স্পষ্ট হৈ পৰিছে যে ইছলাম ধৰ্মত বলপ্ৰয়োগৰ স্থান নাই। ইছলাম ধৰ্মত বলপূৰ্বক ধৰ্ম পৰিৱৰ্তন কৰা নিষেধ কৰাৰ লগতে কোনো প্ৰকাৰৰ বল প্ৰয়োগৰ অনুমতি দিয়া নাই। এই সন্দৰ্ভত আল্লাহৰ কিতাপ পৱিত্ৰ কোৰান শ্বৰীফত কোৱা হৈছে—

‘দীন-ইছলামত জোৰ-জবৰদস্তি নাই।’ (কোৰান ২ঃ২৫৬) তদুপৰি মহান সৃষ্টিকৰ্তাই কৈছে—

‘যিজনে বেয়া কাম কৰিব আৰু অসত্য নীতিত পৰিচালিত হ'ব, মৃত্যুৰ পাছৰ জীৱনত তেওঁ তাৰ প্ৰতিফল ভোগ কৰিব। প্ৰকৃততে যিজনে পাপ কৰ্ম কৰে আৰু নিজৰ পাপ কৰ্মৰ দ্বাৰা পৰিবেষ্টিত হৈ থাকে, সেইসকলেই জাহান্নামত যাব আৰু তাতেই চিৰকাল থাকিব।’ (কোৰান ২ঃ৮১)

এই আয়াততে স্পষ্ট হৈ পৰে বলপূৰ্বক ধৰ্মান্তৰকৰণৰ নিৰ্দেশনা। আন ধৰ্মৰ প্ৰতি ইছলাম ধৰ্মীলোকসকলক দিয়া নিৰ্দেশনাও মন কৰিবলগীয়া। কাৰণ তাত স্পষ্টকৈ কোৱা হৈছে—

‘তোমালোকে যাৰ উপাসনা কৰা, মই তাৰ উপাসনা নকৰো। আৰু মই যাৰ উপাসনা কৰো, তোমালোকে তেওঁৰ উপাসনা নকৰা। তোমালোকে যাক উপাসনা কৰিছা, মই তাৰ উপাসক নহওঁ। আৰু মই যাক উপাসনা কৰো, তোমালোক তেওঁৰ উপাসক নোহোৱা।

তোমালোকৰ বাবে তোমালোকৰ ধৰ্ম আৰু মোৰ বাবে মোৰ ধৰ্ম। (কোৰান-১০৯ ঃ১-৬)

আন ধৰ্ম সন্দৰ্ভত ইয়াতকৈ কি স্পষ্ট নিৰ্দেশনা থাকিব পাৰে এতিয়া বিজ্ঞজনে অনুমান কৰক। কোৰান শ্বৰীফ যি আল্লাহৰ বাণী সম্বলিত, তাতো প্ৰতিটো দিশত স্পষ্ট এনে নিৰ্দেশনা থকাৰ পাছতো একাংশই পৱিত্ৰ গ্ৰন্থখনৰ প্ৰতি দেখুওৱা আচৰণ বা মন্তব্য কৰাটো কিমান সমীচীন সেয়া বিচাৰ্য বিষয়। আল্লাহৰ প্ৰতি বিশ্বাস বা ইয়াৰ বাণী প্ৰচাৰ কৰিবলৈ মানুহৰ ইচ্ছাৰ ওপৰত এৰি দিয়া হৈছে। তাৰ বাবে মানুহক জুলুম কৰা বা বলপূৰ্বক বাধ্য কৰোৱা ইছলামী নীতি নহয়। ইছলামে মানুহক ধৰ্ম বিশ্বাসৰ ক্ষেত্ৰত পূৰ্ণ স্বাধীনতা দান কৰিছে। মানুহে নিজৰ বিবেক-বুদ্ধি খটুৱাই যি ইচ্ছা তাকেই বিশ্বাস কৰিব। আল্লাহে কৈছে—

‘ধৰ্মৰ ক্ষেত্ৰত জোৰ-জবৰদস্তি কৰিব নালাগে।’ (আলবাকৰাহ ২ঃ৫৬)

আন এঠাইত কৈছে—

‘হে নবী, সিহঁতে যি কয় সেয়া আমি ভালকৈয়ে জানো। তোমাৰ কাম জোৰ কৰি তেওঁলোকৰ দ্বাৰা মনাই লোৱা নহয়। তুমি মাথোন এই কোৰানৰ সহায়ত তেনে মানুহক উপদেশ দিয়া, যি মোৰ সতৰ্কবাণীলৈ ভয় কৰে।’ (কা-ফ-৫০ঃ৪৫)

ইছলামে বিশ্বত এটা ধৰ্ম অৰ্থাৎ সকলোকে এটা ধৰ্মত দীক্ষিত কৰা সন্দৰ্ভত কৈছে—

‘তোমাৰ প্ৰভুৰ ইচ্ছা থকাহেঁতেন এই পৃথিৱীৰ সকলো মানুহে বিশ্বাস স্থাপন কৰিলেহেঁতেন। তেনেস্থলত তুমি মুমিন (বিশ্বাসী) হ'বলৈ মানুহবিলাকক জোৰ-জবৰদস্তি কৰিবা নে? (ইউনুছ-১০ঃ৯৯)

জোৰজুলুম হৈছে অন্যায় আৰু আল্লাহে বান্ধি দিয়া সীমা লংঘন। য'ত আল্লাহে কৈছে—

‘যিসকলে আল্লাহৰ (বিশিষ্ট) সীমাৰেখা লংঘন কৰে, তেওঁলোকেই অত্যাচাৰী।’ (বাকৰাহ ২ঃ২২৯)

সেয়েহে এই ক্ষেত্ৰত ইছলামধৰ্মীসকলৰ লগতে আন ধৰ্মৰ লোকসকলে এই কথা মন কৰা উচিত।

ফোন ঃ ৮৪৮৬২৯৯২৫১

অসম দাপোণ
অগ্ৰদূত
গুৱাহাটী, ২৬ নৱেম্বৰ, ২০২১, শুকুৰবাৰ পৃষ্ঠা ৮

মুছলপুৰত মানৱ সৰবৰাহ বন্ধৰ সজাগতা সভা

অভিভাৱকৰ অসচেতনতাৰ বাবে যুৱক-যুৱতী মানৱ সৰবৰাহকাৰীৰ কবলত পৰে

অগ্ৰদূত বাৰ্তা

মুছলপুৰ, ২৫ নৱেম্বৰ ঃ স্বেচ্ছাসেৱী সংগঠন ৰুৰ্ল্ড ভিজনৰ উদ্যোগত আজি মুছলপুৰ আৰক্ষী থানা চৌহদত মানৱ সৰবৰাহ প্ৰতিৰোধৰ বাবে এখন সজাগতা সভা অনুষ্ঠিত হয়। ৰুৰ্ল্ড ভিজনৰ কাৰিকৰী বিশেষজ্ঞ দেবু পাত্ৰই আঁত ধৰা এই সজাগতা সভাত মুছলপুৰ আৰক্ষী থানাৰ পৰিদৰ্শক নৰেন সোণোৱালে মানৱ সৰবৰাহ ৰোধৰ ক্ষেত্ৰত স্বেচ্ছাসেৱী সংগঠনবোৰে ভাল ব্যৱস্থা গ্ৰহণ কৰি অহা বুলি উল্লেখ কৰি বাগ্‌সা জিলাৰো ঠাই বিশেষৰ পৰা একাংশ লোকে বিভিন্ন প্ৰলোভন বা ছলাহী কথা কৈ বহিঃৰাজ্যলৈ যুৱক-যুৱতী লৈ গৈ বিভিন্ন কামত নিয়োগ কৰে। এনে অৱস্থাত একাংশ লোকক অসামাজিক কামত লিপ্ত কৰোৱাৰ উদাহৰণো থকা বুলি কয়। তেওঁ কয় যে একাংশ অভিভাৱকৰ অসচেতনতা আৰু অশিক্ষিত অৱস্থাৰ বাবেও বহুসংখ্যক কম বয়সীয়া যুৱক-যুৱতী মানৱ সৰবৰাহকাৰীৰ কবলত পৰে। তাৰে একাংশ উদ্ধাৰ হয় যদিও একাংশ তেনে অৱস্থাত থাকি যায়। তেওঁলোকো পৰৱৰ্তী সময়ত মানৱ সৰবৰাহকাৰী হৈ পৰে। উক্ত সভাত স্বেচ্ছাসেৱী সংগঠনটোৰ সামূহিক নিৰ্দেশক ধ্ৰুৱজিৎ বড়ো, পুনম তালুকদাৰ, মুছলপুৰ আৰক্ষী থানাৰ বিষয়া আতাউৰ ৰহমান আদিয়ে অংশ লয়। সভাত অংশ লৈ ৰুৰ্ল্ড ভিজনৰ দেবু পাত্ৰই কয় যে গ্ৰাম্য সমাজৰ পৰা একাংশ সমাজবিৰোধী লোকে কম বয়সীয়া যুৱক-যুৱতীক ছলাহী কথা কৈ বহিঃৰাজ্যলৈ নিয়াটো বন্ধ কৰাৰ বাবেই আজিৰ এই সজাগতা সভাৰ মূল উদ্দেশ্য।

গহপুৰৰ সাহিত্যসেৱী গজেন শৰ্মাৰ দুখন গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

গহপুৰ, ২৫ নৱেম্বৰ ঃ গহপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, সক্ৰিয় সাহিত্যসেৱী তথা কবি গজেন শৰ্মাৰ দুখন গ্ৰন্থ আজি গহপুৰ নগৰৰ কনকলতা মুকুন্দ কাকতি উদ্যানত উন্মোচন কৰা হয়। এই উপলক্ষে দিনৰ ১-৩০ বজাত অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী ললিত হাজৰিকাৰ সঞ্চালনাত এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। উক্ত সভাত শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশ্বনাথ জিলা নাট্য সন্মিলনৰ সভাপতি বংশী বৰাই গজেন শৰ্মাৰ কাব্য সংকলন ‘অনাগত দিনৰ সেউজীয়া সপোন’ উন্মোচন কৰে। আনহাতে, গজেন শৰ্মাৰ ‘জন অৰণ্যৰ কোলাহল’ শীৰ্ষক গল্প সংকলনখন উন্মোচন কৰে শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী তথা বিশিষ্ট কবি, সুলেখিকা প্ৰজ্ঞাশ্ৰী লোকেশ্বৰী সন্দিকৈয়ে। চমু বক্তব্য প্ৰদান কৰি দুয়োগৰাকী উন্মোচকে সুদীৰ্ঘ বছৰ ধৰি সাহিত্য সেৱা কৰি অহা কবি গজেন শৰ্মাৰ সদ্য প্ৰকাশিত সংকলন দুখনে পঢ়ুৱৈ সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ’ব বুলি আশা প্ৰকাশ কৰে। গহপুৰ শাখা সাহিত্য সভা, গহপুৰ কবি কানন আদি সাহিত্যানুষ্ঠানৰ স’তে নিঃস্বাৰ্থভাৱে জড়িত হৈ সাহিত্যৰ ক্ষেত্ৰখনলৈ নিৰলস সেৱা আগবঢ়াই অহা গজেন শৰ্মাই আঁত ধৰা সভাখনত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে বিধায়ক উৎপল বৰাই। মুখ্য অতিথিৰূপে অংশ লয় বিশ্বনাথ জিলা কবি সন্মিলনৰ সভানেত্ৰী তথা কবি সবিতা কোঁৱৰে।

সীমান্ত শৰ্মাৰ ‘সংস্কাৰ’ নাট মঞ্চস্থ

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ২৫ নৱেম্বৰ ঃ যোৱা ২৩ নৱেম্বৰত সুৰজিৎ একাডেমী প্ৰাংগণত ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ পৰা ছিনিয়ৰ ফেল’শ্বিপ প্ৰাপ্ত তথা শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যাপক সীমান্ত শৰ্মাৰ ৰচনা আৰু পৰিচালনাত ‘সংস্কাৰ’ নাট মঞ্চস্থ হয়। নাটখনত অভিনয় কৰে সীমা দেৱী, হৃদয় জ্যোতি দাস, হাৰ্দিক শৰ্মা, প্ৰণৱ জ্যোতি ৰাভা, ধ্ৰুৱজ্যোতি কলিতা, গীতিমা দাস আৰু জিতেন বড়োৱে সহকাৰী পৰিচালক হিচাপে থাকে বিনীতা দেৱী। নাটখনত কৃষকৰ পৰিয়ালৰ কাহিনী এটাক লৈ উপস্থাপন কৰে। কৃষক মদনে দিন ৰাতি কষ্ট কৰি খেতি কৰি মহাজনক নিজৰ থকা ভেটিৰ মূল্য পৰিশোধ কৰিব অহৰহ চেষ্টা চলায়। কষ্ট কৰি জীৱন নিৰ্বাহ কৰে যদিও স্বাভাৱ-চৰিত্ৰ, আচৰণ আদি সকলো যাতে সঠিক হয় তাৰ বাবে চেষ্টা চলাই গৈছিল। মহাজনৰ অত্যাচাৰ, ডাবী ধমকি আৰু ঘৰখন অনিষ্ট কৰাৰ যি পথ সকলো সহ্য কৰি কৃষকজনে ঘৰখন সুন্দৰকৈ ৰাখিছিল।

পুৰণিগুদাম অনিৰ্বাণ গোষ্ঠীৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

পৰিচালক চন্দ্ৰ মুদৈক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

পুৰণিগুদাম, ২৫ নৱেম্বৰ ঃ ‘আজি মই এই পৰ্যায়ত উপনীত হোৱাৰ এশ শতাংশ অৰিহণা অনিৰ্বাণ গোষ্ঠীৰ আছে। অনিৰ্বাণ গোষ্ঠীৰ জৰিয়তে প্ৰথম মই নাট্যকৰ দিশত খোজ পেলাইছিলো। সেই সময়ত প্ৰয়াত শিল্পী নীলু শৰ্মাৰ গাড়ীত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ নাটক কৰি ঘূৰি ফুৰিছিলো। সেই নাটক কৰি থকাৰ সময়ত বিভিন্ন ঠাইত পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। পাছলৈ আব্দুল মজিদৰ উত্তৰকাল নাটকত অভিনয় কৰি প্ৰথমবাৰৰ বাবে চিনেমাত খোজ পেলাইছিলো। পাছলৈ অভিনয় এৰি পৰিচালকৰ দৰে দায়িত্ব গ্ৰহণ কৰি বৰ্তমানলৈকে ১৬ খনকৈ চিনেমা পৰিচালনা কৰিছে। ইয়াৰে তিনিখন চিনেমা এতিয়াও মুক্তিলাভ কৰিবলৈ বাকী আছে।’ এই মন্তব্য বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, ২০২০ বৰ্ষৰ ৰজত কমল বঁটা লাভ কৰি সমগ্ৰ অসমলৈ সন্মান কঢ়িয়াই অনা নগাঁও জিলাৰ পুৰণিগুদামৰ সন্তান চন্দ্ৰ মুদৈৰ। কালি পুৰণিগুদামৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান অনিৰ্বাণ গোষ্ঠীৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আদৰণি অনুষ্ঠানত উপস্থিত থাকি তেওঁ কয়, ‘আজি মই ৰজত কমল বঁটা পাই যিমান আনন্দিত হৈছিলো তাতকৈ বেছি আনন্দ লাভ কৰিছো এই সম্বৰ্ধনা অনুষ্ঠানত। কিয়নো এইখন মোৰ ঘৰ। ঘৰৰ আদৰ চেনেহ অমৃত সম অনিৰ্বাণ গোষ্ঠীৰ সভাপতি কৃষ্ণ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট চলচ্চিত্ৰ পৰিচালকজনে কয়, ‘অসমীয়া চিনেমাৰ আগৰ দৰে পৰিৱেশ নাই। বৰ্তমান ম’বাইলৰ যুগত কিছু পৰিমাণে হ্ৰাস পাইছে যদিও আমি চিনেমাৰ পৰিচালকসকলে আমাৰ কাম কৰি যাম। চলচ্চিত্ৰ পৰিচালনা কৰাৰ সময়ত আমি এটা কথা সদায় মন কৰো দৰ্শকে কোনটো কথা ভাল পায় তাৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰিছিলো।’ গোষ্ঠীৰ সম্পাদক প্ৰাঞ্জল কটকী আৰু প্ৰাক্তন সম্পাদক কুলপ্ৰদীপ দাসে আঁত ধৰা সভাখনত প্ৰাক্তন মন্ত্ৰী তথা অনিৰ্বাণ গোষ্ঠীৰ লগত সকলো সময়তে জড়িত হৈ থকা গিৰীন্দ্ৰ কুমাৰ বৰুৱাই ভাষণ প্ৰসংগত কয় যে, ‘এই গোষ্ঠী প্ৰতিষ্ঠা হোৱা এই ৪১ বছৰ হোৱাৰ সময়ত এই দিনটোৱে আমাৰ কাৰণে আনন্দৰ দিন। আমাৰ গোষ্ঠীৰ উপদেষ্টা তথা প্ৰাক্তন বিষয়ববীয়া সুৰুচিপূৰ্ণ ভদ্ৰলোক হিচাপে পৰিচিত চন্দ্ৰ মুদৈয়ে আদিজ স্ব-প্ৰতিভাৰে জিলিকি উঠিছে।’ সামাজিক মূল্যবোধ থকা ব্যক্তি হিচাপে তেওঁ নিজৰ কৃতিত্বৰে এই সন্মান কঢ়িয়াই অনাৰ বাবে আমি সকলো গৌৰৱবোধ কৰিছো বুলি উল্লেখ কৰে। সভাত আন এগৰাকী বিশিষ্ট ব্যক্তি ফণীন্দ্ৰ নাথ গায়নে কয়, ‘চন্দ্ৰ মুদৈয়ে এসময়ত ভাল ফুটবল খেলিছিল আৰু আমি তেওঁৰ ভৰিৰ যাদু চাবলৈ ফুটবল খেল চাইছিলো। এনে এগৰাকী প্ৰতিভাবান খেলুৱৈ পাছলৈ চিনেমাৰ জৰিয়তে ৰজত কমল বঁটাৰ দ্বাৰা সন্মানিত হোৱাটো ইতিহাসত সন্নিৱিষ্ট হৈ থাকিব।’ উক্ত সভাত আন এজন বিশিষ্ট ব্যক্তি পুৰণিগুদাম বাপুজ ভৱন আৰু পুথিভঁৰালৰ সভাপতি, শিক্ষাবিদ, সমাজকৰ্মী পুলিন হাজৰিকাই চন্দ্ৰ মুদৈৰ ওপৰত দীঘলীয়া বক্তব্য আগবঢ়ায়। সভাত চন্দ্ৰ মুদৈক অনিৰ্বাণ গোষ্ঠীৰ তৰফৰ পৰা গামোচা, চেলেং, শৰাই আদিৰে সম্বৰ্ধনা জনাই কৰ্মকৰ্তাসকলে। ইয়াৰ উপৰি বিশিষ্ট চলচ্চিত্ৰ পৰিচালকজনক বাপুজী ভৱনও পুথিভৰাঁল, অসম নাট্য সন্মিলন পুৰণিগুদাম শাখা, পুৰণিগুদাম প্ৰেছ ক্লাব, অবিনশ্বৰ গোষ্ঠী, লেটুগ্ৰাম সত্ৰৰ লগতে শিল্পী পাৰ্থপ্ৰতিম বৰুৱাকে ধৰি বহু স্থানীয় লোকে পুৰণিগুদামৰ গৌৰৱ চন্দ্ৰ মুদৈক বিপুল আদৰণি জনায়।

কচুৱাত ভুৱা দন্ত চিকিৎসকসহ দুজনক জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

কচুৱা, ২৫ নৱেম্বৰ ঃ যোৱা ২৩ নৱেম্বৰৰ নিশা নগাঁৱৰ ডিএছপি দীপ্তি মালীৰ নেতৃত্বত কচুৱাত অভিযান চলাই এজন ভুৱা দন্ত চিকিৎসকসহ দুজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত নুৰুল ইছলাম আৰু তেওঁৰ সহকাৰী আচমত আলীয়ে নিজকে দন্ত চিকিৎসক বুলি জাহিৰ কৰি বিগত ছবছৰ ধৰি কচুৱাৰ বিভিন্ন বজাৰত ৰমৰমীয়া ব্যৱসায় কৰি আহিছিল। কচুৱা আদৰ্শ হাস্পতাল, লুটুমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু শিঙিমাৰী ৰাজ্যিক চিকিৎসালয় থকাৰ পাছতো ভুৱা চিকিৎসক নুৰুল ইছলাম সুদূৰ বৰপেটাৰ পৰা আহি স্বাস্থ্য বিভাগৰ চকুত ধূলি দি অবাধে চিকিৎসা কৰি ধন ঘটিছিল। ২০১৬ত জুকটা গাঁৱৰ মজিবুৰ ৰহমান আৰু চিতলমাৰী গাঁৱৰ আব্দুল চাত্তাৰ উক্ত চিকিৎসকৰ হাতত দাঁতৰ চিকিৎসা কৰি মুখ, কাণ আৰু চকু ফুলি গৈছিল। দুয়োজন ৰোগীয়ে নগাঁৱৰ আৰক্ষী অধীক্ষক, আদালত, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক আৰু কচুৱা আৰক্ষী থানাত গোচৰ তৰিও কোনো ন্যায় পোৱা নাছিল। ইয়াৰ পাছতে ভুৱা চিকিৎসকজনে শিঙিমাৰী বজাৰ, ভকচুং বজাৰ, এডেনবাৰী বজাৰ, কচুৱা তিনিআলি বজাৰ, লুটুমাৰী বজাৰকে আদি কৰি বিভিন্ন বজাৰত বেনাৰ-প’ষ্টাৰ আঁৰি দাঁতৰ চিকিৎসা কৰি আহিছিল। আনকি বিগত ছমাহ ধৰি কচুৱা তিনিআলিৰ এটা বিল্ডিঙত চেম্বাৰ খুলি ভুৱা চিকিৎসকজনে দাঁত উঘলা, দাঁত নতুনকৈ লগোৱা আৰু দাঁতৰ আৰচিটি কৰি থকাৰ বাতৰি ‘অসমীয়া প্ৰতিদিন’ আৰু ‘দৈনিক অগ্ৰদূত’ কাকতত প্ৰকাশ পাইছিল। উক্ত অভিযানত ভুৱা চিকিৎসক নুৰুল ইছলাম আৰু তেওঁৰ সহযোগী আচমত আলীক গ্ৰেপ্তাৰ কৰে।

মহৰিপাৰাত অসম আন্দোলনৰ কৰ্মী উপেন ডেকাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

গোৰেশ্বৰ, ২৫ নৱেম্বৰ ঃ বাগ্‌সা জিলাৰ গোৰেশ্বৰৰ মহৰিপাৰা গাঁৱৰ উপেন ডেকাৰ কালি মৃত্যু হয়। বিগত কিছুদিনৰ পৰা অসুস্থতাত ভুগি থকাত পৰিয়ালৰ লোকে গুৱাহাটীৰ এখন চিকিৎসালয়ত ভৰ্তি কৰায় যদিও তাতেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ ছাত্ৰ অৱস্থাৰ পৰাই জাতীয়তাবাদী ভাবধাৰাৰে প্ৰভাৱিত হৈছিল। অসম আন্দোলনৰ সময়ত তেওঁ উত্তৰ বেতনা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতিৰ দায়িত্ব পালন কৰিছিল। পৰৱৰ্তী সময়ত অগপত যোগদান কৰি মৃত্যু পৰ্যন্ত উত্তৰ বেতনা আঞ্চলিক আৰু ৰঙিয়া জিলা সমিতিৰ স’তে ওতঃপ্ৰোতভাৱে জড়িত থাকে। সদৌ অসম কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি সমৰজ্যোতি ডেকাৰ লগতে আঞ্চলিক ছাত্ৰ সন্থা, অসম গণ পৰিষদে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। তেওঁ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্মচাৰী আছিল। তেওঁ উত্তৰ বেতনা বাৰোৱাৰী দুৰ্গা পূজা, সাহিত্য সভা, শৰণীয়া কছাৰী ছাত্ৰ সন্থা, সদৌ অসম কলিতা জনগোষ্ঠী ছাত্ৰ সন্থা তথা সন্মিলনৰ স’তে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে পুত্ৰ-কন্যাক এৰি যায়।

ৰঞ্জু হাজৰিকালৈ ‘২০২১ৰ টীয়কপৰীয়া সাহিত্য বঁটা’

অগ্ৰদূত বাৰ্তা

কাকজান, ২৫ নৱেম্বৰ ঃ টীয়কৰ কাব্যানুষ্ঠান ‘শিকলি’ৰ উদ্যোগত প্ৰৱৰ্তন কৰা বাৰ্ষিক বঁটা ‘প্ৰয়াত চন্দ্ৰকান্ত হাজৰিকা আৰু পুতু হাজৰিকা সোঁৱৰণী টীয়কপৰীয়া সাহিত্য বঁটা ২০২১’ প্ৰদানৰ অৰ্থে সাহিত্যিক ৰঞ্জু হাজৰিকাক নিৰ্বাচিত কৰা হৈছে। ২০২০ত প্ৰথমবাৰৰ বাবে এই বঁটা প্ৰদান কৰা হৈছিল সাহিত্যিক, গৱেষক অধ্যাপক তথা চিত্ৰকৰ ড° ভাৰত বৰাক। অসমীয়া সাহিত্য জগতৰ ‘ৰহস্য সম্ৰাট’, এক বিস্ময়কৰ প্ৰতিভা তথা সাতশৰো অধিক অভিলেখ সংখ্যক গ্ৰন্থ ৰচনা কৰা প্ৰথিতযশা সাহিত্যিক ৰঞ্জু হাজৰিকাক দ্বিতীয় বৰ্ষৰ বাবে এই বঁটা প্ৰদান কৰিবলৈ সুযোগ লাভ কৰাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰিছে শিকলি কাব্যালোচনীৰ মুখ্য সম্পাদক অৰূপজ্যোতি হাজৰিকা, সহকাৰী সম্পাদক হেমন্তজ্যোতি গগৈ আৰু এই বঁটাৰ দাতা টীয়ক নিবাসী কবি দেৱজিত হাজৰিকাই। উক্ত বঁটাটোত থাকিব গামোচা-চেলেং, প্ৰশস্তিপত্ৰ, স্মাৰক, গ্ৰন্থৰ টোপোলা তথা নগদ ধন।

বিটিআৰৰ শিক্ষাৰ সকলো সমস্যা সমাধানৰ ব্যৱস্থা লোৱা হ’ব

বৰমা মহাবিদ্যালয়ত প্ৰমোদ বড়ো

বৰমা, ২৫ নৱেম্বৰ ঃ বিটিআৰ অঞ্চলৰ শিক্ষাত থকা সমস্যাসমূহৰ স্থায়ী ৰূপত সমাধানৰ বাবে পৰ্যালোচনা কৰি সকলো সমস্যা মুখ্যমন্ত্ৰীৰ ওচৰত উপস্থাপন কৰা হ’ব বুলি কয় বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। আজি বাগ্‌সা জিলাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান বৰমা মহাবিদ্যালয়ত উপস্থিত হৈ এইদৰে মন্তব্য কৰে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যজনে। তেওঁ কয়, ‘প্ৰথমে ছাত্ৰ অৱস্থাত শিক্ষা গ্ৰহণ কৰাটো মূল লক্ষ্য হোৱা উচিত। কিয়নো বিদ্যাইহে প্ৰকৃত বন্ধু।’ তেওঁ পুনৰ কয় যে কাৰোবাক সমালোচনা কৰাৰ আগতে নিজক সমালোচনা কৰাটো দৰকাৰ। আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক। বৰমা মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস নিৰ্মাণৰ কাৰণে এক কোটি টকাৰ আৰ্থিক সাহায্যৰ কথা ঘোষণা কৰে বড়োৱে। সমাগত বৰমা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ অতি জাক জমকতাৰে উদ্‌যাপন কৰা হ’ব বুলিও তেওঁ কয়। উল্লেখ্য যে বৰমা মহাবিদ্যালয়ৰ শৈক্ষিক দিশৰ ওপৰত অধ্যক্ষ টীকেন চন্দ্ৰ দাসৰ লগত আলোচনাত মিলিত হয় বড়ো। উক্ত অনুষ্ঠানত উপস্থিত থাকে ৬২ নম্বৰ বৰমা বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন বড়ো। আজি দিনজোৰা কাৰ্যসূচীৰে বৰমা মহাবিদ্যালয়ত অনুষ্ঠিত নবাগত আদৰণি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে পদ্মশ্ৰী বঁটা প্ৰাপ্ত মংগল সিং হাজোৱাৰী।

ডিব্ৰুগড়ৰ চাপৰিৰ দুশ বিঘা ছন পৰা মাটিত আছুৱে আৰম্ভ কৰিলে খেতি

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ২৫ নৱেম্বৰ ঃ ৰাজপথৰ আন্দোলন নহয়, অৰ্থনৈতিক সংগ্ৰামতো নামিছে সদৌ অসম ছাত্ৰ সন্থা। ডিব্ৰুগড়ৰ ছাত্ৰ সন্থাৰ একাংশ কৰ্মীয়ে ডিব্ৰুগড় চহৰৰ উপকণ্ঠ ব্ৰহ্মপুত্ৰৰ চৰ-চাপৰিত সেউজ বিপ্লৱৰ জৰিয়তে নিবনুৱাক আত্মসংস্থাপনৰ বাট দেখুৱাবলৈ চেষ্টা কৰিছে। ডিব্ৰুগড়ৰ মাইজানৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ মাজত থকা দুশ বিঘা ছন পৰা বালি চাপৰিত সেউজ বিপ্লৱত নামিছে ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ কৰ্মীয়ে। ডিব্ৰুগড়ত সদৌ অসম ছাত্ৰ সন্থাই ৰূপায়ণ কৰা সেউজ বিপ্লৱৰ পঞ্চম কাৰ্যসূচীত নিজে ট্ৰেক্টৰ চলাই আৰু বীজ সিঁচি আৰম্ভ কৰে আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। বছৰ বছৰ ধৰি ছন পৰি থকা ব্ৰহ্মপুত্ৰৰ বালি চাপৰিৰ প্ৰায় দুশ বিঘা মাটিত বীজ সিঁচা পৰ্ব আৰম্ভ কৰি আছুৰ কৰ্মীসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ’বলৈ এনে বিভিন্ন ধৰণৰ কাৰ্যপন্থা লোৱা বুলি উল্লেখ কৰে আছুৰ সাধাৰণ সম্পাদক বৰুৱাই। ইতিমধ্যে আছুৱে ডিব্ৰুগড়ত পশুপালন, তাঁতশাল আদিৰ দৰে প্ৰকল্প ৰূপায়ণ কৰিছে। অৰ্থনৈতিক আন্দোলন, বৌদ্ধিক আন্দোলন আৰু ৰাজপথৰ আন্দোলনৰ দ্বাৰাহে এটা জাতি শক্তিশালী হ’ব বুলি উল্লেখ কৰি তেওঁক জাতিক আগুৱাই নিয়াৰ উদ্দেশ্যেৰে এনেধৰণৰ প্ৰকল্প আৰম্ভ কৰিছে। উল্লেখ্য যে ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক খগেন দত্তৰ নেতৃত্বত ২০ জনীয়া আছুৰ কৰ্মীয়ে চাপৰিটোত সৰিয়হ, গোমধন, আদিকে ধৰি বিভিন্ন শাক-পাচলিৰ খেতি আৰম্ভ কৰিছে। ইফালে, ডিব্ৰুগড় জিলাৰ ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক দত্তই এনেধৰণৰ সেউজ বিপ্লৱৰ জৰিয়তে নতুন প্ৰজন্মই নিজৰ স্বাৱলম্বী বাট মুকলি কৰাৰ লগতে ৰাজ্যখনৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰি তুলিব বুলি আশা প্ৰকাশ কৰে। উক্ত কাৰ্যসূচীত কেন্দ্ৰীয় নেতা তচেন ডেকা, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্ত, সাধাৰণ সম্পাদক অৱনী কুমাৰ গগৈ আদি উপস্থিত থাকে।

টীয়কত দুৰ্ঘটনাত নিহত শিশু

অগ্ৰদূত বাৰ্তা

জাঁজী, ২৫ নৱেম্বৰ ঃ যোৰহাট জিলাৰ টীয়ক থানাৰ অন্তৰ্গত টীয়ক গুৱাল গাঁও তিনিআলিৰ ৩৭ নম্বৰ ঘাইপথত আজি সন্ধিয়া এখন মটৰ চাইকেলৰ খুন্দাত অভিযেক দত্ত নামৰ এটি আঠ বছৰীয়া শিশু নিহত হয়। মাতৃৰ স’তে পথ অতিক্ৰম কৰিবলৈ ধৰাৰ সময়তেই দুৰ্ঘটনাটো সংঘটিত হয়। পাছত টীয়ক আৰক্ষীয়ে মটৰ চাইকেল আৰোহী অংকুৰ জ্যোতি হাতীবৰুৱাক আটক কৰে।

PUBLIC NOTICE

The National Human Rights Commission has decided to hold a public hearing on grievances of the general public regarding alleged violations of human rights in the States of Assam, Arunachal Pradesh, Nagaland, Manipur and Sikkim from 16th to 17th December, 2021 at Guwahati. Those persons who have a complaint of alleged violations of human rights by a public servant or of negligence by a public servant in prevention of such violation may send their complaints to the Commission by Registered Post/Speed Post at the following address or through email at jrlawnhrc@nic.in.

Registrar,
National Human Rights Commission,
Manav Adhikar Bhawan, Block C,
GPO Complex, INA,
New Delhi – 110023

Complaints can be submitted using NHRC portal (hrcnet.nic.in) directly or through the nearest Common Service Centre

The complainants must invariably mention their mobile numbers/e-mail id etc. in the complaint for facilitating communication with them.

Last Date for receipt of Complaints in NHRC : 27.11.2021

Such complaints as are deemed fit for enquiry shall be taken up at the open public hearings. The parties shall be informed in due course about the date and venue of public hearing.

Janasanyog/D/10180/21

GOVERNMENT OF ASSAM
FINANCE (BUDGET) DEPARTMENT
WAYS & MEANS BRANCH

PRESS COMMUNIQUE

BW.08/2021/28 **Dated Dispur, the 25th November, 2021**

Auction of 10 year Assam Government Stock (Securities)

1. Government of Assam has offered to sale the dated securities for an amount of **Rs. 600.00 Crore** with 10 (ten) year tenure by auction. The auction will be conducted by the Reserve Bank of India at Mumbai Office. Fort, Mumbai-400001 on **November 30, 2021**.

2. The procedure of auction of the State Development Loan as under.

(a) Competitive Bids

All competitive bids shall be submitted electronically on the Reserve Bank of India Core Banking Solution (E-Kuber) System. Perhaps, other than CBS members, shall route their competitive bids through a CBS member. Competitive bids may be submitted between **10:30 A.M. and 11.30 A.M.** on the day of the auction, as hitherto.

(b) Non-Competitive Bids

Under the scheme an investor can submit a single bid only in the auction of a State Development Loan subject to a maximum of 1% of the notified amount, through a bank or a Primary Dealer. Non-Competitive Bids may be submitted only electronically on the CBS between **10:30 A.M. and 11.00 A.M on the day of auction. No bids under the Non-Competitive Bidding Scheme shall be accepted after 11.00 A.M.**

(c) Bids in Physical format

No bids shall henceforth, be accepted in physical format in the auctions of State Development Loans, except in extra-ordinary situations as may be specified by the Reserve Bank of India.

3. The bids may be submitted electronically to the Regional Director, Reserve Bank of India, Mumbai Office, Fort, Mumbai-400001
4. The result of auction shall be displayed by the Reserve Bank of India on its website on the same day of auction. The payment by successful bidders will be on **December 01.2021**.
5. The rate of Interest, i.e the cut-off yield determined at the auction will be the coupon rate percent per annum on the stock sold at the auction. The interest will be paid on **June 01 and December 01.**
6. The investment in Government Stock will be reckoned as an eligible investment in Government Securities by banks for the purpose of Statutory Liquidity Ratio (SLR) under Section 24 of the Banking Regulation Act, 1949. The Stocks will qualify for the ready forward facility.
7. For other details, please see the Notification of the Government of Assam **No. BW.08/2021/27, dated 25th November, 2021**.

Sd/-
(Samir K. Sinha, IAS)
Principal Secretary to the Government of Assam
Finance Department

Janasanyog/C/8181/21

টেপেচীয়া চাহ বাগিচাৰ ভূমি বেদখল ভূ-মাফিয়াৰ ঃ তদন্তৰ দাবী ডিমৰীয়া আটছাৰ



অগ্ৰদূত বাৰ্তা

সোণাপুৰ, ২৫ নৱেম্বৰ ঃ সোণাপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত টেপেচীয়াত এটা প্ৰভাৱশালী চক্ৰই বিগত কিছুদিন ধৰি টেপেচীয়াৰ চাহ বাগিচাৰ ভূমি বেদখল কৰাৰ লগতে তাত অবৈধভাৱে নিৰ্মাণ কাৰ্য চলোৱাত জাঙুৰ খাই উঠিছে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ডিমৰীয়া শাখা। এই সন্দৰ্ভত আজি ডিমৰীয়া আটছাই সংগঠনটোৰ কাৰ্যালয়ত এক সংবাদমেলৰ আয়োজন কৰি সংগঠনটোৰ নেতৃবৃন্দই সোণাপুৰ চাহ বাগিচাৰ অধীনৰ টেপেচীয়া ডিভিজনত এটা শক্তিশালী চক্ৰই বাগিচাৰ মাটি কৌশলেৰে বেদখল কৰি তাত নিৰ্বিবাদে অবৈধ পাহাৰখননৰ লগতে নিৰ্মাণকাৰ্য অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত বন বিভাগ, স্থানীয় প্ৰশাসন তথা বাগিচা কৰ্তৃপক্ষয়ো নিৰ্লিপ্ত ভূমিকা পালন কৰি অহা বুলি অভিযোগ কৰিছে আটছা। উল্লেখ্য যে চক্ৰটোৱে বেদখল কৰা জমিখিনি চৰকাৰীভাৱে কমাৰকুছি ননকে গাঁৱৰ ৩০চনা গ্ৰান্ট আৰু এক নম্বৰ পট্টাৰ ভূমি। এই ননকে গাঁৱৰ জমিৰ গইনা লৈয়ে প্ৰভাৱশালী চক্ৰটোৱে চাহ বাগিচাখনৰ সীমাৰ জমি এফালৰ পৰা বেদখল কৰি যোৱাৰ লগতে বাগিচাৰ মূল্যৱান গছ-গছনি কাটি তহিলং কৰিছে। আনহাতে, এনে কামত বাধা দিবলৈ যোৱা চাহ শ্ৰমিককো চক্ৰটোৱে ভয়-ভাবুকিৰে তাৰ পৰা খেদি পঠিওৱাৰ অভিযোগ কৰে আটছা। চৰকাৰী নীতি মতে, চাহ বাগিচাৰ ভূমি কৃষিকৰ্মৰ বাদে অন্য কামত ব্যৱহাৰ কৰাটো আইন বিৰুদ্ধ যদিও কাৰ সাহসত চক্ৰটোৱে এনে বেদখল কাৰ্য চলাই যাবলৈ সক্ষম হৈছে, তাৰো প্ৰশ্ন উত্থাপন কৰে আটছাৰ নেতৃবৃন্দই। সেয়ে এনে বেদখলৰ বিৰুদ্ধে শীঘ্ৰে তদন্ত কৰি প্ৰভাৱশালী চক্ৰটোৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ডিমৰীয়া আটছাই প্ৰশাসনক দাবী জনাইছে। ইয়াৰ অন্যথা চাহ জনগোষ্ঠীৰ বৃহত্তম স্বাৰ্থৰ খাতিৰত তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হ’ব বুলি প্ৰশাসনক সকীয়াই দিয়ে। সংবাদ মেলত ডিমৰীয়া আটছাৰ সভাপতি ৰাজু গৰাইট, সম্পাদক ধ্ৰুৱজ্যোতি কৈৰী, উপদেষ্টা ৰাজেশ গোৱালা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক লক্ষণ চৰেণ প্ৰমুখ্যে অন্যান্য নেতৃবৃন্দ উপস্থিত থাকে।

বঙৰাত পথ দুৰ্ঘটনাত আহত ছয়

অগ্ৰদূত বাৰ্তা

আজাৰা, ২৫ নৱেম্বৰ ঃ বৰঝাৰ বিমানকোঠৰ সমীপৰ বঙৰাত ৩৭ নম্বৰ ঘাইপথত আজি পুৱা সংঘটিত পথ দুৰ্ঘটনাত ছজন লোক আহত হয়। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, পুৱা ১০-৩০ বজাত এক পথ দুৰ্ঘটনাত পতিত হয় এখন বলেৰ’ বাহন আৰু এখন সামগ্ৰী কঢ়িওৱা মহিন্দ্ৰা পিকআপ ভান। এ এছ-১৪ চি-৯৭৫৪ নম্বৰৰ মহিন্দ্ৰা পিকআপ ভানখনে গৰৈমাৰীলৈ তামোল লৈ গৈ থাকোতে পিকআপ ভানখনে বঙৰাত নিয়ন্ত্ৰণ হেৰুৱাই এ এছ-১৬ এইছ-৮০৫৩ নম্বৰৰ গুৱাহাটী অভিমুখী বলেৰ’ খনত খুন্দিওৱাত দুৰ্ঘটনাটো সংঘটিত হয়। পাছত ঘটনাস্থলীত পলাশবাৰী আৰক্ষী উপস্থিত হৈ ঘটনাৰ বুজ লৈ আহতক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

■ পৰ্যটকৰ আকৰ্ষণস্থলী হোৱাৰ পাছতো অৱহেলিত 'গেলিপুং' উঁহ

উন্নয়নৰ পুঁজিত অবাধ লুণ্ঠন জনপ্ৰতিনিধিৰ

বৰপথাৰ, ২৪ নৱেম্বৰ ঃ গোলাঘাট আৰু কাৰ্বি আংলং জিলাত থকা নামবৰ গৰমপানী বন্যপ্ৰাণী অভয়াৰণ্য আৰু উত্তৰ নামবৰ দৈগ্ৰোং বন্যপ্ৰাণী অভয়াৰণ্যৰ মাজত আছে পাঁচটা গৰমপানীৰ উঁহ। এই গৰম পানীৰ উঁহকেইটা হল বৰপুং, খুংপুং, চৰাইপুং, গেলিপুং আৰু গৰমপানী। এই পাঁচটা উঁহৰ ভিতৰত নামবৰ দৈগ্ৰোং বন্যপ্ৰাণী অভয়াৰণ্যৰ মাজেৰে যোৱা ১২৯ নম্বৰ (পুৰণি ৩৯ নম্বৰ) ঘাইপথৰ একেবাৰে কাষতে থকা 'গৰমপানী উঁহ'ৰ বিষয়ে সকলো জ্ঞাত যদিও বাকী চাৰিটা উঁহ এতিয়াও প্ৰচাৰ আৰু প্ৰসাৰৰ অভাৱত জনমানসত প্ৰতিষ্ঠিত হোৱা নাই। এই পাঁচটা গৰমপানী উঁহৰ ভিতৰত আকাৰত আটাইতকৈ ডাঙৰ উঁহটো হৈছে গোলাঘাট জিলাৰ উত্তৰ নামবৰ দৈগ্ৰোং বন্যপ্ৰাণী অভয়াৰণ্যত থকা 'গেলিপুং' উঁহ। ধনশিৰি মহকুমাৰ বৰপথাৰ মৌজাৰ অন্তৰ্গত টেঙানি কছাৰীহোলাত আছে এই 'গেলিপুং' নামৰ গৰমপানীৰ উঁহটো। সাগৰ পৃষ্ঠৰ পৰা এই উঁহটোৰ উচ্চতা হ'ল ৮৮মিটাৰ আৰু ইয়াৰ পানীৰ উষ্ণতা হ'ল ৩০ ডিগ্ৰী ছেন্টিগ্ৰেড। নামবৰ অভয়াৰণ্যৰ মাজেৰে যোৱা ১২৯ নম্বৰ ঘাইপথৰ পৰা কিছু দূৰত গোলাঘাট আৰু কাৰ্বি আংলং জিলাৰ সীমাত আছে এই উঁহটো। বৰপথাৰ নগৰৰ পৰা 'গেলিপুং' উঁহলৈ দূৰত্ব প্ৰায় ১২ কিলোমিটাৰ। ১০০ বিঘা মাটিৰে এক বৃহৎ অঞ্চল আগুৰি আছে 'গেলিপুং' উঁহটোৱে। আনহাতে, গৰম পানী উতলি থকা মূল উঁহটোৰ আকাৰ তিনিবিঘা। ২০০৪ৰ মাৰ্চত ইয়ালৈ অহা বিজ্ঞানীৰ দল এটাই কৰা গৱেষণাত উঁহটোৰ পৰা যথেষ্ট পৰিমাণৰ মিথেন গেছ আৰু ৰেডন গেছ নিৰ্গত হোৱাৰ তথ্য লাভ কৰিছিল। এই গেলিপুং উঁহৰ কাষেদি বৈ গৈছে ধনশিৰি নদী। আনহাতে, এই উঁহটোৰ পানী যথেষ্ট

লুনীয়া হোৱাৰ বাবে ধনশিৰি নদীখন পাৰ হৈ কাষৰে নামবৰ অভয়াৰণ্যৰ পৰা হাতী, বাঘ, হৰিণা, বিভিন্ন প্ৰজাতিৰ পহু, বান্দৰ আদি বন্যপ্ৰাণী ইয়ালৈ প্ৰায়েই পানী খাবলৈ আহে। লগতে আহিনৰ পৰা ব'হাগলৈকে এই উঁহটোলৈ বিভিন্ন প্ৰজাতিৰ চৰাইৰ আগমন ঘটে। পৰ্যটনৰ পূৰ্ণ সম্ভাৱনা থকা এই 'গেলিপুং' উঁহটো আছে এক সুন্দৰ প্ৰাকৃতিক মনোমোহা পৰিৱেশৰ মাজত। উল্লেখ্য যে উঁহটোৰ কাষৰ পৰা অহৰহ পানী নিৰ্গত হৈ থাকে আৰু এই পানী জুৰিৰ দৰে বৈ গৈ কাষৰে ধনশিৰি নদীত পৰেগৈ। ইফালে, উঁহটো থকা অঞ্চলৰ পৰা ইতিমধ্যে বহু ঐতিহাসিক সম্পদ উদ্ধাৰ হৈছে। উদ্ধাৰ হোৱা সম্পদসমূহৰ ভিতৰত আছে শিৱ লিংগ, এশৰো অধিক কাঁহী-বাটি, গিলাচ, পৌৰাণিক পকী বেৰৰ ভগ্নাৱশেষ ইত্যাদি। কিছু বছৰ আগেয়ে উঁহটোৰ সমীপতে দুটাকৈ সুৰংগও আৱিষ্কাৰ হৈছিল। এই উঁহৰ নাতিদূৰৈত আছে পুৰণি দিনত বনৰীয়া হাতী ঘৰচীয়া কৰিবলৈ ধৰা গঁড়। প্ৰবাদ আছে যে এগৰাকী ন-কইনাৰ বাবে প্ৰয়োজনীয় সকলো সাজ-পোছাক আৰু আ-অলংকাৰ গেলিপুং' উঁহটোত নিৰ্দিষ্ট পূজা-অৰ্চনাৰে দান কৰাৰ পাছতহে সেই হাতী ধৰা গড়ত বনৰীয়া হাতী ধৰিবলৈ সক্ষম হৈছিল। তাৎপয্যপূৰ্ণ কথা যে চৰকাৰী নথি-পত্ৰত গেলিপুং ঠাইডোখৰ সংৰক্ষিত বনাঞ্চল অঞ্চলৰ অন্তৰ্ভূক্ত হৈ আছে যদিও সম্প্ৰতি বেদখলকাৰীৰ কবলত পৰি ইয়াৰ ভূমি সংকুচিত হ'ব ধৰিছে। মহকুমাটোৰ বিভিন্ন দল-সংগঠনৰ লগতে সচেতন ৰাইজে উঁহটোৰ সংৰক্ষণ আৰু পৰ্যটকৰ আকৰ্ষণস্থলী হিচাপে গঢ়ি তুলিবলৈ দীৰ্ঘদিনৰ পৰা চৰকাৰক দাবী জনাই আহিছে। ৰাইজৰ দাবীৰ বাবেই ২০০৯-১০ বৰ্ষত গোলাঘাট দক্ষিণ উন্নয়ন খণ্ডৰ অন্তৰ্গত টেঙানি গাঁও পঞ্চায়তলৈ এনৰেগা আঁচনিৰ যোগেদি ২৪ লাখ ৮১ হাজাৰ টকা উঁহটোৰ উন্নয়নৰ বাবে আবন্টন হৈছিল । উল্লেখ্য যে কংগ্ৰেছ চৰকাৰৰ দিনত কেতবোৰ দুৰ্নীতিপৰায়ণ জনপ্ৰতিনিধিৰ লালসাৰ বাবেই সেয়া সম্ভৱ হৈ নুঠিল। মাত্ৰ কেইটামান টকাৰ কাম কৰি সিংহভাগ ধনেই লুণ্ঠন কৰিলে। এই সন্দৰ্ভত ৰাইজে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাত পঞ্চায়তখনৰ সচিব আৰু কনিষ্ঠ অভিযন্তাজনক শাস্তিমূলক বদলি কৰিয়েই বিভাগীয় কৰ্তৃপক্ষই তদন্ত সামৰিলে। সম্প্ৰতি বহু অংশ বেদখলকাৰীৰ কবলত পৰা প্ৰচুৰ সম্ভাৱনাপূৰ্ণ এই উঁহটো উপযুক্ত সংৰক্ষণ আৰু সংবৰ্ধন কৰাৰ সমান্তৰালকৈ যাতায়াতৰ ব্যৱস্থা সুচল কৰি তুলিলে বহু দেশী-বিদেশী পৰ্যটকৰ আকৰ্ষণৰ স্থলী হৈ পৰিব। তদুপৰি চৰকাৰৰ ৰাজহ আহৰণ আৰু নিৰনুবা সংস্থাপনৰো এক উৎস হৈ পৰিব। এই ক্ষেত্ৰত মহকুমাটোৰ সচেতন মহলে প্ৰাকৃতিক তথা ঐতিহাসিক সম্পদৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনক উঁহটোৰ সংৰক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

চৰকাৰৰ জনস্বাৰ্থ বিৰোধী নীতিৰ বিৰুদ্ধে শক্তিশালী সংগ্ৰাম গঢ়ি তুলিব লাগিব

■ নগাঁৱত অসম জাতীয় পৰিষদৰ জিলা কাৰ্যালয় মুকলি

বিশেষ সংবাদদাতা

নগাঁও, ২৫ নৱেম্বৰ ঃ 'বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে জনবিৰোধী কাম-কাজ কৰি সৰ্বসাধাৰণ ৰাইজৰ ওপৰত মাধমাৰ শোধাইছে। পেট্ৰ'লজাত সামগ্ৰীকে ধৰি সকলো খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটাই সৰ্বসাধাৰণ ৰাইজৰ জীৱন আৰু জীৱিকাৰ পথ দুৰ্বিষহ কৰি তুলিছে।' এই মন্তব্য অসম জাতীয় পৰিষদৰ উপ-সভাপতি তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ছমচেৰ সিঙৰ। আজি অসম জাতীয় পৰিষদৰ নগাঁও জিলা সমিতিৰ কাৰ্যালয় মুকলি আৰু জিলা কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰি জাতীয় পৰিষদৰ নেতা সিঙে আৰু কয়, 'বৰ্তমানৰ চৰকাৰে সৰ্বসাধাৰণ ৰাজিৰ মনৰ কথা উপলব্ধি কৰিব পৰা নাই। চৰকাৰে সকলো সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটাই সৰ্বসাধাৰণ ৰাইজক জীয়াতু ভোগাইছে। আমি অসম জাতীয় পৰিষদে চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰি আহিছো। এক শক্তিশালী সংগ্ৰামৰ জৰিয়তেহে বৰ্তমান চৰকাৰৰ জনবিৰোধী নীতি প্ৰতিহত কৰিব পৰা যাব। ইয়াৰ বাবে প্ৰয়োজন হ'ব দলৰ সংগঠন শক্তিশালী কৰাটো।' অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম জাতীয় পৰিষদৰ মুখপাত্ৰ জিয়াউৰ ৰহমানে কয় যে অসম জাতীয় পৰিষদে জন্মলগ্নৰ পৰাই অসমত প্ৰকৃত জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদ প্ৰতিষ্ঠাৰ বাবে যুঁজ দি আহিছে। প্ৰকৃত আঞ্চলিকতাবাদ আৰু জাতীয়তাবাদ প্ৰতিষ্ঠাৰ জৰিয়তেহে অসমৰ মূল সমস্যাসমূহ সমাধান কৰিব পৰা যাব আৰু অসমক এখন প্ৰগতিশীল ৰাজ্যলৈ উত্তৰণ ঘটাব পৰা যাব। অনুষ্ঠানত অসম জাতীয় পৰিষদৰ সাংগঠনিক সম্পাদক উৎপল বনিয়া, কাৰ্যনিৰ্বাহক সদস্যা মৌচুমী শৰ্মা বেজবৰুৱা, নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদকদ্বয় উদীপ্ত নাৰায়ণ ৰাজ্য, অৰূপ শইকীয়া, জাতীয় মহিলা শক্তিৰ নগাঁও জিলা সমিৰি সভানেত্ৰী অৱন্তি দেৱীকে ধৰি ভালেসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। জিতেন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত জাতীয় পৰিষদৰ নেতা অনুপ লস্কৰ, নগেন তামুলীৰ লগতে মনুস্মিতা শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে। নগাঁও চহৰৰ উত্তৰ হয়বৰগাঁৱত অসম জাতীয় পৰিষদৰ নগাঁও জিলা সমিতিৰ নতুন কাৰ্যালয় মুকলি কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি পুৱা পতাকা উত্তোলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়।

নামতিমুখত অসম ভিত্তিত ভাওনা প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ২৫ নৱেম্বৰ ঃ শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ অন্তৰ্গত নামতিমুখত নামতিমুখবাসীৰ উদ্যোগত অহা দুইৰ পৰা ছয় ফেব্ৰুৱাৰীলৈ কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত এলানি ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলিছে। উক্ত ভাওনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক ভাওনা দলে অহা ন ডিচেম্বৰৰ ভিতৰত প্ৰদৰ্শন কৰিব লগা নাটৰ একোটাকৈ পাণ্ডুলিপি সাংস্কৃতিক সমিতিৰ সভাপতি শ্ৰীমন্ত বৰুৱা আৰু যুটীয়া সম্পাদক অখিল গগৈ, মৃগাংক শইকীয়াক জমা দিবলৈ আহ্বান জনাইছে। সবিশেষ জানিবলৈ ইচ্ছুক ভাওনা দলে ৯১০১৯৯০৭৮১ আৰু ৬০০১১৬৫৭৪৭ নম্বৰৰ ফোনত যোগাযোগ কৰিব পাৰিব।

মাজুলীত এবিভিপি গৰমূৰ শাখাৰ বন্তি প্ৰজ্বলন

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ২৫ নৱেম্বৰ ঃ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ গৰমূৰ সদৰ ইউনিটে কালি মাজুলীত জাতীয় বীৰ লাচিত বৰফুকনৰ পৱিত্ৰ স্মৃতিত লাচিত দিৱস উপলক্ষে গ্ৰহণ কৰে এক অনানুষ্ঠানিক কাৰ্যসূচী। এবিভিপিৰ গৰমূৰ সদৰ ইউনিটৰ সভানেত্ৰী বৰ্ণালী চাৰিঙীয়া আৰু সম্পাদিকা ঋতুস্মিতা শইকীয়াৰ উদ্যোগত সন্ধিয়া গৰমূৰ তিনিআলিত অৰ্ধশতাধিক বিজেপিৰ সমৰ্থকক লৈ বীৰ লাচিতৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰি আয়োজন কৰে প্ৰাৰ্থনা সভা। এই বন্তি প্ৰজ্বলন অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সদস্য দীপক গোস্বামী আৰু মাজুলী জিলা ভাৰতীয় জনতা পাৰ্টিৰ যুৱ-মৰ্চাৰ সভাপতি ঋতুপৰ্ণ শৰ্মাই অংশগ্ৰহণ কৰি উপস্থিত সদস্যসকলৰ আগত মহান জাতীয় বীৰ জনাই দেশৰ প্ৰতি অগবঢ়াই যোৱা বিৰল ত্যাগৰ কথা চমুকৈ অবলোকন কৰি অনুষ্ঠান সম্পন্ন কৰে।

নলবাৰী জিলা সাংবাদিক সন্থাৰ ন-পুৰণি কাৰ্যনিৰ্বাহকৰ প্ৰাৰম্ভিক সভাৰ সামৰণি

অগ্ৰদূত বাৰ্তা

বৰভাগ, ২৫ নৱেম্বৰ ঃ কালি নলবাৰী জিলা সাংবাদিক সন্থাৰ ন-পুৰণি কাৰ্যনিৰ্বাহকৰ প্ৰাৰম্ভিক সভাখন নলবাৰী জিলাৰ মুকালমুৱাৰ ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাৰ সভাপত্বিত অনুষ্ঠিত সভাত বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া উদয় শংকৰ দত্ত উপস্থিত থাকি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সদৃশ সাংবাদিকসকলৰ বাবে অপৰিসীম দায়িত্ব আছে বুলি উল্লেখ কৰি নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ সাংবাদিকসকলৰ বাবে প্ৰয়োজনীয় সহায়ৰ হাত আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। সভাত সদৌ অসম সাংবাদিক সন্থাৰ সম্পাদক নকুল তালুকদাৰ, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতা, নলবাৰী জিলা সাংবাদিক সন্থাৰ নৱনিৰ্বাচিত সভাপতি ৰাজেন ডেকা আদিয়ে বক্তব্য প্ৰদান কৰে। সভাত নলবাৰী জিলা সাংবাদিক সন্থাৰ নৱনিৰ্বাচিত সমিতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ আগেয়ে বিহগী কবি ৰঘুনাথ চৌধাৰীৰ স্মৃতিত প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বীৰ লাচিত বৰফুকনৰ স্মৃতিত মাল্যাৰ্পণ তথা বিশিষ্ট উপন্যাসিক ৰজনীকান্ত বৰদলৈৰ স্মৃতিত বন্তি প্ৰজ্বলন আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

বিশ্বনাথ জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত বিশ্বনাথ মহকুমা টাইপাৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ২৫ নৱেম্বৰ ঃ কালি মহাবীৰ লাচিত বৰফুকনৰ জন্ম দিৱস। এই জন্ম দিৱসৰ লগত সংগতি ৰাখি তাই আহোম যুৱ পৰিষদ, অসম (টাইপা)ৰ বিশ্বনাথ মহকুমা সমিতিৰ এটা সঁজাতী দল বিশ্বনাথ জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত উপস্থিত হৈ প্ৰথমে বিশ্বনাথ জিলা আৰক্ষী অধীক্ষক লীনা দলে, ডিএছপি জয়ন্ত বৰুৱাৰ সম্বৰ্ধনা জ্ঞাপন কৰে। তাৰ পাছতে সংগঠনটোৰ সঁজাতী দলটোৱে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাত উপস্থিত হৈ আৰু বিশ্বনাথ সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জিত কুমাৰ ৰয়কো সম্বৰ্ধনা জনায়।

তিনিচুকীয়াত চুলাইৰ ঘাটি উচ্ছেদ, বৃহস্পতিবাৰে।

ৰাজ্যৰ বিভিন্ন ঠাইত লাচিত দিৱস উদ্‌যাপন

অগ্ৰদূতবাৰ্তা,

যমুনামুখ, ২৫ নৱেম্বৰ ঃ ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে কঠিয়াতলিতো কালি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ কঠিয়াতলি শাখাৰ সৌজন্যত স্থানীয় মুকলি মঞ্চত লাচিত দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱা ন বজাত পতাকা উত্তোলন কৰে শাখাৰ সভাপতি অভিজিত দত্তই । বন্তি প্ৰজ্বলন কৰে নামবৰ লালুং গাঁও পঞ্চায়তৰ সভাপতি অভিষেক সোমে। ১০ বজাত চিত্ৰাংকন, ৰচনা প্ৰতিযোগিতা, দলীয় নৃত্য আৰু একক নৃত্য প্ৰদৰ্শন কৰে কঠিয়াতলি নটৰাজ নৃত্য বিদ্যালয়, মৃদগং নৃত্য বিদ্যালয়, নৃতাংগীতম বিদ্যালয় আৰু কেঁবাখনো নৃত্য বিদ্যালয়ৰ শিকাৰুসকলে। বিদ্যাৰ্থী পৰিষদৰ কৰ্মকৰ্তাসকলে নৃত্য বিদ্যালয়ৰ পৰিচালিকা নীলাক্ষী বৰা, নিজৰা ডেকা বৰা আৰু হিমাশ্ৰী শৰ্মা বৰদলৈক তেওঁলোকৰ স্বীকৃতি চিন স্বৰূপে ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। বিয়লি অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কঠিয়াতলি উচ্চতৰ মাধ্যমিকৰ প্ৰাক্তন অধ্যক্ষ জিতেন্দ্ৰনাথ হাজৰিকা, কঠিয়াতলি প্ৰেছ ক্লাবৰ সভাপতি ঘনকান্ত বৰা। সভাত ভাষণ প্ৰদান কৰি সাংবাদিক বৰাই লাচিত দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ শাখাই লাচিত দিৱস উদ্‌যাপন কৰি নৱপ্ৰজন্মক লাচিত বৰফুকনৰ সম্পৰ্কে অবগত কৰাত সফল ভূমিকা পালন কৰাত শলাগ লয়। সভাত লাচিতৰ কৰ্মৰাজিৰ বিষয়ে আলোচনা কৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাজ্যিক মিডিয়া সংযোজক মৃদুপবন নাথে। মুকলি সভাতে প্ৰতিযোগীসকলৰ মাজত প্ৰশস্তি পত্ৰ আৰু স্মাৰক প্ৰদান কৰা হয়।

শিঙৰীৰ অগ্ৰদূত বাৰ্তা ঃ ঢেকিয়াজুলি শাখা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বীৰ লাচিত সেনা, সপ্তৰ্ষি লোককলা কৃষ্টি একাডেমী আৰু কবি চক্ৰৰ সহযোগত ঢেকিয়াজুলি ৰাজহুৱা পুথিভঁৰালত কালি দিনজোৰা কাৰ্যসূচীৰে লাচিত দিৱস পালন কৰা হয়। পুৱা ১০-৩০ বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে লাচিত দিৱসৰ অনুষ্ঠান আৰম্ভ কৰা হয়। লাচিত বৰফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰদীপ কুমাৰ নাথে। উক্ত অনুষ্ঠানত ঢেকিয়াজুলি শাখা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱভূষণ মহন্ত, ঢেকিয়াজুলি শাখা কবি চক্ৰৰ সভাপতি কবীন্দ্ৰ কুমাৰ দাস, ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শংকৰ দাস, বিকাশ কলিতা, গণেশ ডেকা আদিয়ে লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত পুষ্প-মাল্য অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দুপৰীয়া ১২ বজাত মুকলি সভা অনুষ্ঠিত কৰা হয়। ঢেকিয়াজুলিৰ প্ৰবীণ কবি-সমাজকৰ্মী কৰুণাদত্ত বৰাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ঢেকিয়াজুলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা প্ৰবীণ সাংবাদিক ৰমেশ চন্দ্ৰ বৰাই মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰি লাচিত বৰফুকনৰ অৱদানৰ কথা উল্লেখ কৰে। সভাত ভাষণ প্ৰদান কৰি প্ৰবীণ সাংবাদিক ৰমেশ চন্দ্ৰ বৰাই কয়, 'লাচিত বৰফুকন বীৰত্বৰ প্ৰতীক। লাচিত বৰফুকন এগৰাকী যোদ্ধা আছিল। তেওঁৰ অৱদানক বাদ দিলে অসমৰ ইতিহাস আধৰুৱা হৈ ৰ'ব। লাচিত বৰফুকনক কেৱল অসমৰ মানুহে জানে।' আমি তেওঁক সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰিব লাগিব বুলি বৰাই নিজৰ ভাষণত উল্লেখ কৰে। ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শংকৰ দাসে আঁত ধৰা সভাখনত ঢেকিয়াজুলি শাখা কবি চক্ৰৰ সভাপতি কবীন্দ্ৰ কুমাৰ দাস আৰু ঢেকিয়াজুলি শাখা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱভষণ মহন্তই ভাষণ প্ৰদান কৰে। মুকলি সভাৰ কাৰ্যসূচীত জয়ন্ত বৰা, ববী বৰা মেধি আৰু অমিয় হাঁলৈয়ে কবিতা পাঠ কৰে। ইয়াত আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতাত অম্বিকা পোদ্দাৰে প্ৰথম, মজি ৰয়ে দ্বিতীয় আৰু বীথিকা দৈমাৰীয়ে তৃতীয় পুৰস্কাৰ লাভ কৰে।

লাচিত দিৱস উদ্‌যাপন

শালবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ বাগ্‌সা জিলাৰ সীমান্ত চেতনা মঞ্চৰ, পূৰ্বোত্তৰৰ ৰূপহী চেক্টৰে লাচিত দিৱসৰ লগত সংগতি ৰাখি কালি বাগ্‌সাৰ শালবাৰীৰ মাধপুৰ শংকৰদেৱ শিশু নিকেতন দেশভক্তি সমাৰেশ-২০২১ উদ্‌যাপন কৰে। কাৰ্যসূচী মৰ্মে কালি পুৱাৰ ভাগত পতাকা উত্তোলন আৰু বীৰ লাচিতৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয় তাৰ পাছত শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন চিত্ৰ অংকন কৰাও দেখা যায়। অনুষ্ঠানটোত উপস্থিত থাকে সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰৰ বাগ্‌সা জিলা সমিতিৰ সম্পাদকৰ দায়িত্বত থকা নিকুঞ্জ কলিতা, বাগ্‌সা জিলাৰ সেৱা প্ৰমুখ ৰাতুল নাথ, শালবাৰী নগৰ কমিটীৰ সেৱা প্ৰমুখ জিতুমণি দাস, বাগ্‌সা ৰূপহীৰ চেক্টৰৰ ৰামপ্ৰসাদ আৰ্য্যকে ধৰি কে'বাগৰাকী ব্যক্তি।

মৰাণৰ অগ্ৰদূত বাৰ্তা ঃ ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ অন্তৰ্গত মৰাণ টাউনখনক 'ক্লিন মৰাণ, গ্ৰীণ মৰাণ' শ্ল'গানৰ জৰিয়তে পৰিষ্কাৰ-পৰিচ্ছন্নতা কৰি ৰখাৰ উদ্দেশ্যৰে কালি পুৱাই লাচিত দিৱসৰ উপলক্ষে মৰাণ নগৰ ব্যক্তিগত বাহনৰ পাৰ্কিং লেছি সন্থাৰ উদ্যোগত এক চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত কাৰ্যসূচীত মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈৰ লগতে মৰাণ দিখাৰী গাঁও পঞ্চায়তৰ সভাপতি, তিলৈ গাঁও পঞ্চায়তৰ সভাপতিৰ লগতে মৰাণ নগৰ ব্যক্তিগত বাহনৰ পাৰ্কিং লেছি সন্থাৰ বিষয়ববীয়া তথা সদস্যসকলৰ লগতে মৰাণবাসী ৰাইজে সহযোগ কৰে।

লালুকৰ অগ্ৰদূত বাৰ্তা ঃ অসমৰ বীৰ পুৰুষ লাচিত বৰফুকনৰ সোঁৱৰণত উদ্‌যাপন কৰা বীৰ লাচিত দিৱস কালি সমগ্ৰ ৰাজ্যৰ লগতে লালুকতো বিভিন্ন কাৰ্যক্ৰমণিকাৰে উদ্‌যাপন কৰা হয়। বিশ্ব হিন্দু পৰিষদ আৰু বজৰংগ দল লখিমপুৰ জিলা সমিতিৰ সৌজন্যত লালুক খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে বীৰ লাচিত দিৱসটি উদযাপন কৰে। এই লৈ পুৱা ৯-৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰে শ্ৰীশ্ৰী ধুৱাহাট বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীমুনিন্দ নাৰায়ণ দেৱ গোস্বামীয়ে। ইয়াৰ পাছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰে লালুকৰ সমাজ কৰ্মী ৰমেন ভুঞাই। পুৱা ১১ বজাত ৰক্তদান শিবিৰ উদ্বোধন কৰে লালুক একাডেমী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নবীন হাজৰিকাই। ৰক্ত দান শিবিৰত ৩৯ গৰাকী ৰক্তদাতাই ৰক্তদান কৰে। ৰক্ত দান কাৰ্যসূচীত উত্তৰ লখিমপুৰ অসামৰিক চিকিৎসালয়ৰ ব্লাড বেংকৰ নডেল বিষয়া ডাঃ ৰোহিনী কুমাৰ বৰা, কাউন্সিলৰ চম্পক বৰুৱা, চিকিৎসক ডাঃ নন্দিনী লহকৰকে ধৰি চিকিৎসাকৰ্মী উপস্থিত থাকি ৰক্ত সংগ্ৰহ কৰে। দুপৰীয়া ১১-৩০ বজাত ওলোৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে লখিমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক মানৱ ডেকাই। বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা লালুক দৈনিক বজাৰৰ মাজেৰে লালুক বাছ আস্থান হৈ লালুক বজাৰ অঞ্চলত এপাক মাৰি পুনৰ লালুক খেলপথাৰত সমাপ্তি ঘটায়। দুপৰীয়া ১২-৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাখনত সভাপতিত্ব কৰে বিশ্ব হিন্দু পৰিষদৰ লখিমপুৰ জিলা সমিতিৰ সভাপতি লীলাকান্ত গগৈয়ে। বিশ্ব হিন্দু পৰিষদৰ লখিমপুৰ জিলা সমিতিৰ সম্পাদক ৰাজেশ্বৰ দেউৰীয়ে আঁতধৰা সভাখনত মুখ্যবক্তা ৰূপে উপস্থিত থাকে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উত্তৰ অসম প্ৰান্তৰ সহঃ সংঘ চালক পুৰন্দৰ বৰুৱা। তেওঁ সভাত তত্ত্বগধুৰ আৰু সাৱলীল ভাষণ প্ৰদান কৰে। উক্ত সভাত বিহপুৰীয়া সমষ্টিৰ প্ৰাক্তন বিধায়ক দেৱানন্দ হাজৰিকা, আদি এলেঙী সত্ৰৰ সত্ৰাধিকাৰ বিমল দেৱগোস্বামীকে আদি কৰি কে'বাখনো সত্ৰৰ সত্ৰাধিকাৰ আৰু অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। কাৰ্যসূচীত বিশ্ব হিন্দু পৰিষদ আৰু বজৰংগ দলৰ বিভিন্ন বিষয়ববীয়া উপস্থিত থাকে।

গ্ৰন্থই অমৰত্ব প্ৰদান কৰে ঃ ৰাজবংশী

■ কলাইগাঁৱত সৰ্বোদয় কৰ্মী প্ৰয়াত শৰত চন্দ্ৰ ডেকাৰ স্মাৰক গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

ওদালগুৰি, ২৫ নৱেম্বৰ ঃ ওদালগুৰি জিলাৰ কলাইগাৱত কালি সৰ্বোদয় কৰ্মী প্ৰয়াত শৰত চন্দ্ৰ ডেকাৰ স্মাৰক গ্ৰন্থ এখন উন্মোচন কৰা হয় । আচাৰ্য বিনোৱা ভাবেৰ শিষ্য, সৰ্বোদয় সংঘৰ একনিষ্ঠ সেৱক, কলাইগাও শ্ৰীশ্ৰী ভাগৱত মন্দিৰৰ প্ৰতিষ্ঠাপক তথা এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তি প্ৰয়াত শৰৎ চন্দ্ৰ ডেকাৰ স্মৃতি ৰক্ষাৰ্থে এখন গ্ৰন্থ উন্মোচন কৰা হয়। প্ৰয়াত ডেকাৰ আত্মকথা আৰু তেওঁৰ গুণমুগ্ধৰ ৰচনাৰে সমৃদ্ধ গ্ৰন্থখন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বৰ্তমান ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশীয়ে। মানুহ কেতিয়াও অমৰ নহয়, কৰ্মৰ জৰিয়তে মানুহ মৃত্যুৰ পিছতো অমৰ হয়। সেইদৰে গ্ৰন্থই হে মানুহক মৃত্যুৰ পিছতো অমৰত্ব প্ৰদান কৰিব পৰে যিদৰে এই 'শৰত সোৱাস' নামৰ স্মাৰকগ্ৰন্থৰ জৰিয়তে সৰ্বোদয় কৰ্মী শৰত চন্দ্ৰ ডেকাক যুগ যুগলৈ অমৰত্ব প্ৰদান কৰিলে বুলি কলাইগাও শ্ৰীশ্ৰী ভাগৱত মন্দিৰ প্ৰাঙ্গনত অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাত ৰাজবংশীয়ে মন্তব্য কৰে। আনহাতে, উক্ত সভাত ৰাজনৈতিক বক্তব্যত কলাইগাও সমষ্টিৰ প্ৰাক্তন বিধায়ক মহেন্দ্ৰ মোহন ৰায়চৌধুৰী আৰু ছিপাঝাৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক জয়নাথ শৰ্মাক সেই সময়ত নিৰ্বাচনত প্ৰতিদন্দ্বিতা কৰিবলৈ মই টিকট দিছিলো কিন্তু আজি মই কওঁ সেয়া মই পাপ কাম কৰিছিলো বুলি ভাষণ প্ৰসংগত পৰমানন্দ ৰাজবংশীয়ে উল্লেখ কৰে। সাংস্কৃতিক সংগঠক তৰুণ আজাদ ডেকাই আঁতধৰা গ্ৰন্থ উন্মোচনী সভা খনৰ সভাপতিত্ব কৰে ওদালগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা সাহিত্যিক পেঞ্চনাৰ দেৱৰাজ সাপকোটাই। উক্ত সভাত মুখ্য অতিথি হিচাপে বিটিআৰৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা আৰু বিশিষ্ট অতিথি হিচাপে ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰামচন্দ্ৰ ডেকাই অংশগ্ৰহন কৰি আধ্যাত্মিক ভাৱদৰ্শনেৰে শৰৎ চন্দ্ৰ ডেকাৰ জীৱন কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰে। সভাখনত বোলছবি পৰিচালক তথা প্ৰাক্তন ছাত্ৰ নেতা হবিবৰ ৰহমান, সমাজকৰ্মী কমিৰাম চহৰীয়াই ভাষণ প্ৰদান কৰে । সভাৰ প্ৰাকক্ষণত স্মৃতি বেদী উন্মোচন, শৰৎ চন্দ্ৰ ডেকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু স্মৃতি তৰ্পণৰ অন্তত কলাইগাঁও ভাগৱত মন্দিৰৰ নামতী দলৰ নাম পৰিৱেশন কৰা হয় । উল্লেখ্য যে গ্ৰন্থ উন্মোচন সভাৰ মাজতে শৰৎ চন্দ্ৰ ডেকাৰ কনিষ্ঠ কন্যা টুটু ডেকাই পিতৃৰ স্মৃতিত অশ্ৰুসিক্ত নয়নেৰে এটি গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক আবেগিক কৰে।

বিশ্বনাথত ২৯ সংখ্যক শিশু বিজ্ঞান সমাৰোহৰ সামৰণি

■ ডেৰ শতাধিক প্ৰকল্প অনলাইন উপস্থাপনৰে অভিলেখ সৃষ্টি

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ২৫ নৱেম্বৰ ঃ ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ জিলা পৰ্যায়ৰ প্ৰকল্পৰ অনলাইন উপস্থাপন কালি বিশ্বনাথ মহাবিদ্যালয়ৰ আলোচনা গৃহত সফলতাৰে সামৰণি পৰে। বিশ্বনাথ জিলাৰ বিভিন্ন বিদ্যালয়ৰ ১০ বছৰৰ পৰা ১৭ বছৰ বয়সৰ শিশুৱে প্ৰস্তুত কৰা ডেৰ শতাধিক প্ৰকল্প অনলাইন মাধ্যমৰ সহায়ত মূল্যায়ন কৰা হয়। জিলা সমন্বয়ক ৰিপুঞ্জয় বৰদলৈয়ে উল্লেখ কৰা মতে, শৈক্ষিক সমন্বয়ক ড° দেৱাশীষ শৰ্মাৰ পৰিচালনাত প্ৰকল্পৰ বহীসমূহ আৰু ছাত্ৰ-ছাত্ৰীৰ ভিজিঅ'সমূহ মূল্যায়ন কৰে বিশ্বনাথ কৃষি মহাবিদ্যালয় আৰু বিশ্বনাথ মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° প্ৰশান্ত নেওগ, ড° ৰত্ন কিংকৰ গোস্বামী, ড° মনোজ কুমাৰ শৰ্মা, ড° হেমেন্দ্ৰ চৌধুৰী আৰু ড° দেৱাশীষ শৰ্মাই। কাৰ্যকৰী সভাপতি ৰাণা প্ৰসাদ হাজৰিকাই উদ্বোধন কৰা ২৯ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ বিশ্বনাথ জিলা সমাৰোহৰ এই বছৰৰ মূল বিষয় আছিল, 'বহনক্ষম জীৱনধাৰণৰ বাবে বিজ্ঞান'। উক্ত বিষয়ৰ অন্তৰ্গত পাঁচটা উপ-বিষয়ৰ ওপৰত প্ৰস্তুত কৰা প্ৰকল্পসমূহৰ পৰা ১২টা প্ৰকল্প ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত কৰা হৈছে। জিলা সমন্বয়ক ৰিপুঞ্জয় বৰদলৈয়ে জনোৱা মতে, অহা ছয় আৰু সাত ডিচেম্বৰত অনলাইন মাধ্যমৰে অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহ বিশ্বনাথ মহাবিদ্যালয়ৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ সহায়ত অনুষ্ঠিত কৰা হ'ব। বৰগাং উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহেশ গোৱালাৰ, 'ফটিকাৰ সহায়ত কম খৰছী ছেনিটাইজাৰ প্ৰস্তুতকৰণ', কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গুঞ্জনজ্যোতি শইকীয়াৰ, 'তপা ব্যক্তিসকলৰ বাবে উত্তম থলুৱা ঔষধ প্ৰস্তুতকৰণ, নেহেৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ হীৰকজ্যোতি বৰাৰ, 'সামাজিক দূৰত্ব নিৰূপক যন্ত্ৰৰ উদ্ভাৱন', ডিলাপখৰা বহুমুখী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ইভলিন বৰাৰ, 'পেলনীয়া বটল আৰু পলিথিন বেগৰ সহায়ত পঘা প্ৰস্তুতকৰণ', পশ্চিম কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰক্তোৎপল হাজৰিকাৰ, 'থলুৱা পদ্ধতিৰে সংৰক্ষণ কৰা শস্যৰ বীজ কৃষকৰ বাবে অধিক লাভদায়ক', ছহিদ মুকুন্দ কাকতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ দেৱকুমাৰ তাঁতীৰ, 'পেলনীয়া চুলিৰ লাভদায়ক ব্যৱহাৰ', ডুবিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৰ্ণৱজ্যোতি শইকীয়াৰ, 'নিম'নিয়া প্ৰতিৰোধত সোণবড়িয়াল গছৰ শিপা', লুহিতমুখ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ মণি ডলেৰ, 'চুলি সৰা আৰু উফি প্ৰতিৰোধত শিমলু গছৰ চেম্পু', চেঙামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ আজনোৱা বেগমৰ, 'বজাৰত উপলব্ধ কৃত্ৰিম পানীয় আৰু নাৰিকল পানীৰ এক তুলনাত্মক অধ্যয়ন', চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লিলি বৰাৰ, 'বহিৰাগত অপতৃণসমূহে স্থানীয় শস্যৰ উৎপাদনত পেলোৱা প্ৰভাৱ অধ্যয়ন', শংকৰদেৱ শিশু বিদ্যান নিকেতনৰ দিগন্ত কলিতাৰ, 'বানপানী অধ্যুষিত অঞ্চলৰ বাবে অনাময় ব্যৱস্থা' আৰু লিটল ষ্টাৰ স্কুলৰ অন্তৰীপ পাঠকৰ, 'বিশ্বনাথ চাৰিআলিৰ ডাম্পিং গ্ৰাউণ্ডে স্বাস্থ্যৰ প্ৰতি সৃষ্টি কৰা ভাবুকি আৰু নিৰাময়ৰ উপায়।'

আধুনিক নৃত্য-বাটৰ নাট প্ৰদৰ্শন

অগ্ৰদূত বাৰ্তা

হোজাই, ২৫ নৱেম্বৰ ঃ ভোটাৰ ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যৰে হোজাই জিলা প্ৰশাসনে বিভিন্ন ধৰণে অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে হোজাইৰ উপায়ুক্ত অনুপম চৌধুৰীৰ নিৰ্দেশ মৰ্মে জিলাখনৰ তিনিটা সমষ্টি ক্ৰমে ৯০ নম্বৰ যমুনামুখ বিধানসভা সমষ্টি, ৯১ নম্বৰ হোজাই সমষ্টি আৰু ৯২ নম্বৰ লামডিং সমষ্টিৰ ভোটাৰ ৰাইজৰ মাজত সজাগতা অনাৰ উদ্দেশ্যে গীত-মাত আৰু বাটৰ নাটেৰে এই প্ৰয়াস অব্যাহত ৰাখিছে। এই বাটৰ নাট, পথ সভা আদিৰ তদাৰক কৰিছে নিৰ্বাচনী বিষয়া জাংমিৰ ৰংফাৰ্ফিয়ে। জিলা বিষয়াৰ উদ্যোগত প্ৰশাসনে জিলাখনৰ বিভিন্ন স্থানত বাটৰ নাট, সজাগতা সভা আদি অনুষ্ঠিত কৰি ভোটাৰ ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ জৰিয়তে ৰাইজক নিৰ্ধাৰিত সময়ত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত, কিদৰে স্থানান্তৰ কৰা আদি বিষয়বোৰ বাটৰ নাটৰ জৰিয়তে ৰাইজক উপস্থাপন কৰিছে।

কালি দুপৰীয়া যমুনামুখৰ ডবকা চহৰৰ লগতে নীলবাগান তিনি আলিত এদল শিল্পীয়ে গীত মাত আৰু বাটৰ নাট পৰিৱেশন কৰে। ইয়াৰ পাছত হোজাই চহৰৰ এলআইচিৰ সমীপত আৰু নতুন বজাৰ পাঁচ আলিত নৃত্য আৰু বাটৰ নাট পৰিৱেশন কৰে। দলটোৱে পাছত লামডিং সমষ্টিৰ জোৰাপুখুৰী আৰু কাকীত অনুৰূপ অনুষ্ঠান প্ৰদৰ্শন কৰে।

আঁচনিৰ বুজ ল'লে মন্ত্ৰী পীযুষ হাজৰিকাই

বৰমা, ২৫ নৱেম্বৰ ঃ বৰমাৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনিৰ হিতাধিকাৰীৰ বাসগৃহত উপস্থিত হৈ তেওঁলোকে পোৱা আঁচনিৰ বুজ লয় মন্ত্ৰী পীযুষ হাজৰিকাই। বৰমা ৰাজহ চক্ৰৰ অন্তৰ্গত দীঘেলীত ২০১৮ত অটল অমৃত যোজনাৰ কাৰ্ডৰ জৰিয়তে বিনামূলীয়াকৈ চিকিৎসা পোৱা এগৰাকী মহিলাৰ ঘৰত গৈ তেওঁৰ স্বাস্থ্য তথা আঁচনিৰ সুফল পাইছে নে নাই তাৰ বুজ লয়। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে বৃদ্ধ পেঞ্চন, অৰুণোদয় আদি আঁচনিবিলাকৰ ধন হিতাধিকাৰীয়ে পোৱাত কিবা অসুবিধা হৈছে নেকি সেই সম্পৰ্কেও বিতং তথ্য লৈ মুখ্যমন্ত্ৰীক দাখিল কৰিব বুলি কয়। অখিল গগৈ সন্দৰ্ভত তেওঁ কয় যে গগৈয়ে বিধায়ক পদ এৰি 'কা' আন্দোলন কৰিলে শিৱসাগৰত বিজেপিয়ে শেষ হাঁহি মাৰিব। বিজেপিৰ আৰু এখন আসন বৃদ্ধি হ'ব বুলি তেওঁ কটাক্ষ কৰে।

খহি পৰিল এক উজ্জ্বল নক্ষত্ৰ! শব্দহীনতাত

এক পৃষ্ঠাৰ পৰা কবিগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৯ বছৰ। তেওঁৰ মৃত্যুত অসমৰ বৌদ্ধিক জগতত এক গভীৰ শূন্যতাৰ সৃষ্টি হ'ল। সাহিত্য একাডেমী বঁটাপ্ৰাপক বিশিষ্ট কবিগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি বিভিন্নজনে শোক প্ৰকাশ কৰিছে।

কৰিমগঞ্জৰ চাহ বাগিচাত জন্ম

১৯৫২ৰ চাৰি নৱেম্বৰত কৰিমগঞ্জ জিলাৰ কালীনগৰ চাহ বাগিচাত এটি উড়িয়া শ্ৰমিক পৰিয়ালত সনন্ত তাঁতিৰ জন্ম। তেওঁৰ পিতৃ আছিল লোকনাথ তাঁতি আৰু মাতৃ আছিল বৈতৰণী তাঁতি। তাঁতিয়ে কালীনগৰ চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ত শৈক্ষিক জীৱনৰ পাতনি মেলি প্ৰায় দুই কিলোমিটাৰ নিলগত থকা ৰামকৃষ্ণ নগৰত অৱস্থিত ৰামকৃষ্ণ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৬৯ত বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিকৰ শিক্ষা সম্পন্ন কৰিছিল। শ্বিলঙৰ ছেইণ্ট এন্থনীজত কলেজীয়া জীৱনৰ পাতনি মেলা তাঁতিয়ে আৰ্থিক দুৰৱস্থাৰ বাবে সেই শিক্ষা আধৰুৱা কৰি চাকৰিত যোগদান কৰে। পৰৱৰ্তী সময়ত যোৰহাটত চাকৰি কৰি থকা অৱস্থাত যোৰহাট এমালগেমেটেড কলেজত নৈশ শাখাত শিক্ষাগ্ৰহণ কৰে আৰু অৱশেষত ডিব্ৰুগড়ৰ ডিব্ৰু কলেজৰ পৰা প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে অৱতীৰ্ণ হৈ ১৯৭৫ত স্নাতক ডিগ্ৰী লাভ কৰে।

কৰ্মজীৱন

১৯৭১ত তাঁতিয়ে যোৰহাটৰ অসম চাহ কৰ্মচাৰী ভৱিষ্যনিধিত কৰ্মজীৱন আৰম্ভ কৰে। পৰৱৰ্তী সময়ত তেওঁ ক্ৰমান্বয়ে ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগত মহকুমা তথ্য আৰু জনসংযোগ বিষয়া, অসম চাহ কৰ্মচাৰী ভৱিষ্যনিধি সংগঠনত জ্যেষ্ঠ জনসংযোগ বিষয়াৰূপে কাৰ্যনিৰ্বাহ কৰে। তাৰ পাছত তেওঁ অসম চাহ কৰ্মচাৰীৰ ভৱিষ্যনিধিৰ জনসংযোগ বিষয়াৰূপে কাৰ্যকাল অতিবাহিত কৰে আৰু জ্যেষ্ঠ জনসংযোগ বিষয়ালৈ পদোন্নতি লাভ কৰে। অৱশেষত তেওঁ উপ ভৱিষ্যনিধি আয়ুক্তৰূপে কাৰ্যনিৰ্বাহ কৰি ২০১২ত অৱসৰ গ্ৰহণ কৰে যদিও অৱসৰৰ পাছত পুনৰ ডেৰ বছৰ কাল বৰ্ধিত সময়ৰ বাবে একেটা কাৰ্যালয়ত বিশেষ কৰ্তব্যৰত বিষয়াৰূপে দায়িত্ব পালন কৰিছিল।

সনন্ত তাঁতিৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহ

অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা সনন্ত তাঁতিৰ উল্লেখযোগ্য কবিতা পুথিসমূহ হৈছে— উজ্জ্বল নক্ষত্ৰৰ সন্ধানত, মই মানুহৰ অমল উৎসৰ, নিজৰ বিৰুদ্ধে শেষ প্ৰস্তাৱ, শব্দত অথবা শব্দহীনতাত, মৃত্যুৰ আগৰ ষ্টপেজত, টোপনিতো কেতিয়াবা বাৰিষা আহে, ধোঁৱা ছাইৰ সপোন, দীৰ্ণ বসন্তৰ সৌৰভ, আপুনি আপোনাৰ স'তে যুদ্ধ কৰিব পাৰিবনে, মই কবিতা পুথি, মোৰ নিৰাভৰণ আত্মাৰ শোকাৰহ শব্দবোৰ, কাইলৈৰ দিনটো আমাৰ হ'ব, মোৰ প্ৰিয় সপোনৰ ওচৰে-পাঁজৰে, কৰিমগঞ্জৰ পৰা ৰেলেৰে আহোতে আহোতে।

তাঁতিয়ে লাভ কৰা পুৰস্কাৰ তথা সন্মানসমূহ

'কাইলৈৰ দিনটো আমাৰ হ'ব' গ্ৰন্থৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰা বিশিষ্ট কবিগৰাকীয়ে তেওঁৰ জীৱনকালত বহু বঁটা আৰু সন্মানেৰে বিভূষিত হৈছে। তেওঁ লাভ কৰা বঁটাসমূহৰ ভিতৰত উল্লেখ্য হৈছে ২০১৫ত অসম সাহিত্য সভাই আগবঢ়োৱা নিজৰা কবি শৈলধৰ ৰাজখোৱা বঁটা, ২০১৬ত অসমৰ এপিপিএল ফাউণ্ডেছনে আগবঢ়োৱা শিৰিষ-অইল সাহিত্য বঁটা, ২০১৬ত মুম্বাইৰ ৰমানাথ ভট্টাচাৰ্য ফাউণ্ডেছনে আগবঢ়োৱা পণ্ডিত পদ্মনাথ বিদ্যাবিনোদ স্মৃতি সাহিত্য পুৰস্কাৰ, ২০১৭ত গুৱাহাটীৰ মেগৰ শৈক্ষিক ন্যাসে আগবঢ়োৱা অসম উপত্যকা সাহিত্য বঁটা, ২০১৮ত ভাৰত চৰকাৰৰ অধীনস্থ সাহিত্য একাডেমীয়ে 'কাইলৈৰ দিনটো আমাৰ হ'ব' কাব্য সংকলনৰ বাবে আগবঢ়োৱা সাহিত্য একাডেমী বঁটা আৰু ২০২০ত অসমৰ চাহ জনজাতি সাহিত্য সভাই আগবঢ়োৱা মেঘৰাজ কৰ্মকাৰ সাহিত্য বঁটা। তদুপৰি তেওঁ ১৯৯২ত অসম কবি সমাজে আগবঢ়োৱা মৃণালিনী দেৱী গোস্বামী সোঁৱৰণী বঁটা, ২০০২ত দলিত সাহিত্য একাডেমীৰ অসম শাখাই আগবঢ়োৱা বীৰ বীৰচা মুণ্ডা পুৰস্কাৰ, ২০১১ত অসমৰ চৰ-চাপৰি সাহিত্য পৰিষদে আগবঢ়োৱা ওচমান আলী সদাগৰ সমন্বয় বঁটা, ২০১৪ত নগাঁৰৰ ক্ৰান্তিকাল প্ৰকাশনে আগবঢ়োৱা ক্ৰান্তিকাল সাহিত্য সন্মান লাভ কৰে।

সনন্ত তাঁতিৰ কবিতা

মাটি আৰু মানুহৰ জয়গান গোৱা কবি সনন্ত তাঁতিয়ে জীৱনৰ মহত্ত্বসমূহক তেওঁৰ কবিতাত সবলভাৱে উপস্থাপন কৰিছে। তেওঁৰ কবিতাত প্ৰেম, দেশপ্ৰেম আৰু সমাজ সচেতনতা এটা বিন্দুত উপনীত হৈছে। অসমৰ বামপন্থী আন্দোলনত জড়িত তাঁতিয়ে তেওঁৰ কবিতাত শ্ৰমিকৰ জয়গান গাইছে। শ্ৰমিকসকলে সন্মুখীন হোৱা শোষণ, নিৰ্যাতনৰ ভয়াৱহ অধ্যায় তেওঁৰ কবিতাত দাঙি ধৰাৰ উপৰি শ্ৰমজীৱী মানুহৰ হৈ এক প্ৰতিবাদী সত্তাৰূপে থিয় দিছে। সনন্ত তাঁতিৰ প্ৰতিবাদ যেন এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। তেওঁ প্ৰতিটো কবিতাই লিখিছিল মানুহৰ বাবে। মানুহ আৰু মানুহৰ জীৱন তেওঁৰ কবিতাৰ মূল বিষয়। এজন সংগ্ৰামী, অগ্নিবৰষা ৰাজনৈতিক কবিৰূপে পৰিচিত হৈছে সনন্ত তাঁতি। অসমীয়া কবিতাৰ এক অগ্ৰণী কণ্ঠ তাঁতিয়ে নিজৰ মানুহৰ বেদনা আৰু যাতনাৰ কথা কৈ গৈছে। তেওঁৰ কবিতাৰ ভাষাও অতি শক্তিশালী আৰু প্ৰাঞ্জল। তেওঁৰ প্ৰকাশিত প্ৰথমটো কবিতা হৈছে 'নিগ্ৰো'। তেওঁৰ সৰহভাগ কবিতা পদ্যধৰ্মী। জীৱন যুঁজৰ এজন অক্লান্ত সৈনিক তাঁতিয়ে তেওঁৰ 'কাইলৈৰ দিনটো আমাৰ হ'ব' কবিতাত লিখিছে—কাইলৈৰ দিনটো আমাৰ হ'ব/কাইলৈৰ পৰা সম্পূৰ্ণ স্বাধীনতাৰ বাহিৰে নাথাকিব আন কোনো কথা/ আমাৰ চোতালত কাইলৈ উৰিব জয়ৰ পতাকা/ বতাহত ভাহি আহিব কাইলৈ কোনো কোনো সুখৰ খবৰ/গোলাপ ৰজনীগন্ধা আৰু ক্ৰিছেণ্ট... সুগন্ধিৰে/ ভৰি পৰিব আমাৰ মহল, সময়। অৱশ্যে কাইলৈৰ দিনটো আমাৰ হোৱালৈ ৰখি নাথাকিল কবি তাঁতি। গুচি গ'ল এই পৃথিৱী ত্যাগ কৰি।

বিভিন্নজনৰ শোক প্ৰকাশ

মৃত্যুৰ সময়ত কবি তাঁতিয়ে পত্নী মিনতি কাকতি আৰু দুই পুত্ৰ স্বাগত তথা তথাগতক এৰি থৈ গৈছে। দীৰ্ঘদিন ধৰি তেওঁ দুৰাৰোগ্য ৰোগৰ স'তে যুঁজি আছিল। ভীষণ আৰ্থিক সংকটৰ মাজতো ৰাইজৰ দান-বৰঙণিৰে তেওঁৰ চিকিৎসা চলিছিল। মুঠ ১৪খন গ্ৰন্থৰ প্ৰণেতা তাঁতিৰ মৃতদেহ ৰাজ্য চৰকাৰে এয়াৰ এম্বুলেন্সযোগে অসমলৈ অনাৰ ব্যৱস্থা কৰিছে। তেওঁৰ মৃত্যুত মুখ্যমন্ত্ৰী শৰ্মাই শোক প্ৰকাশ কৰি কয়, 'অসমীয়া কবিতাৰ এক শক্তিশালী কণ্ঠ সনন্ত তাঁতিৰ বিয়োগে ৰাজ্যৰ বৌদ্ধিক জগতত এক গভীৰ শূন্যতাৰ সৃষ্টি কৰিলে। ৭০ দশকতে কবিতাৰ জগতত আত্মপ্ৰকাশ কৰা বিশিষ্ট কবিগৰাকীয়ে বহু যুগজয়ী কবিতাৰ সৃষ্টিৰে অসমীয়া সাহিত্যত এক গভীৰ ছাপ সৃষ্টি কৰি গৈছে। তেওঁৰ মৃত্যু ৰাজ্যৰ বাবে অপূৰণীয় ক্ষতি।' কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও তাঁতিৰ বিয়োগত গভীৰ দুখ প্ৰকাশ কৰে আৰু অসমৰ সাহিত্য জগতত এক শূন্যতাৰ সৃষ্টি হোৱা বুলি মন্তব্য কৰে। তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰে অসম সাহিত্য সভা আৰু নতুন সাহিত্য পৰিষদে। বিশিষ্ট কবিগৰাকীৰে আত্মাৰ সদগতি কামনা কৰি শ্ৰদ্ধাঞ্জলি আগবঢ়ায় বিশিষ্ট চাহ জনগোষ্ঠীয় নেতা ভগীৰথ কৰণ আৰু লেখক গোপাল জালানে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰায়ো শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

মমতা বেনাৰ্জীৰ আগ্ৰাসী অভিযানে সৃষ্টি

এক পৃষ্ঠাৰ পৰা ২০১৪ত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপিৰ হাতত চৰম পৰাজয় বৰণ কৰা কংগ্ৰেছে এতিয়া বিৰোধী দল হিচাপেও যোগ্যতা হেৰুৱাইছে বুলি দলত্যাগীসকলে মন্তব্য কৰে। শাসক আৰু বিৰোধী উভয় স্থানতে দখল হেৰুওৱা কংগ্ৰেছৰ ভৱিষ্যৎ এতিয়া কোন দিশে তাকে লৈ ৰাজনৈতিক মহলতো আলোচনা চলিছে। মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চাংমাই ১৭জন কংগ্ৰেছ বিধায়কৰ ভিতৰত ১১জনেই কিয় মমতামুখী হ'ল তাৰ ১১টা কাৰণৰ তালিকা প্ৰকাশ কৰিছে। প্ৰথমতে তেওঁ তীব্ৰ খেদ প্ৰকাশ কৰি কয় যে কংগ্ৰেছে এক সক্ৰিয় আৰু ফলদায়ক বিৰোধী দলৰূপে কাৰ্যনিৰ্বাহ কৰাত ব্যৰ্থ হৈছে। মেঘালয়ত কংগ্ৰেছৰ মুৰব্বীৰূপে ভিনছেণ্ট পালাক দায়িত্ব দিয়াত আৰম্ভ হোৱা দীৰ্ঘদিনীয়া ক্ষোভৰ পৰিণতিৰ পাছত চাংমাসহ ১১জনীয়া কংগ্ৰেছী বিধায়কৰ দলে দল ত্যাগ কৰে। কে'বামাহো ধৰি অসন্তুষ্ট হৈ থকাৰ পাছতো তাক উপশম কৰাৰ দলৰ হাইকমাণ্ডে কোনো ব্যৱস্থা নোলোৱাত চাংমাই কলকাতালৈ গৈ তৃণমূল কংগ্ৰেছৰ নিৰ্বাচনী ৰণকৌশলী প্ৰশান্ত কিশোৰক সাক্ষাৎ কৰে। অৱশ্যে এই সাক্ষাৎ নিতান্তই সৌজন্যমূলক আছিল বুলি তেওঁ কয়। কিন্তু যোৱা নিশা এই সাক্ষাতৰ প্ৰকৃত উদ্দেশ্য ফাদিল হ'ল। প্ৰশান্ত কিশোৰৰ স'তে হোৱা বৈঠকেই আছিল চাংমাসহ কংগ্ৰেছ বিধায়কৰ দলটোৰ যোৱা নিশাৰ পদক্ষেপৰ পৃষ্ঠভূমি। মনকৰিবলগীয়া যে চলিত বছৰৰ এপ্ৰিল-মে'ত অনুষ্ঠিত হোৱা বিধানসভা নিৰ্বাচনত মমতাৰ প্ৰচাৰ অভিযানৰ কৌশল নিৰ্ণায়ক কিশোৰে বিধানসভা নিৰ্বাচনত মমতাৰ চমকপ্ৰদ বিজয়ৰ পাছত এতিয়া তেওঁ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত শক্তিশালী ৰূপত দাঙি ধৰাৰ বাবে ব্যস্ত হৈছে।

২০২৩ৰ মেঘালয়ৰ বিধানসভা নিৰ্বাচনত তৃণমূলক খোপনি দিয়াৰ কৌশলেৰে ইতিমধ্যে কিশোৰৰ নিৰ্বাচনী ৰণনীতি নিৰ্ধাৰক দলে শ্বিলঙত বাহৰ পাতি কাম কৰি আছে। 'গণতন্ত্ৰত সমতা থাকিব লাগিব। আমাৰ শক্তিশালী বিৰোধীৰ প্ৰয়োজন আছে। আমি এই বিষয়টো দিল্লীৰ নেতৃত্বৰ সন্মুখত উপস্থাপন কৰিছো। আমি দিল্লীলৈ কে'বাবাৰো গ'লো যদিও কোনো ফল নধৰিল। বিকল্প বিৰোধীৰ সন্ধান কৰি মই মোৰ বন্ধু প্ৰশান্ত কিশোৰৰ স'তে আলোচনা মৰ্মে সিদ্ধান্ত লওঁ। আমি সকলোৱে জানো যে তেওঁ ছবিখন সলাব পাৰিব। মই এই কথা জনাবলৈ পাই সুখী হৈছো যে আলোচনাকালত এই কথা পৰিস্ফুট হৈছিল যে আমাৰ লক্ষ্য-উদ্দেশ্য একেটাই, সেয়া হৈছে— সকলো স্বাৰ্থৰ ওপৰত ৰাইজৰ স্বাৰ্থ।' আজি এইদৰে এক সংবাদমেলত কয় চাংমাই। তেওঁ লগতে কয় যে তেওঁৰ এই সিদ্ধান্ত দীঘলীয়া বিশ্লেষণৰো ফল। দীঘলীয়া সময় ধৰি ধৈৰ্য সহকাৰে ৰাষ্ট্ৰক আৰু মানুহক কিদৰে উত্তম সেৱা কৰিব পাৰি সেই বিষয়ে ধৈৰ্য সহকাৰে দীঘলীয়া সময় ধৰি চিন্তা-চৰ্চা কৰা বুলিও তেওঁ সদৰী কৰে। '২০১৮ৰ নিৰ্বাচনত আমি একক সৰ্ববৃহৎ দলৰূপে পৰিগণিত হোৱাৰ পাছত সকলোৱে জানে যে আমি চৰকাৰ গঠন কৰিব নোৱাৰিলো আৰু ইয়াৰ কাৰণ কি? সম্প্ৰতি আমাৰ ৰাজ্যৰ ৰাষ্ট্ৰত বাহাল থকা ৰাজনৈতিক পৰিস্থিতিলৈ লক্ষ্য ৰাখি আমি এই কথা ক'ব পাৰো যে এই সিদ্ধান্ত আমি অতি সচেতনভাৱে গ্ৰহণ কৰিছো। ভাৰতীয় জাতীয় কংগ্ৰেছৰূপে আমি প্ৰকৃতাৰ্থত মানুহৰ দায়িত্ব পালন কৰিব পাৰিম নে? মই দুখেৰে ক'ব লাগিব যে আমাৰ চেষ্টাৰ পাছতো সেয়া অৰ্থহীন যেন ধাৰণা হয়। বিৰোধী হিচাপে কৰ্তব্য পালনত আমি যে ব্যৰ্থ হৈছো সেয়া বিশ্বাস কৰাৰ আমাৰ কাৰণ আছে।' এইদৰে হতাশাৰে মন্তব্য কৰে প্ৰাক্তন মুখ্যমন্ত্ৰী চাংমাই। মনকৰিবলগীয়া যে যোৱা নিশাৰ নাটকীয় ৰাজনৈতিক পট পৰিৱৰ্তনৰ পাছত মেঘালয়ত তৃণমূল কংগ্ৰেছ প্ৰধান বিৰোধী দল হৈ পৰিল। উল্লেখ্য যে ২০১২ত মেঘালয়ত তৃণমূল কংগ্ৰেছ গঠন কৰা হৈছিল।

ৰাজনৈতিক বিশ্লেষকসকলৰ মতে, বিগত কে'বামাহ ধৰি তৃণমূল কংগ্ৰেছে মেঘালয়ত শক্তিশালী খোপনি পুতিবলৈ চেষ্টা অব্যাহত ৰাখিছে। অৱশেষত ৰাজ্যখনত অন্যতম শক্তিশালী দলৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয় তৃণমূল। অসম, গোৱা, উত্তৰ প্ৰদেশ, বিহাৰ আৰু হাৰিয়ানাতো তৃণমূলৰ প্ৰৱেশৰ বাট কংগ্ৰেছে মুকলি কৰি দিয়া বুলি সমালোচনা হৈছিল। মেঘালয়ৰ কংগ্ৰেছ বিধায়কৰ দল তৃণমূললৈ যোৱাৰ পাছত সম্প্ৰতি দিল্লীতে থকা মমতাই তেওঁৰ স'তে সুসম্পৰ্ক থকা কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীক সাক্ষাৎ কৰা নাই। অৱশ্যে দুয়োৰে মাজত বৈঠক অনুষ্ঠিত হ'ব বুলি ৰাজনৈতিক মহলত চৰ্চা অব্যাহত আছে। এই বিষয়ে সাংবাদিকে প্ৰশ্ন কৰাত একপ্ৰকাৰ ক্ষুব্ধ হৈ তৃণমূল নেত্ৰীয়ে কয় যে তেওঁ ছোনিয়াক সাক্ষাতৰ সময় বিচৰা নাই। তদুপৰি তেওঁ কয়, 'প্ৰতিবাৰে মই ছোনিয়া গান্ধীক কিয় সাক্ষাৎ কৰিব লাগে? ই সাংবিধানিক বাধ্যবাধকতা নহয়।' উল্লেখ্য যে দিল্লীত মমতাৰ উপস্থিতিত কংগ্ৰেছ নেতা কীৰ্তি আজাদ আৰু ৰাহুল গান্ধীৰ অন্যতম সংগী বুলি পৰিচিত অশোক তানোৱাৰৰ লগতে জনতা দল (ইউ)ৰ ৰাজ্যসভাৰ সাংসদ পৱন বাৰ্মায়ো তৃণমূল কংগ্ৰেছত যোগদান কৰিছে। ইয়াৰ পাছতে মমতাই কয় যে বিজেপিৰ বিৰুদ্ধে তৃণমূল কংগ্ৰেছৰ যুঁজত অংশীদাৰ হ'বলৈ বিচৰা অন্যান্য ৰাজনৈতিক দলৰ নেতাসকলক তেওঁ দললৈ আদৰণি জনাব। ইতিমধ্যে প্ৰয়াত ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীৰ পুত্ৰ অভিজিৎ মুখাৰ্জী, শিলচৰৰ কংগ্ৰেছ নেত্ৰী সুস্মিতা দেৱেও তৃণমূলত যোগ দিছে। আনকি জ্যেষ্ঠ বিজেপি নেতা ড° সুব্ৰহ্মণিয়ম স্বামীয়েও মমতাক দিল্লীত সাক্ষাৎ কৰি তেওঁৰ প্ৰতি সমৰ্থন আগবঢ়াইছে।

দিল্লীত আজি মমতাই কয় যে ২০২৪ৰ সাধাৰণ নিৰ্বাচনত বিজেপিক প্ৰত্যাহ্বান জনাবলৈ সাজু হোৱা তেওঁৰ দলে উত্তৰ প্ৰদেশৰ সমাগত বিধানসভা নিৰ্বাচনত বিজেপিক উৎখাত কৰাত সহায় কৰিবলৈ সাজু। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীৰ সমষ্টি বাৰানসীলৈ যাব। তদুপৰি এক ডিচেম্বৰত তেওঁ এনচিপিৰ মুৰব্বী শাৰদ পাৱাৰ তথা মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেক সাক্ষাৎ কৰিব।

ৰাজনৈতিক বিশ্লেষকসকলৰ বহুতেই ধাৰণা কৰে যে আগন্তুক লোকসভা নিৰ্বাচনত মমতাক বিৰোধীৰ মুখৰূপে প্ৰক্ষেপ কৰা হ'ব। পশ্চিমবংগত বিজেপিৰ তীব্ৰ আগ্ৰাসন তথা বৃহৎ নিৰ্বাচনী কৌশলক প্ৰতিহত কৰি ৰণ জয় কৰিবলৈ সক্ষম হোৱা মমতাই এই স্থিতি সম্ভৱপৰ কৰি তুলিছে বুলিও চৰ্চা হৈছে। একমাত্ৰ ত্ৰিপুৰাকে লক্ষ্য কৰি লোৱা বুলি ধাৰণা কৰা হৈছিল বুলিও কালি সন্ধিয়াৰ ঘটনাৰ পাছত এই কথা স্পষ্ট হৈ পৰিল যে মেঘালয় আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন আন ৰাজ্যও তেওঁৰ তালিকাত আছে। তৃণমূলত যোগদানৰ বাবে মমতাৰ মুকলি আহ্বানেও ক্ৰিয়া কৰিছে।

চৰাইদেউৰ সীমান্তত চৰম উত্তেজনাৰ সৃষ্টি ঃ আছাম ৰাইফলছে কৰিলে উদ্ধাৰ

অসমৰ দুই ছাত্ৰক অপহৰণ কৰি নি প্ৰহাৰ নগা দুৰ্বৃত্তৰ

অগ্ৰদূত বাৰ্তা

সোণাৰি, ২৫ নৱেম্বৰ ঃ চৰাইদেউ জিলাৰ অসম-নগালেণ্ডৰ সীমান্তত অসমৰ দুজন ছাত্ৰক নগা দুৰ্বৃত্তই অপহৰণ কৰি প্ৰহাৰ কৰা ঘটনাই আজি এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি কৰে। চুবুৰীয়া ৰাজ্যখনৰ লখুন বস্তিত কালি বহা সাপ্তাহিক বজাৰতে অসমৰ ছাত্ৰদ্বয় এই আক্ৰমণৰ সন্মুখীন হয়। যাৰ বাবে আজি প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় লোকে।

আক্ৰান্ত যুৱকদ্বয় হৈছে সোণাৰি আৰক্ষী থানাৰ অন্তৰ্গত কানুবাৰী বালিজান গ্ৰাণ্ট নিবাসী প্ৰাঞ্জল ব'ছাক (২০) আৰু নৱজোতি লাহন (২৫)। অভিযোগ অনুসৰি, প্ৰাঞ্জল আৰু নৱজোতিয়ে কালি বজাৰ কৰি থকাৰ সময়তে আঠজনীয়া সশস্ত্ৰ নগা দুৰ্বৃত্তই অপহৰণ কৰি ঘন জংঘললৈ নি গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰে। মূলতঃ আৰক্ষী আৰু আছাম ৰাইফল্‌ছৰ হৈ চোৰাংচোৱাগিৰি কৰা আৰু এন এছ চি এনৰ কেডাৰক অসমত ধৰাই দিয়াৰ অভিযোগ তোলে দুৰ্বৃত্তই। ইমানতে ক্ষান্ত নাথাকি প্ৰাঞ্জল আৰু নৱজোতিক জীৱন্তে পুতি থোৱাৰো যো জা কৰে দুৰ্বৃত্তৰ দলটোৱে। অৱশ্যে অসমৰ ছাত্ৰদ্বয়ক অপহৰণ কৰা বুলি জানিব পাৰি স্থানীয় নগালোকৰ সহযোগত আছাম ৰাইফল্‌ছৰ দল এটাই জংঘলত অভিযান চলোৱাত দুয়োজন ছাত্ৰক জংঘলতে এৰি থৈ দুৰ্বৃত্তৰ দলটো আঁতৰি যায়। পাছত দুয়োজন ছাত্ৰক আছাম ৰাইফল্‌ছে উদ্ধাৰ কৰি ততালিকে চিকিৎসালয়ত ভৰ্তি কৰে। কিছু পৰিমাণে সুস্থ হৈ উঠাত যোৱা নিশাই যুৱকদ্বয়ক কানুবাৰী বালিজান গ্ৰাণ্টৰ ঘৰলৈ পঠাই দিয়াৰ ব্যৱস্থা কৰে। ইফালে, নিৰীহ যুৱ ছাত্ৰদ্বয়ক নগালেণ্ডত সশস্ত্ৰ নগা দুৰ্বৃত্তৰ দলে আক্ৰমণ আৰু হত্যা কৰাৰ অপচেষ্টা চলোৱা ঘটনাত ক্ষুব্ধ হৈ কানুবাৰী বালিজান গ্ৰাণ্টৰ ৰাইজে আজি অসম-নগালেণ্ড সংযোগী পথটো অৱৰোধ কৰি প্ৰতিবাদ জনায়। আক্ৰমণকাৰী নগা দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰাৰ লগতে সীমান্তবাসীৰ নিশ্চিত নিৰাপত্তা বিচাৰি ৰাইজে শ্ল'গান দিয়ে। পাছত চৰাইদেউ আৰক্ষী প্ৰশাসনে বিষয়টোত হস্তক্ষেপ কৰি ঘটনাটো তদন্ত কৰি যথোচিত পদক্ষেপ গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াত প্ৰতিবাদকাৰীয়ে পথ অৱৰোধ সাময়িকভাৱে প্ৰত্যাহাৰ কৰে।

ৰাজ্যৰ ৩১জন চিকিৎসকে

এক পৃষ্ঠাৰ পৰা চিকিৎসকে নিজৰ পদত্যাগ পত্ৰ ৰাজ্যপাল জগদীশ মুখীলৈ প্ৰেৰণ কৰে। এই বিষয়টোৱে স্বাভাৱিকতে ৰাজ্যৰ স্বাস্থ্য মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

উল্লেখ্য যে দীৰ্ঘদিন ধৰি এই চিকিৎসকসকলে স্বেচ্ছামূলক অৱসৰৰ বাবে আবেদন জনাই আহিছিল। চিকিৎসকসকলে ২০১৪ৰ পৰা ২০২১লৈ অৱসৰৰ বাবে আবেদন জনাইছিল। অথচ স্বাস্থ্য বিভাগে গুৰুত্ব আৰোপ নকৰাত অৱশেষত আজি তেওঁলোকে ৰাজ্যপাললৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। পদত্যাগ পত্ৰ প্ৰেৰণ কৰা চিকিৎসকসকলৰ ভিতৰত ৰাজ্যপালে ইতিমধ্যে ছজন চিকিৎসকৰ পদত্যাগত অনুমোদন জনাইছে। বয়স আৰু ঘৰুৱা অসুবিধা থকা চিকিৎসকসকলক ৰাজ্যপালে অৱসৰৰ অনুমোদন জনায়। বিভাগীয় সূত্ৰই জনোৱা মতে, অত্যধিক কামৰ বোজা, পদোন্নতিৰ লগতে অন্যান্য সুবিধা প্ৰদানত স্বাস্থ্য বিভাগৰ গাফিলতিত অসন্তুষ্টিৰ বাবেই এই চিকিৎসকসকলে স্বেচ্ছামূলক অৱসৰ বিচাৰি আহিছিল। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সৰ্বাধিক নজন চিকিৎসকে পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। সেইদৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পাঁচজন চিকিৎসকে স্বেচ্ছামূলক অৱসৰ বিচাৰিছে। স্বেচ্ছামূলক অৱসৰ বিচাৰি পদত্যাগ কৰাসকলৰ ভিতৰত আছে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আঠজন, তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ছজন, বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ দুজন আৰু লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ এজন চিকিৎসক।

অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ

এক পৃষ্ঠাৰ পৰা হাইকমাণ্ডে তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ এই দায়িত্ব অৰ্পণ কৰে। ৩৩ বছৰীয়া অংকিতাই বিগত অসম বিধানসভা নিৰ্বাচনত আমগুৰিৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল। আজি এই দায়িত্ব লাভৰ পূৰ্বে তেওঁ অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ উপ-সভানেত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৮৭ত যোৰহাটত জন্মলাভ কৰা অংকিতাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহিলা অধ্যয়ন বিভাগৰ পৰা পিএইছডি ডিগ্ৰীও লাভ কৰিছে। তেওঁ স্নাতকোত্তৰ তথা আইনৰ স্নাতক ডিগ্ৰীধাৰী। ৰাজনৈতিক জীৱনতো অংকিতাই এগৰাকী চৰ্চিত তৰুণ নেত্ৰীৰূপে পৰিচিত। আনহাতে, ৰাতুল পাটোৱাৰীক প্ৰদেশ যুৱ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

তেওঁক বিদায় দিয়াটো কঠিন

এক পৃষ্ঠাৰ পৰা তেওঁ থাকি যাব আমাৰ মাজত মানৱতাৰ সেনানী হৈ।

তেওঁৰ কবিতাৰ স'তে মোৰ আত্মীয়তা সৰুতেই গঢ়ি উঠিছিল। 'নিজৰ বিৰুদ্ধে শেষ প্ৰস্তাৱ', 'শব্দত অথবা শব্দহীনতাত' যেতিয়া পঢ়িছিলো, এনে লাগিছিল যেন শব্দবোৰৰ মাজৰ পৰা কবি আহি সোঁশৰীৰে বহিছিল মোৰ সমুখত। পৰৱৰ্তী সময়ত যেতিয়া মই 'সহযোগ অসম' নামৰ সংস্থাটোৰ কামৰ বাবে মানুহৰ মাজত বিচৰণ কৰাৰ সুযোগ পালো, তেতিয়া লৈ ফুৰিলো তেওঁৰ কবিতাকো মনৰ মাজত--আন কেইটামান প্ৰিয় কবিতাৰ লগত। তীব্ৰ সমাজ সচেতন সনন্ত তাঁতিৰ বাবে যে কবিতা হৈছে 'হৃদয়ৰ এক শিল্পকৰ্ম'। জীৱনৰ আশা-আগ্ৰহ, বেদনা-বিপন্নতা, ক্ষোভ-প্ৰতিবাদ— এই সকলোবোৰ সামৰিয়েই তেওঁৰ কবিতা। সেয়া সজীৱ। এই সজীৱতাই পঢ়ুৱৈক টানে তেওঁৰ ফাললৈকে।

২০১৯ৰ এপ্ৰিলত এইগৰাকী কবিৰ বাসভৱনলৈ মই মোৰ সহকৰ্মী দুগৰাকীৰ লগত গৈছিলো। বহুসময় কথা পাতিছিলো আমি বিভিন্ন বিষয়ৰ ওপৰত তেওঁৰ পত্নী মিনতি বৌৰ লগত। সনন্তদা আছিল নীৰৱ দৰ্শক হৈ। দুৰ্বলতাই তেওঁক বিছনাতে শুৱাই ৰাখিছিল। ভালদৰে কথাও ক'ব পৰা নাছিল। কিন্তু যিকেইটা শব্দ তেওঁৰ কণ্ঠেৰে নিৰ্গত হৈছিল, সেই শব্দকেইটা যেন শক্তিশালী আছিল— ঠিক তেওঁৰ কবিতাৰ দৰেই। অনুভৱ কৰিছিলোঁ, কবি আৰু কবিৰ কবিতা একেই। আনকি মাৰ্ক্সীয় দৃষ্টিকোণো সচেতনতাৰে প্ৰদীপ্ত। একেই তেওঁৰ আত্মপ্ৰত্যয় আৰু আশাবাদ।

দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈছিল তেওঁ। কিন্তু মানসিকভাৱে দুৰ্বল হৈ পৰা নাছিল। অৰ্থৰ অভাৱ আছিল যদিও তাৰ লগত আশাবাদো আছিল। সেয়া তেওঁৰ লগত কথা সেই আলাপতে বুজি উঠিছিলো।

ৰূপায়ণৰ পূৰ্বেই আৰম্ভ হ'ল

এক পৃষ্ঠাৰ পৰা নোৱাৰে যদিও ক'ৰবাত যদি এশ টকা আন কোনোবা চি এছ চিত আকৌ পঞ্জীয়ন মাচুল পাঁচশ টকা পৰ্যন্ত দৰ উঠিছে। একপ্ৰকাৰ ক'বলৈ গ'লে অসম চৰকাৰৰ ঘোষিত আঁচনি ৰূপায়ণ কৰাৰ আগতেই ব্যাপক দুৰ্নীতি আৰম্ভ হৈছে। উল্লেখ্য যে 'অসম প্ৰব্ৰজিত শ্ৰমিক খাদ্য সুৰক্ষা আঁচনি' ঘোষণা কৰাৰ সময়ত ৰাজ্য চৰকাৰৰ জাননীত উল্লেখ কৰা হৈছিল যে ৰাজ্যৰ প্ৰব্ৰজিত শ্ৰমিকৰ মুঠ সংখ্যাৰ চাৰিৰ পৰা পাঁচ শতাংশই ইতিমধ্যে 'ই-শ্ৰম' প'ৰ্টেলত পঞ্জীয়ন কৰিছে। তাৎপৰ্যপূৰ্ণ যে চৰকাৰৰ উক্ত জাননীত সংখ্যাৰ হিচাপত সেই চাৰিৰ পৰা পাঁচ শতাংশটো কিমান অথবা মুঠ শ্ৰমিকৰ সংখ্যাটো কিমান তাৰ কোনো স্পষ্ট ইংগিত নাই।

এই ক্ষেত্ৰত অসম চৰকাৰৰ শ্ৰম বিভাগ চূড়ান্তভাৱে ব্যৰ্থ হৈছে বুলি ক্ষোভ প্ৰকাশ কৰি চেণ্টাৰ অৱ ইণ্ডিয়ান ট্ৰেড ইউনিয়ন (চিটু)ৰ অসম শাখাৰ সম্পাদক তপন শৰ্মাই কয়, 'আমি নিৰন্তৰ প্ৰচাৰ কাৰ্য চলাই আছো আৰু সজাগ কৰিবলৈ চেষ্টা কৰি আছো যাতে কোনো কাৰণতে অসংগঠিত খণ্ডৰ শ্ৰমিকৰ বাহিৰে আন লোকে 'ই-শ্ৰম' প'ৰ্টেলত নাম পঞ্জীয়ন কৰি সুযোগ ল'ব নোৱাৰে। তাৰ বিপৰীতে সংশ্লিষ্ট চৰকাৰী বিভাগসমূহ চূড়ান্তভাৱে ব্যৰ্থ হৈছে। বৰঞ্চ বিভাগে সংখ্যাটো অজানিত কাৰণত বৃদ্ধি কৰিবলৈহে উঠিপৰি লাগিছে।'

চৰকাৰৰ পদ্ধতিগত ভুলৰ বাবে অসংগঠিত খণ্ডৰ শ্ৰমিক নহ'লেও এতিয়া 'ই-শ্ৰম' প'ৰ্টেলত যিকোনো লোকে নাম পঞ্জীয়ন কৰিছে বুলি উল্লেখ কৰি শৰ্মাই কয় যে কাৰিকৰীভাৱে 'ই-শ্ৰম' প'ৰ্টেল সকলোৰে বাবে মুকলি। ৰাজ্যৰ বিশেষকৈ গ্ৰামাঞ্চলত একোজন লোকক ই-শ্ৰম প'ৰ্টেলত নাম পঞ্জীয়ন কৰি দিয়াৰ নামত পাঁচশ টকা পৰ্যন্ত চি এছ চি অথবা অৰুণোদয় কেন্দ্ৰসমূহে আদায় কৰিছে বুলিও অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে একোজন অসংগঠিত খণ্ডৰ শ্ৰমিকে নিজৰ এণ্ড্ৰইড ম'বাইলৰ দ্বাৰা, ইণ্টাৰনেট কেফেত গৈ অথবা অৰুণোদয় কেন্দ্ৰত গৈও 'ই-শ্ৰম' প'ৰ্টেলত নাম পঞ্জীয়ন কৰিব পাৰে; কিন্তু বিভাগীয় নীতি-নিৰ্দেশনা অনুসৰি অৰুণোদয় কেন্দ্ৰৰ যোগেদি নাম পঞ্জীয়ন কৰিলেও কোনো ধৰণৰ মাচুল আদায় কৰিব নোৱাৰে অথবা তেনে কোনো নিৰ্দেশনা নাই।

প্ৰতিটো অসংগঠিত খণ্ডত কৰ্মৰত শ্ৰমিকসকলৰ নিজা নিজা পঞ্জীয়নকৃত ইউনিয়ন আছে বুলি দাবী কৰি ট্ৰেড ইউনিয়ন নেতা তপন শৰ্মাই কয়, 'আমি দাবী কৰি আহিছো যে শ্ৰম বিভাগে প্ৰতিটো ইউনিয়নক লগত লৈ প্ৰকৃত শ্ৰমিকৰ তালিকা প্ৰস্তুত কৰক; কিন্তু আমাৰ ইউনিয়নৰ লগত আলোচনাত বহাটো দূৰৰে কথা, কোনো ধৰণৰ পৰামৰ্শও গ্ৰহণ নকৰিলে।' যোৱা মাহত অসম চৰকাৰে 'অসংগঠিত খণ্ড শ্ৰমিক সামাজিক সুৰক্ষা ব'ৰ্ড' গঠন কৰিলে যদিও আজিকোপতি এখনো বৈঠক অনুষ্ঠিত নকৰিলে বুলিও শৰ্মাই ক্ষোভ প্ৰকাশ কৰে। তেওঁ লগতে দাবী কৰে যে অসমত অতি সম্প্ৰতি প্ৰায় ৮৫ লাখ অসংগঠিত খণ্ডৰ শ্ৰমিক থকাৰ বিপৰীতে সমগ্ৰ দেশত প্ৰায় ৪২ কোটি অসংগঠিত খণ্ডৰ শ্ৰমিক আছে।

'ই-শ্ৰম' প'ৰ্টেলত চলি থকা শ্ৰমিকসকলৰ অনলাইন পঞ্জীয়নৰ সময়ত উদ্ভৱ হোৱা বেমেজালি সন্দৰ্ভত অসম চৰকাৰৰ শ্ৰম বিভাগৰ উপ-শ্ৰম আয়ুক্ত ইশ্বানু শ্বাহে কয় যে কোনো এগৰাকী শ্ৰমিকে নিজেও নাম পঞ্জীয়ন কৰিব পাৰে অথবা অৰুণোদয় কেন্দ্ৰত গৈও পঞ্জীয়ন কৰিব পাৰে আৰু দুয়োটা প্ৰক্ৰিয়াতে কোনো ধৰণৰ মাচুলৰ কথা নাই। কোনো কোনো অৰুণোদয় কেন্দ্ৰই পাঁচশ টকা পৰ্যন্ত লোৱা অভিযোগ সন্দৰ্ভত উপ-শ্ৰম আয়ুক্তগৰাকীয়ে কয়, 'কোনোবাই যদি পঞ্জীয়নৰ নামত মাচুল লৈছে এয়া বেয়া হৈছে। ইতিমধ্যে নিৰ্দিষ্ট কিছুমান অভিযোগৰ ভিত্তিত কেইটামান অৰুণোদয় কেন্দ্ৰৰ ওপৰত ব্যৱস্থা লোৱা হৈছে আৰু এতিয়াও তেনে অভিযোগ পালে ব্যৱস্থা লোৱা হ'ব।'

অসংগঠিত খণ্ডৰ প্ৰকৃত শ্ৰমিকে 'ই-শ্ৰম' প'ৰ্টেলত পঞ্জীয়ন কৰিবলৈ সুযোগ পাইছে নে নাই বুলি সোধা এক প্ৰশ্নৰ উত্তৰত উপ-শ্ৰম আয়ুক্তগৰাকীয়ে কয়, 'এতিয়া সকলো প্ৰক্ৰিয়া প্ৰাৰম্ভিক পৰ্যায়ত আছে। অহা ডিচেম্বৰৰ শেষলৈ আমি গম পাম যে কিমান প্ৰব্ৰজিত শ্ৰমিক অথবা অসংগঠিত খণ্ডৰ শ্ৰমিকে পঞ্জীয়ন কৰিলে। এই সংখ্যাই ৰাজ্যৰ অসংগঠিত খণ্ডৰ মুঠ শ্ৰমিকৰ সংখ্যা কিমান তাকো বুজাত সহায় কৰিব। কিয়নো আঁচনি ৰূপায়ণৰ জিলা পৰ্যায়ত উপায়ুক্তৰ নেতৃত্বত প্ৰতিগৰাকী পঞ্জীয়নকৃত ব্যক্তিক পুনৰীক্ষণ কৰা হ'ব। তেতিয়াই প্ৰকৃত শ্ৰমিক কোন হয় বা নহয় ওলাই পৰিব।'

গোসাঁইগাঁৱত চকোলেট খাই অসুস্থ ১০

এক পৃষ্ঠাৰ পৰা পৰে। এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী কেইগৰাকী চকোলেট খোৱাৰ পাছতে হঠাৎ অসুস্থ হৈ পৰাত বিদ্যালয় কৰ্তৃপক্ষ আৰু অভিভাৱকৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে আক্ৰান্ত শিক্ষাৰ্থীসকল সম্প্ৰতি সংকটমুক্ত বুলি চিকিৎসালয় কৰ্তৃপক্ষই সদৰী কৰিছে। এই ঘটনা সংঘটিত হয় গোসাঁইগাঁও চহৰৰ জয়নগৰস্থিত ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় ব্লুমিং বাড্‌ছ স্কুলত।

প্ৰাপ্ত তথ্য অনুসৰি, আজি বিদ্যালয়খনৰ এজন পঞ্চম শ্ৰেণীৰ ছাত্ৰৰ জন্মদিন উপলক্ষে তেওঁৰ সহপাঠীসকলৰ মাজত চকোলেট বিতৰণ কৰা হয়। এই চকোলেট শ্ৰেণীটোৰ প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়ে খাইছিল। অৱশ্যে কিছু সময়ৰ পাছতে ১০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পেট আৰু ডিঙিৰ যন্ত্ৰণাৰ লগতে বমিৰ ভাব অনুভৱ কৰে। কম সময়ৰ ভিতৰতে অসুস্থ ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাত বিদ্যালয়খনত হাহাকাৰ লাগে। বিদ্যালয় কৰ্তৃপক্ষই ততাতৈয়াকৈ অসুস্থ ছাত্ৰ-ছাত্ৰীসকলক গোসাঁইগাঁও আৰ এন বি চিকিৎসালয়ত ভৰ্তি কৰায়। চিকিৎসকসকলে তাৎক্ষণিকভাৱে চিকিৎসা প্ৰদান কৰাত সম্প্ৰতি সকলো শিক্ষাৰ্থী সংকটমুক্ত বুলি জনায় চিকিৎসালয়ৰ অধ্যক্ষ সুজিত কুমাৰ দাসে। তেওঁ লগতে জনায় যে বিষক্ৰিয়াত আক্ৰান্ত হোৱা শিক্ষাৰ্থী ভিডি গোলছা, চন্দ্ৰমিকা ব্ৰহ্ম, ছাকিব মেহবুব, মিদুশ্ৰী বসুমতাৰী, ছিয়া নাৰ্জাৰী, হিমাৰাণী মুছাহাৰী, ৰিমি নাৰ্জাৰী, মালেকা বেগম, উদ্দীপ্ত কুমাৰ দে আৰু গেৰেমছা বসুমতাৰী সুস্থ হৈ উঠাত ইতিমধ্যে ঘৰলৈ যাবলৈ দিয়া হৈছে। আনহাতে, এই ঘটনাৰ তদন্ত কৰা হ'ব বুলি জনাইছে বিদ্যালয়খনৰ অধ্যক্ষই। তেওঁ লগতে জনায় যে ভৱিষ্যতে যাতে এই ধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নহয়, তাৰ বাবে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ নিৰ্দেশনা দিয়া হ'ব।

অসমৰ বিপ্লৱী শংকৰ গুহ নিয়োগী

এক পৃষ্ঠাৰ পৰা 'ছহিদ শংকৰ গুহ নিয়োগী আৰু তেওঁৰ নতুন ভাৰতৰ সপোন।' অধ্যাপক সদগোপালে মোক সুধিছিল, তুমি শংকৰ গুহ নিয়োগীৰ বিষয়ে জানানে? মই কৈছিলো— নাই নাজানো, মই শংকৰ গুহ নিয়োগীৰ নামেই শুনা নাই। অধ্যাপক সদগোপালে হাঁহি মাৰি কৈছিল— তুমি কিয় বহুতেই শুনা নাই শংকৰ গুহ নিয়োগীৰ নাম। শংকৰ গুহ নিয়োগী অসমৰ সন্তান। তেওঁক লৈ তোমালোকে গৌৰৱ কৰিব পাৰা। তুমি এই কিতাপখনৰ আলমত অসমীয়া ভাষাত শংকৰ গুহ নিয়োগীৰ বিষয়ে এখন অসমীয়া কিতাপ লিখা। তেওঁৰ ৰচনাৰাজি অসমৰ মানুহে পঢ়িব পৰাকৈ অসমীয়া ভাষাতে প্ৰকাশ কৰা। মই হিন্দী ভালকৈ নাজানো। তথাপি সংঘৰ্ষ আৰু নিৰ্মাণৰ বহু কথা অসমীয়া ভাষাত লিখিছিলো। দুই-এক আলোচনী আৰু বাতৰি কাকতৰ সম্পাদকক কৈছিলো, এই ৰচনা প্ৰকাশ কৰিবলৈ; কিন্তু কোনোজন সম্পাদকে ইচ্ছা প্ৰকাশ নকৰিলে শংকৰ গুহ নিয়োগীৰ বিষয়ে লিখা প্ৰকাশ কৰিবলৈ। ময়ো নিৰুৎসাহ হ'লো আৰু সেই কাম আধৰুৱা হৈ থাকি গ'ল।

পৰৱৰ্তী সময়ত মই অসমৰ বহু মানুহক সুধিছিলো— শংকৰ গুহ নিয়োগীৰ বিষয়ে জানে নেকি? নাই কোনো এজনো মানুহে শংকৰ গুহ নিয়োগীৰ বিষয়ে নাজানে। অথচ অধ্যাপক সদগোপালৰ দৰে মানুহে শংকৰ গুহ নিয়োগীৰ বিষয়ে এখন সাতশ পৃষ্ঠাৰ বৃহৎ কিতাপ লিখিলে আৰু সেইখন গ্ৰন্থ মোক উপহাৰ দিলে— 'অসমৰ এজন সুসন্তানৰ স্মৰণত' বুলি উল্লেখ কৰি।

শংকৰ গুহ নিয়োগীৰ আচল নাম আছিল ধীৰেশ। ধীৰেশৰ পিতৃ হেৰম্ব কুমাৰ গুহ নিয়োগীৰ ঘৰ আছিল অসমৰ নগাঁও জিলাৰ যমুনামুখত। হেৰম্ব কুমাৰৰ পিতৃৰ জন্মস্থান আছিল পূৰ্ববংগৰ মৈমনসিং জিলাত। তাৰ পৰা বহু বছৰ আগতে তেওঁৰ পূৰ্বপুৰুষ নগাঁৰৰ যমুনামুখলৈ গুচি আহিছিল। শংকৰ গুহ নিয়োগীৰ পিতৃ হেৰম্ব কুমাৰ গুহ নিয়োগী পেছাত আছিল এজন সৰু ঠিকাদাৰ। সেই সময়ত দ্বিতীয় মহাযুদ্ধৰ ধুমুহাই সমগ্ৰ বিশ্বৰ লগতে অসমকো ছুই গৈছিল। ঠিকাদাৰ হেৰম্ব কুমাৰে যমুনামুখত থাকিও ঠিকাদাৰী কামৰ বাবে বিভিন্ন ঠাইলৈ যাবলগীয়া হৈছিল আৰু দেশৰ ৰাজনৈতিক খবৰ লাভ কৰিছিল। সেই সময়ত নেতাজী সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত আই এন এৰ সৈনিকসকল কোহিমা আহি পাইছিল। ব্ৰিটিছৰ সাম্ৰাজ্যৰ ভিতৰত সৈনিকৰ দললৈ স্বাধীনতা ঘোষণা কৰা নেতাজীৰ কাৰ্যই হেৰম্ব কুমাৰক বৰকৈ অনুপ্ৰাণিত কৰিছিল আৰু হেৰম্ব কুমাৰে ঠিকাদাৰলৈ পিঠি দি স্বাধীনতা আন্দোলনৰ কামত জঁপিয়াই পৰিছিল। পাছলৈ হেৰম্ব কুমাৰ কংগ্ৰেছৰ জিলা সভাপতি হৈছিল আৰু সেই সময়ৰ অসমৰ কংগ্ৰেছ দলৰ নেতাসকলৰ স'তে ঘনিষ্ঠ সম্পৰ্ক আছিল।

স্বাধীনতা যুদ্ধত লাগি পৰা হেৰম্ব কুমাৰে তেওঁৰ পৰিয়ালৰ প্ৰতি বিশেষ চকু দিব পৰা নাছিল। সেই সময়ত তেওঁৰ পত্নী অন্তঃসত্ত্বা আছিল। তেওঁ ঘৰ এৰি ঘূৰি ফুৰিবলগীয়া হোৱা বাবে পত্নীক অবিভক্ত বংগৰ দিনাজপুৰ জিলাৰ বালুৰাৰী গাঁৱত থকা শহুৰৰ ঘৰত থৈ আহিছিল। তাতেই ১৯৪২ৰ ১৮ ছেপ্টেম্বৰত হেৰম্ব কুমাৰৰ প্ৰথম সন্তান ধীৰেশৰ জন্ম হয়। জন্মৰ কিছুদিন পাছতেই মাকৰ স'তে ধীৰেশ যমুনামুখলৈ আহে। যমুনামুখতেই ধীৰেশৰ বাল্যকাল অতীত হয় আৰু প্ৰাথমিক বিদ্যালয়ত বিদ্যাৰম্ভ কৰে। পাছলৈ ভাল পঢ়া-শুনাৰ বাবে ধীৰেশক তেওঁৰ মামাকৰ ঘৰলৈ পঠিয়াই দিয়া হয়। ধীৰেশৰ মামাক আছানছোলত থকা বেংগল কোল কোম্পানীৰ এজন উচ্চ পদস্থ বিষয়া আছিল। ধীৰেশ কুমাৰে পাছলৈ শংকৰ নাম লয়। শংকৰ গুহ নিয়োগীয়ে আছানছোলত পঢ়ি থকা সময়তেই অসমত সাম্প্ৰদায়িক সংঘৰ্ষ হয়। এই সংঘৰ্ষত শংকৰৰ পিতৃ হেৰম্ব কুমাৰে সৰ্বস্ব হেৰুৱায়। তেওঁলোকৰ যমুনামুখৰ ঘৰ-দুৱাৰ সাম্প্ৰদায়িকতাৰ জুইত জাহ যায়। হেৰম্ব কুমাৰৰ আৰ্থিক অৱস্থা অতি বেয়া হয়। আৰ্থিক দৈন্যৰ মাজতেই শংকৰৰ পিতৃ হেৰম্ব কুমাৰে জলপাইগুড়িত তেওঁৰ পৰিয়ালটোৰ বাবে কোনোমতে এটা ঘৰ সাজি তাতেই পৰিয়ালটোক থিতাপি লগায়। সেই সময়ত শংকৰ গুহ নিয়োগীয়ে মেট্ৰিক পাছ কৰি কলেজত নাম লগাইছিল বি এছ চি আৰু পলিটেক্‌নিক পঢ়িবলৈ; কিন্তু ঘৰৰ আৰ্থিক অনাটনৰ বাবে শংকৰে নিয়মীয়াকৈ কলেজত পঢ়িব নোৱাৰিলে। কলেজত থকা সময়বোৰত শংকৰ গুহ নিয়োগী বংগৰ ছাত্ৰ ৰাজনীতিৰ স'তে জড়িত হৈ পৰে। তেওঁ অল ইণ্ডিয়া ষ্টুডেণ্টছ ফেডাৰেছনৰ সক্ৰিয় সদস্য তথা কৰ্মকৰ্তা হয়। মাৰ্ক্স, এংগেলছ, লেনিন, ষ্টেলিন, হো-চি-মিন, বিবেকানন্দ, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, খুদিৰাম, ভগৎ সিং আৰু সুভাষ চন্দ্ৰৰ আদৰ্শৰে অনুপ্ৰাণিত হৈছিল শংকৰ গুহ নিয়োগী। এই কথা তেওঁ নিজে কৈ গৈছে।

ৰাছিয়াৰ বিপ্লৱ, চীনৰ বিপ্লৱ, ভিয়েটনামৰ বিপ্লৱ আৰু নিজ দেশৰ তেলেংগানা আন্দোলনৰ ইতিহাসৰ পৰা শংকৰ গুহ নিয়োগীয়ে শিক্ষা গ্ৰহণ কৰি এক বিপ্লৱী সৈনিক হিচাপে সমাজৰ কল্যাণৰ হকে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়। সেইবাবেই বিজ্ঞানী অথবা ইঞ্জিনীয়াৰ হোৱাৰ সুখস্বপ্ন ত্যাগ কৰি ১৯৬১ত ঘৰ এৰি ভিলাইৰ খনিনগৰী পালেহি। ভিলাই ইস্পাত কাৰখানাৰ 'কোক ওভেন' বিভাগত এগৰাকী কুশলী শ্ৰমিক হিচাপে তেওঁ কৰ্মজীৱন আৰম্ভ কৰে। এগৰাকী ৰাজনৈতিক ছাত্ৰ সংগঠনৰ নেতা হিচাপে তেওঁ ভিলাইৰ শ্ৰমিক সংগঠনতো সোমাই পৰে। লাহে লাহে শংকৰে ভিলাইৰ শ্ৰমিক সংগঠনৰ নেতৃত্ব লয়। ১৯৬৮ত শংকৰে ভিলাই ইস্পাতৰ কৰ্মকৰ্তাসকলৰ বিৰুদ্ধে এক ব্যাপক শ্ৰমিক আন্দোলন গঢ়ে। তাৰ ফলস্বৰূপে কৰ্তৃপক্ষই শংকৰক চাকৰিৰ পৰা বৰ্খাস্ত কৰে; কিন্তু শংকৰ আছিল স্থিতপ্ৰজ্ঞ। এইবাৰ তেওঁ শ্ৰমিকসকলক অধিকাৰৰ কথা জনাবলৈ, শোষণ-বঞ্চনাৰ কথা জনাবলৈ এখন পত্ৰিকা প্ৰকাশৰ কাম আৰম্ভ কৰে। পত্ৰিকাখনৰ নাম ৰাখিলে— 'স্ফুলিংগ'। হিন্দী ভাষাত প্ৰকাশিত এই স্ফুলিংগ নামৰ পত্ৰিকাখনে সঁচাকৈয়ে শ্ৰমিকসকলৰ মাজত আন্দোলনৰ স্ফুলিংগ সৃষ্টি কৰিলে। ইস্পাত কাৰখানাৰ শ্ৰমিকসকলৰ মাজত শোষণ, বঞ্চনাৰ কথা প্ৰচাৰ কৰি, মালিক পক্ষৰ বিৰুদ্ধে শ্ৰমিকসকলক সংগঠিত কৰা কাৰ্যত শংকৰ গুহ নিয়োগী সফল হ'ল।

ইতিমধ্যে শংকৰ গুহ নিয়োগীৰ মানসিকতাত ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ বহু কথাই স্পষ্ট হৈ পৰিল। তেওঁৰ মনৰ মাজত এটা কথাই বাৰে বাৰে বেজীৰ দৰে বিন্ধি থাকিব ধৰিলে। কথাটো হ'ল— কমিউনিষ্ট আন্দোলনে সুদীৰ্ঘ আধা দশকৰ পাছতো ভাৰতবৰ্ষৰ মাটিত শিপাব পৰা নাই কিয়? কিয় বিপ্লৱী আন্দোলনসমূহ বাৰে বাৰে লক্ষ্যভ্ৰষ্ট হৈছে।

কাৰখানা অঞ্চলৰ পৰা এই প্ৰশ্ন লৈ শংকৰ গাঁৱলৈ গ'ল কৃষকৰ মাজত কাম কৰিবলৈ। সুদীৰ্ঘ ছবছৰ ধৰি চত্তিছগড়ৰ গ্ৰামাঞ্চলৰ কৃষকসকলক লৈ শংকৰে তেওঁলোকৰ অধিকাৰ আৰু সংগ্ৰামৰ বাবে একত্ৰিত কৰি সচেতন কৰিবলৈ চেষ্টা কৰিলে। এই সময়ছোৱাত শংকৰ গুহ নিয়োগীয়ে নিজেই কেতিয়াবা কৃষি মজদুৰ হৈ, কেতিয়াবা মাছমৰীয়া হৈ, কেতিয়াবা অৰণ্যৰ শ্ৰমিক হৈ, কেতিয়াবা গৰু-ছাগলী চৰোৱা গৰখীয়া হৈ মানুহৰ জীৱন যন্ত্ৰণা অনুভৱ কৰিছে। মাটি আৰু মানুহৰ প্ৰকৃত ছবিখন চিনিবলৈ চেষ্টা কৰিছে। চেষ্টা কৰিছে দেশৰ শাসক-প্ৰশাসকসকলৰ স্বেচ্ছাচাৰী চৰিত্ৰ চিনিবলৈ। শংকৰে অনুভৱ কৰিলে কমিউনিষ্ট আন্দোলনটোক আগুৱাই লৈ যাবলৈ হ'লে পিছপৰা ভাৰতবৰ্ষত শ্ৰমিক শ্ৰেণীসহ ব্যাপক জনগণৰ মাজত জাতীয়বোধ, দেশপ্ৰেম আৰু গণতান্ত্ৰিক মূল্যবোধৰ বিকাশ ঘটাই মানুহৰ মাজত অধিকাৰ চেতনা আৰু বিজ্ঞান মনস্কতা গঢ়ি তুলিব লাগিব। শংকৰ গুহ নিয়োগীয়ে এই কথা বুজি পাইছিল যে চত্তিছগড়ৰ মানুহৰ জাতিগত বিকাশ অৱৰুদ্ধ কৰিছে অচত্তিছগড়ীয় শোষকসকলে।

চত্তিছগড়ৰ দল্লী ৰাজহাৰা অঞ্চলত শ্ৰমিক আৰু কৃষক আদিবাসীসকলৰ মাজত ব্যাপক মদ্যপানৰ প্ৰচলন আছিল। এইবাবেই তেওঁলোকৰ দুখ-দুৰ্দশাৰ অন্ত নাছিল। শংকৰে জানিছিল যে আদিবাসীসকলৰ আৰ্থ-সামাজিক উন্নতিৰ বাবে মদ্যপান বন্ধ কৰাটো প্ৰয়োজন। নিয়োগীয়ে তেওঁৰ সহকৰ্মীসকলক লৈ ঘৰে ঘৰে, গাঁৱে গাঁৱে গৈ মদ্যপানৰ বিৰুদ্ধে জনমত গঠন কৰিবলৈ চেষ্টা কৰে। অতি কষ্টৰে সুদীৰ্ঘ কাল ধৰি এই মদ্যমান বিৰোধী আন্দোলনৰ গুৰি ধৰি প্ৰায় ১৫ হেজাৰ আদিবাসী লোকৰ মাজত মদ্যমান নিৰ্মূল কৰিবলৈ সক্ষম হয় শংকৰ গুহ নিয়োগী। আগতে দৰমহাৰ দিনটোত লক্ষ লক্ষ টকাৰ জুৱা খেলা হৈছিল আৰু লক্ষ লক্ষ টকাৰ মদ বিক্ৰী হৈছিল; কিন্তু শংকৰ গুহ নিয়োগীৰ চেষ্টাৰ ফলত এই কাৰ্য বন্ধ হ'ল। এই কাৰ্য বন্ধ হোৱাৰ লগে লগে জুৱা খেলৰ কৰ্মকৰ্তা আৰু মদ বিক্ৰেতাসকলৰ ব্যৱসায় বন্ধ হৈ গ'ল।

বেপাৰী আৰু ৰাজনৈতিক দালালসকলে শংকৰ গুহ নিয়োগীৰ এই কাৰ্যত হতাশ হৈ পৰে। তেওঁলোকৰ মদ আৰু জুৱাৰ ব্যৱসায় বন্ধ হৈ যোৱাত ৰাজনৈতিক নেতা, এম এল এ-মন্ত্ৰী সকলো ক্ষুব্ধ হৈ পৰে। তেওঁলোকে শ্ৰমিকসকলৰ মাজত এক সমান্তৰাল সংগঠন সৃষ্টি কৰি শংকৰ গুহ নিয়োগীৰ বিৰুদ্ধাচৰণ কৰাই একাংশ লোকৰ দ্বাৰা আৰু এদিন বিনা কাৰণত শংকৰক পুলিচে গ্ৰেপ্তাৰ কৰি থানালৈ লৈ আহে। হেজাৰ হেজাৰ শ্ৰমিকে এই কাৰ্যৰ প্ৰতিবাদ কৰি থানা ঘেৰাও কৰে। ঘেৰাও কৰা শ্ৰমিকৰ ওপৰত গুলিবৰ্ষণ কৰি ১১ জন শ্ৰমিকক গুলীয়াই হত্যা কৰে। ফলত অধিক শ্ৰমিক উত্তেজিত হয় আৰু থানা ঘেৰাও কৰা লোকৰ সংখ্যা বাঢ়ি যায়। উপায়হীন হৈ পুলিচে শংকৰক অন্য ঠাইলৈ গাড়ীত উঠাই লৈ যায়। পুলিচে গভীৰ অৰণ্যলৈ লৈ গৈ শংকৰ গুহ নিয়োগীক কয়— ডেকা মানুহ, গোটেই জীৱনটো জেলৰ ভাত খাই কিয় বৰ্বাদ কৰা? যোৱা, তোমাক পলাই যাবলৈ সুবিধা দিছো। এই অৰণ্যৰ মাজেৰে পলাই যোৱা। শংকৰে পুলিচৰ এই ষড়যন্ত্ৰ বুজি পাইছিল। তেওঁ জানিছিল যে পুলিচৰ জীপৰ পৰা নামি গ'লেই তেওঁক গুলীয়াই হত্যা কৰা হ'ব আৰু এনকাউণ্টাৰত মৰা বুলি ঘোষণা কৰা হ'ব। তেতিয়া শংকৰে কৈছিল— পিছফালৰ পৰা গুলীয়াই মাৰিবা কিয়? যদি সাহস আছে সমুখৰ পৰা গুলীয়াই মাৰা। এই বুলি কৈ পুলিচৰ বন্দুকটো মূৰত লগাই দিছিল। এনেদৰেই অতি কৌশলেৰে শংকৰ গুহ নিয়োগীয়ে শ্ৰমিকসকলক সংগঠিত কৰি তেওঁলোকৰ মুক্তিৰ বাবে জনজাগৰণ আৰু আন্দোলনৰ সৃষ্টি কৰিছিল।

কিন্তু ১৯৯১ত এইজন শংকৰ গুহ নিয়োগীক হত্যা কৰা হয়। নিয়োগী এক ৰাজনৈতিক ষড়যন্ত্ৰৰ চিকাৰ হয়। শংকৰ গুহ নিয়োগীৰ মৃত্যুৰ পাছত লক্ষাধিক মানুহ সমবেত হয় আৰু এই হত্যাকাণ্ডৰ বিৰোধিতা কৰে। কে'বাদিনো ধৰি চত্তিছগড়ৰ কল-কাৰখানা, খনিসমূহ সম্পূৰ্ণ বন্ধ হৈ যায় শংকৰ গুহ নিয়োগীৰ হত্যাৰ প্ৰতিবাদত। শংকৰৰ মৃত্যুৰ পাছত চত্তিছগড়ত যেন জুইহে লাগিল। শংকৰৰ মৃত্যুৱে চত্তিছগড়ত অগ্নি স্ফুলিংগ ছটিয়াই দিলে। কে'বামাহো ধৰি প্ৰতিবাদ চলিল শংকৰ গুহ নিয়োগীৰ হত্যাকাণ্ডৰ।

এইগৰাকী শ্ৰমিক নেতা, বিপ্লৱী বীৰ, কবি, সাহিত্যিক, সমাজ সংস্কাৰক, ৰাজনৈতিক পণ্ডিত অসমৰ সুসন্তান আছিল। তেওঁৰ শৈশৱ-কৈশোৰ অসমৰ বুকুত পাৰ হৈছিল। অসমৰ বেছিভাগ মানুহে এই কথা নাজানে। ময়ো অধ্যাপক অনিল সদগোপালৰ পৰাহে এই কথা জানিলো। অনিল সদগোপালে লিখা 'সংঘৰ্ষ আৰু নিৰ্মাণ' গ্ৰন্থখন আজিৰ তাৰিখত অতি প্ৰাসংগিক। আজিৰ তাৰিখত সমাজখন কেৱল ৰাজনৈতিক নেতা আৰু দালালৰ ইচ্ছা-অনিচ্ছা মতে চলে। আজিৰ তাৰিখত শুভবুদ্ধিৰ লোকৰ অভাৱ ঘটিছে। অভাৱ হৈছে প্ৰতিৰোধকাৰী ৰাজনীতিজ্ঞৰ। ৰাজনৈতিক আদৰ্শৰ অভাৱ ঘটিছে। এই অভাৱৰ আন্ধাৰত শংকৰ গুহ নিয়োগীৰ জীৱন আৰু আদৰ্শ বন্তিৰ পোহৰৰ দৰে হ'ব পাৰে। সংঘৰ্ষ আৰু নিৰ্মাণ অসমীয়ালৈ অনুবাদ কৰি অসমীয়া মানুহৰ হাতত তুলি দিয়াটো অতি জৰুৰী বুলি আমি ভাবো। *ফোন ঃ ৯৮৬৪০-২০১১২*

মৰিগাঁও জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ বৰ্ণাঢ্য অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ২৫ নৱেম্বৰ ঃ মৰিগাঁও জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ উদ্যোগত কালি মৰিগাঁও জিলা সাহিত্য সভাৰ শশীকান্ত হাজৰিকা ভৱন প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় অৰ্ধ আকাশৰ জোনাকী বাট শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠান। লাচিত দিৱসৰ লগত বিশেষভাৱে সংগতি ৰাখি কালি আয়োজন কৰা অনুষ্ঠানৰ পুৱা ভাগত লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটোৰ আৰম্ভ কৰা হয়। আকাশ উপ-সমিতিৰ কাৰ্যকৰী সভানেত্ৰী বিউটি দাস ডেকাই সঞ্চালনা কৰা অনুষ্ঠানটো উদ্বোধন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাই। উদ্বোধনী ভাষণত হাজৰিকাই এনে অনুষ্ঠানে জিলাখনৰ মহিলাসকলৰ নিজস্ব প্ৰতিভা বিকশিত হ'ব বুলি আশা প্ৰকাশ কৰাৰ লগতে এনে এটা অনুষ্ঠান আয়োজন কৰাৰ বাবে আকাশ উপ-সমিতিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানটোত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে বিশিষ্ট লেখিকা পোনা দেৱী মহন্তই। অনুষ্ঠানটোত জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বুবুমণি গোস্বামী, প্ৰাক্তন উপ-সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, প্ৰাক্তন সম্পাদক তথা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অজিত শৰ্মাই ভাষণ প্ৰদান কৰে। জিলা সভাৰ সম্পাদক পিনাকী ভূষণ মহন্ত আৰু আকাশ উপ-সমিতিৰ সম্পাদিকা ললিতা ডেকাই আঁত ধৰা অনুষ্ঠানটোত আকাশৰ কেন্দ্ৰীয় আহ্বায়িকা স্বপ্না কলিতাই অংশগ্ৰহণ কৰে।

পাটাছাৰকুছিত কবিতা পুথি উন্মোচন

পাটাছাৰকুছি, ২৫ নৱেম্বৰ ঃ পাটাছাৰকুছিৰ সৰিহ চাকলাত যোৱা ২৩ নৱেম্বৰত অনুষ্ঠিত এখন গ্ৰন্থ উন্মোচনী সভাত এখন কবিতা পুথি উন্মোচন কৰা হয়। হাফলং চৰকাৰী মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ধৰণীধৰ ৰয়ৰ পৌৰোহিত্যত অনুষ্ঠিত এই সভাত সৰিহ চাকলাৰ বাসিন্দা হিৰণ্য ৰয়ে ৰচনা কৰা 'সংসাৰ' নামৰ কবিতা পুথিখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে সাহিত্যিক পেঞ্চনাৰ, বিএইছ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে। উক্ত সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই। ৰঘুনাথ ৰয়, ৰম্ভা ৰয় আৰু হৰমোহন ৰয়ৰ সোঁৱৰণত অনুষ্ঠিত তথা ৰিংকু গোস্বামীয়ে আঁত ধৰা এই উন্মোচনী সভাখনত প্ৰকাশক পৰাগ তহবিলদাৰকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰকৃতি, সমাজ আৰু দেশৰ বিভিন্ন সময়ত উদ্ভৱ হোৱা ভিন্ন ধৰণৰ ভাব আৰু কাৰ্যৰ সমষ্টিক আধাৰ হিচাপে লৈ হিৰণ্য ৰয়ে ৰচনা কৰা কে'বাটাও কবিতা সন্নিবিষ্টৰে প্ৰকাশিত কবিতা পুথিখন উন্মোচন কৰি গোস্বামীয়ে কবিৰ প্ৰয়াসক আদৰণি জনাই কয় যে কবিতা জীৱনৰ এক অভিজ্ঞতা। কবিতাৰ নিৰ্দিষ্ট সংজ্ঞা নাই। সংজ্ঞাবোৰৰ মাজতো মিল নাথাকে। সময়ৰ পৰিবৰ্তনৰ লগে লগে ইয়াৰ পৰিবৰ্তন হোৱা দেখা যায়। অনুভূতি কোনো নিয়মৰ অধীন হ'ব নোৱাৰে।

ওদালগুৰি জিলা ৰাভা সাহিত্য সভাৰ সম্বৰ্ধনা, কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা,

টংলা, ২৫ নৱেম্বৰ ঃ ওদালগুৰি জিলা ৰাভা সাহিত্য সভাই ২৪ নৱেম্বৰত অবিভক্ত দৰং জিলা ৰাভা সাহিত্যৰ প্ৰাক্তন সভাপতি,লকৃতী শিক্ষক, শৰণাচাৰ্য, লেখক ৰামচন্দ্ৰ ৰাভাক জলাহ নভাঙাস্থিত অসমৰ এটি অন্যতম নাট্যগোষ্ঠী দাপোন দ্য মিৰ'ৰ প্ৰাংগণত আবেলি তিনি বজাত ৰাভা জাতীয় সাজপাৰ, প্ৰশস্তি পত্ৰ, ফুলাম জাপি, গামোচা আৰু শৰাই সঁফুৰাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। দৰং জিলা ৰাভা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক সুৰেন্দ্ৰ মোহন ৰাভা, ওদালগুৰি জিলা ৰাভা সাহিত্য সভাৰ সভাপতি দেৱ কুমাৰ ৰাভা,সম্পাদক বীৰেন কুমাৰ ৰাভা, সহকাৰী সম্পাদক বেণুধৰ ৰাভা, দেওমৰনৈ মহাবিদ্যালয়ৰ অধ্যাপক বীৰেন্দ্ৰ কুমাৰ ৰাভা, নিখিল ৰাভা সাহিত্য সভাৰ উপসভাপতি বাবুল চন্দ্ৰ ৰাভা, টংলা আঞ্চলিক ৰাভা সাহিত্য সভাৰ সভাপতি খৰ্গেশ্বৰ ৰাভা, পত্ৰিকা সম্পাদক নিবাৰণ ৰাভা প্ৰমুখ্যে জিলা, আঞ্চলিক সাহিত্য সভাৰ বিষয়ববীয়া, ৰাভা মহিলা পৰিষদ আৰু ৰাভা ছাত্ৰ সন্থাৰো বিষয়ববীয়াই অংশগ্ৰহণ কৰে। পুৱা ১০ বজাত মাকেলিকান্দা প্ৰাথমিক বিদ্যালয়ত জিলা ৰাভা সাহিত্য সভাৰ এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয় বুলি জানিব দিয়ে। উক্ত সভাত ৰাভা ভাষা সাহিত্যৰ উত্তৰণ, চৰ্চা বিকাশ, প্ৰচাৰ-প্ৰসাৰ আৰু শিক্ষক নিযুক্তি, ৰাভা পৰীক্ষাৰ ওপৰতো আলোচনা কৰা হয় বুলি জানিব দিয়ে সম্পাদক বীৰেন চন্দ্ৰ ৰাভাই।

■ সৰ্বাংগীণ উন্নয়নৰ বাবে কোকৰাঝাৰ চহৰৰ পৌৰসভাৰ সীমাবদ্ধ পৰিসৰ বৃদ্ধিৰ আহ্বান

আজিলৈকে বৃদ্ধি নহ'ল কোকৰাঝাৰ পৌৰসভাৰ পৰিসীমা

লালুকত দুৰ্ঘটনাগ্ৰস্ত বাহন, বৃহস্পতিবাৰে।

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ২৫ নৱেম্বৰ ঃ বিটিআৰ সদৰ কোকৰাঝাৰ চহৰৰ পৌৰসভা অঞ্চলৰ পৰিসৰ আজিলৈকে বৃদ্ধি হোৱা নাই। যুগ যুগ ধৰি এক সীমিত পৰিসৰত আবদ্ধ হৈ আছে কোকৰাঝাৰ চহৰ। ১৯৮৩তে কোকৰাঝাৰ জিলা গঠন হোৱা সূত্ৰে এসময়ৰ সৰু কোকৰাঝাৰ চহৰ জিলা সদৰলৈ উন্নীত হৈছিল। পাছলৈ ১৯৯৩ত বিএচি চুক্তি মৰ্মে এসময়ৰ জিলা সদৰ কোকৰাঝাৰ বিএচিৰ সদৰ হিচাপে পৰিগণিত হয়। পুনৰ ২০০৩ত বিটিচি চুক্তি অনুযায়ী বিটিচিৰ সদৰ আৰু ২০২০ত বিটিআৰ চুক্তি অনুযায়ী বিটিআৰৰ সদৰ হিচাপে কোকৰাঝাৰ চহৰে এক সুকীয়া মাত্ৰা লাভ কৰিছে। যদিহে আমি উন্নয়নৰ সমূহ দৃষ্টিকোণেৰে কোকৰাঝাৰ চহৰখন ফহিয়াই চাবলৈ যাওঁ তেন্তে অতি সহজে ক'ব পাৰি কোকৰাঝাৰ যেন ক'ৰবাত স্থবিৰ হৈ ৰৈছে। এইক্ষেত্ৰত কোকৰাঝাৰ চহৰৰ পৰা মাত্ৰ ১৫কিলোমিটাৰ আঁতৰৰ ফকিৰাগ্ৰাম নামৰ ঠাইখনত পৌৰসভা গঠন হৈছে আৰু কোকৰাঝাৰৰ উন্নয়নৰ ইতিহাসৰ তুলনাত তেনেই পানীকেঁচুৰা ফকিৰাগ্ৰামত আঠটাকৈ ৱাৰ্ড গঠন কৰা হৈছে। কোকৰাঝাৰ চহৰখন ৪০ বছৰ পাছতো ১০টা ৱাৰ্ডতে সীমাবদ্ধ হৈ আছে। লক্ষ্যণীয়ভাৱে কোকৰাঝাৰ চহৰখন পূব দিশে চৰাইখোলালৈ, দক্ষিণে জয়পুৰ ভোটগাঁওলৈ পশ্চিমে মাগুৰমাৰী চন্দ্ৰপাৰা আৰু উত্তৰে তিনিআলিলৈ মুঠতে চৌদিশে এক বিস্তৃত অঞ্চলত চহৰীয়া পৰিৱেশ গা কৰি উঠিছে। পৌৰসভাই বছৰি এক বুজন পৰিমাণৰ ৰাজহৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছে। উল্লেখ্য যে বিএচি গঠন হোৱাৰ পৰাই টাউন প্লেনিং বুলি এক বিভাগ ৰাখি তাত কাৰ্যবাহী সদস্যকো দায়িত্ব দিয়া হৈছে। কিন্তু প্ৰকৃততে কোকৰাঝাৰ চহৰখনৰ বাবে উক্ত বিভাগটোৱে কি কি কাৰ্য সম্পাদন কৰিলে চহৰ উন্নয়নৰ বাবে কি কি আঁচনি যুগুত কৰা হৈছে সেই সন্দৰ্ভত কোকৰাঝাৰৰ স্থানীয় জনগণ অজ্ঞাত। চহৰখনত পৌৰসভাৰ আওতাত থকা নাগৰিকসকলে বছৰৰ পাছত বছৰ কৰ আদায় দি থকাৰ বিপৰীতে একাধিক নাগৰিক উক্ত কৰ আদায় দিয়াৰ পৰা ৰেহাই পাই আহিছে। সেয়ে একাংশ সচেতন ৰাইজে এই বিষয়টো চালিজাৰি চাই শান্তিৰ চহৰ বুলি কোকৰাঝাৰক প্ৰতিষ্ঠিত কৰিব বিচৰা বিটিআৰৰ পৰিষদৰ কৰ্তৃপক্ষক এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰি কোকৰাঝাৰ চহৰখনৰ সৰ্বাংগীণ বিকাশৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা আহ্বান জনায়।

ডিব্ৰুগড়ৰ তাই শিক্ষা-সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত লাচিত দিৱস

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ২৫ নৱেম্বৰ ঃ কালি বীৰ লাচিত বৰফুকনৰ পবিত্ৰ জন্ম দিৱস অন্যান্য প্ৰান্তৰ লগতে ডিব্ৰুগড়ৰ তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত অৱস্থিত লাচিতৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে কাৰ্যসূচী আৰম্ভ কৰে গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা হৰেশ সন্দিকৈয়ে। আনহাতে, এই উপলক্ষে অনুষ্ঠিত মুকলি সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছুকাফা আসনৰ অধ্যক্ষ নিৰোদ বৰুৱা, তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি তৰুণ গগৈ, সম্পাদক দুৰ্লভ গগৈ, কাৰ্যকৰী সভাপতি কৃষ্ণকান্ত চেতিয়া, সদৌ অসম আহোম সভাৰ প্ৰাক্তন সম্পাদক হেমকান্ত দিহিঙীয়া আদি উপস্থিত থাকি অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য আৰু সাহসৰ প্ৰতীক বীৰ লাচিত বৰফুকনৰ জাতি যেতিয়াই সংকটৰ সন্মুখীন হয়, তেতিয়াই নাম লওঁ সোঁৱৰণ কৰো কিন্তু ইয়াৰ পাছতেই লাচিতক জানিবলৈ তেওঁৰ আদৰ্শ তথা তেওঁৰ সাহস, দেশপ্ৰেম, নিয়মানুৱৰ্তিতা, কৰ্তব্য নিষ্ঠাৰ বিষয়ে জানিবলৈ চেষ্টা নকৰো বুলি উদ্বেগ প্ৰকাশ কৰে। আনহাতে, তাই আহোম যুৱ পৰিষদৰ উদ্যোগত চৌকিডিঙীত বন্তি প্ৰজ্বলন কৰা হয়।

লুইতৰ প্ৰবহমান গতিৰ দৰেই বীৰ লাচিতৰ পৰাক্ৰম নতুন প্ৰজন্মৰ মুখত উচ্চাৰিত হৈ থাকিব

■ তামুলীপথাৰত আটাছুৰ উদ্যোগত লাচিত দিৱস উদ্‌যাপন

খুমটাই, ২৫ নৱেম্বৰ ঃ অসমীয়া জাতিৰ শীৰ্য বীৰ্য, কৰ্তব্য, নিষ্ঠা আৰু দেশপ্ৰেমৰ গৌৰৱময় ইতিহাসৰ প্ৰতীক বীৰ লাচিত বৰফুকন। কালি পৱিত্ৰ লাচিত দিৱসৰ শুভক্ষণত বীৰ পুৰুষজনাক ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্মৰণ কৰাৰ সমান্তৰালকৈ খুমটাই সমীপৱৰ্তী তামুলীপথাৰতো বৰুৱাগাঁও আৰু তামুলীপথাৰ তাই আহোম ছাত্ৰ সন্থা শাখা সমিতিৰ উদ্যোগত তাই আহোম ছাত্ৰ সন্থা শাখা সমিতিৰ উদ্যোগত তাই আহোম ছাত্ৰ সন্থা কচুপথাৰ আঞ্চলিক সমিতিৰ সহযোগত লাচিত দিৱস উদ্‌যাপন কৰা হয়। উল্লেখ্য যে ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে এই বৰ্ষ বীৰ লাচিতৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু বীৰজনাৰ বীৰত্ব বিষয়ে স্মৰণ অনুষ্ঠান কৰিয়েই এই দিৱস উদ্‌যাপন কৰে উদ্যোক্তা সমিতিয়ে। আটাছুৰ তামুলী পথাৰ শাখা সমিতিৰ সভাপতি সত্যৰাজ সন্দিকৈয়ে আঁত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কমাৰগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিৰেল আহমেদে বীৰ লাচিত বৰফুকনৰ বীৰত্ব কথা স্মৰণ কৰাৰ লগতে 'লুইতৰ প্ৰবহমান গতিৰ দৰেই বীৰ লাচিতৰ পৰাক্ৰম আৰু বীৰত্বৰ গাঁথা যুগে যুগে নতুন প্ৰজন্মৰ মুখত উচ্চাৰিত হৈ থাকিব।' নতুন প্ৰজন্মই লাচিতৰ আদৰ্শৰে আগুৱাই যাব লাগিব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে।

দৰঙৰ শিক্ষকৰ বিএড ডিগ্ৰীৰ তদন্তৰ দাবীত সৰৱ দুৰ্নীতি বিৰোধী যুৱ শক্তি

বিশেষ সংবাদদাতা

মঙলদৈ, ২৫ নৱেম্বৰ ঃ দৰঙৰ হাইস্কুলসমূহৰ একাংশ শিক্ষকৰ বিএড ডিগ্ৰীৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছে দুৰ্নীতি বিৰোধী যুৱ শক্তি নামৰ সংগঠনটোৰ দৰং জিলা সমিতিয়ে। যোৱা ২২ নৱেম্বৰত সংগঠনটোৱে দৰঙৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকগৰাকীক এক স্মাৰকপত্ৰ প্ৰদান কৰে। সংগঠনটোৰ জিলা সমিতিৰ সভাপতি নিত্যানন্দ কলিতা আৰু সম্পাদক সুৰেন তালুকদাৰ স্বাক্ষৰিত স্মাৰক পত্ৰখনত ২০১০ৰ পৰা ২০২১ৰ চলিত মাহলৈ যিসকল হাইস্কুল শিক্ষকে বিএড ডিগ্ৰী লাভ কৰিছিল সেইসকলক তদন্তৰ আওতালৈ আনিবলৈ দাবী জনায়। সংগঠনটোৱে অভিযোগ কৰা অনুসৰি, শিক্ষকসকলে বিদ্যালয়ত পাঠদান কৰাৰ সময়তে আন এখন শিক্ষানুষ্ঠানৰ ছাত্ৰ হৈ আছে। একে সময়তে এজন ব্যক্তি ছাত্ৰ আৰু শিক্ষক হ'ব নোৱাৰে। কিন্তু দৰঙত সেৱা পৰিলক্ষিত হৈছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সংগঠনটোৱে।

মহাবীৰ লাচিত বৰফুকনৰ স্মৃতি দিৱস উপলক্ষে যুৱ পৰিষদৰ বন্তি প্ৰজ্বলন

অগ্ৰদূত বাৰ্তা

নাজিৰা, ২৫ নৱেম্বৰ ঃ মহাবীৰ লাচিত বৰফুকনৰ স্মৃতি দিৱস উপলক্ষে কালি সন্ধিয়া নাজিৰা নগৰৰ মাজমজিয়াত 'অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ' নাজিৰা আঞ্চলিক সমিতিৰ উদ্যোগত নাজিৰ নগৰৰ মাজমজিয়াত বীৰজনাক সোঁৱৰি বন্তি প্ৰজ্বলন কৰে। শিক্ষাবিদ তথা সমাজসেৱক ফটিক বৰুৱাই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা উক্ত কাৰ্যসূচীত সংবাদকৰ্মী দিলীপ হাজৰিকা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ শিৱসাগৰ জিলা সমিতিৰ সমাজসেৱা সম্পাদক তথা নাজিৰা আঞ্চলিকৰ উপদেষ্টা ভাস্কৰজ্যোতি মহন্ত, জিলা সাংগঠনিক সম্পাদক অভিজিত গগৈ, নাজিৰা আঞ্চলিকৰ সভাপতি বুবলু দত্ত, ভাৰপ্ৰাপ্ত সম্পাদক হিমাংশু দত্তৰ লগতে আন সতীৰ্থসকল উপস্থিত থাকে।

দুয়োটা বৃক্ক বিকল হোৱা যুৱক ৰতন ডেকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২৫ নৱেম্বৰ ঃ নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিলপাৰ গাঁৱৰ ধনী ডেকা আৰু কনিকা ডেকাৰ একমাত্ৰ পুত্ৰ সন্তান ২১ বছৰীয়া যুৱক ৰতন ডেকাৰ উন্নীত চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰক সহায়ৰ হাত বিচাৰিছে পিতৃ-মাতৃ তথা গাঁওবাসীয়ে অৱশেষত ভাগৰি পৰিল। কালি ৰাতিপুৱা ৰতনৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত সন্ধিয়া ভাগত ৰতন ডেকাক ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও সন্ধিয়া তেওঁৰ মৃত্যু হয়। উল্লেখ্য যে ৰতনৰ দুয়োটা বৃক্কই বিকল বুলি চিকিৎসকে জনোৱাৰ পাছত পৰিয়ালটোৰ লগতে গাঁওবাসীয়ে কান্দোনত ভাগি পৰিছিল। পিতৃ শাৰীৰিকভাৱে অসুস্থ কাৰণে ৰতনে পিতৃ-মাতৃৰ বাবে দুবেলাৰ ভাতমুঠি যোগাৰ কৰিবলৈ ৰঙিয়াৰ এখন কিতাপ তথা বাতৰি কাকতৰ দোকানত কাম কৰি কোনোমতে চলি আছিল। কিছুদিন পূৰ্বে হঠাৎ ৰতন অসুস্থ হৈ পৰাত পৰিয়ালে চৰকাৰী আৰু বেচৰকাৰী চিকিৎসালয়ত পৰীক্ষা-নিৰীক্ষা কৰাৰ পাছত দুয়োটা বৃক্কই বিকল হোৱা বুলি চিকিৎসকে জনোৱাৰ পাছত পৰিয়ালটোৰ লগতে ৰতনৰ জীৱনলৈ ঘোৰ অমানিশা নামি আহে। পিতৃ-মাতৃয়ে আনৰ পৰা ধন ধাৰত লৈ বিভিন্ন চিকিৎসালয়ৰ লগতে জিএমচিএইছত চিকিৎসা কৰিলে যদিও ধনৰ অভাৱত উন্নত চিকিৎসাৰ পৰা থমকি ৰ'ব লগা হয়। উল্লেখ্য যে চিকিৎসকে ৰতনৰ চিকিৎসাৰ বাবে ৩০/৩৫ লাখ টকাৰ প্ৰয়োজন বুলি কোৱাত উপায়ান্তৰ হৈ পিতৃ-মাতৃৰ লগতে গাঁওবাসীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সহায়ৰ আহ্বান জনোৱাৰ লগতে নলবাৰী বিধায়ক জয়ন্ত মল্ল বৰুৱাৰ নলবাৰী সেৱা কেন্দ্ৰত সহায় বিচাৰি আবেদন-নিবেদন কৰিছিল যদিও কোনো সুফল নাপালে।

দায়বদ্ধতাৰে কবিতা সৃষ্টি কৰিবলৈ আহ্বান

■ আঘোণৰ শীতৰে সেমেকা ৰাতিত বাসুগাঁও অহল্লা ভৱনত কবিতাৰ ছন্দ

অগ্ৰদূত বাৰ্তা

গৰুভাষা, ২৫ নৱেম্বৰ ঃ আঘোণৰ শীতৰে সেমেকা ৰাতিত কবিতাৰে জীপাল হৈ পৰিল বাসুগাঁৱৰ অহল্লা ভৱন। বাসুগাঁও তিনি নম্বৰ ৱাৰ্ড থানা ৰোডত অৱস্থিত অহল্লা ভৱনত কবিতা আসৰত কবিতা সৃষ্টি কৰিলে নহ'ব, সামাজিক দায়বদ্ধতা থাকিব লাগিব বুলি উল্লেখ কৰে অৱসৰপ্ৰাপ্ত কৃষি বিষয়া কবিতাপ্ৰেমী লক্ষেশ্বৰ ৰায়। তেওঁ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপৰত 'গান আনা' নামৰ কবিতা আবৃত্তি কৰে। বাসুগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বড়ো ৰাইৰ্টাছ একাডেমীৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৰণেন চন্দ্ৰ মুছাহাৰীয়ে বড়ো আৰু ইংৰাজী ভাষাত কবিতা আবৃত্তিৰ উপৰি কবিতাৰ ওপৰত বক্তব্য দাঙি ধৰে। অনুষ্ঠানত বাসুগাঁও জুনিয়ৰ কলেজৰ প্ৰৱক্তা তথা কবি, সাহিত্যিক পৱিত্ৰ কুমাৰ ৰায়, বাসুগাঁও নেতাজী সুভাষ বিদ্যানিকেতন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক, কবি, তবলা বাদক প্ৰদ্যুৎ গোস্বামী, শিক্ষক, যুৱ সমাজকৰ্মী বিশাল পাল আদিয়ে কবিতা পাঠ কৰাৰ লগতে কবিতাৰ সম্পৰ্কত নিজৰ অনুভৱ প্ৰকাশ কৰে। সংবাদদাতা ভৃগু মুনি ৰায়ে আঁত ধৰা অনুষ্ঠানটোত বাসুগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুখ্য প্ৰবক্তা, সাহিত্যিক ড° কৰুণা পাঠকে প্ৰতিটো পাঠ কৰা কবিতাৰ ওপৰত আলোকপাত কৰি পৰ্যালোচনা আগবঢ়ায়।

অৱসৰী প্ৰধান শিক্ষয়িত্ৰী কুঞ্জলতা দাসৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

হাজো, ২৫ নৱেম্বৰ ঃ কামৰূপ জিলাৰ হাজো মালিটোলা নিবাসী তথা ধোপৰগুৰি প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী কুঞ্জলতা দাস(৬৯)ৰ বিয়োগত শোকৰ ছাঁ পৰিছে তীৰ্থনগৰী হাজোত। শিক্ষয়িত্ৰীগৰাকী দীৰ্ঘদিন ধৰি বৃক্ক ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল যদিও মঙলবাৰে নিশা হাজো মালীটোলাৰ নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ ১৯৮৭ত শিক্ষয়িত্ৰী হিচাপে কৰ্মজীৱন আৰম্ভ কৰি ২০১২ত হাজো ধোপৰগুৰি প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষয়িত্ৰী হিচাপে অৱসৰ গ্ৰহণ কৰে। তেওঁ মৃত্যুৰ সময়ত তিনিগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত হাজো ৰাইজ সমিতি, হাজো আঞ্চলিক ছাত্ৰ সন্থা, হাজো ক্ৰীড়া সন্থা, হাজো ধোপৰগুৰি প্ৰাথমিক বিদ্যালয়ৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

লাহৰীঘাটত ড্ৰাগছ সৰবৰাহকাৰীয়ে কামুৰি আহত কৰিলে আৰক্ষী বিষয়াসহ দুই কনিষ্টবলক

ড্ৰাগছসহ দুজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

ভূৰাগাঁও, ২৫ নৱেম্বৰ ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটত যোৱা নিশা ড্ৰাগছ সৰবৰাহকাৰীৰ আক্ৰমণত আহত হ'ল আৰক্ষী বিষয়াসহ দুজন কনিষ্টবল। লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অদিত বড়োসহ দুই কনিষ্টবলক কামুৰি আহত কৰে দুই ড্ৰাগছ সৰবৰাহকাৰীয়ে। লাহৰীঘাটত ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত থকাৰ সময়তে এনে ঘটনাই সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰিছে যোৱা ২৩ নৱেম্বৰৰ নিশা লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অদিত বড়োৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলটোৱে বৰবড়ী গাঁৱৰ পৰা ৩৬.০২ গ্ৰাম ড্ৰাগছসহ দুটা ড্ৰাগছ সৰবৰাহকাৰীক কৰায়ত্ত কৰাৰ সময়তে আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ চেষ্টা কৰিছিল সৰবৰাহকাৰী কেইজন। ডিমাপুৰৰ ইজাজ আলী আৰু আবজুল হুছেইন নামৰ ড্ৰাগছ সৰবৰাহকাৰী কেইটাই লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বড়ো আৰু দুই কনিষ্টবলক কামুৰি আহত কৰে যদিও দুয়োজন ড্ৰাগছ সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনি সৰবৰাহকাৰী কেইজনে ডিমাপুৰৰ পৰা আনিছিল। কালি অভিযুক্তক আদালতত হাজিৰ কৰোতে আদালতে জেললৈ প্ৰেৰণ কৰে।

শালবাৰীৰ বৰফেনা ভিচিডিচিত ১২টা পথৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৫ নৱেম্বৰ ঃ বিটিচিৰ বাগ্‌সা জিলাৰ শালবাৰী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বৰফেনা ভিচিডিচিত যোৱা ২৪ নৱেম্বৰত শালবাৰী সমষ্টি টিচিএলচিচিৰ পৃষ্ঠপোষকতাত ১২টা গাঁৱলীয়া পথৰ নিৰ্মাণ কাৰ্যৰ পৃথকে পৃথকে আধাৰশিলা স্থাপন কৰা হয়। লগতে শান্তিপাৰা বড়ো প্ৰাথমিক বিদ্যালয়ৰ চৌহদত পকী বেৰ নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰা হয়। পথ নিৰ্মাণৰ আৰু বিদ্যালয়ৰ পকী বেৰৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰে শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে। আধাৰশিলা স্থাপন কাৰ্যসূচীত ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰদীপ সৰকাৰ, সম্পাদক সত্যজিৎ বড়োৰ লগতে কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অতিথিৰূপে উপস্থিত থাকে। উল্লেখ্য যে ১২টা পথৰ এমজিএনআৰইজিএ আঁচনিৰ ধন আৰু বিদ্যালয়ৰ পকী বেৰৰ পঞ্চদশ বিত্তীয় আয়োগৰ ধন ব্যয়ৰে নিৰ্মাণকাৰ্য সম্পন্ন কৰা হ'ব।

অসম কবি সন্মিলনৰ সপ্তদশ মধ্যকালীন চামতা অধিৱেশনৰ প্ৰস্তুতি

২৮ নৱেম্বৰত ৰাজহুৱা সভা

অগ্ৰদূত বাৰ্তা

চামতা, ২৫ নৱেম্বৰ ঃ অসম কবি সন্মিলনৰ সপ্তদশ মধ্যকালীন অধিৱেশনখন অহা বৰ্ষৰ জানুৱাৰীত নলবাৰী জিলাৰ চামতাত অনুষ্ঠিত হয়। এই উপলক্ষে ৰাইজৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰাৰ লগতে এখন আদৰণি সমিতি গঠন কৰাৰ লক্ষ্যৰে অহা ২৮ নৱেম্বৰৰ পুৱা ১০ বজাত চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবত এখন ৰাজহুৱা সভা আহ্বান কৰা হৈছে। সভাত চামতা, বৃহত্তৰ পশ্চিম নলবাৰী অঞ্চলৰ লগতে জিলাখনৰ সৰ্বস্তৰৰ আগ্ৰহী ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে নলবাৰী জিলা কবি সন্মিলনৰ সভাপতি ভুৱনেশ্বৰ ডেকা, সম্পাদক দ্বীপেন মেনা, পশ্চিম নলবাৰী কবি সন্মিলনৰ সভাপতি দীপক কুমাৰ শৰ্মা আৰু গণেশ বৰ্মনে।

মিছন বসুন্ধৰা ঃ তিতাবৰৰ ৰজাবাহৰ গাঁও পঞ্চায়তত বিশেষ ৰাজহ আদালত সম্পন্ন

বিশেষ সংবাদদাতা

নগাবাট, ২৫ নৱেম্বৰ ঃ মিছন বসুন্ধৰাৰ যোগেদি অসম চৰকাৰে ৰাইজৰ ৰাজহ সম্পৰ্কীয় বিভিন্ন সমস্যা তৎকালে দূৰ কৰাৰ আদৰণীয় পদক্ষেপ হিচাপে কালি তিতাবৰ ৰাজহ চক্ৰ কৰ্যালয়ৰ উদ্যোগত মিছন বসুন্ধৰাৰ উপলক্ষে মহকুমাটোৰ ৰজাবাহৰ গাঁও পঞ্চায়তত বিশেষ ৰাজহ আদালত সম্পন্ন হয়। ৰজাবাহৰৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত কে'বাখনো গাঁৱৰ ৰাইজৰ মাটি-বাৰী সম্পৰ্কীয় বিভিন্ন কাম-কাজ সমাধানৰ চেষ্টা কৰে। কাৰ্যসূচীত তিতাবৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ কেইবাজনো মণ্ডল, কাননগোৰ লগতে স্থানীয় গাঁওবুঢ়া সকল উপস্থিত থাকি পঞ্চায়তটোৰ কেবা শতাধিক ৰাইজক ৰাজহ সম্পৰ্কীয় কাম কাজত সহযোগিতা আগবঢ়ায়। তিতাবৰ ৰাজহ চক্ৰ কাৰ্যালয়ে গ্ৰহণ কৰা এনে পদক্ষেপ পঞ্চায়টোৰ ৰাইজক যথেষ্ট উপকৃত কৰে বুলি কয় ৰজাবাহৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাজেন শইকীয়াই।

■ জনজীৱনলৈ ভাবুকি কঢ়িয়াই কাঠফুলাৰ দৰে গঢ়ি উঠিছে ষ্ট'ন ক্ৰেছাৰ

ধনশিৰিত অসাৰ প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ নীতি-নিৰ্দেশনা

বৰপথাৰ, ২৫ নৱেম্বৰ ঃ ধনশিৰি মহকুমাত অনুষ্ঠিত হৈছে প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ নীতি-নিৰ্দেশনা। প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ নিৰ্দেশনাক জলাঞ্জলি দি জনজীৱনলৈ ভাবুকি কঢ়িয়াই অনা ষ্ট'ন ক্ৰেছাৰ গঢ়ি উঠিছে কাঠফুলাৰ দৰে। মহকুমাটোৰ অন্তৰ্গত ৰজাপুখুৰী গাঁও পঞ্চায়তৰ পাঁচঘৰীয়া, ৰেংমাই আদি অঞ্চলত গঢ়ি উঠিছে ষ্ট'ন ক্ৰেছাৰ। প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ নীতি অনুসৰি থাকিবলগীয়া একো ব্যৱস্থা উপলব্ধ নহয় উক্ত ষ্ট'ন ক্ৰেছাৰকেইটাত। উল্লেখ্য যে চাৰিসীমাত পকী ৱালৰ পৰিবৰ্তে বাঁহৰ বেৰাহে দিছে ষ্ট'ন ক্ৰেছাৰৰ গৰাকীয়ে। ঠায়ে ঠায়ে ড্ৰাম কাটি ব্যৱহাৰ কৰিছে যদিও চাৰিসীমাটোৰ সৰহ সংখ্যক স্থানেই উন্মুক্ত হৈয়ে আছে। ক্ৰেছাৰৰ পৰা নিৰ্গত ধূলি নিয়ন্ত্ৰণৰ বাবে নাই পানীৰ ব্যৱস্থা। তদুপৰি প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ নিৰ্দেশনা অনুসৰি ষ্ট'ন ক্ৰেছাৰৰ চাৰিসীমাত নাই কোনো গছ পুলি। যাৰ ফলত ষ্ট'ন ক্ৰেছাৰৰ পৰা নিৰ্গত ধূলিয়ে গাতে লাগি থকা কৃষি ভূমি নষ্ট কৰাৰ লগতে জনজীৱনলৈ কঢ়িয়াই আনিছে ভাবুকি। প্ৰণিধানযোগ্য ষ্ট'ন ক্ৰেছাৰে সৃষ্টি কৰা প্ৰদূষণৰ বাবে বহু লোক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱাৰ অভিযোগ উত্থাপন হৈছে। কৃষি ভূমিৰ লগতে জনবসতি থকা অঞ্চলত ষ্ট'ন ক্ৰেছাৰ স্থাপন কৰিবলৈ অনুমতি দিয়া কাৰ্যক সমালোচনা কৰিছে আছু, চুতীয়া ছাত্ৰ সন্থা, আমছু আদি সংগঠনে। আনহাতে ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় বন বিভাগ আৰু গাঁও পঞ্চায়তে জনবসতিপূৰ্ণ আৰু কৃষি ভূমি থকাৰ পাছতো ষ্ট'ন ক্ৰেছাৰ খুলিবলৈ অনুমতি দিয়া কাৰ্যত জাঙুৰ খাই উঠিছে আছু, চুতীয়া ছাত্ৰ সন্থা আৰু আমছু। সংগঠনকেইটাই এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে ধনশিৰি মহকুমা প্ৰশাসনক। অন্যথা আগন্তুক দিনত গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ দিয়ে সংগঠনকেইটাই।

■ চৰকাৰৰ সদিচ্ছাৰ অভাৱত ক্ষুণ্ণ জ্যেষ্ঠ নাগৰিক

বৃদ্ধ পেঞ্চনৰ নামত এমাহত ৫০ টকাহে দিয়ে ৰাজ্য চৰকাৰে

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ২৫ নৱেম্বৰ ঃ বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ জ্যেষ্ঠ নাগৰিকসকলক বিভিন্ন সা-সুবিধা দিয়াৰ নামত আঁভুৱাহে ভৰি আহিছে বুলি অভিযোগ কৰাৰ লগতে বৃদ্ধ পেঞ্চনৰ নামত এমাহত চৰকাৰে যি ২৫০ টকাহে দিয়ে, সেই টকাৰো শতকৰা ৮০ ভাগ দিয়ে কেন্দ্ৰীয় চৰকাৰেহে। ৰাজ্য চৰকাৰৰে এমাহত খৰচ কৰিবলৈ দিয়ে মাত্ৰ ৫০ টকা। অন্যান্য সা-সুবিধাৰ নামত কেৱল প্ৰতিশ্ৰুতিৰ বাহিৰে বিশেষ একো দিয়া নাই বুলিলেও হয় বুলি অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ বৰবৰুৱা শাখাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাত মুখ্য অতিথিৰূপে অংশ লৈ কয় অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ৰাজ্যিক উপ-সভাপতি তথা ডিব্ৰুগড় জিলাৰ সভাপতি, অৰুণাচল বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ডীন ড° সৃষ্টিধৰ দত্তই। বৰবৰুৱা-জামিৰা কনিষ্ঠ মহাবিদ্যালয়ত অনুষ্ঠিত উক্ত সন্মিলনত সভাপতিত্ব কৰে সন্মিলনৰ বৰবৰুৱা শাখাৰ সভাপতি নোমল চন্দ্ৰ গগৈয়ে। বৰবৰুৱা শাখাৰ সাধাৰণ সম্পাদক অজিত কুমাৰ ১৩ পৃষ্ঠাত চাওক

ৰঙাপৰাত হাতী-মানুহৰ সংঘাত দূৰ কৰাৰ উদ্দেশ্যে আলোচনা

বিশেষ সংবাদদাতা

ৰঙাপাৰা, ২৫ নৱেম্বৰ ঃ হাতী-মানুহৰ সংঘাত দিনক দিনে বৃদ্ধি পোৱাত বিশেষকৈ ৰাজ্যখনৰ বনাঞ্চলীয় অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজক উদ্বিগ্ন কৰিছে। শোণিতপুৰ জিলাতো এই সংঘাতে বিগত কেবাবছৰ ধৰি ভয়াৱহ ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। এই সংঘাতৰ পৰিণতিত জিলাখনত বহু লোকে ইতিমধ্যে প্ৰাণ হেৰুৱাব লগা হোৱাৰ লগতে বাসগৃহ খেতি পথাৰ নষ্ট কৰি সাধাৰণ ৰাইজক বাৰুকৈয়ে সমস্যাত পেলাইছে। হাতী-মানুহৰ এই সংঘাত চলি থকাৰ সময়তে কালি বিয়লি ৰঙাপাৰাৰ বৰজুলি শ্ৰমিক কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ সভাগৃহত প্ৰশাসন, অঞ্চলটোৰ চাহ বাগিচাৰ পৰিচালক, বেচৰকাৰী সংগঠনসকলৰ উপৰি বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ স'তে মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। ৰঙাপৰা প্ৰেছ ক্লাবৰ সভাপতি পংকজ নাথে আঁতধৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰকৃতিপ্ৰেমী দিলীপ নাথে সোণাই-ৰূপাই অভয়াৰণ্য বেদখলমুক্ত কৰিবলৈ আহ্বান জনায়। ১৩ পৃষ্ঠাত চাওক

অৱহেলিত নানকাৰভয়ৰাৰ প্ৰসন্ন মেধিয়ে আজিও নাপালে শিল্পী পেঞ্চন

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২৪ নৱেম্বৰ ঃ দৈনন্দিন জীৱনত পৰিয়ালক ভৰণ-পোষণৰ চিন্তা আৰু আনফালে দৈনন্দিন পুৱা গধূলি বৰগীত, নামঘোষা, ভাগৱত পাঠ কৰি জগতৰ মংগল কামনাত ব্যস্ত হৈ আছে এজন শিল্পী। নলবাৰী জিলাৰ নানকাৰভয়ৰা ঘূলিসত্ৰ চুবুৰিৰ ৭০ বছৰীয়া প্ৰসন্ন মেধীয়ে নিতৌ ব্যস্ত হৈ আছে এনে কৰ্মত। এসময়ৰ দানবীৰ দুই ভ্ৰাতৃয়ে নিজ জমি দান দি আৰম্ভ কৰিছিল ঘুলিসত্ৰ নামেৰে ধৰ্মীয় স্থান। ধৰ্মৰ বান্ধোনৰে সমগ্ৰ অঞ্চলত সমতা আৰু মৈত্ৰীৰে বান্ধিছিল একতা-ভ্ৰাতৃত্ব আৰু ছটিয়াইছিল শান্তিৰ জল। সেই স্থানতে গুৰুজনাৰ সাহিত্য, ধৰ্ম আৰু গীতৰ সুৰে বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ হৈছিল সেই অঞ্চলআৰু সেই প্ৰভাৱত প্ৰভাম্বিত হৈছিল মেধি। সেই শিপাৰ পৰাই ধৰ্মৰ জখলাৰে বগাই শিল্পগুণৰে সমৃদ্ধ সেই সময়ৰ যুৱক মেধি। ভাগৱত পাঠ, নামঘোষা, কীৰ্তনঘোষা পাঠ, দিহানাম, বৰগীত পৰিৱেশন হৈ পৰিল জীৱনৰ কৰ্মৰাজি। আনহাতে, ঘুলিসত্ৰৰ জৰিয়তে জন্মপোৱা বৰগীত দলৰো সবল নেতৃত্বত দিছিল শিল্পী মেধিয়ে। জীৱনৰ ১২ বছৰ বয়সৰে পৰা শিল্পচৰ্চাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে। ১৯৮৭ত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত কণ্ঠ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। সেই সময়ত প্ৰয়াত গণশিল্পী খগেন মহন্ত, শিল্পী জয়প্ৰকাশ দাস আৰু অনুপম ১৩ পৃষ্ঠাত চাওক

■ কোচ ৰাজবংশী সাহিত্য সভাৰ ৰাজবংশী অধ্যুষিত অঞ্চলৰ বিদ্যালয়ত ৰাজবংশী ভাষাত পাঠদানৰ দাবী

কোচ ৰাজবংশীৰ সমস্যা সমাধানৰ দাবী

বিশ্বনাথঘাটত এনেদৰেই বিপদসংকুল ভাৱে ব্ৰহ্মপুত্ৰত চলি আছে নাও, বৃহস্পতিবাৰে।

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ২৫ নৱেম্বৰ ঃ ৰাজনৈতিক, শৈক্ষিক, আৰ্থ-সামাজিক আদি সকলো দিশতে পিছ পৰি থকা অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীটোৰ জ্বলন্ত সমস্যাসমূহ অতি শীঘ্ৰে সমাধান কৰাৰ বাবে কোচ ৰাজবংশী সাহিত্য সভাই অসম চৰকাৰক দাবী জনাইছে। কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে আজি এক বিবৃতিযোগে এই বিষয়ে উল্লেখ কৰে। সাহিত্য সভাৰ কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষানীতি ২০২০ অনুসৰি ২০২১-২২ শিক্ষা বৰ্ষত অসমৰ ৰাজবংশী অধ্যুষিত অঞ্চলৰ প্ৰাথমিক বিদ্যালয়বোৰত নাৰ্ছাৰীৰ পৰা পঞ্চম শ্ৰেণীলৈ ৰাজবংশী ভাষা মাধ্যমত পাঠদানৰ দাবী জনায়। কোচ ৰাজবংশী জনগোষ্ঠীৰ দুজন বিধায়কক কেবিনেট মন্ত্ৰীসভাত অন্তৰ্ভুক্তি, অসম লোকসেৱা আয়োগত জনগোষ্ঠীটোৰ পৰা কমেও এজন সদস্য নিযুক্তি আৰু কোচ ৰাজবংশী উন্নয়ন পৰিষদত কোচ ৰাজবংশী সাহিত্য সভাৰ পৰা দুগৰাকী সদস্য নিযুক্তি দিয়াৰ বাবে উক্ত প্ৰেছ বিজ্ঞপ্তিযোগে মুখ্যমন্ত্ৰীক দাবী জনায় কোচ ৰাজবংশী সাহিত্য সভাই। ৰাজবংশী ভাষাৰ প্ৰাথমিক পৰ্যায়ৰ পাঠ্যপুথি প্ৰণয়ন, কোচ ৰাজবংশী জনগোষ্ঠীৰ পূৰ্ণাংগ ইতিহাস, অভিধান, ব্যাকৰণ আদি মৌলিক গ্ৰন্থ ১৩ পৃষ্ঠাত চাওক

■ ই-শ্ৰম কাৰ্ডৰ পঞ্জীয়ন শিবিৰ মুকলি

মৰিয়নিত ঘৰুৱা গেছ পাইপ লাইন প্ৰকল্পৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

মৰিয়নিত, ২৫ নৱেম্বৰ ঃ মৰিয়নিবাসীৰ বাবে সুখবৰ। মৰিয়নিবাসীয়ে অতি শীঘ্ৰেই পাইপ গেছৰ ঘৰুৱা সংযোগ লাভ কৰিব। মৰিয়নিবাসীয়ে দীৰ্ঘদিনৰ পৰা ঘৰুৱা পাইপ গেছৰ সংযোগৰ বাবে দাবী জনাই আহিছিল। কালি মৰিয়নি মহাবিদ্যালয়ৰ কলা শাখাৰ প্ৰাংগণত পাইপ গেছৰ ঘৰুৱা সংযোগ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে ভাৰত চৰকাৰৰ তেল আৰু প্ৰাকৃতিক গেছ তথা শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে। উক্ত অনুষ্ঠানতে কেন্দ্ৰীয় মন্ত্ৰীজনে ভাৰত চৰকাৰৰ অন্তৰ্গত অসংগঠিত শ্ৰমিকসকলৰ বাবে ই-শ্ৰম কাৰ্ড প্ৰদানৰ বাবে শ্ৰমিকৰ পঞ্জীয়ন শিবিৰৰো ফিটা কাটি মুকলি কৰে। এই উপলক্ষে মৰিয়নি মহাবিদ্যালয়ৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত এক সভা অনুষ্ঠিত হয়। সভাখনত বক্তব্য প্ৰদান কৰি মন্ত্ৰী তেলীয়ে কয়, ১৩ পৃষ্ঠাত চাওক

নাজিৰা কবি সন্মিলনৰ চোতাল অনুষ্ঠান সম্পন্ন ঃ কাব্যপুথি 'একলব্য' উন্মোচন

অগ্ৰদূত বাৰ্তা

নাজিৰা, ২৫ নৱেম্বৰ ঃ ওপৰ নাজিৰা বুদবাৰীৰ ঐতিহাসিক সত্ৰৰ কাষত দিখৌ নৈৰ পলসুৱা ভূমিত নকৈ গঢ়ি উঠা ইক' টুৰিজম ক্ষেত্ৰত ২১ নৱেম্বৰত মিলিত হয় কবিসকল। 'চোতাল' শীৰ্ষক অনুষ্ঠানৰ মাজত কবি অজিত খাটনিয়াৰৰ কবিতা পুথি 'একলব্য' উন্মোচন কৰে বিশিষ্ট নিৰন্ধকাৰ, সমালোচক চামচুল বাৰিকে। 'সামাজিক উত্তৰণত কবিতাৰ ভূমিকা' শীৰ্ষক বিষয়ত নিৰ্দিষ্ট বক্তাৰ ভাষণ দাঙি ধৰি বিশ্বৰ বৰেণ্য কবিসকলৰ মাজৰ পৰা কীটছ, শ্যেলী, ৱৰ্ডছৱৰ্থৰ কবিতাৰ পংক্তিৰে সামাজিক দায়বদ্ধ কবিতাৰ ভাবাৰ্থ বৰ্ণনা কৰি বক্তৃতা আগবঢ়ায় সোণাৰাম খনিকৰে। অসমীয়া কবিতাৰ সন্দৰ্ভত তেওঁ কয়, 'মানৱ জাতিৰ ইতিহাসৰ সমৃদ্ধ জ্ঞান প্ৰতিফলিত কৰা সমাজ সাপেক্ষ সৃষ্টিয়ে কবিতাৰ আকাশ ফৰকাল কৰিব।' অসমীয়া কবিৰ মাজত ১৩ পৃষ্ঠাত চাওক

■ স্বাস্থ্যৰ বুজ ল'লে কাৰাকুছিৰ ইতিহাস প্ৰণয়ন সমিতিয়ে

প্ৰবীণ নাট্য শিল্পী মহেশ্বৰ তালুকদাৰ অসুস্থ

অগ্ৰদূত বাৰ্তা

সৰ্থেবাৰী, ২৫ নৱেম্বৰ ঃ প্ৰবীণ নাট্য শিল্পী মহেশ্বৰ তালুকদাৰ সম্প্ৰতি অসুস্থ হৈ আছে। যোৱা ৩০ অক্টোবৰৰ নিশা তেওঁৰ কৰ্মস্থলী গোলাঘাটত হঠাৎ অসুস্থ হোৱাত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইয়াত তেওঁ কিছু আৰোগ্য লাভ কৰাত পৰিয়ালৰ লোকে তেওঁক ঘৰলৈ আনে। সম্প্ৰতি তেওঁ সৰ্থেবাৰীৰ নিকটৱৰ্তী কাৰাকুছি গাঁৱৰ নিজ ঘৰতে থাকি পাঠশালাত এজন ব্যক্তিগত চিকিৎসকৰ তত্বাৱধানত চিকিৎসা সেৱা গ্ৰহণ কৰি আছে। আজি কাৰাকুছিৰ ইতিহাস প্ৰণয়ন সমিতিৰ এটি সঁজাতী দল তেওঁৰ ঘৰত উপস্থিত হৈ শিল্পীজনৰ স্বাস্থ্যৰ বুজ লয়। বৰ্তমান তেওঁৰ স্বাস্থ্যৰ কিছু উন্নতি ঘটিছে যদিও সম্পূৰ্ণৰূপে আৰোগ্য লাভ কৰা নাই। আজি কাৰাকুছিৰ ইতিহাস প্ৰণয়ন সমিতিৰ এটি সঁজাতী দলে শিল্পীজনৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ স্বাস্থ্যৰ বুজ লয়। সমিতিৰ সভাপতি গৰ্গ নাৰায়ণ পাঠক আৰু সম্পাদক গুণজিৎ চৌধুৰীৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে অসুস্থ শিল্পীজনৰ আশু আৰোগ্য কামনা কৰে। উল্লেখ্য যে ১৩ পৃষ্ঠাত চাওক

নাহৰকটীয়াৰ ৰাঙলী পথাৰত বহুমুখী উন্নয়ন-সংবাদ কেন্দ্ৰৰ নৱনিৰ্মিত কাৰ্যালয় উদ্বোধন



অগ্ৰদূত বাৰ্তা

নাহৰকটীয়া, ২৫ নৱেম্বৰ ঃ নাহৰকটীয়া ৰাঙলী পথাৰত অৱস্থিত অসমৰ অন্যতম অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান জিলা বহুমুখী উন্নয়ন আৰু সংবাদ কেন্দ্ৰৰ নৱনিৰ্মিত কাৰ্যালয় ভৱনটো কালি উদ্বোধন কৰে নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰংগ গগৈয়ে। এই উপলক্ষে নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক পুলিন চন্দ্ৰ দিহিঙীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা বহুমুখী উন্নয়ন আৰু সংবাদ কেন্দ্ৰৰ সচিব বিমান আগৰৱালাই। সভাখনৰ আদৰণি ভাষণেৰে অনুষ্ঠানটোৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে অৱগত ১৩ পৃষ্ঠাত চাওক

লালুকৰ ৰাজপথত ডাম্পাৰে মহতিয়াই বগৰালে দুখনকৈ মালবাহী বাহন

অগ্ৰদূত বাৰ্তা

লালুক, ২৫ নৱেম্বৰ ঃ লালুক থানাৰ অন্তৰ্গত পুখুৰীপৰীয়াত যোৱা নিশা এখন দ্ৰুতবেগী ডাম্পাৰে পথৰ কাষত ৰখাই থোৱা মালভৰ্তি দুখন বাহনক মহতিয়াই পথৰ পৰা ডাম্পাৰসহ বাহন দুখনো বাগৰি খাৰৈত পৰে। যোৱা নিশা ১০ বজাত লালুকৰ সমীপৰ পুখুৰীপৰীয়াৰ ১৫ নম্বৰ ঘাইপথত থকা অঞ্চলটোৰ পৰিচিত হোটেল 'বাইদেউৰ এসাজ'ৰ সমীপত এই দুৰ্ঘটনা সংঘটিত হয়। আৰক্ষীয়ে সদৰী কৰা মতে, উত্তৰ লখিমপুৰ দিশৰ পৰা আহি থকা এ আৰ-০৫, ৫৮৩০ নম্বৰৰ বাঁহ ভৰ্তি টাটা ম'বাইল আৰু এ এছ-০৭ বি চি-১৬৩৮ নম্বৰৰ বাঁহ ভৰ্তি ৪০৭ ট্ৰাক দুখন ঘাইপথৰ কাষত ৰখাই চালক, হেণ্ডিমেনে হোটেলত চাহ খাবলৈ যোৱাৰ সময়ত উত্তৰ লখিমপুৰ দিশৰ পৰা লালুক অভিমুখে আহি থকা এ এছ-০৭ বি চি-৩৫০১ নম্বৰৰ দ্ৰুত বেগী ডাম্পাৰখনে পথৰ কাষত ৰখা থোৱা বাঁহভৰ্তি বাহন দুখন মহতিয়াই নিয়াত তিনিওখন বাহন ঘাইপথৰ পৰা বাগৰি কাষৰ খাৰৈত পৰে। সৌভাগ্যক্ৰমে বাঁহ ভৰ্তি বাহন দুখনৰ চালক হেণ্ডিমেনে সেই সময়ত বাহনত নথকাৰ বাবে প্ৰাণ ৰক্ষা পৰে। ডাম্পাৰখনৰ চালকজন নিশাই অন্তৰ্ধান হোৱা বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিছে। আনহাতে, ডাম্পাৰখনৰ হেণ্ডিমেনগৰাকীয় কিছু পৰিমাণে আঘাট পোৱা বুলি জানিবলৈ দিছে।

মঙলদৈৰ ডাউকাপাৰাত ৩৪ সংখ্যক সমূহীয়া নখোৱা উৎসৱৰ আয়োজন

বিশেষ সংবাদদাতা

মঙলদৈ, ২৫ নৱেম্বৰ ঃ নখোৱা উৎসৱ অসমীয়া গ্ৰাম্য জীৱনৰ চহা কৃষকসকলৰ এক পৰম্পৰাগত উৎসৱ। সোণোৱালী পথাৰৰ পৰা সোণগুটি চপোৱাৰ পাছতে প্ৰতি ঘৰে ঘৰে, প্ৰতিখন গাঁও, প্ৰতিটো চুবুৰিত ন চাউল আৰু ন ন শাক-পাচলিৰে, পুখুৰীৰ মাছ, ঘৰৰ হাঁহ মাহেৰে এসাঁজ খোৱাটো অতীতৰে পৰা চলি আহিছে। ব্যতিক্ৰম নহয় দৰং জিলাৰ গ্ৰাম্য সমাজো। জিলাখনৰ বিভিন্ন প্ৰান্তত উলহ-মালহেৰে নখোৱা পালন কৰা হয়। মঙলদৈৰ নিকটৱৰ্তী ডাউকাপাৰাত কাইলৈ ২৬ নৱেম্বৰত দিনজোৰাকৈ ৩৪ সংখ্যক সমূহীয়া নখোৱাৰ আয়োজন কৰা হৈছে। ডাউকাপাৰা শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত নখোৱা উপলক্ষে পুৱা পাঁচ বজাত অনুষ্ঠিত হ'ব সমূহীয়া চাফাই অভিযান। চাফাই অভিান পৰিচালনা কৰিব মন্দিৰ পৰিচালনা সমিতিৰ উপদেষ্টা যতীন ডেকাই। ইয়াৰ পাছতে চিকন চন্দ্ৰ ডেকাই মণিকূটৰ বন্তি প্ৰজ্বলনৰ পাছতে মন্দিৰৰ পতাকা উত্তোলন আৰু ধৰ্মধ্বজা উত্তোলন কৰিব ক্ৰমে সূৰ্য কুমাৰ ডেকা আৰু সম্পাদক বিজয় কুমাৰ ডেকাই। নখোৱা ১৩ পৃষ্ঠাত চাওক

উত্তৰ প্ৰদেশৰ অচিনাকি নম্বৰৰ পৰা মুক্তিৰ বিনিময়ত ধনদাবী

গোৰেংকা নাৰ্ছিং হোমত কৰ্মৰত নহিৰাৰ নৱনীতা মেধি নিৰুদ্দেশ

ছয়গাঁও, ২৫ নৱেম্বৰ ঃ কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ বিজয়নগৰ আৰক্ষী চকীৰ অন্তৰ্গত নহিৰা দোকানীপাৰাৰ এগৰাকী যুৱতী সন্ধানহীন হৈ আছে। যোৱা ১০ নৱেম্বৰৰ পৰা সন্ধানহীন হোৱা যুৱতীগৰাকীৰ নাম নৱনীতা মেধি (২১)। উল্লেখ্য যে নহিৰা দোকানীপাৰাৰ প্ৰফুল্ল মেধিৰ কন্যা নৱনীতাই বিগত দুবছৰ ধৰি গুৱাহাটীৰ গোৰেংকা নাৰ্ছিং হোমত নাৰ্ছ হিচাপে কৰ্মৰত আছিল। যোৱা ১০ নৱেম্বৰৰ পুৱা নিজ গৃহ নহিৰাৰ পৰা নিজৰ কৰ্মস্থলীলৈ যাওঁ বুলি ওলাই যোৱাৰে পৰা সন্ধানহীন হৈ আছে। ঘটনা সন্দৰ্ভত বিজয়নগৰ আৰক্ষী চকীত নৱনীতাৰ পৰিয়ালে ১১ নৱেম্বৰত এক এজাহাৰ দাখিল কৰিছে। ইফালে, ৭৮৯৭৬-৬০৩৯৪ নম্বৰ ম'বাইলত এজন অচিনাকি লোকে সঘনাই ফোন কৰি যোগাযোগ অব্যাহত ৰাখিছে পৰিয়ালটোৰ লগত। পৰিয়ালৰ লোকে উল্লেখ কৰা মতে উত্তৰ প্ৰদেশৰ বাসিন্দা বুলি কৈ ১৩ পৃষ্ঠাত চাওক

মৰিগাঁৱত অনুষ্ঠিত মহিলা শিশু সুৰক্ষাৰ যুটীয়া টাস্ক ফ'ৰ্চ কমিটীৰ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ২৫ নৱেম্বৰ ঃ মৰিগাঁও জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ সভাপতিত্বত আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত মহিলা আৰু শিশু সুৰক্ষাৰ বাবে গঠিত জিলা পৰ্যায়ৰ যুটীয়া টাস্ক ফ'ৰ্চ কমিটীৰ এখন সভা অনুষ্ঠিত হয়। জিলা সমাজ কল্যাণ বিভাগৰ দ্বাৰা আয়োজিত আজিৰ সভাত মহিলা আৰু শিশুৰ ওপৰত চলি থকা বিভিন্ন ধৰণৰ শোষণ-নিপীড়নৰ ঘটনা যেনে বাল্য বিবাহ, অপহৰণ, শিশু শ্ৰমিক, শিশু সৰবৰাহ, গাৰ্হ্যস্থ হিংসা, লিংগ বৈষম্য আদি কি উপায়েৰে ৰোধ কৰিব পাৰি সেই বিষয়ে আলোচনা কৰা হয়। উক্ত সভাত আৰক্ষী বিভাগ, স্বাস্থ্য বিভাগ, শিক্ষা বিভাগ, জনসংযোগ বিভাগকে আদি কৰি বিভিন্ন আৰু স্বেচ্ছাসেৱী সংস্থা আদিৰ দায়িত্ব, কৰ্তব্য আৰু সহযোগিতাৰ ওপৰতো আলোচনা কৰা হয়। উপায়ুক্তই ভাষণ প্ৰসংগত মহিলা আৰু শিশু সুৰক্ষাৰ বাবে বিভিন্ন ধৰণে জড়িত বিভাগসমূহক উমৈহতীয়া নিৰ্দিষ্ট কাৰ্যপন্থাৰে সক্ৰিয়তাৰে এই সামাজিক ব্যাধি নিৰ্মূল কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে আজি হ'ল মহিলাৰ প্ৰতি হিংসাৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় দিৱস। এই দিৱসৰ স'তে ১৩ পৃষ্ঠাত চাওক

ঢেকিয়াজুলিত ৰাসোৎসৱৰ সফল সামৰণি ঃ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

চিনামৰা, ২৫ নৱেম্বৰ ঃ যোৰহাট জিলাখনত ন-আলি ঢেকিয়াজুলীৰ ৰাসোৎ সৱে ৰাজ্যখনতে এক সুকীয়া স্থান দখল কৰি আহিছে। ১৯৩৫ তে অঞ্চলটোত শ্ৰীশ্ৰী কাংসপাৰ মাজঠাই সত্ৰই মুকলি ৰাসৰ পাতনি মেলিছিল। সেইধাৰাকে অব্যাহত ৰাখি আজিও অঞ্চলটোত কেবা স্থানতো ৰাসোৎসৱ উদ্যাপিত হৈ আহিছে। ক'ভিড মহামাৰীৰ প্ৰভাৱে প্ৰভাৱিত অঞ্চলটোত চলিত বৰ্ষত ন-আলি ঢেকিয়াজুলি যুৱক সংঘ আৰু কঁহাৰ গাঁও প্ৰগ্ধল যুৱ সমাজতহে চৰকাৰী নীতি-নিয়ম মানি দুদিনীয়াকৈ উদ্যোক্তাসকলে ৰাসোৎসৱ উদ্যাপন কৰে। ১৮,১৯ নৱেম্বৰত ঢেকিয়াজুলি যুৱক সংঘই বিশিষ্ট ভাওনা বিচাৰক-অভিনেতা অমিতাভ বৰদলৈৰ নাট পৰিচালনাৰে ৫৯ সংখ্যক ৰাসোৎসৱ দুদিনীয়াকৈ উদযাপন কৰে। ৰাসোৎসৱৰ লগত সংগতি ৰাখি প্ৰথম দিনাই যুৱক সংঘৰ উদ্যোগত স্থানীয় বয়োজ্যেষ্ঠ ব্যক্তি তথা অনুষ্ঠানটোৰ লগত জড়িত পৰমা বৰুৱা, আইজনী বৰদলৈ আৰু ফুলেশ্বৰী বৰদলৈক যুৱক সংঘৰ প্ৰতীকচিহ্ন, ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধণা জ্ঞাপন কৰে। দ্বিতীয় দিনা ৰাসোৎসৱ উদ্বোধন কৰে ক্ৰমে বিশিষ্ট সাংবাদিক বিমান শইকীয়া আৰু অতিৰিক্ত উপায়ুক্ত দামোদৰ ১৩ পৃষ্ঠাত চাওক

নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষক মাজুলীবাসীৰ ধন্যবাদ

নদীদ্বীপ মাজুলীৰ স্বাস্থ্য খণ্ডত নতুন সংযোজন আইচিইউ

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ২৫ নৱেম্বৰ ঃ মাজুলীবাসীৰ এটা দীৰ্ঘদিনীয়া সপোন পূৰ হ'ল। স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো স্বাস্থ্যখণ্ডত অৱহেলিত মাজুলীৰ ৰাইজে দীৰ্ঘদিন ধৰি উপযুক্ত স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত হৈ আহিছে। গড়মূৰ পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ত পাঁচখন বিছনাযুক্ত অত্যাধুনিক যন্ত্ৰসহ এটা আইচিইউ কক্ষ ইতিমধ্যে সাজু কৰি তোলা হৈছে। উক্ত আইচিইউটো যোৱা ১৮ নৱেম্বৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰে। নুমলীগড় শোধনাগাৰৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত এক কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা আইচিইউ কক্ষটো সকলো ধৰণৰ ইত্যাধুনিক যন্ত্ৰপাতিৰে সমৃদ্ধ। যি সময়ত এটা সাধাৰণ ৰোগৰ চিকিৎসাৰ বাবে মাজুলীৰ জনগণে হাহাকাৰ কৰিবলগীয়া হয়, দুৰ্ঘটনাগ্ৰস্ত লোকক আইচিইউ, অভাৱত ততাতৈয়াকৈ ১৩ পৃষ্ঠাত চাওক

ঘগ্ৰাপাৰাত প্ৰকৃত কৃষক চৰকাৰৰ বিভিন্ন সুবিধাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ যুৱ-ছাত্ৰ পৰিষদৰ

গ্ৰামসেৱকৰ সেৱাৰ পৰা বঞ্চিত কৃষক সমাজ

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ২৫ নৱেম্বৰ ঃ ৰাজ্যৰ মিত্ৰজোঁট বিজেপি নেতৃত্বাধীন ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰখনে পৰিৱৰ্তনকামী চৰকাৰ বুলি দাবী কৰি অহাৰ বিপৰীতে এই চৰকাৰৰ শাসন কালত সাধাৰণ লোকসকলৰ বাবে গ্ৰহণ কৰা প্ৰায় প্ৰতিটো আঁচনিতে ব্যাপক অনিয়ম দুৰ্নীতি হৈছে বুলি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে অভিযোগ উত্থাপন কৰিছে। ড° শৰ্মা নেতৃত্বাধীন চৰকাৰখনৰ এনে এটা বিভাগ হ'ল কৃষি বিভাগ। ৰাজ্যখনত কৃষকে সময়ে সময়ে সমস্যাৰ গৰাহত পৰি আত্মহত্যা কৰা কৃষি কৰ্ম সামৰি অন্য কাম বিচাৰি অসমৰ বাহিৰলৈ যোৱা আদি ঘটনা পোহৰলৈ আহিছে। বিভাগটোত কৃষি কাৰ্যৰ ক্ষেত্ৰত গ্ৰামাঞ্চলৰ কৃষিজীৱী ৰাইজক প্ৰয়োজনীয় সহায়-সহযোগ কৰাৰ লগতে আধুনিক আৰু বিজ্ঞানসন্মত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে গ্ৰামাঞ্চলসমূহত ৰাজ্য চৰকাৰে গ্ৰামসেৱক নিয়োগ কৰিছে যদি কৃষক অনুপাতে পৰ্যাপ্ত নোহোৱাত কৃষকসমাজ বিভিন্ন সময়ত সমস্যাত পৰিছে। পিছে গ্ৰামসেৱকসকলৰ অভাৱত কৃষিজীৱী ৰাইজে প্ৰকৃতাৰ্থতে উপকৃত হ'ব পাৰিছে নে সম্প্ৰতি ই এটা ডাঙৰ প্ৰশ্ন হৈ পৰিছে। বিশেষকৈ নলবাৰী জিলাৰ ঘগ্ৰাপাৰ কৃষি উন্নয়ন বিষয়াৰ অধীনস্থ গাঁওসমূহৰ কৃষকসকলৰ ১০০ এবুৰি সমস্যাত পৰি কক্-বকাই থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সভাপতি আনোৱাৰ হুছেইন আৰু সাধাৰণ সম্পাদক নৰজ্যোতি কলিতাই। উল্লেখ্য যে ঘগ্ৰাপাৰস্থিত কৃষি উন্নয়ন বিষয়াৰ অধীনস্থ ৭২ খন গাঁও আছে। গাঁওসমূহৰ প্ৰায় সাত হেজাৰ কৃষকে কৃষি কাৰ্যত নিয়োজিত হৈ জীৱন-নিৰ্বাহ কৰি আছে। লক্ষ্যণীয়ভাৱে বিভাগটো সম্প্ৰতি এনে ধৰণে বগাহাতীত পৰিণত হৈছে যে বিভন্ন কাম-কাজ পৰিচালনা কৰাৰ উপৰি কৃষি নিৰ্দেশনা দিবলৈও কৃষি-কৰ্মচাৰীৰ বছৰ বছৰ ধৰি অভাৱ পৰিলক্ষিত হৈছে বুলি ৰাজহুৱা অভিযোগ উঠিছে। প্ৰণিধানযোগ্য যে উক্ত কাৰ্যালয়ৰ অধীনস্থ ৭২খন গাঁৱক সামৰি ন টা অঞ্চল গঠন কৰা হৈছে। বিভাগীয় নিয়মমতে আঠখন গাঁৱক লৈ গঠন কৰা একেটা অঞ্চলত একোজন ভি এল ই ডব্লিউ অৰ্থাৎ গ্ৰাম্যসেৱক নিযুক্তি দিব লাগে। সেই অনুসৰি কৃষি উন্নয়ন বিষয়া কাৰ্যালয়ৰ অধীনস্থ নীলপুৰ, ১৩ পৃষ্ঠাত চাওক

■ তিতাবৰৰ সোণগুটিৰে ভৰা পথাৰত চহা কৃষকৰ ব্যস্ততা

ঘৰে ঘৰে নখোৱা, চুঙা চাউল খোৱাৰ যো-জা

বিশেষ সংবাদদাতা

নগাবাট, ২৫ নৱেম্বৰ ঃ এতিয়া কৃষকে পথাৰৰ সোণগুটি চপোৱাৰ বতৰা। পোৱাৰ আনন্দ, নোপোৱাৰ বেদনা থাকিলেও কৃষকসকলে আৰম্ভ কৰিছে লখিমীক আদৰাৰ। পংকজ, মাচুৰি, ৰঞ্জিত, জহা, বৰা, পাখিলাহী, মালভোগ, চকোৱা, শলপোনা, মাকৰি, বেজীয়া, আইজং আদি বিভিন্ন ধানেৰে কৃষকৰ সপোনৰ ভঁৰালটোও ভৰি পৰিছে। সমান্তৰালকৈ প্ৰথম মুঠি চাউল নেদেখাজনৰ ওচৰত অৰ্পণ কৰি ৰাইজে নতুন চাউলৰ জুতি লৈছে। তদুপৰি অসমৰ বিভিন্ন প্ৰান্তৰ গ্ৰামাঞ্চলসমূহত ঘৰে ঘৰে এতিয়া ন-খোৱা, চুঙা চাউল খোৱা পৰ্ব আৰম্ভ হৈছে। গাঁৱৰ ককা-আইতাসকলেও গধূলি হোৱাৰ লগে লগে জুইৰ ওচৰত বহি উম লোৱাৰ দৃশ্য দেখিবলৈ পোৱা যায়। মাথোঁ চৌদিশে আঘোণৰ সুঘ্ৰাণ। বাতৰি পোৱা মতে, তিতাবৰ মহকুমাৰ অন্তৰ্গত বৰহোলা, চুঙী, নগাবাট, বেকাজান, মাধপুৰ, ১৩ পৃষ্ঠাত চাওক

পুনৰ ৰায়মনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা জনবসতিলৈ ওলাল বনৰীয়া হাতী

অগ্রদূত বাৰ্তা

শ্ৰীৰামপুৰ/দোতমা, ২৫ নৱেম্বৰ ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত যোৱা কিছুদিন ধৰি বন্যহস্তীৰ বিচৰণে ৰাইজৰ মাজত আতংক বিৰাজ কৰা সময়তে আজি পুনৰ দুটা দাঁতাল হাতী গোসাঁইগাঁও মহকুমাৰ বাজৰাবিল গাঁৰত প্ৰৱেশ কৰি উপদ্ৰৱ চলায়। পুৰা দুটা হাতী গাঁৰত বিচৰণ কৰা প্ৰত্যক্ষ কৰি গাঁওবাসীৰ মাজত আতংকৰ সৃষ্টি হয়। পাছত কচুগাঁও বন সংগুলৰ ৰায়মান ৰেঞ্জৰ বনকৰ্মী ঘটনাস্থলীত উপস্থিত হৈ ৰাইজক অভয় প্ৰদান কৰি হাতী দুটাৰ বিচৰণ অনুসৰণ কৰি পুনৰ বনাঞ্চললৈ খেদি পঠিয়ায়। উল্লেখ্য যে কিছুদিনৰ পৰা ৰায়মান ৰাষ্ট্ৰীয় উদ্যানৰ পৰা হাতী আৰু ভালুক ওলাই জনবসতি থকা অঞ্চলত আহি জধে-মধে বিচৰণ কৰাত ৰাইজৰ মাজত আতংক বিৰাজ কৰিছে। উল্লেখ্য যে যোৱা ২২ নৱেম্বৰত ৰায়মান ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা ভালুকৰ আক্ৰমণত ছগৰাকী লোক আহত হোৱাৰ পাছত আজি পুনৰ দুটা হাতী ওলাই আহি বাজৰাবিল গাঁৰত বিচৰণ খৰাত ৰাইজ আতংকিত হৈ পৰিছে। বৃহৎ আকৃতিৰ দুটা বন্যহস্তীক ৰাইজে প্ৰত্যক্ষ কৰাৰ লগে লগে গাঁওবাসীৰ মাজত এক হুৰাদুৰা লাগে। আতংকিত ৰাইজে হাতী দুটাক খেদি পঠোৱাৰ চেষ্টা কৰে যদিও ব্যৰ্থ হয়। পাছত বনকৰ্মীৰ এটা দলে হাতী দুটাক বিভিন্ন কৌশলেৰে গাঁৰৰ পৰা বাহিৰ কৰি বনাঞ্চলৰ দিশে খেদি পঠিওৱাত ৰাইজৰ মাজত সৃষ্টি হোৱা আতংক দূৰ হয় যদিও নিশা হ'লেই ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলৰ ৰাইজৰ বনৰীয়া জন্তুৰ ভীতিত নিদ্ৰাহৰণ হৈছে বুলি প্ৰকাশ কৰে অঞ্চলটোৰ ৰাইজে। বনৰীয়া জীৱ-জন্তুৰ পৰা ৰাইজৰ মাজত সৃষ্টি হোৱা আতংক দূৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰায়মনা ৰাষ্ট্ৰীয় উদ্যানৰ কাষত বসবাস কৰা ৰাইজে।

৮৩ বছৰীয়া প্ৰবীণ অভিনয় শিল্পী আজিও উপেক্ষিত

মৰিগাঁৱৰ আঁহতগুৰিৰ প্ৰবীণ শিল্পী, অভিনেতা যতীন্দ্ৰ নাথ ডেকা

অগ্রদূত বাৰ্তা

মৰিগাঁও, ২৫ নবেম্বৰ ঃ চাৰি দশক ধৰি অভিনয় সংস্কৃতিৰেই জীৱনৰ আদিপাঠ বুলি ভাবি সুন্দৰৰ আলিয়েদি সংস্কৃতিৰ সাধনাত ব্যস্ত থকা মৰিগাঁও জিলাৰ আঁহতগুৰিৰ প্ৰবীণ শিল্পী অভিনেতা যতীন্দ্ৰ নাথ ডেকা আজিও উপেক্ষিত। ৰজাঘৰ-প্ৰজাঘৰৰ পৰা কোনো ধৰণৰ স্বীকৃতি লাভ নকৰা অভিনয় বলিয়া, শিল্পীজনে জীৱনৰ বিয়লি বেলাত পাৰ কৰিছে অতি দুখজনকভাৱে। দুখভৰা এক জীৱন। কপিলীপৰীয়া শিল্পী ডেকাই আজিও বিশ্বাস কৰে অভিনয়েই তেওঁৰ জীৱন,সংগ্ৰাম এক নাম জীৱনৰ। সুন্দৰৰ সাধনাত অতি সৰুৰে পৰা জড়িত হোৱা সহজ- সৰল মনৰ ডেকাৰ জন্ম হয় ১৯৩৮ত মৰিগাঁৰৰ আঁহতগুৰিত। আঁহতগুৰিকেই জীৱনৰ মূল বুলি ভৰা শিল্পীজনে যোৱা চাৰি দশক ধৰি অভিনয় কৰি দৰ্শকৰ মৰম সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ অভিনয় জীৱনৰ লীলা ভূমি হ'ল আহতগুৰি। ১৯৫৪তে সাৰদা বৰদলৈ নাট 'মগ্ৰীৰৰ আজান'ত পিটৰামৰ চৰিত্ৰত অভিনয়ৰ প্ৰথম আৰম্ভনি। ১৯৫৪ৰ পৰা ৯০ দশকৰ শেষলৈকে বহু কেইখন মঞ্চত অভিনয় কৰি ৰাইজৰ প্ৰশংসা বুটলা অভিনয় শিল্পী ডেকাই এই পৰ্যন্ত সমাধি, সেই বাটেদি, পিয়লি ফুকন, লাচিত বৰফুকন, মনোমতী, লভিতা, আশীৰ্বাদ, উল্কাপাত, স্নেহ বন্ধন আদি বহু নাটকত অভিনয় কৰি অসমৰ নাট্য কলা সংস্কৃতিলৈ তেওঁ অৰিহণা যোগায় আহিছে। শিল্পী ডেকাই মঞ্চ নাটকৰ লগতে যাত্ৰাভিনয় আৰু অংকীয়া নাট ভাওনাতো অভিনয় কৰিছে। ২১১ খনতকৈও অধিক যাত্ৰাভিনয় কৰা ডেকাৰ কেইখনমান উল্লেখনীয় যাত্ৰা নাট হ'ল— ৰক্ষ কুমাৰ, উমাতাৰা, গংগা পুত্ৰ ভীষ্ম, শকুনিৰ প্ৰতিশোধ, কালাপাহাৰ, নৰকাসুৰ, মহাভাৰত, সতীৰ সংঘাত আদি। অংকীয়া নাট ভাওনাত বলিষ্ঠ অভিনয় কৰি বিশেষ খ্যাতি লভা শিল্পী ডেকাই ক্ষেত্ৰবাহু, গয়াসুৰৰ তীৰ্থ যাত্ৰা,উদয়শংকৰ, বিতাশুৰ বধ, ৰাম বিজয়, ভক্ত কুৱলেশ্বৰ, ৰুক্মিণী হৰণ আদি ২০খনতকৈও অধিক নাট ভাওনাত অভিনয় কৰিছে। মৰিগাঁও জিলাৰ আঁহতগুৰি অঞ্চলৰ বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত প্ৰবীণ শিল্পী ডেকা আঁহতগুৰি নাট্য সমাজৰ দীৰ্ঘদিন ধৰি সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। আঁহতগুৰি সাহিত্য সভাৰ লগতে আঁহতগুৰি গাঁও পঞ্চায়তৰ সভাপতি হিচাপেও ৰাইজৰ কাম কৰা অভিনয় বলিয়া ৮৩ বছৰীয়া শিল্পীজনক শিল্পী পেঞ্চন দিবলৈ ৰাইজে দাবী জনাইছে।

অংগনৱাড়ী সহায়িকাৰ উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান

বিশেষ সংবাদদাতা

নগাঁও, ২৫ নৱেম্বৰ ঃ এআইটিইউচিৰ অন্তৰ্গত অসমৰ ৰাজ্যিক অংগনৱাড়ী সহায়িকা ইউনিয়নৰ নগাঁও জিলা সমিতিৰ সভানেত্ৰী মোহিনী দাস আৰু সম্পাদিকা লাৱণ্য শইকীয়াৰ নেতৃত্বত আজি নগাঁও জিলাৰ সমাজ কল্যাণ বিভাগৰ জিলা বিষয়াৰ জৰিয়তে সমাজ কল্যাণ বিভাগৰ সঞ্চালকলৈ এখনি দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰে। অৰ্ধ শতাধিক অংগনৱাড়ী সহায়িকাই পদযাত্ৰা কৰি সহায়িকাসকলৰ সমস্যাসমূহ সমাধানৰ দাবী জনাই শ্ল'গানেৰে নগাঁও জিলাৰ সমাজ কল্যাণ বিভাগৰ জিলা বিষয়াৰ কাৰ্যালয়ত প্ৰৱেশ কৰে। স্মাৰকপত্ৰৰ জৰিয়তে সহায়িকাসকলৰ ৪৫ বছৰ হ'লে পদোন্নতি নোহোৱা বাধা নিষেধ শীঘ্ৰে প্ৰত্যাহাৰ কৰা, খালি হোৱা সহায়িকা পদত অংগনৱাড়ী পৰিয়ালৰ লোকক নিযুক্তি দিয়া, ৬০ বছৰৰ সহায়িকা কৰ্মীক অৱসৰ দি পেঞ্চনৰ ব্যৱস্থা কৰা, আঁচনিভুক্ত কৰ্মচাৰীক চৰকাৰী কৰ্মচাৰীৰ মৰ্যাদা প্ৰদান কৰা, অংগনৱাড়ী সহায়িকাসকলক কৰ্মীসকলৰ মাননীৰ ৮০ শতাংশ দিয়াৰ ব্যৱস্থা কৰা, ক'ভিডৰ বাবে সহায়িকাসকলে সন্মুখীন হোৱা পৰিস্থিতি মোকাবিলা কৰিবলৈ সহায়িকাসকলক পাঁচ হেজাৰ টকাকৈ প্ৰদান কৰা আদি দাবী জনায়। স্মাৰকপত্ৰ প্ৰদানত এআইটিইউচিৰ নগাঁও জিলা সভাপতি ৰাতুল বৰা উপস্থিত থাকি সংশ্লিষ্ট পক্ষক অংগনৱাড়ী সহায়িকাসকলৰ প্ৰাপ্য দাবীসমূহ অতি সোনকালে পূৰণ কৰাৰ আহ্বান জনায়।

■ শিৱসাগৰ জিলা শিক্ষা বিভাগত ছমহীয়া পৰীক্ষাক লৈ ল'ৰা-ধেমালি ■

নম্বৰ নিৰূপণ নোহোৱা প্ৰশ্নকাকতেৰে নৱম শ্ৰেণীৰ অংক বিষয়ৰ পৰীক্ষা

অগ্রদূত বাৰ্তা

গৌৰীসাগৰ, ২৫ নৱেম্বৰ ঃ শিৱসাগৰ জিলা শিক্ষা বিভাগত নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ ছমহীয়া পৰীক্ষাক লৈ শিক্ষা ব্যৱস্থা দায়িত্বজ্ঞানহীনতাৰ পৰিচয় দিয়াৰ উপৰি ল'ৰা-ধেমালি কৰা ঘটনা সংঘটিত হৈছে। আজি অনুষ্ঠিত নৱম শ্ৰেণীৰ ছমহীয়া পৰীক্ষাৰ অংক বিষয়ৰ প্ৰশ্ন কাকতত প্ৰশ্নৰ বিপৰীতে নম্বৰ নিৰূপণ নকৰাকৈ পৰীক্ষা অনুষ্ঠিত কৰে। ক'ভিডৰ জটিল পৰিস্থিতিত দুটাকৈ বৰ্ষ বিদ্যালয়সমূহৰ পাঠদান আৰু পৰীক্ষা নোহোৱাৰ পাছত সম্প্ৰতি পৰিস্থিতি উন্নত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়সমূহত নিয়মীয়া পাঠদানৰ লগতে ছমহীয়া পৰীক্ষা অনুষ্ঠিত হৈছিল যদিও জিলা অধিবিদ্যা পৰিষদৰ তত্বাৱধানত আজি অনুষ্ঠিত পৰীক্ষাত প্ৰশ্ন কাকতৰ বিসংগতিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বিপাঙত পেলায়। উল্লেখ্য যে প্ৰথম অৱস্থাত নম্বৰ নিৰূপণ নোহোৱা প্ৰশ্নকাকতৰ বিসংগতিৰ কথা পৰীক্ষাৰ্থীসকলে আঙুলিয়াই দিয়াত জিলা শিক্ষা বিভাগত খদমদম লগাৰ পৰিস্থিতিৰ উদ্ভৱ হয়। তাৰ সমান্তৰালকৈ বহু সময় ধৰি পৰীক্ষা স্থবিৰ হৈ পৰে বিদ্যালয়ে বিদ্যালয়ে। ইফালে, অধিবিদ্যা পৰিষদে চূড়ান্ত দায়িত্বজ্ঞানহীন স্বৰূপ ঢাকি ৰাখিবলৈ তাৎক্ষণিকভাৱে প্ৰশ্ন কাকতত নম্বৰ নিৰূপণ কৰি বিদ্যালয় প্ৰধানসকললৈ হোৱাটছ এপৰ জৰিয়তে প্ৰেৰণ কৰি সমস্যাৰ সমাধান কৰিবলগীয়া হয়। উল্লেখ্য যে জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকগৰাকীয়ে অধিবিদ্যা পৰিষদৰ সভাপতি দায়িত্বত আছে। তেনে অৱস্থাত মুৰব্বী শিক্ষা বিষয়া হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতকলৈ এনে ল'ৰা-ধেমালি কৰা কাৰ্যক জিলাখনৰ বিজ্ঞমহলে আশ্চৰ্য প্ৰকাশ কৰিছে। ইফালে, বিভিন্ন সময়ত একাধিক বিতৰ্কৰ আৱৰ্তত সোমোৱা গগৈ উপাধিৰ এজন অধ্যক্ষক সম্পাদকৰূপে লৈ অধিবিদ্যা পৰিষদৰ সভাপতি তথা স্বয়ং শিৱসাগৰ জিলা শিক্ষা বিষয়া জিলাখনৰ বিদ্যায়তনিক দিশটোৰ বিপৰীতে বিভিন্ন সভা সমিতিতহে অধিক গুৰুত্ব দিয়াৰ ৰাজহুৱা অভিযোগ উত্থাপন হৈছে।

ঘৰে ঘৰে নখোৱা, চুঙা চাউল খোৱাৰ

১২ পৃষ্ঠাৰ পৰা ৰঙাজান, মেলামাটি, শিলিখাবাৰী, ৰজাবাৰী, ৰজাবাহৰ, মহিমাবাৰী, বিৰিণাশায়েক, ইকৰাণি, পানীখেতি, চৰাইপানী, ক'লাপানী, দাংধৰা আদি প্ৰায় দুকৰি কৃষকৰ পথাৰৰ ধান কাটি শেষ হওঁ হওঁ হৈছে। কৃষকসকলে দোকমোকালিতে উঠি মৰণা মৰা কামো অব্যাহত ৰাখিছে। এনেদৰেই পূৰ্বৰ পৰা আঘোণৰ আগমনে গ্ৰামাঞ্চলৰ জন জীৱনৰ গতি ছন্দোময় কৰে। সু-সম্পৰ্কৰে গাঁৰৰ ওচৰ-চুবুৰীয়াই ইঘৰে-সিঘৰক নিমন্ত্ৰণ জনাই ন-খোৱা, চুঙা চাউল খোৱা পৰ্ব অনুষ্ঠিত কৰি সমিল-মিল বৃদ্ধি কৰাৰ লগতে ৰাইজক একতাৰ ডোলেৰে বান্ধে। কিন্তু যান্ত্ৰিকতা আৰু আধুনিকতাৰ ধামখুমীয়াত ক্ৰমশঃ সপোন যেন হৈ পৰিছে আঘোণৰ এৰাব নোৱাৰা বহু স্মৃতি। আজি তিতাবৰ মহকুমাটোৰ বহুকেইজন কৃষকে কয় যে পুৰণি দিনৰ আঘোণৰ আনন্দ আৰু সোৱাদৰ সম্ভেদ আজিৰ প্ৰজন্মই অনুভৱ কৰিবই নোৱাৰে। ধাননিৰ মাজত থকা সৰু কোৰোকা সদৃশ পুখুৰীটো সিঁচি গৰৈ, কাৱৈ, শ'ল, মাগুৰেৰে পতা ন-খোৱাৰ কথা যেনে সাধুকথা হৈছে, ঠিক তেনেদৰে নৈ বিলৰ বৰালি মাছ আনি ন-খোৱাৰ পৰম্পৰাও লাহে লাহে হেৰাই যাবলৈ ধৰিছে। যি কি নহওঁক এইবাৰ গাঁওসমূহত কিছু পৰিমাণে হ'লেও ন-খোৱা, চুঙা চাউল খোৱাৰ বাবে প্ৰস্তুতি চলোৱা দেখা গৈছে। বৰা চাউল, বাঁহৰ চুঙা, বৰালি মাছ, হাঁহৰ মাংস, দৈ, গুড় আদি গোটাবলৈ যো-জা কৰিছে। এই ন-খোৱা, চুঙা চাউল খোৱা পৰম্পৰাবোৰ উলহ-মালহেৰে উদ্‌যাপন কৰি চিৰস্থায়ী কৰি ৰাখিবলৈ সকলো ৰাইজক অনুৰোধ জনাইছে তিতাবৰৰ কৃষকে।

দুলীয়াজানৰ ৰঙাজানত পথ দুৰ্ঘটনাত মৃত্যু

অগ্রদূত বাৰ্তা

দুলীয়াজান, ২৫ নৱেম্বৰ ঃ আজি পুৱা স্কুটীৰে ঘৰলৈ আহি থকা অৱস্থাত এজন লোকে নিয়ন্ত্ৰণ হেৰুৱাই দুই নম্বৰ ৰঙাজানৰ সমীপৰ পট্টী লাইনত বাগৰি পৰাত ঘটনাস্থলীতেই লোকজনৰ মৃত্যু হয়। নিহত লোকজন হৈছে ভাদৈ আৰক্ষী চকীৰ অন্তৰ্গত টেক বাহাদুৰ লিম্বুৰ পুত্ৰ জগত বাহাদুৰ লিম্বু (৩৮)। স্থানীয় লোকে আঘাতপ্ৰাপ্ত লোকজনৰ চিকিৎসালয়লৈ নিয়ে যদিও আদবাটতে তেওঁৰ মৃত্যু হয়।

গোৰেংকা নাৰ্ছিং হোমত কৰ্মৰত

১২ পৃষ্ঠাৰ পৰা বৰ্তমান দিল্লীৰ পৰা নৱনীতাৰ মুক্তিৰ বাবে ধনদাবী কৰি আহিছে উক্ত ম'বাইল নম্বৰৰ পৰা। সম্প্ৰতি নৱনীতাক আবদ্ধ কৰি ৰখাৰ বাবেও স্বীকাৰ কৰিছে উক্ত ম'বাইল নম্বৰৰ পৰা। ইফালে, দাবী কৰা ধন আদায় দিলে এসপ্তাহৰ ভিতৰত নৱনীতাক মুক্তি দিব বুলি উল্লেখ কৰে।

প্ৰবীণ নাট্য শিল্পী মহেশ্বৰ

১২ পৃষ্ঠাৰ পৰা নৃত্যাচাৰ্য যতীন্দ্ৰ নাথ গোস্বামীৰ একালৰ অন্যতম সহযোগী তালুকদাৰে অধুনালুপ্ত ভাস্কৰ থিয়েটাৰ, সম্ৰাট থিয়েটাৰকে ধৰি কে'বাখনো ভ্ৰাম্যমাণ নাটকত অভিনয় কৰিছিল। তদুপৰি তেওঁ বীণাদেৱী, বীণাপানি আদি কে'বাটা যাত্ৰাদলটো অভিনয় কৰিছিল। উল্লেখ্য যে তালুকদাৰ এজন সুনিপুণ কঁহাৰ। সুকণ্ঠৰ অধিকাৰী তালুকদাৰ এজন ভাল ভাগৱতী হিচাপেও পৰিচিত। আৰ্থিক দৈন্যই কোঙা কৰা এইজন শিল্পীয়ে আজিলৈকে কোনো চৰকাৰী সহায়-সাহায্য লাভ কৰা নাই।

মৰিগাঁৱত অনুষ্ঠিত মহিলা শিশু

১২ পৃষ্ঠাৰ পৰা সংগতি ৰাখি মহিলাৰ বিৰুদ্ধে হিংসা ৰোধ সম্পৰ্কীয় 'অৰেঞ্জ দ্য ৱৰ্ল্ড' শীৰ্ষক ১৬ দিনীয়া বিশেষ ৰাজ্যিক কাৰ্যসূচীও চলি থাকিব। উক্ত সভাতে 'অৰেঞ্জ দ্য ৱল্ড' শীৰ্ষক স্বাক্ষৰ অভিযানো চলোৱা হয়। উক্ত সভাত জিলা উপায়ুক্তৰ উপৰি জিলা আৰক্ষী অধীক্ষক অৰ্পণা নটৰাজন, অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুন, ইউনিচিএফ সমৰ্থিত ইণ্ডো গ্ল'বেল ছ'চিয়েল ছাৰ্ভিচ ছ'চাইটিৰ ৰাজ্যিক প্ৰগ্ৰেম মেনেজাৰ পৰ্ণা চক্ৰৱৰ্তী, জিলা সমন্বয়ক ৰাজশ্ৰী শইকীয়া, ডিএলচিডব্লিউৰ সমূহ সদস্য, চিডিপিঅ' আৰু অন্যান্য বিভাগৰ মুৰব্বী বিষয়াসকলো উপস্থিত থাকে।

কোচ ৰাজবংশীৰ সমস্যা

১২ পৃষ্ঠাৰ পৰা প্ৰণয়নৰ বাবে প্ৰয়োজনীয় আৰ্থিক মঞ্জুৰিৰ বাবে দাবী জনায়। নতুন শিক্ষানীতি অনুসৰি কোচ ৰাজবংশী অধ্যুষিত অঞ্চলৰ প্ৰাথমিক বিদ্যালয়বোৰত ৰাজবংশী ভাষাৰ শিক্ষাদানৰ বাবে কমেও ৫০০০ গৰাকী ৰাজবংশী ভাষাৰ শিক্ষক নিযুক্তি আৰু গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি আন আন বিশ্ববিদ্যালয়সমূহত ৰাজবংশী ভাষাৰ চাৰ্টিফিকেট কোঁচ মুকলি কৰাৰ বাবে দাবী উত্থাপন কৰে। ৰাজবংশী ভাষা শিক্ষাৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা আৰু ভাৰতৰ সংবিধানৰ অষ্টম অনুসূচীত ৰাজবংশী ভাষাটোক অন্তৰ্ভুক্ত কৰাৰ বাবে অসম চৰকাৰৰ অনুমোদনৰ বাবেও দাবী জনায়। কোচ ৰাজবংশী শিল্পী-সাহিত্যিকসকলক পেঞ্চন প্ৰদানৰ লগতে কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদত ৰাজবংশী ভাষাক চৰকাৰী ভাষা হিচাপে প্ৰয়োগ কৰাৰ কথা উল্লেখ কৰে স্মাৰকপত্ৰখনত। কোচ ৰাজবংশী জনগোষ্ঠীটোক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰি কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ বাহিৰত থকা অন্যান্য পৰিষদবিলাকত কোচ ৰাজবংশী লোকসকলক সম অধিকাৰ প্ৰদানৰো দাবী জনায়। কোচ ৰজা নৰনাৰায়ণ আৰু সেনাপতি চিলাৰায়ৰ নামত কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদত বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় স্থাপন আৰু কামাখ্যা ধামত নৰনাৰায়ণ-চিলাৰায়ৰ স্মৃতি সংগ্ৰহালয় নিৰ্মাণৰো দাবী জনায়। অন্যান্য সাহিত্য সভাৰ নিচিনাকৈ গুৱাহাটীত কোচ-ৰাজবংশী সাহিত্য সভাৰ কাৰ্যালয় আৰু অতিথিশালা নিৰ্মাণৰ বাবে ভূমি আবণ্টন দি প্ৰয়োজনীয় পুঁজি মঞ্জুৰি দিয়াৰ লগতে জনগোষ্ঠীটোৰ অন্যান্য জলন্ত সমস্যাসমূহ সমাধানৰ বাবে একেখন প্ৰেছ বিজ্ঞপ্তিযোগে দাবী জনায় কোচ ৰাজবংশী সাহিত্য সভাই।

নাহৰকটীয়াৰ ৰাঙলী পথাৰত

১২ পৃষ্ঠাৰ পৰা কৰে জিলা বহুমুখী উন্নয়ন আৰু সংবাদ কেন্দ্ৰৰ অধ্যক্ষ ভৱেশ নাহৰ ডেকাই। ইয়াৰ পাছতে নাহৰকটীয়াৰ ক্ষুদ্ৰ ভাৰত নামে জনাজাত ৰাঙলী পথাৰত অনুষ্ঠিত এই সভাখনত হিন্দু সমাজৰ হৈ মেধী দ্বীপেন হাজৰিকা, মুছলমান সমাজৰ হৈ ৰাঙলী পথাৰ মছজিদৰ ইমাম মৌলানা আব্দুল কৰীম, খ্ৰীষ্টিয়ান সমাজৰ হৈ চিএনআই চাৰ্চৰ ৰেভাৰেন মঞ্জিত বাৰলাই সৰ্বধৰ্মীয় প্ৰাৰ্থনা কৰি প্ৰতিষ্ঠানটোৰ লগতে সমগ্ৰ মানৱ জাতিৰ মংগল কামনা কৰে। নাহৰকটীয়াৰ বিধায়ক গগৈয়ে নৱনিৰ্মিত জিলা বহুমুখী উন্নয়ন আৰু সংবাদকেন্দ্ৰৰ কাৰ্যালয়টো উদ্বোধন কৰি কয় যে ১৯৮৭তে প্ৰতিষ্ঠা লাভ কৰা জিলা বহুমুখী উন্নয়ন আৰু সংবাদ কেন্দ্ৰই মূলতঃ মানৱ সম্পদ গঢ়াৰ লগতে বহুমুখ উন্নয়নৰ যি লক্ষ্য-উদ্দেশ্য আগত ৰাখি কাম কৰি আহিছে সেয়া প্ৰশংসনীয়। ভৱিষ্যতে চৰকাৰৰ লগত ব্যক্তিগথভাৱেও সম্পূৰ্ণৰূপে সহায়-সহযোগিতা কৰি যাব বুলি তেওঁ কয়। এই সভাখনত জয়পুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ৰঞ্জিত বুঢ়াগোহাঁই, নাহৰকটীয়া সমষ্টিৰ প্ৰাক্তন বিধায়ক কুসুম্বৰ টাইৰাই গগৈ, বিজেপি নাহৰকটীয়া মণ্ডলৰ সভাপতি গকুল বড়া, নাহৰকটীয়া প্ৰেছ ক্লাবৰ সম্পাদক আব্দুল ৰাজ্জাককে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

নদীদ্বীপ মাজুলীৰ স্বাস্থ্য খণ্ডত

১২ পৃষ্ঠাৰ পৰা যোৰহাট বা ডিব্ৰুগড়লৈ নিব লগা হয়। সেই সময়ত আইচিইউৰ দৰে চিকিৎসা ব্যৱস্থাটো এটা সপোনৰ নিচিনা আছিল। কিন্তু এই সপোনটো বাস্তৱ ৰূপ দিলে মাজুলীৰ গড়মূৰ সত্ৰৰ যুৱক, নুমলীগড় শোধনাগাৰৰ সহকাৰী প্ৰৱন্ধক গোবিন বৰাৰ প্ৰচেষ্টাই। শোধনাগাৰ কৰ্তৃপক্ষ আৰু মাজুলী জিলা প্ৰশাসনৰ লগত অহৰহ যোগাযোগ কৰি আৰু অন্যান্য কামত দিনে-ৰাতিয়ে লাগি এই কক্ষটো ৰাইজৰ বাবে সাজু কৰিলে। ইতিমধ্যে জিলা চিকিৎসা বিভাগ আৰু জিলা প্ৰশাসনে উক্ত আইচিইউৰ বাবে প্ৰয়োজনীয় চিকিৎসাকৰ্মী আৰু চিকিৎসক নিযুক্তি দিছে। মুখ্যমন্ত্ৰীয়ে উদ্বোধনৰ দিনা অতিৰিক্ত চিকিৎসাকৰ্মী আৰু দুজন চিকিৎসকক যোৰহাট মেডিকেল কলেজলৈ প্ৰশিক্ষণৰ বাবে পঠোৱাৰ ব্যৱস্থা কৰিবলৈ চিকিৎসা সঞ্চালকক নিৰ্দেশ দিয়ে। নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষই মাজুলীৰ বাবে বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰৰ আঁচনি লৈ মাজুলীৰ জনগণক সকাহ দি আহিছে। ইয়াৰ ভিতৰত ২০১০ত নৌকা এম্বুলেঞ্চ সেৱা প্ৰদান, যিখনে মাজুলীৰ চিকিৎসা ক্ষেত্ৰত নতুন যুগৰ সূচনা কৰিছিল। অতি কম সময়ৰ ভিতৰতে মাজুলী আৰু যোৰহাটৰ মাজত নদী পথেদি ৰোগী পাৰাপাৰ কৰি বহুতৰ জীৱন ৰক্ষা কৰিছে। এইখনেই অসমৰ নদীপথৰ প্ৰথমখন নৌকা এম্বুলেঞ্চ অনুকৰণ কৰিয়েই পৰৱৰ্তী সময়ত অসম চৰকাৰে মাজুলীৰ লগতে বিভিন্ন জিলাৰ নদীপথত এনেধৰণৰ নৌকা এম্বুলেঞ্চৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি ক'ভিডৰ জটিল পৰিস্থিতিৰ সময়ত ২০২০ত এখন এম্বুলেঞ্চ গাড়ী জিলা প্ৰশাসনক অৰ্পণ কৰি ক'ভিড পৰিস্থিতি মোকাবিলা কৰাত সহায় কৰিছিল। তাৰ লগে লগে জাবৰ-জোঁথৰ নিষ্কাসনৰ বাবে পাঁচখন মিনি ডাম্পাৰ, নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষই মাজুলী জিলা প্ৰশাসনক যোগান ধৰিছে।

বৃদ্ধ পেঞ্চনৰ নামত এমাহত ৫০

১২ পৃষ্ঠাৰ পৰা গগৈয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত সভাখন উদ্বোধন কৰি সন্মিলনৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে ভাষণ দিয়ে সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি সুৰেশ শইকীয়াই। সন্মিলনৰ ডিব্ৰুগড় জিলাৰ সম্পাদক প্ৰমোদ দত্তক আদি কৰি বহু কেইজন বিশিষ্ট ব্যক্তিৰ উপৰি বৃহত্তৰ বৰবৰুৱা অঞ্চলৰ দুই শতাধিক জ্যেষ্ঠ পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। সভাই আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে এখন নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰে। সভাপতি নোমল চন্দ্ৰ গগৈ, কাৰ্যকৰী সভাপতি ধীৰেশ্বৰ গগৈ, উপ-সভাপতি শৰৎ চন্দ্ৰ নেওগ, অজিত কুমাৰ গগৈ, শোভা পাত্ৰ, ৰাজকুমাৰী গগৈ আৰু মুহিধৰ বৰা। সাধাৰণ সম্পাদক সুৰেশ কালিন্দী, সহকাৰী সম্পাদক সদা বৰুৱা, চিদানন্দ গগৈ, জেকেধৰ চুতীয়া, জিতেন বৰুৱা। সাংগঠনিক সম্পাদক উপমা দুৱৰা, অতিচৰ দণ্ডচুটাৰ, নিৰ্মলা শৰ্মা, কনক নেওগ আৰু চুচেন গগৈ।

নাজিৰা কবি সন্মিলনৰ চোতাল অনুষ্ঠান

১২ পৃষ্ঠাৰ পৰা জনচেৰেকৰ এনে কৰ্ষণে অসমীয়া কবিতালৈ ইতিবাচকতা কঢ়িয়াই আনিছে বুলি কোৱাৰ লগতে শব্দক বুলেটৰ ৰূপত প্ৰয়োগ কৰি সমাজক সমালোচনা কৰিবলৈ কবি প্ৰস্তুত থাকিব লাগিব বুলি কয় একালৰ ইংৰাজী সাহিত্যৰ অধ্যাপক আৰু অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত যুটীয়া সচিব সোণাৰাম খনিকৰে। শিৱসাগৰ জিলা কবি সন্মিলনৰ নৱনিৰ্বাচিত সম্পাদক সুৰেশ ভূঞাই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা কাৰ্যসূচীত বক্তব্যৰে আদৰণি জনায়। নাজিৰা কবি সন্মিলনৰ সভাপতি অজিত খাটনিয়াৰে। নাজিৰা কবি সন্মিলনৰ সম্পাদক হৰেন চন্দ্ৰ নাথে আঁত ধৰা কাৰ্যসূচীৰ উদ্বোধন কৰে গড়গাঁও কলেজৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ক্ষীৰোদ গগৈয়ে। নাজিৰাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপে স্বৰচিত কবিতা পাঠেৰে কাব্যপাঠৰ শুভাৰম্ভ কৰে। বিশিষ্ট কবি-সমালোচক ৰাজীৱ বৰা, নতুন সাহিত্য পৰিষদৰ শিৱসাগৰ জিলাৰ সভাপতি দিলীপ ফুকন, জ্যেষ্ঠ সাংবাদিক বীৰেণ শৰ্মা, শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ড° জীৱন কলিতা, নাজিৰা কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি তৰুণ চন্দ্ৰ নাথ, সাংবাদিক ভাস্কৰজ্যোতি বৰগোহাঁই বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। স্বৰচিত কবিতা পাঠ কৰে নীলাক্ষি দত্ত বৰুৱা, মঞ্জু ঘৰফলীয়া বৰা, নবাব নাৰ্জী ইছলাম, লাৱণ্য দত্ত ফুকন, অনামিকা বৰা, সিদ্ধান্ত বৰগোঁহাই, দেৱানন্দ দত্ত, ৰবীন বৰঠাকুৰ, মিতালী শৰ্মা, সুৰেশ ভূঞা, প্ৰণীতা দত্ত, হেমন্ত ৰাজখোৱা, অৰুণা চেতিয়া খাটনিয়াৰ, শিখা বুঢ়াগোঁহায়ে। শিৱপ্ৰসাদ শইকীয়া, নিৰুপমা দত্তই গীত পৰিৱেশন কৰে।

মঙলদৈৰ ডাউকাপাৰাত ৩৪ সংখ্যক

১২ পৃষ্ঠাৰ পৰা উদ্‌যাপন সমিতিৰ সভাপতি চিকন চন্দ্ৰ ডেকা আৰু সম্পাদক ঘটেশ্বৰ ডেকাই সদৰী কৰা মতে, পুৱা ৭.৪৫ বজাত নখোৱা উপলক্ষে ৰান্ধনীশাল উন্মোচন কৰিব উপদেষ্টা ধ্ৰুৱ ডেকাই। ইয়াৰ পাছতে শৰাই, সমূহীয়া প্ৰাৰ্থনা অনুষ্ঠিত হোৱাৰ পাছতে ভাগৱত পাঠ কৰিব টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক প্ৰমোদ ডেকাই। আনহাতে, দিনৰ ন বজাত অনুষ্ঠিত হ'বলগীয়া ভাগৱত শোভাযাত্ৰাৰ পাছতে অনুষ্ঠিত হ'ব 'জাতীয় লোক কৃষ্টিবোৰে এটা জাতিৰ ভেটি নিৰ্মাণ কৰে' শীৰ্ষক বিষয়ৰ আলোচনাচক্ৰ। অৱসৰী ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত উপাধ্যক্ষ ভাৰত ভূষণ মহন্তৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰখনত টংলা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ঘটেশ্বৰ বৰুৱা, ঘন হাজৰিকা, টংলা উঃ মাঃ বিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰুৱা, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ তথা প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, লেখক, সাংবাদিক মুকুট ৰাজ শৰ্মা, কৃতী শিক্ষক সৎৰাম ডেকা, শশাংক হাজৰিকা, উপদেষ্টা লোহিত ডেকা আদি বিশিষ্ট লোকে অংশগ্ৰহণ কৰিব।

ৰঙাপৰাত হাতী-মানুহৰ সংঘাত দূৰ

১২ পৃষ্ঠাৰ পৰা হাতী-মানুহৰ সংঘাত ৰোধ কৰিবলৈ বনাঞ্চল ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰিব লাগিব বুলি কয়। বিশ্ব বন্যপ্ৰাণী সংস্থাৰ হিতেন বৈশ্যই কয় যে হাতীৰ শৰীৰত ৰেডিঅ' কলাৰ লগোৱা হৈছে যদিও হাতী-মানুহৰ সংঘাত ৰোধ কৰিবলৈ পৰিকল্পনাসহ আগবাঢ়িব লাগিব। বনকৰ্মী বীৰেন ৰাভাই নিজৰ দীৰ্ঘদিনীয়া কামৰ অভিজ্ঞতাৰ ফালৰ পৰা উল্লেখ কৰে। হাতীৰ জাকসমূহক গোটৰ জৰিয়তে সোণাই-ৰূপাই আৰু নামেৰী বনাঞ্চলত খেদিব পৰা যাব বুলি কয়। উক্ত সভাত উপস্থিত থকা সহকাৰী বন বিষয়া আব্বাছ ডেনিছে হাতীৰ অৱস্থান সম্পৰ্কে জানি-বুজি লৈ হাতীসমূহ খেদাৰ পৰিকল্পনা কৰিব লাগে বুলি কয়। সভাত চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়া অদিতি গগৈ; ৰঙাপৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেবেন বৰা উপস্থিত হৈ পৰিকল্পিতভাৱে হাতীসমূহ খেদাৰ লগতে যাতে কাৰো জীৱন-সম্পত্তি অনিষ্ট নহয় তাৰ প্ৰতি সজাগ হ'ব লাগে বুলি কয়। সভাত ধেন্দাই চাহ বাগিচাৰ পৰিচালক এ আহমেদ, বৰজুলি চাহ বাগিচা, আদাবাৰী চাহ বাগিচা, ধুলাপাদুং চাহ বাগিচা, ফুলবাৰী চাহ বাগিচা, তাৰাজুলি চাহ বাগিচা আদি সহ পৰিচালকসকল আৰু বাগিচাৰ প্ৰতিনিধিসকল উপস্থিত আছিল।

অৱহেলিত নানকাৰভয়ৰাৰ প্ৰসন্ন

১২ পৃষ্ঠাৰ পৰা চৌধুৰীৰ সান্নিধ্য লাভ কৰিছিল। তাত শংকৰ-মাধৱদেৱৰ সৃষ্ট বৰগীত মেধিৰ কণ্ঠত বাণীবদ্ধ হৈছিল। ১৩ বাৰকৈ মেধিৰ কণ্ঠত বাণীবদ্ধ কৰিছিল সেই গীত আৰু প্ৰচাৰো কৰিছিল গীতসমূহ। আনহাতে, ১৯৯৫ত দূৰদৰ্শন কেন্দ্ৰত বাণীবদ্ধ কৰিছিল মেধিৰ কণ্ঠৰ সুমধুৰ গীতৰ সুৰ।

সকলো কৰি যাওঁতে অৰ্থৰ অভাৱে বাৰুকৈয়ে প্ৰভাত পেলাইছিল যদিও হতাশ নহৈ কৰি গৈছিল নিত্য চৰ্চা। তাৰ মাজতে পৰম্পৰাগত কৰ্মকাণ্ড চলাই সমাদৰ লাভ কৰে মেধিয়ে। মানুহৰ মৰম-স্নেহ আৰু ভালপোৱাক নেওচিব নোৱাৰি প্ৰতিদিনে মানুহৰ ঘৰে ঘৰে লাভকৰা নিমন্ত্ৰণ ৰক্ষা কৰাৰ উপৰি ঘুলিসত্ৰত পালন কৰে নিয়ম-মাফিক অনুষ্ঠান। আগৰ চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগত বহুবাৰ শিল্পী পেঞ্চনৰ বাবে আবেদন কৰি কৰি ভাগৰি পৰিছে শিল্পীজন। ৭০ বছৰতো শিল্প সংস্কৃতি সাধনাত সদাব্যস্ত থকা মেধিয়ে দুৰদৰ্শন, অনাতাঁৰ কেন্দ্ৰৰ পত্ৰ, নলবাৰী শিল্পী সাংস্কৃতিক সংঘৰ প্ৰশস্তিপত্ৰ লৈ সাংস্কৃতিক সঞ্চালকালয়ৰ ওচৰলৈ নিজে তাঁতবাটি কাঢ়িও আজিলৈকে নাপালে শিল্পী পেঞ্চন। এফালে, অভাৱ-অনাটন- বেমাৰ-আজাৰ আনপিনে শিল্পী প্ৰাণৰ উকমুকনি। এতিয়াও বাদ দিয়া নাই শিল্প সাধনা। শিল্পীপেঞ্চন নাপায় আশাহত মেধিৰ মনলৈ প্ৰশ্ন আহিছে শিল্পী পেঞ্চনৰ বাবে আৰু কি কি অৰ্হতা বা কিমানবাৰ আবেদন কৰিলে পেঞ্চন পোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰি?

ঢেকিয়াজুলিত ৰাসোৎসৱৰ সফল

১২ পৃষ্ঠাৰ পৰা বৰ্মনে। যুৱক সংঘৰ সভাপতি প্ৰবীণ কুমাৰ শইকীয়া, প্ৰাক্তন সভাপতি হেমন্ত মংগল বৰদলৈৰ উপস্থিতিত সম্পাদক মৃদুপৱন বৰা, সদস্য সিদ্ধাৰ্থ শংকৰ শইকীয়াই আঁতধৰা অনুষ্ঠানতেই যুৱক সংঘৰ আজীৱন সদস্য, অৱসৰ প্ৰাপ্ত অধ্যক্ষ গজেন বৰদলৈয়ে প্ৰয়াত পিতৃ উপেন বৰদলৈ সোঁৱৰণত যুৱক সংঘলৈ আগবঢ়োৱা তৃতীয় কিস্তিৰ হেজাৰ টকা আৰু বোকাখাতৰ ব্যৱসায়ী নৈতিক বৰগোহাঁইয়ে এটা' অনুভাষযন্ত্ৰ আগবঢ়াই আৰু তেওঁলোককো সংঘই আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। আনহাতে, কঁহাৰ গাঁৰৰ প্ৰাঞ্জল যুৱ সমাজৰ উদ্যোগতো ১৯-২০ নৱেম্বৰত ৰাসোৎসব উদ্‌যাপিত হয়। ৰাসোৎসৱৰ প্ৰাক্মুহূৰ্তত হায়দৰাবাদ প্ৰৱাসী অসমীয়া সাংস্কৃতিক গোষ্ঠী সমিতিৰ উদ্যোগত প্ৰথমবাৰৰ বাবে যোৱা ১৪ নৱেম্বৰত হাইদৰাবাদত আয়োজিত শ্ৰীকৃষ্ণৰ পূজা-অৰ্চনা আৰু ভাওনা প্ৰদৰ্শনত যোৰহাটৰ বৃন্দাবন নাট্যগোষ্ঠীৰ হৈ অভিনয় কৰি ভাওনা জগতলৈ গৌৰৱ কঢ়িয়াই অনা প্ৰাঞ্জল যুৱ সমাজৰ সদস্য তথা অভিনেতা জিতু বৰাক যুৱ সমাজৰ তৰফৰ পৰা উষ্ম সম্বৰ্ধনা জনোৱা হয়। দিলীপ বৰাই আঁতধৰা অনুষ্ঠানত যুৱ সমাজৰ সভাপতি দীপক চন্দ্ৰ কোঁৱৰ, উপদেষ্টা পৰাগজ্যোতি দত্ত, আঞ্চলিক ভাওনা সন্মিলনৰ সম্পাদক প্ৰণৱ বৰদলৈ সম্পাদক দীপাংকৰ বৰাই অংশ গ্ৰহণ কৰে। ৰাসোৎসৱৰ নাটৰ মুখ্য পৰিচালক পৰাগজ্যোতি দত্ত, সহ-জিতু বৰা, দিলীপ বৰাৰ পৰিচালনাত কংসৰ চৰিত্ৰত দেৱাশ্ৰী হাজৰিকা, জিতু বৰা, দৈৱকীৰ ভাৰত ৰুমাক্ষী বৰা, সুস্মিতা কোঁৱৰ, বসুদেৱৰ ভাৰত বিশাল দত্ত আৰু দিগন্ত কলিতাৰ লগতে শংখচুৰৰ চৰিত্ৰত বিপ্লৱ বৰাৰ অভিনয়ে দৰ্শক মুগ্ধ কৰে।

গ্ৰামসেৱকৰ সেৱাৰ পৰা বঞ্চিত কৃষক

১২ পৃষ্ঠাৰ পৰা পোনাৰকাউনীয়া, খাতিকুছি, কুন্দৰগাঁও, দতৰা, সানেকুছি, চিলিং, বৰাজোল আৰু চত্ৰা নামেৰে মুঠ ন টা অঞ্চল গঠন কৰা হৈছে। প্ৰাপ্ত তথ্য মতে, এই কাৰ্যালয়টোত মাত্ৰ দুগৰাকী গ্ৰামসেৱক আছে যদিও বৃহত্তৰ অঞ্চলসমূহ এই দুয়োজন গ্ৰামসেৱকে সামৰি ল'ব পৰা নাই। কৃষকসকলে আধুনিক কৃষিকৰ্মৰ নাম শুনিছে যদিও বৰ্তমানলৈ আওপুৰণি পদ্ধতিৰ কৃষিকৰ্ম চলাই আছে। কৃষিকৰ্মচাৰীৰ অভাৱত বৃহত্তম ঘগ্ৰাপ্ৰ অঞ্চল কৃষকসকলে বিভিন্ন সময়ত কৰা খেতিত ৰোগৰ প্ৰাদুৰ্ভাৱ হ'লে কীট-পতংগই আক্ৰমণ কৰিলে দিহা-পৰামৰ্শ নোপোৱাত কৃষকসমাজ লোকচানৰ সন্মুখীন হৈ অহা বুলিও অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে বৃহত্তৰ অঞ্চল কৃষকসকলে শ শ বিঘা মাটিত আওপুৰণি প্ৰথাৰেই কৃষি কাৰ্য চলাবলৈ বাধ্য হৈছে। কেতিয়াবা একাংশ খেতিয়কে অধিক ফচল পোৱাৰ আশাত কঠোৰ পৰিশ্ৰম কৰিও প্ৰাপ্য ফচল পোৱাৰ পৰা বঞ্চিত হোৱাৰ উদাহৰণ আছে। কৃষিৰ বাবে উপযুক্ত মাটি তথা অধিক উৎপাদনৰ প্ৰচুৰ সম্ভাৱনা থকা সত্বেও একমাত্ৰ অনভিজ্ঞতাৰ বাবে ইয়াৰ অধিকাংশ কৃষি ব্যৱস্থা ধ্বংসৰ গৰাহলৈ গৈ আছে বুলি চৰ্চিত হৈছে। বাস্তৱ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ চৰম উদাসীনতা আৰু কৃষিমন্ত্ৰীৰ অৱহেলাৰ বাবে কৃষি বিভাগটোৰ ফোঁপোলা স্বৰূপটোকে উদঙাই দিছে বুলি যুৱ-ছাত্ৰ পৰিষদে অভিযোগত প্ৰকাশ কৰিছে। ইফালে, কৃষি আৰু কৃষকৰ উন্নতিৰ বাবে কৃষি বিজ্ঞানৰ পৰা প্ৰকৃত কৃষকসমাজ সুফল পোৱাৰ পৰা বঞ্চিত হোৱাই নহয়, চৰকাৰৰ বিশেষ আঁচনিৰ জৰিয়তে কৃষি বিভাগে কৃষকৰ বাবে বিনামূলীয়াকৈ আগবঢ়োৱা বিভিন্ন সা-সুবিধাবোৰৰ পৰাও ইয়াৰ কৃষকসমাজে বছৰ বছৰ ধৰি বঞ্চিত হৈ আহিছে বুলি যুৱ-ছাত্ৰ পৰিষদে অভিযোগ তুলিছে। ইপিনে, দীৰ্ঘবছৰ ধৰি কৃষি বিভাগৰ অকৰ্মণ্যতাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ প্ৰকৃত কৃষকসমাজে চৰকাৰে আৱণ্টন দিয়া সাৰ, বীজ, কীটনাশক দ্ৰব্য, কৃষি, সা-সঁজুলি, স্প্ৰে'মেচিন, ট্ৰেক্টৰ, পাৱাৰটিলাৰ, কৃষি সাহাৰ্য্য আদি পৰাও বঞ্চিত হৈ আহিছে বুলিও অভিযোগ দীৰ্ঘদিনীয়া।

মৰিয়নিত ঘৰুৱা গেছ পাইপ লাইন

১২ পৃষ্ঠাৰ পৰা 'কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশৰে সৰু সৰু চহৰসমূহত পাইপি গেছৰ ঘৰুৱা সংযোগ দিয়াৰ প্ৰচেষ্টা হাতত লোৱাৰ লগতে ইয়াৰ বাবে দিবলগীয়া ধনৰ ক্ষেত্ৰতো যথেষ্ট শিথিলতা আনিছে। যাতে সকলো লোকেই ঘৰুৱা পাইপ গেছৰ সুবিধা ল'ব পাৰে। তেওঁ লগতে দুই এদিনতে এই ঘৰুৱা পাইপ গেছৰ লাইনৰ সংযোগ দিয়াৰ কাম আৰম্ভ হ'ব বুলিও উল্লেখ কৰে। তেওঁ কয় যে, ''অসমত ঘৰুৱা পাইপ গেছৰ বাবে পৰ্যাপ্ত পৰিমাণৰ গেছ নাই। সেইবাবে অসমৰ বাহিৰৰ পৰা প্ৰয়োজনীয় গেছ অনাৰ প্ৰস্তুতি চলাই থকা হৈছে। ইয়াৰ বাবে পূৰ্ব ভাৰতী নামেৰে এক অনুষ্ঠানো গঢ়ি তোলা বুলি মন্ত্ৰীজনে প্ৰসংগক্ৰমে উল্লেখ কৰে। ব্ৰহ্মপুত্ৰৰ সিপাৰৰ লোকৰ লগতে চাহ বাগিচা আৰু অন্যান্য উদ্যোগসমূহতো যাতে গেছৰ যোগান ধৰিব পৰা যায় তাৰ ব্যৱস্থা অতি সোনকালেই কৰা হ'ব বুলিও কেন্দ্ৰীয় মন্ত্ৰী তেলীয়ে মন্তব্য কৰে। উল্লেখ্য যে ঘৰুৱা পাইপ গেছৰ সংযোগৰ বাবে ৫০০ টকাৰে আবেদন কৰিব লাগিব। ইয়াৰ বাবে প্ৰতিগৰাকী গ্ৰাহকে মাহে ৯০ টকাকৈ ১০ বছৰৰ বাবে মাহেকীয়া কিস্তি হিচাপত পইচা আদায় দিব লাগিব বুলি কয়। স্বাভাৱিকতে এই বিষয়টোৱে মৰিয়নিবাসীলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিছে। ইফালে, ই-শ্ৰম কাৰ্ডৰ পঞ্জীয়ন শিবিৰৰ উদ্বোধন কৰি তেওঁ কয় যে সমগ্ৰ দেশৰ ৩৮ কোটি অসংগঠিত শ্ৰমিক লোকক এই কাৰ্ডৰ জৰিয়তে সামৰি লোৱা হ'ব। ইতিমধ্যে ন কোটি তেনে লোকক কাৰ্ড প্ৰদান কৰা হ'ব বুলিও উল্লেখ কৰে। মৰিয়নি সমষ্টিৰ অতি কমেও ১০ হেজাৰ তেনে লোকৰ কাৰ্ড বনাই পঞ্জীয়ন কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। আনহাতে, পঞ্জীয়নভুক্ত হোৱা অসংগঠিত শ্ৰমিকৰ দুই লাখ টকাৰ বীমা হ'ব। দুৰ্ঘটনাত মৃত্যু হ'লে তেওঁৰ পৰিয়ালে দুই লাখ টকা লাভ কৰাৰ বিপৰীতে আহত হ'লে এক লাখ টকালৈকে লাভ কৰিব তেনে পঞ্জীয়নভুক্ত অসংগঠিত শ্ৰমিকে। এই কাৰ্ডৰ বাবে ১৪ বছৰৰ পৰা ৫৯ বছৰ বয়সৰ লোকে এই কাৰ্ড বনাব পাৰিব। উল্লেখ্য যে অসংগঠিত শ্ৰমিকসকলৰ সামাজিক নিৰাপত্তা প্ৰদানৰ বাবে এক ৰাষ্ট্ৰীয় তথ্যকোষ প্ৰস্তুত কৰি থকা হৈছে আৰু ইতিমধ্যে যোৰহাট জিলাত প্ৰায় ৩৬,৭০০ গৰাকী তেনে লোকক পঞ্জীয়নভুক্ত কৰা হৈছে। অতি শীঘ্ৰেই বাকী থকা তেনে লোকৰো পঞ্জীয়ন কৰা হ'ব বুলি বিভাগীয় বিষয়াই কয়। ইয়াৰ পূৰ্বে যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে আদৰণি ভাষণ প্ৰদান কৰা সভাখনত শলাগৰ শৰাই আগবঢ়ায় মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। সভাখনত অসম গেছ কোম্পানী লিমিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, অসম গেছ কোম্পানী লিমিটেডৰ মাৰ্কেটিং মহাপ্ৰৱন্ধক মনোজ বৰুৱা, যোৰহাটৰ সহকাৰী শ্ৰম আয়ুক্ত জগত জীৱন দত্তয়ো বক্তব্য প্ৰদান কৰে। তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, অসম গেছ কোম্পানী লিমিটেডৰ জ্যেষ্ঠ প্ৰৱন্ধক মনোজ কুমাৰ বৰদলৈ, ডিব্ৰুগড় বিমান বন্দৰ প্ৰাধিকৰণৰ সদস্য সত্যনাৰায়ণ আগৰৱালা, মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন শইকীয়া, মৰিয়নি জ্যেষ্ঠ নাগৰিক সন্মিলনিৰ সভাপতি ধীৰেন্দ্ৰ নাথ দত্ত আদি উপস্থিত থকা সভাখনত পঞ্জীয়ন কৰা বহুকেইজন অসংগঠিত শ্ৰমিকক ই-শ্ৰম কাৰ্ড প্ৰদান কৰা হয়। এওঁলোকক কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীসহ আন আমন্ত্ৰিত অতিথিসকলে ই-শ্ৰম কাৰ্ড প্ৰদান কৰে। লক্ষ্যণীয় যে ৰামেশ্বৰ তেলীয়ে মৰিয়নিত প্ৰথমবাৰলৈ কেন্দ্ৰীয় মন্ত্ৰী হিচাপে অংশগ্ৰহণ কৰে।

৩০ নৱেম্বৰৰ ভিতৰত বকেয়া ধন আদায় নাপালে বন্ধ হ'ব চাউল যোগান জিলা সমবায় সন্থাৰ

বিনামূলীয়া চাউল বিতৰণ নকৰাৰ হুংকাৰ

অগ্ৰদূত বাৰ্তা

মুছলপুৰ, ২৫ নৱেম্বৰ ঃ ৰাজ্য তথা কেন্দ্ৰ চৰকাৰে বিভিন্ন আঁচনিৰ জৰিয়তে সমবায়সমূহৰ দ্বাৰা ৰাইজক বিনামূলীয়া চাউল যোগান ধৰি আহিছে। কিন্তু বিনামূলীয়া চাউল বিতৰণৰ ক্ষেত্ৰত সমবায়সমূহে যি ব্যয় বহন কৰি আহিছে সেই ব্যয়ৰ সিংহ ভাগেই এতিয়াও সমবায়সমূহে আদায় পোৱা নাই। তদুপৰি বিতৰণৰ বাবে যি কমিছন পাব লাগে সেই কমিছনো সম্পূৰ্ণ আদায় দিয়া নাই। ফলত সমবায়সমূহে তীব্ৰ অৰ্থ সংকটত ভুগিব লগাত পৰিছে। আজি বাগ্‌সা জিলা সমবায় সন্থাই তেওঁলোকৰ সমস্যাসমূহ শীঘ্ৰে সমাধান কৰাৰ দাবীত বাগ্‌সা জিলা উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰ প্ৰদানৰ অন্তত সন্থাৰ সভাপতি-সম্পাদক ক্ৰমে বালক দাস আৰু প্ৰদীপ দাসে কয় যে বাগ্‌সা জিলাৰ অন্তৰ্গত প্ৰতিখন সমিতিয়ে বিগত ২০১৭ৰ আগষ্টৰ পৰা বৰ্তমানলৈ ৬০ লাখৰ পৰা এক কোটি টকা পৰ্যন্ত পাব আছে। ফলত সমবায় সমিতিসমূহৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। আনকি বহু সমবায় সমিতি অৰ্থৰ অভাৱত মৃত্যুৰ ক্ষণ গণি থাকিব লগা হৈছে। যদি ৩০ নৱেম্বৰৰ ভিতৰত চৰকাৰে সমবায় সমূহক পাব লগা বকেয়া ধন আদায় নিদিয়ে তেনেহ'লে অহা ৩১ ডিচেম্বৰৰ পৰা সমবায় সমিতিসমূহে চাউল বিতৰণ সম্পূৰ্ণ বন্ধ কৰিব। আনহাতে, সমবায়সমূহে ভাৰতীয় খাদ্য নিগমৰ ভঁৰালৰ পৰা চাউল উত্তোলন কৰোতে চাউলৰ বস্তাত যিমান ওজনৰ চাউল থাকিব লাগে তাতকৈ কম পৰিমাণৰ চাউল থকাত বিতৰণত যথেষ্ট অসুবিধাত পৰিব লগা হয় সমবায়সমূহে। সেয়েহে প্ৰতি বস্তাত কম হোৱা বাবদ প্ৰতি কুইন্টাল চাউলৰ পৰা ডেৰ কিলোগ্ৰামকৈ চাউল ৰেহাই দিয়াৰ বাবে চৰকাৰক তেওঁলোকে দাবী জনায়। ইপিনে, প্ৰতি কুইন্টল চাউলৰ পৰিবহণ খৰচ ১৩৬ টকাৰ বিপৰীতে ২৩৬ টকা কৰাৰ বাবে তেওঁলোকে দাবী জনায়। বিটিআৰ অঞ্চলত সমবায় সমিতিসমূহে পাব লগা কমিছন আৰু পৰিবহণ খৰচসমূহ জিলা উপায়ুক্তৰ জৰিয়তে আদায় দিয়াৰ বাবেও দাবী জনায় সমবায় সন্থাটোৱে। আনহাতে, প্ৰতি কুইন্টল চাউলৰ কমিছন ৪২ টকাৰ পৰিৱৰ্তে ৫০ টকালৈ বৃদ্ধি কৰাৰ বাবে সন্থাই দাবী জনায়। তদুপৰি পূৰ্বৰ এ এ ৱাই আৰু এম এম এ এছ ৱাই চাউলৰ পাবলগীয়া বকেয়া পৰিবহণ আৰু কমিছন বিলৰ ধন অতি শীঘ্ৰে আদায় দিবলৈ চৰকাৰক দাবী জনায়।

সঠিক সময়ত পৰীক্ষা অনুষ্ঠিত আৰু ফলাফল ঘোষণাৰ দাবীত চিৰাঙৰ মহাবিদ্যালয়ত এবছুৰ সহযোগত ধৰ্ণা। বৃহস্পতিবাৰে।

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বাণিজ্য শাখাৰ উদ্যোগত খাদ্য মহোৎসৱ

অগ্ৰদূত বাৰ্তা

দোতমা, ২৫ নৱেম্বৰ ঃ কোকৰাঝাৰৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ত বাণিজ্য শাখাৰ উদ্যোগত বিশ্ব বাণিজ্য দিৱসৰ স'তে সংগতি ৰাখি খাদ্য মহোৎসৱ অনুষ্ঠিত হয়। উক্ত মহোৎসৱত বিশ্ববিদ্যালয়খনৰ বাণিজ্য বিভাগৰ শিক্ষাৰ্থীসকলে বিভিন্ন ধৰণৰ দোকান খুলি ব্যৱসায় বাণিজ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলি শিক্ষাৰ্থীসকলে প্ৰকাশ কৰে। আজি খাদ্য মহোৎসৱত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে পৰম্পৰাগত খাদ্যৰ লগতে অইন অইন খাদ্য সম্ভাৰৰো দোকান খুলি ভৱিষ্যৎ প্ৰজন্মক পথ দেখুৱাবলৈ চেষ্টা অব্যাহত ৰাখিছে। উক্ত অনুষ্ঠানত উপস্থিত থাকি বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ দেবনাথে কয় যে বাণিজ্য বিভাগৰ শিক্ষাৰ্থীসকলে স্নাতকোত্তৰ উত্তীৰ্ণ হোৱাৰ পাছত যাতে নিবনুৱা হৈ থাকিব নালাগে তাৰ বাবে উক্ত কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

টিহুত জলসিঞ্চন বিভাগৰ সংমণ্ডল কাৰ্যালয় স্থাপনৰ দাবী টিহু আঞ্চলিক কৰ্মচাৰী পৰিষদৰ

অগ্ৰদূত বাৰ্তা

টিহু, ২৫ নৱেম্বৰ ঃ পাটাছাৰকুছি বিধানসভা সমষ্টিৰ অন্তৰ্গত টিহুত প্ৰস্তাৱিত জলসিঞ্চন বিভাগৰ সংমণ্ডল কাৰ্যালয়ৰ কাম-কাজ শীঘ্ৰে আৰম্ভ কৰিবলৈ দাবী জনাইছে টিহু আঞ্চলিক কৰ্মচাৰী পৰিষদে। টিহু আঞ্চলিক কৰ্মচাৰী পৰিষদে উল্লেখ কৰে যে ১৯৮৭ত তদানীন্তন অসম চৰকাৰে টিহুত স্থাপন কৰা 'টিহু দক্ষিণ বজালী যান্ত্ৰিক সংমণ্ডল' আৰু 'টিহু অনুসন্ধান সংমণ্ডল' কাৰ্যালয় দুটা টিহুৰ পৰা স্থানান্তৰৰ বাবে চৰকাৰে গ্ৰহণ কৰাৰ পাছত টিহুত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। জলসিঞ্চন বিভাগৰ উক্ত কাৰ্যালয় দুটা টিহুৰ পৰা স্থানান্তৰ কৰাৰ প্ৰতিবাদত টিহুৰ দল-সংগঠনসমূহে আনকি প্ৰতিবাদী কাৰ্যসূচীও গ্ৰহণ কৰিছিল। এনে পৰিস্থিতিত টিহুবাসী ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই চৰকাৰে পাঠশালাস্থিত জলসিঞ্চন বিভাগৰ সংমণ্ডল কাৰ্যালয়টো টিহুত স্থাপনৰ আশ্বাস দিয়ে। পৰৱৰ্তী সময়ত অসমৰ মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত অনুমোদন দিয়াত স্থানীয় বিধায়ক তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে পাঠশালাত থকা জলসিঞ্চন বিভাগৰ সংমণ্ডল পৰ্যায়ৰ কাৰ্যালয়টো টিহুত স্থাপন কৰাৰ বিষয়ে ঘোষণা কৰে। টিহু আঞ্চলিক কৰ্মচাৰী পৰিষদে উদ্বেগৰে প্ৰকাশ কৰে যে ঘোষণা কৰাৰ তিনিমাহ পাছতো পাঠশালাস্থিত এই কাৰ্যালয়টো আজি পৰ্যন্ত টিহুলৈ স্থানান্তৰ নহ'ল। ইয়াৰ বিপৰীতে কাৰ্যালয়ত কৰ্মৰত কৰ্মচাৰীসকলক টিহু কোষাগাৰৰ পৰিৱৰ্তে পাঠশালা কোষাগাৰৰ জৰিয়তে দা-দৰমহা দিয়াৰ ব্যৱস্থা কৰা হৈছে। টিহু আঞ্চলিক কৰ্মচাৰী পৰিষদে বিগত তিনিমাহে কাৰ্যালয়টো টিহুলৈ স্থানান্তৰিত নোহোৱাত আক্ষেপ প্ৰকাশ কৰি টিহুবাসীৰ আবেগ জড়িত এই কাৰ্যালয়টো শীঘ্ৰে টিহুলৈ স্থানান্তৰৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক দাবী জনাইছে।

বৰমাৰ পৰা নিৰুদ্দেশ হোৱা কিশোৰী মানকাচৰত উদ্ধাৰ

মানকাচৰ, ২৫ নৱেম্বৰ ঃ দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ মানকাচৰ আৰক্ষী থানাৰ আৰক্ষী আৰু বাগ্‌সা জিলাৰ বৰমা আৰক্ষী থানাৰ আৰক্ষীৰ দল এটাই যৌথভাৱে অভিযান চলাই মানকাচৰৰ পূবেৰ গাঁৱৰ পৰা নাবালিকা কিশোৰী এগৰাকীক উদ্ধাৰ কৰে। প্ৰাপ্ত অভিযোগ মতে, বাগ্‌সা জিলাৰ বৰমা আৰক্ষী থানাৰ অন্তৰ্গত কানীল ৰামেশ্বৰী নামৰ লোক এগৰাকীৰ নাবালিকা ভতিজী বৰমাৰ বনগাঁৱৰ পৰা নিৰুদ্দেশ হোৱা বুলি যোৱা ২২ নৱেম্বৰত বৰমা আৰক্ষী থানাত ১২০/২০২১ নম্বৰত এটা গোচৰ ৰুজু কৰিছিল। বৰমা আৰক্ষী থানাৰ আৰক্ষীয়ে কিশোৰীগৰাকী মানকাচৰত থকাৰ তথ্য লাভ কৰে। যোৱা ২৩ নৱেম্বৰৰ নিশা বৰমা আৰক্ষী থানাৰ আৰক্ষীৰ দল এটাই মানকাচৰ আৰক্ষী থানাত উপস্থিত হয়। নাবালিকাগৰাকীৰ উদ্ধাৰৰ বাবে মানকাচৰ আৰক্ষী থানাৰ আৰক্ষী আৰু বৰমা আৰক্ষী থানাৰ আৰক্ষীৰ দলে যৌথ অভিযান চলাই নাবালিকাগৰাকীক মানকাচৰ পূবেৰ গাঁৱৰ আমানত আলী নামৰ যুৱক এজনৰ ঘৰৰ পৰা উদ্ধাৰ কৰে। পাছত নাবালিকাগৰাকীৰ অভিভাৱকক কিশোৰীগৰাকী চমজাই দিয়ে। লক্ষ্যণীয় যে উক্ত নাবালিকা কিশোৰীগৰাকীৰ মানকাচৰৰ আমানত আলী নামৰ যুৱকৰ স'তে প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল। উক্ত প্ৰেমৰ সম্পৰ্কৰ বাবেই নাবালিকা কিশোৰীগৰাকী ঘৰৰ পৰা পলাই মানকাচৰৰ প্ৰেমিকৰ ঘৰলৈ আহিছিল।

প্ৰেমিকাৰ ঘৰৰ পৰা নাবালিকা কিশোৰীগৰাকীক উদ্ধাৰ কৰে আৰক্ষীয়ে

জনজাতিকৰণৰ দাবীত নাজিৰাত আটাছুৰ অৱস্থান ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

নাজিৰা, ২৫ নবেম্বৰ ঃ তাই আহোম জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত আজি নাজিৰা নগৰত সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু) নাজিৰা মহকুমা সমিতিৰ উদ্যোগত আৰু মহকুমাৰ অন্তৰ্গতসমূহ আঞ্চলিকৰ সহযোগত তাই আহোম জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত দুঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক তাই আহোমসকলক জনজাতিকৰণ কৰিবলৈ দাবী জনায়। বাৰে বাৰে এনেদৰে তাই আহোমসকলক প্ৰতাৰণা কৰিলে ইয়াতকৈ ভয়াৱহ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও সকীয়াই দিয়ে। অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ পাছতে আটাছুৰ নাজিৰা মহকুমা সমিতিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ নাজিৰা মহকুমা প্ৰশাসনৰ যোগেদি তাই আহোম জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত আটাছুয়ে এটা জনগোষ্ঠীৰ সকলো বৈশিষ্ট্য থকাৰ পাছতো স্বাধীনোত্তৰ পাছৰে পৰা প্ৰতিখন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আহোম জনগোষ্ঠীক নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে বুলি অভিযোগ কৰে। বিগত ২০১৬ আৰু ২০২১ৰ নিৰ্বাচনত জনগোষ্ঠীটোৱে বহু আশাৰে বিজেপিক ভোট দি জয়যুক্ত কৰি অহাৰ পাছতো জনজাতিকৰণ নকৰাকৈ থকাত ক্ষোভ প্ৰকাশ কৰে।

বিটিএডিত উচ্ছেদ চলোৱাৰ আগতে বিকল্প চিন্তা কৰিব লাগিব ঃ বসুমতাৰী

শালবাৰীত ইউপিপিএলৰ সভা

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৫ নৱেম্বৰ ঃ বাগ্‌সাৰ শালবাৰীৰ নিমুৱাত আজি ইউপিপিএলৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। ইউপিপিএলৰ ভৱিষ্যত পৰিকল্পনা বা কাৰ্যপন্থা কি কি হ'ব, শালবাৰীত ইউপিপিএল দলে ৰাইজৰ বাবে কি ধৰণৰ কাৰ্যব্যৱস্থা হাতত ল'ব সেই বিষয়ে সভাখনত আলোচনা কৰা হয়। উক্ত সভাত অংশগ্ৰহণ কৰে বিটিচিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী ওৰফে বি আৰ ফেৰেংগাই। আলোচনাৰ অন্তত কাৰ্যবাহী সদস্য জনে কয় যে বিটিএডিতো অবৈধ বেদখলকাৰী আছে। বেদখলকাৰীক উচ্ছেদ কৰাৰ আগত আমি বিকল্প চিন্তা কৰিব লাগিব। উচ্ছেদ কৰাৰ পাছত আৰু এক আন্দোলনৰ সৃষ্টি হওক সেয়া আমি বিচৰা নাই। পৰ্যায়ক্ৰমে চিন্তা-চৰ্চাৰ মাজেৰে উচ্ছেদৰ ব্যৱস্থা হাতত লোৱা হ'ব। তেওঁ কয় যে সমাজখন আমি কেনেদৰে ভালকৈ গঢ় দিব পাৰো তাকেহে চিন্তা-চৰ্চা কৰি আছো। আমাৰ মাজত বড়ো, অসমীয়া, বাঙালী, মুছলমান, আদিবাসী বুলি যেতিয়ালৈকে মনত ভাব এটা সোমাই থাকিব তেতিয়ালৈকে আমি বিচৰাধৰণে সমাজখন গঢ় দিব নোৱাৰিম। মানাহত উচ্ছেদ সম্পৰ্কে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কাৰ্যবাহী সদস্যজনে কয়, 'মানাহ জন্ম হোৱাৰ আগৰ পৰাই যদি তাত কোনোবা বাস কৰি আছিল তেতিয়াহ'লে উচ্ছেদ কৰাৰ আগত আমি সেইবোৰ চালিজাৰি চাব লাগিব।' তেওঁ বিপিএফ মুৰব্বী হাগ্ৰামা মহিলাৰী সন্দৰ্ভত মন্তব্য আগবঢ়াই কয়, 'নিৰ্বাচনত পৰাজয়ৰ পাছত বিপিএফ মুৰব্বী মহিলাৰী আৰু খাম্ফা বৰগয়াৰীয়ে মানুহক উচটনি দিছে যেনেকৈ নহ'লেও ইউপিপিএলক ধ্বংস কৰিব লাগে। মহিলাৰী আৰু বৰগয়াৰীয়ে বিপিএফৰ সহযোগত বহু লোকক জংঘললৈ পঠাইছে। ফলত জংঘলৰ জীৱ-জন্তুৰ ক্ষেত্ৰতো আজি হাৰাশাস্তিৰ সৃষ্টি হৈছে। মানুহৰ ভুলৰ বাবেই আজি বনাঞ্চলৰ জীৱ-জন্তু জনাঞ্চললৈ ওলাই আহিবলৈ বাধ্য হৈছে। বন ধ্বংসকাৰীৰ বিৰুদ্ধে পৃথিৱীত নোহোৱা কঠোৰতম ব্যৱস্থা আমি হাতত ল'ম।' উক্ত সভাত শালবাৰী জিলা ইউপিপিএলৰ বিনোদ মুছাহাৰী, কনক বড়ো, সত্যজিৎ বড়োকে ধৰি বহুকেইগৰাকী নেতা-কৰ্মী উপস্থিত থাকে।

লখিমপুৰত প্ৰতিদিনেই চলিব যানবাহনৰ তালাচী

উপায়ুক্তৰ নিৰ্দেশ

বিশেষ সংবাদদাতা

লখিমপুৰ, ২৫ নৱেম্বৰ ঃ এতিয়াৰ পৰা লখিমপুৰত প্ৰতি দিনে চলিব যানবাহনৰ তালাচী। এই ক্ষেত্ৰত উপায়ুক্তই বিভাগক নিৰ্দেশনা দিয়ে। জিলা পথ সুৰক্ষা সমিতিৰ এখন সভাত উপায়ুক্তই এই নিৰ্দেশ দিয়ে। উল্লেখ্য যে কালি উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত পথ সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। উপায়ুক্ত সুমীত সত্তাৱনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত পূৰ্বৰ সভাৰ সিদ্ধান্তসমূহ কাৰ্যকৰী হৈছে নে নাই সেই সম্পৰ্কে বিশদ আলোচনা কৰাৰ উপৰি জিলাখনৰ যানজঁটৰ সমস্যা কেনেদৰে দূৰ কৰিব পৰা যায় সেই সম্পৰ্কেও আলোচনা কৰা হয়। সভাত উপায়ুক্তই যানবাহনৰ চলাচলৰ নীতিসমূহ ঘাইকৈ হেলমেট পৰিধান কৰা, চিট বেল্ট ব্যৱহাৰ কৰা দিশটোও কঠোৰভাৱে বলবৎ কৰাৰ নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত প্ৰতিদিনে তালাচী কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে জনসাধাৰণৰ দৈনন্দিন জীৱনৰ ব্যৱহাৰিক অংগ হিচাপে এই নিয়ম-নীতিসমূহৰ বিষয়ে সজাগ কৰিবলৈও উপায়ুক্তই পৰিবহণ বিষয়াই নিৰ্দেশ দিয়ে। তদুপৰি জিলাখনৰ প্ৰৱেশ আৰু প্ৰস্থান স্থানত স্থায়ী তালাচী চকীৰ ব্যৱস্থা কৰিবলৈও উপায়ুক্তই নিৰ্দেশনা দিয়ে। সভাখনত জিলাখনৰ মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ বাবে অনলাইন লাইচেন্স শিবিৰ মহাবিদ্যালয়সমূহত আয়োজন কৰিবলৈ আৰু যান-বাহনৰ চলাচল সম্পৰ্কে সজাগতা সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত জিলা পৰিবহণ বিষয়া সঞ্জীৱ বৰাৰ লগতে জিলা পথ সুৰক্ষা সমিতিৰ সকলো সদস্যৰ উপৰি জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

নুমলীগড়ৰ ৩৯ নম্বৰ ঘাইপথত দুৰ্ঘটনাত নিহত এক

অগ্ৰদূত বাৰ্তা

নুমলীগড়, ২৫ নৱেম্বৰ ঃ নুমলীগড়ৰ ৩৯ নম্বৰ ঘাইপথৰ বাইপাছৰ ফুলনি গাঁৱৰ কাষত সংঘটিত এক ভয়াৱহ পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। এ এছ ০১ কে চি ৭৪১৩ নম্বৰৰ এখন ট্ৰাক আৰু এ এছ ০৫ বি ৩৫১১ নম্বৰৰ এখন মটৰ চাইকেলৰ মাজত মুখামুখি সংঘৰ্ষত এজন মটৰ চাইকেল আৰোহী থিতাতে নিহত হয়। পাছত আহত লোকজনক স্থানীয় ৰাইজৰ সহযোগত চিকিৎসালয়লৈ ইতিমধ্যে প্ৰেৰণ কৰে।

ৰঙিয়াত আম আদমী পাৰ্টিৰ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

ৰঙিয়া, ২৫ নৱেম্বৰ ঃ আগন্তুক পৌৰসভা আৰু নগৰ সমিতি নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৰঙিয়াত পদাৰ্পণ ঘটিছে আম আদমী পাৰ্টিৰ। কালি পাৰ্টিৰ এক জৰুৰী সভা ৰঙিয়াত অনুষ্ঠিত হয়। উক্ত সভাত সভাপতিত্ব কৰে দিলীপ কুমাৰ বৈশ্যই। সভাখনত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ নীতি, আদৰ্শ, সততা আৰু মূল্যবোধৰ ৰাজনীতি সন্দৰ্ভত বিতং আলোচনা কৰা হয়। তদুপৰি আগন্তুক পৌৰসভা আৰু নগৰ সমিতিৰ নিৰ্বাচনৰ বিষয়েও আলোচনা কৰা হয়। আলোচনাৰ অন্তত সৰ্বসন্মতক্ৰমে ৰঙিয়া নগৰ সমিতি গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাখনত উপস্থিত সদস্যসকলৰ সিদ্ধান্ত মৰ্মে নৱ কলিতাক সভাপতি, দ্বীজেন শৰ্মাক কাৰ্যকৰী সভাপতি, চানবানু বেগমক উপ-সভাপতি, দিলীপ কুমাৰ বৈশ্যক সম্পাদক, সঞ্জীৱ মণ্ডল, চৰিফুদ্দিন আলী আৰু নয়ন ভূঞাক যুটীয়া সম্পাদক হিচাপে মনোনীত কৰি আপৰ ৰঙিয়া নগৰ সমিতিখন গঠন কৰা হয়। সভাত আপ অসমৰ ৰাজ্যিক প্ৰচাৰ মাধ্যম সমন্বয়ক জয়ন্ত কলিতা পৰ্যবেক্ষকৰূপে উপস্থিত থাকে।

■ হেৰাই যাবলৈ ধৰা নাঙলক পুনৰ উদ্ধাৰ কৰাৰ প্ৰচেষ্টা কেতেকী বৰুৱাৰ

গোৰেশ্বৰত মহিলাই উদ্ভাৱন কৰিলে বিশেষ নাঙল



অগ্ৰদূত বাৰ্তা

গোৰেশ্বৰ, ২৫ নৱেম্বৰ ঃ ট্ৰেক্টৰ আদি যন্ত্ৰৰ বহুল প্ৰয়োগৰ ফলত ক্ৰমাৎ যেন অসমীয়া সমাজৰ লগতে পথাৰৰ পৰা হেৰাই যাবলৈ ধৰিছে নাঙল। নাঙলেৰে মাটি চহাই খেতি কৰাৰ পৰিৱেশ যেন নাইকিয়া হৈ আহিল। এনে সময়ত নাঙলক জনপ্ৰিয় কৰাৰ এক প্ৰয়াস কৰিছে বাগ্‌সা জিলাৰ গোৰেশ্বৰৰ এগৰাকী মহিলাই। বিশেষকৈ মহিলাসকলে যাতে ঘৰৰ ওচৰতে শাক-পাচলি-জলকীয়া আদিৰ খেতি নিজে কৰি পৰিয়ালটোক উপকৃত কৰিব পৰা তাৰে প্ৰচেষ্টাৰে এবছৰ পূৰ্বে আৰ্হি তৈয়াৰ কৰিছিল বৰফুলচ'কী গাঁৱৰ আউৰীয়াপাৰা চুবুৰিৰ কেতেকী বৰুৱাই। অভাৱে যিহেতু আৱিষ্কাৰৰ মূল সেয়েহে নিজৰ খেতি-খলা কৰিবলৈ কেতেকী বৰুৱাই চিন্তা-চৰ্চা কৰি প্ৰথমে সৰু নাঙল এখনৰ ধাৰণা বিকশিত কৰে। যি সময়ত যান্ত্ৰিক সঁজুলিয়ে খেতি পথাৰ দখল কৰিছে সেই সময়তে এখন বিশেষ নাঙল উদ্ভাৱন গোৰেশ্বৰৰ কেতেকী বৰুৱাৰ এই চিন্তাই বিশেষ চৰ্চা লাভ কৰিছে। 'লখিমী' নাঙল হিচাপে নামকৰণ কৰা নাঙলখন সাজি উলিয়াই গৌৰৱান্বিত কেতেকী। আজি আউৰীয়াপাৰা গাঁৱৰ লাচিত বৰফুকন সোঁৱৰণী পুথিভঁৰালত আয়োজিত এক সভাত নাঙলখন মুকলি কৰে বৰফুলচ কী' গাঁৱৰ গাঁওপ্ৰধান দেবেন্দ্ৰ নাথ ডেকাই। সোণবৰ বৰুৱাই আঁতধৰা সভাখনত সভাপতিত্ব কৰে মুনীন্দ্ৰ ডেকাই। উক্ত সভাত উপস্থিত থকা অতিথিসকলৰ লগতে শিক্ষক বিশ্বকুমাৰ ডেকাই কেতেকী বৰুৱাৰ এই প্ৰচেষ্টাৰ শলাগ লোৱাৰ লগতে ঘৰতে মহিলাসকলে কৃষি কাৰ্য চলাই নিবলৈ সুবিধা হ'ব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ কয়, 'আজিকালি সকলো সামগ্ৰী যান্ত্ৰিক হোৱাৰ বাবে বহুতো মানুহ ৰুগীয়া হৈ পৰিছে লগতে শাৰীৰিক শ্ৰম নাইকিয়া কৰিছে যন্ত্ৰসমূহে। কিন্তু প্ৰাচীন সঁজুলিসমূহৰ ব্যৱহাৰত শাৰীৰিক শ্ৰম নিহিত আছিল।' সেয়েহে কেতেকী বৰুৱাই মহিলাসকলে যাতে শাৰীৰিক শ্ৰমৰ জৰিয়তে শৰীৰ নিৰোগী কৰি ৰাখিব পাৰে তাৰ বাবে এই নাঙল উদ্ভাৱন কৰা বুলি কেতেকীয়ে কয়।

লাহৰীঘাটত অসম মিঞা (অসমীয়া) পৰিষদৰ অৱস্থান ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

লাহৰীঘাট, ২৫ নৱেম্বৰ ঃ লাহৰীঘাটত অসম মিঞা (অসমীয়া) পৰিষদৰ উদ্যোগত খহনীয়াত সৰ্বস্বান্ত হোৱা লোকৰ পুনৰ সংস্থাপন, নাগৰিকৰ সংবিধান প্ৰদত্ত মৌলিক অধিকাৰ সুনিশ্চিত কৰা, বান বিধ্বস্ত ভূমিহীন লোকক পট্টা প্ৰদান, আদি বিভিন্ন সমস্যাৰ দাবীত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। আজি পুৱাৰ ভাগতে লাহৰীঘাট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত এই ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীত অসম মিঞা (অসমীয়া) পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি এম জি হাজৰিকা, জিলা সমিতিৰ বিষয়ববীয়াৰ লগতে শতাধিক বান বিধ্বস্ত পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। লাহৰীঘাট ৰাজহ চক্ৰ কাৰ্যালয়ত ৰাইজৰ সহযোগত তিনিঘন্টীয়া অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। কাৰ্যসূচীৰ অন্তত পাঁচ দফীয়া দাবী সম্বিলিত এক স্মাৰকপত্ৰ স্থানীয় চক্ৰ বিষয়াৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী, ৰাজহ মন্ত্ৰী, মুখ্য সচিবৰ লগতে জিলা উপায়ুক্তলৈ প্ৰেৰণ কৰে।

অবৈধ খননৰ বিৰুদ্ধে দোমনিত ৰাইজৰ উত্তাল প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

শালবাৰী, ২৫ নৱেম্বৰ ঃ বিগত কিছু বছৰ ধৰি এক দুষ্ট চক্ৰই বেঁকী নৈত চলাই আহিছে অবৈধ খনন। ফলত বেঁকী নৈৰ কাষৰীয়া দোমনি, কাটাঝাৰ, বাৰাপেটা, আইৰমাৰি আদি অঞ্চলত খহনীয়াই ধাৰণ কৰিছিল কালৰূপ। বৃহত্তৰ অঞ্চলৰ হেজাৰ হেজাৰ বিঘা কৃষিমাটি, আবাসভূমি খহাই নিছে বেঁকী নৈয়ে। আজি অঞ্চলটোৰ ৰাইজে ওলাই আহি বাগ্‌সাৰ সীমান্তৱৰ্তী বৰপেটা জিলাৰ দোমনিঘাটত বেঁকী নৈত অবৈধ খননৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰথমে কুৰেৰীৰ গাড়ী অহা-যোৱা কৰা পথটো অৱৰোধ কৰি পাছত মাইকযোগে সমদল কৰি কুৰেৰী বন্ধ কৰাৰ দাবী উত্থাপন কৰে প্ৰতিবাদী ৰাইজে। এই খননৰ লগতে জনৈক বন বিষয়া জড়িত থকাৰো গুৰুতৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰী সকলো শীঘ্ৰেই এই অবৈধ খনন বন্ধ কৰিবলৈ হুংকাৰ প্ৰদান কৰে প্ৰতিবাদী ৰাইজে। অবৈধ খনন বন্ধ নকৰিলে তীব্ৰ জংগী আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে প্ৰতিবাদী ৰাইজে। উল্লেখ্য যে প্ৰতিবাদকাৰীসকলে 'বন বিভাগ হায় হায়', 'বন মন্ত্ৰী হায় হায়', 'বন বিষয়া মুৰ্দাবাদ' আদি শ্ল'গানেৰে দোমনিৰ পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে আজি প্ৰতিবাদী সমদল উলিওৱাৰ সময়ত প্ৰতিবাদী ৰাইজ আৰু অবৈধ শিল-বালি মহলৰ লগত জড়িত একাংশৰ মাজত খণ্ডযুদ্ধৰো সৃষ্টি হয়।

বাগ্‌সাত উপদ্ৰৱ চলোৱা বন্যহস্তীৰ জাকটো বনাঞ্চললৈ খেদি পঠিয়ালে বন ৱিভাগে

অগ্ৰদূত বাৰ্তা

মুছলপুৰ, ২৫ নৱেম্বৰ ঃ সুদীৰ্ঘ এমাহৰ এক শ্বাসৰুদ্ধকৰ পৰিৱেশৰ অৱসান ঘটাই অৱশেষত বন বিভাগে বনাঞ্চললৈ খেদি পথাবলৈ সক্ষম হ'ল বাগ্‌সাৰ পাগলদিয়া নৈৰ কঁহুৱা বনৰ মাজত আশ্ৰয় লোৱা বনৰীয়া হাতীৰ জাকটোক। বাগ্‌সাৰ জাৰতালুক, কদমতলা, মাদালতানা আদি অঞ্চলত বিগত এমাহ ধৰি পথাৰৰ সোণোৱালী ধান, বাৰীৰ তামোল-নাৰিকলৰ গছ, পাচলি খেতি খাই তহিলং কৰি ঘৰ-দুৱাৰ ভাঙি তাণ্ডৱ সৃষ্টি কৰি আছিল ভুটানৰ পৰা খাদ্যৰ সন্ধানত জনাঞ্চললৈ নামি অহা ডেৰশটা হাতী থকা এটা বৃহৎ বনৰীয়া হাতীৰ জাকে। বিগত এমাহ ধৰি বন বিভাগ, আৰক্ষী প্ৰশাসন আৰু স্থানীয় লোকৰ নিদ্ৰাহৰণ কৰিছিল বন্যহাতীৰ জাকটোৱে। হাতীৰ ভয়ত উজাগৰে দিন অতিবাহিত কৰিব লগা হৈছিল স্থানীয় কে'বাখন গাঁৱৰ গঞা ৰাইজে। আজি বাগ্‌সাৰ জাৰতালুকৰ পাগলদিয়া নৈৰ পাৰৰ কঁহুৱা বনৰ মাজত আশ্ৰয় লৈ থকা হাতীৰ জাকটোক মানাহৰ পৰা অনা দুটা পোহনীয়া দঁতাল হাতীৰ জৰিয়তে প্ৰায় ৩০ কিলোমিটাৰ পথ অতিক্ৰম কৰি বন বিভাগে বনাঞ্চললৈ খেদি পঠাবলৈ সক্ষম হয়। মাউত আৰু বন বিভাগৰ লোকে পোহনীয়া হাতীৰ ওপৰত উঠি ফটকা ফুটাই, গুলিচালনা কৰি ছত্ৰভংগৰে খেদি পঠায় বনৰীয়া হাতীৰ জাকটোক। বিগত এমাহ ধৰি সন্ত্ৰাসৰ সৃষ্টি কৰা বনৰীয়া হাতীৰ জাকটো খেদি পথোৱাৰ দৃশ্য চাবলৈ অগণন লোকৰ সমাগম হয় পাগলাদিয়া নৈৰ চৌপাশত। কোনোৱে যদি গছৰ ওপৰত উঠি বনৰীয়া হাতীৰ জাকটো প্ৰত্যক্ষ কৰে আৰু আন কোনোৱে আকৌ দৌৰি দৌৰি বনৰীয়া হাতীৰ জাকটো প্ৰত্যক্ষ কৰিবলৈ ঢাপলি মেলে। বনৰীয়া হাতীৰ জাকটো বনাঞ্চললৈ গতি কৰাৰ পাছতহে স্বস্তিৰ নিশ্বাস পৰে স্থানীয় লোকসকলৰ। স্থানীয় ব্যক্তি যুগল দাসে কয়, 'আজি বনৰীয়া হাতীকেইটা যোৱাৰ বাবে স্থানীয় লোক শংকামুক্ত হ'ল। আজিহে ভালদৰে টোপনি মাৰিব পাৰিম।'

দৈনিক
অগ্ৰদূত
ক্ৰীড়াভূমি/ক্ৰীড়াভূমি
গুৱাহাটী, ২৬ নৱেম্বৰ ২০২১
শুকুৰবাৰ, পৃষ্ঠা ১৫

অভিষেকত অনবদ্য বেটিং শ্ৰেয়াছৰ ঃ গিল-জাডেজাৰ অৰ্ধশতক

প্ৰথম টেষ্টত ভাৰতৰ দৃঢ় আৰম্ভণি

কানপুৰ, ২৫ নৱেম্বৰ ঃ টেষ্ট অভিষেক কৰা শ্ৰেয়াছ আয়াৰৰ দৃঢ়তাপূৰ্ণ 75 ৰাণ আৰু অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাডেজাৰ অনবদ্য 50 ৰাণৰ সহায়ত ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ আজি প্ৰথমদিনা চাৰি উইকেটত 258 ৰাণ কৰিছে প্ৰথম ইনিংছত। উল্লেখ্য যে টছত জয়ী হৈ ভাৰতে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয় যদিও অপেনাৰ শুভমন গিল (52 ৰাণ) ৰ অৰ্ধশতকৰ বাবে বাকী তিনি অভিজ্ঞ বেটছমেন অধিনায়ক অজিংক্য ৰাহানে (35 ৰাণ), চেতেশ্বৰ পূজাৰা (26 ৰাণ) আৰু মায়ংক আগৰৱাল (13 ৰাণ) ব্যৰ্থ হয়। নিউজিলেণ্ডৰ জেমিছনে তিনিটা উইকেট দখল কৰি শেলথেকত পেলায় ভাৰতক। কিন্তু শ্ৰেয়াছ আয়াৰ আৰু ৰবীন্দ্ৰ জাডেজাই অপৰাজিত শতকীয় যুটি বান্ধি ভাৰতৰ ইনিংছ নতুনকৈ গঢ়ে। প্ৰথমদিনাৰ খেলৰ অন্তত দৃঢ়তাৰে বেটিং কৰি উইকেটত আছে শ্ৰেয়াছ আয়াৰ আৰু ৰবীন্দ্ৰ জাডেজা। উল্লেখ্য যে ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ত লাভ কৰাৰ পাছত এতিয়া লক্ষ্য লৈছে দুখনীয়া টেষ্ট শৃংখলা জয় কৰা। কিন্তু চলিত টেষ্টত ভাৰতৰ সন্মুখত প্ৰত্যাহ্বান আছে। কাৰণ বিৰাট কোহলি, ৰোহিত শৰ্মা আৰু লোকেছ ৰাহুল নাই দলত। উল্লেখ্য যে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা চলিত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্টত খেলা নাই বিৰাট কোহলিয়ে। সেয়ে দলক নেতৃত্ব দিছে অজিংক্য ৰাহানে। কিন্তু দ্বিতীয় টেষ্টত বিৰাটে দলত যোগ দি পুনৰ নেতৃত্ব দিব। দলত নাই ৰোহিত শৰ্মা, যশপ্ৰীত বুমৰাহ আৰু ঋষভ পণ্টো। কিন্তু অভিষেক কৰা শ্ৰেয়াছে নতুন আশা আনিছে ভাৰতীয় শিবিৰলৈ।

আজিৰে পৰা আন্তঃজিলা বাস্কেটবল প্ৰতিযোগিতা

গুৱাহাটী, ২৫ নৱেম্বৰ ঃ ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়ত কাইলৈৰ পৰা অনুষ্ঠিত হ'ব আন্তঃজিলা বাস্কেটবল প্ৰতিযোগিতা। অহা পহিলা ডিচেম্বৰত সামৰণি পৰিব লগা উক্ত আন্তঃজিলা বাস্কেটবল প্ৰতিযোগিতাত জুনিয়ৰ ল'ৰা-ছোৱালী আৰু ছিনিয়ৰ পুৰুষ-মহিলাৰ খেল অনুষ্ঠিত হ'ব। অসমৰ বিভিন্ন জিলাৰ প্ৰায় 230 প্ৰতিযোগীয়ে উক্ত আন্তঃজিলা বাস্কেটবল প্ৰতিযোগিতাত অংশ ল'ব। কাইলৈ বিয়লি তিনি বজাত ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়ত ৰাজ্যৰ ক্ৰীড়া মন্ত্ৰী বিমল বৰাই আন্তঃজিলা বাস্কেটবল প্ৰতিযোগিতা উদ্বোধন কৰিব।

ভলীবলত নেপথ্য ক্লাব চেম্পিয়ন

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ২৫ নৱেম্বৰ ঃ যোৰহাট ক্ৰীড়া সন্থাৰ আন্তঃক্লাব ভলীবলত চেম্পিয়ন হৈছে নেপথ্য ক্লাব। আজিৰ ফাইনেলত নেপথ্য ক্লাবে 2-1 ৰ ব্যৱধানত পৰাস্ত কৰে ইউনাইটেড ভলীবল ক্লাবক। ইয়াৰপূৰ্বে ছেমিফাইনেলত নেপথ্য ক্লাবে 2-1 ৰ ব্যৱধানত পৰাস্ত কৰে জেইল ৰ'ড ক্লাবক তথা ইউনাইটেড ভলীবল ক্লাবে 2-1 ৰ ব্যৱধানত পৰাস্ত কৰে যোৰহাট টাউন ক্লাবক।

ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতা

কোৱাৰ্টাৰ ফাইনেলত পি ভি সিন্ধু

বালি, ২৫ নৱেম্বৰ ঃ ভাৰতৰ পি ভি সিন্ধুই চলিত ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজিৰ দ্বিতীয় ৰাউণ্ডৰ মেচত সিন্ধুই 21-12, 21-18 ৰ ব্যৱধানত জয়লাভ কৰে। উল্লেখ্য যে ইণ্ডোনেছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত ব্যৰ্থ হোৱাৰ পাছত ভাৰতৰ পি ভি সিন্ধু আৰু কিদাম্বি শ্ৰীকান্তে এতিয়া লক্ষ্য লৈছে ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত সফল হোৱাৰ। প্ৰতিযোগিতাৰ কালিৰ মেচত জয় হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল ভাৰতৰ পি ভি সিন্ধু, ছাই প্ৰনিথ আৰু কিদাম্বি শ্ৰীকান্তে। সিন্ধুৱে 17-21, 21-17, 21-17 ৰ ব্যৱধানত কষ্টকৰ জয় অৰ্জন কৰাৰ বিপৰীতে শ্ৰীকান্তে 21-15, 19-21, 21-12 ৰ ব্যৱধানত পৰাস্ত কৰে দেশৰে সতীৰ্থ প্ৰনয়ক। আনহাতে, প্ৰনিথে 21-19, 21-18 ৰ ব্যৱধানত জয়ী হয়। চলিত ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ আৰম্ভণি কিন্তু সুখৰ নাছিল। প্ৰথমদিনা ভাৰতৰ দুই পুৰুষ শ্বাটলাৰ লক্ষ্য সেন আৰু পাৰুপল্লী কাশ্যপে প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ বিদায় লয়। লক্ষ্য 21-23, 15-21 ৰ ব্যৱধানত পৰাস্ত হোৱাৰ বিপৰীতে 21-11, 21-14 ৰ ব্যৱধানত পৰাস্ত হয় কাশ্যপ।

অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ

সপ্তৰ্শীৰ বিৰুদ্ধে ন উইকেটত জয়ী তিনিচুকীয়া একাডেমী

গুৱাহাটী, ২৫ নৱেম্বৰ ঃ অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি তিনিচুকীয়াত হোৱা মেচত তিনিচুকীয়া ক্ৰিকেট একাডেমীয়ে ন উইকেটত পৰাস্ত কৰে সপ্তৰ্শীক। পোনতে বেটিং কৰি সপ্তৰ্শীয়ে 26.1 অভাৰত 79 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, তিনিচুকীয়া ক্ৰিকেট একাডেমীয়ে 12.2 অভাৰত এটা উইকেট হেৰুৱাই 80 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে মুঠ 75 লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ।

১৬০ ৰাণত দ্বিতীয় ইনিংছ সামৰিলে ৱেষ্ট ইণ্ডিজে

প্ৰথম টেষ্টত জয় অৰ্জনৰে শৃংখলাত অগ্ৰগতি শ্ৰীলংকাৰ

কলম্বো, ২৫ নৱেম্বৰ ঃ শ্ৰীলংকাই ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত 187 ৰাণত জয়ী হৈ 1-0 ৰ অগ্ৰগতি লৈছে। উল্লেখ্য যে শ্ৰীলংকাই দিয়া 348 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি কালি চতুৰ্থ দিনাৰ খেলৰ অন্তত কেৰিবিয়ান বাহিনীয়ে 52 ৰাণতে ছটা উইকেট হেৰুৱাইছিল। আজি টেষ্টৰ অন্তিম দিনা কেৰিবিয়ান বাহিনীয়ে 160 ৰাণত দ্বিতীয় ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। শ্ৰীলংকাৰ হৈ লাচিথে পাঁচটা আৰু ৰমেশ মেণ্ডিজে চাৰিটা উইকেট পায়। উল্লেখ্য যে টেষ্টখনত শ্ৰীলংকাৰ প্ৰথম ইনিংছৰ 386 ৰাণৰ প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছ সামৰিছিল 230 ৰাণত। ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত 113 ৰাণত ছটা উইকেট হেৰুৱাই বিপদত পৰে যদিও দলৰ হৈ ব্ৰেথৱেইটে 41, মায়েৰে 45, কৰ্ণৱালে 39 আৰু জেছন হ'ল্ডাৰে 36 ৰাণ কৰি ৱেষ্ট ইণ্ডিজৰ ফল'অন ৰক্ষা কৰে। শ্ৰীলংকাৰ প্ৰবীনে চাৰিটা আৰু ৰমেশে তিনিটা উইকেট পায়। শ্ৰীলংকাই প্ৰথম ইনিংছত 156 ৰাণৰ অগ্ৰগতি লাভ কৰা পাছত দ্বিতীয় ইনিংছ আৰম্ভ কৰে আৰু চাৰি উইকেটত 191 ৰাণত ইনিংছ ঘোষণা কৰে। কৰুণাৰত্নে 83 আৰু মেথিউজে 69 ৰাণ কৰে। উল্লেখ্য যে টেষ্টৰ প্ৰথমদিনা বেটিং কৰি শ্ৰীলংকাই প্ৰথম ইনিংছত তিনি উইকেট হেৰুৱাই 267 ৰাণ কৰাৰ পাছত দ্বিতীয় দিনা 386 ৰাণত প্ৰথম ইনিংছ সামৰে। ঘৰুৱা দলৰ হৈ বেটিং মুকলি কৰা অধিনায়ক কৰুণাৰত্নে শতকীয় ইনিংছ খেলি 147 ৰাণত আউট হয়। আনহাতে, ধনঞ্জয় ছিলভাই 61 আৰু চন্দিমলে 45 ৰাণ কৰে। শ্ৰীলংকাৰ আনজন অপেনাৰ নিছাংকাই কৰিছিল 56 ৰাণ। ৱেষ্ট ইণ্ডিজৰ হৈ চেছে পাঁচটা উইকেট পায়।

স্পৰ্টছ একাডেমীৰ বিৰুদ্ধে আৰোহণ গোষ্ঠীৰ জয়লাভ

গুৱাহাটী, ২৫ নৱেম্বৰ ঃ অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি কলিয়াবৰত হোৱা মেচত আৰোহন গোষ্ঠীয়ে 99 ৰাণত পৰাস্ত কৰে স্পৰ্টছ একাডেমীক। আৰোহন গোষ্ঠীয়ে 36 অভাৰত ছয় উইকেটত 266 ৰাণ কৰাৰ পাছত স্পৰ্টছ একাডেমীয়ে 29 অভাৰত 167 ৰাণত ইনিংছ সামৰে। উল্লেখ্য যে মুঠ 75 লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ববিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ ল'ব। 24 নৱেম্বৰৰ পৰা 31 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল 41 টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ 41 টা স্থানত অনুষ্ঠিত হ'ব। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিব। প্ৰায় চাৰিশ ক্লাবৰ হৈ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ খেলিব এ চি এৰ পঞ্জিয়ন থকা প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰে।

জি এছ এৰ 'চি' ডিভিজনৰ কোৱালিফায়িং ৰাউণ্ডৰ খেল

গুৱাহাটী, ২৫ নৱেম্বৰ ঃ গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত অহা 15 ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'ব 'চি' ডিভিজন ফুটবল লীগৰ কোৱালিফায়িং ৰাউণ্ড। নতুন ক্লাবসমুহে নতুন খেলুৱৈৰে দল গঠন কৰি যাৱতীয় নথিৰে সৈতে অহা সাত ডিচেম্বৰৰ পূৰ্বে গুৱাহাটী ক্ৰীড়া সন্থাৰ লগত যোগাযোগ কৰিব পাৰিব। ইফালে, গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত জজ খেলপথাৰত থকা গুৱাহাটী ভলীবল প্ৰশিক্ষণ কেন্দ্ৰত অহা 11 আৰু 12 ডিচেম্বৰত অনুষ্ঠিত হ'ব কিৰণ ওঝা আৰু বৰুণ বৰ্মন সোঁৱৰণী আন্তঃক্লাৱ ভলীবল প্ৰতিযোগিতা। উল্লেখ্য যে উক্ত আন্তঃক্লাৱ ভলীবল প্ৰতিযোগিতাত যোগদান কৰিব বিচৰা দলসমুহে অহা পাঁচ ডিচেম্বৰৰ পূৰ্বে গুৱাহাটী ক্ৰীড়া সন্থাৰ কাৰ্যালয়লৈ গৈ মাচুহসহ নিজৰ অংশগ্ৰহণ নিশ্চিত কৰিব লাগিব। গুৱাহাটী ক্ৰীড়া সন্থাৰ পঞ্জিয়ন থকা ক্লাবে পাঁচশ টকা মাচুল দিয়াৰ বিপৰীতে অন্য ক্লাবে এহেজাৰ টকা মাচুল দিহে উক্ত আন্তঃক্লাৱ ভলীবল প্ৰতিযোগিতাত যোগদান কৰিব পাৰিব। ইফালে, এই আন্তঃক্লাৱ ভলীবল প্ৰতিযোগিতাৰ পূৰ্বে খেলুৱৈৰ ক্লাব সলনি প্ৰক্ৰিয়া সম্পন্ন কৰিব গুৱাহাটী ক্ৰীড়া সন্থাই।

ৰাজ্যিক ৰ'ড চাইক্লিং প্ৰতিযোগিতাৰ সামৰণি

ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপলৈ অসম

গুৱাহাটী, ২৫ নৱেম্বৰ ঃ অসম চাইক্লিং সন্থাৰ উদ্যোগত গুৱাহাটীৰ দাতিকাষৰীয়া সোণাপুৰৰ ৰাষ্ট্ৰীয় ঘাইপথত দুদিনীয়াকৈ আৰম্ভ হোৱা ৰাজ্যিক ৰ'ড চাইক্লিং প্ৰতিযোগিতাৰ আজি সামৰণি পৰিছে। উল্লেখ্য যে প্ৰতিযোগিতাত ল'ৰা-ছোৱালীৰ বয়স শাখাৰ মুঠ চাৰিটা বিভাগত খেল অনুষ্ঠিত হয়। আজি সামৰণি অনুষ্ঠানত বিজয়ীসকলক মেডেল আৰু ট্ৰফী প্ৰদান কৰে। স্মৰ্তব্য যে এই ৰাজ্যিক ৰ'ড চাইক্লিং প্ৰতিযোগিতাৰ পৰাই হাৰিয়ানাত হ'ব লগা ৰাষ্ট্ৰীয় ৰ'ড চাইক্লিং প্ৰতিযোগিতাৰ বাবে অসম দলটো বাছনি কৰা হ'ব।

আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতা

ডব্লিউ ই আৰ নৰ্থ ইষ্টৰ জয়লাভ

গুৱাহাটী, ২৫ নৱেম্বৰ ঃ গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত জজ খেলপথাৰত চলি থকা মহাবীৰ প্ৰসাদ আগৰৱালা 16 বছৰ অনূৰ্ধ্ব আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত ডব্লিউ ই আৰ নৰ্থ ইষ্ট দলে 277 ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে অংকুৰজ্যোতি ক্ৰিকেট একাডেমীক। পোনতে বেটিং কৰি ডব্লিউ ই আৰ নৰ্থ ইষ্ট দলে 40 অভাৰত চাৰি উইকেটত 334 ৰাণ কৰে। দলৰ হৈ আয়ুষ্মান মালাকৰে 59 বলত অপৰাজিত 100 ৰাণ কৰাৰ বিপৰীতে ৰাজবীৰ সিঙে 83 বলত 102 ৰাণ কৰে। প্ৰত্যুত্তৰত অংকুৰজ্যোতি ক্ৰিকেট একাডেমীয়ে 26.1 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ 57 ৰাণত। উল্লেখ্য যে অহা আঠ ডিচেম্বৰলৈ হ'বলগা উক্ত আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাখনত মুঠ 12 টা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই যোগদান কৰিছে। গুৱাহাটী ক্ৰীড়া সন্থাই জনোৱা অনুসৰি প্ৰতিদিনে এখনকৈ খেল হ'ব তথা মেচসমুহ এটা ইনিংছত 40 অভাৰৰ হ'ব। অৱশ্যে ফাইনেল মেচখন 50 অভাৰকৈ খেলোৱা হ'ব।

প্ৰি-কোৱাৰ্টাৰত চিটী, পি এছ জি, এ চি মিলান

লণ্ডন, ২৫ নৱেম্বৰ ঃ ইংলণ্ডৰ আৰু এটা ক্লাব চেম্পিয়নছ লীগ ফুটবলৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। যোৱানিশাৰ মেচত মানচেষ্টাৰ চিটীয়ে ফৰাচী ক্লাব পি এছ জিক 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে। অৱশ্যে পৰাজয়ৰ পাছতো পি এছ জি চেম্পিয়নছ লীগ ফুটবলৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। ইফালে, ইটালীৰ ক্লাব এ চি মিলানে 1-0 গ'লৰ ব্যৱধানত স্পেনিছ ক্লাব এথলেটিকো মাদ্ৰিদক পৰাস্ত কৰি চেম্পিয়নছ লীগ ফুটবলৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। চেম্পিয়নছ লীগৰ যোৱানিশাৰ অন্য মেচত ইটালীৰ ক্লাব ইণ্টাৰ মিলানে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছাখতাৰক। আনহাতে, লিভাৰপুলে 2-0 গ'লৰ ব্যৱধানত এফ চি প'ৰ্টোক আৰু ৰিয়াল মাদ্ৰিদে 3-0 গ'লৰ ব্যৱধানত ছেৰিফক হৰুৱায়। ইতিমধ্যে বিগত বৰ্ষৰ চেম্পিয়ন চেলছিয়ে চেম্পিয়নছ লীগ ফুটবলৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইংলণ্ডৰ ক্লাবটোৱে 4-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ইটালীৰ ক্লাব তথা চেম্পিয়নছ লীগৰ পূৰ্ব চেম্পিয়ন জুভেণ্টাছক। ইফালে, অন্য এখন মেচত ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ ইউনাইটেডে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেনিছ ক্লাব ভিল্লাৰিয়ালক। এই জয়ৰে দলে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। চেম্পিয়নছ লীগৰ পূৰ্ব চেম্পিয়ন জাৰ্মানীৰ বেয়াৰ্ণ মিউনিখে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ডাইনামো কিভক। কিন্তু চেম্পিয়নছ লীগৰ আন এটা পূৰ্ব চেম্পিয়ন বাৰ্চিলোনাই গ'লশূন্য ড্ৰ খেলে বেনফিকাৰ স'তে। অন্য এখন মেচত আটলাণ্টাই 3-3 গ'লৰ ব্যৱধানত ড্ৰ খেলে ইয়ং বয়ছৰ লগত।

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023

বিল্যাসনন্দন চ'ৰা



মিটিং, ফিটিং আৰু চিটিং

দিছপুৰৰ মহাৰাজে এইটো বৰ ভাল ডিচিছন লৈছে—কেবিনত বহি পতা ৰাজসভাৰ মিটিংবোৰ আগৰ দৰে কেৱল দিছপুৰত চলি নাথাকে। কেবিনত ছিক্ৰেটলী পতা হয় কাৰণে এইবোৰ মিটিঙক কেবিনেট মিটিঙো বোলা হয়। যিয়ে নহওক, মহাৰাজে ভাবিছে যে এই মিটিংবোৰ জিলাই জিলাই গৈ পতা হওক। তেতিয়া প্ৰতিখন জিলাৰ মানুহে নিজকে ৰাজধানীৰ চিটিজেন বুলি ভাবিবলৈ ল'ব। এইবোৰ আচলতে মহাৰাজৰ ইউনিক্ আইডিয়া। এই আইডিয়াবোৰ দেখিলে সেইবোৰ মিটিঙলৈ মনত পৰে, য'ত ষ্টেজৰ ডেক'ৰেছন সাংঘাতিক হয়। দেখিলেই ভাব হয়—সাংঘাতিক মিটিং হ'ব। বহু গুণী-জ্ঞানী বক্তাক মিটিঙলৈ মতা হয়। কিয়নো আলোচনাৰ বিষয়টো গুৰু- গম্ভীৰ। কিন্তু ইমান গুৰু-গম্ভীৰ মিটিঙলৈ বৰ বেছি শ্ৰোতা-দৰ্শক নাহিব বুলি ভাবি গান গাবলৈ মতা হ'ল এজন পপুলাৰ ছিংগাৰক। ছিংগাৰে এটাৰ পাছত এটাকৈ পপুলাৰ গান গালে। মিটিঙলৈ অহা মানুহবোৰে নাচি-বাগি উত্তাল পৰিৱেশৰ সৃষ্টি কৰিলে। তাৰপাছত এংকৰে ক'লে যে উদ্বোধনী গীতৰ শৰাইখন ইমানতে উঠাই নি ভিতৰত সজাই-পৰাই থৈ দিয়া হ'ব। এতিয়া আৰম্ভ হ'ব মূল মিটিংখন। লগালগ মানুহবোৰ উঠি গ'ল। মুহূৰ্তৰ ভিতৰতে হল খালী হৈ গ'ল। শূন্য সভাঘৰত গুৰু-গম্ভীৰ মিটিং চলিল। মিটিঙত বক্তাবোৰে নিজেই ক'লে, নিজেই চাপৰি বজালে। মিটিঙত কোনো সিদ্ধান্ত ল'ব পৰা নগ'ল। কিয়নো মিটিঙৰ শেষলৈকে বক্তাসকলো নাথাকিল। বহুতে ক'ব খোজে যে মিটিং ক'ত পাতিছে সেইটো ডাঙৰ কথা নহয়। মিটিঙত কি সিদ্ধান্ত হ'ল সেইটোহে ডাঙৰ কথা। মিটিঙত লোৱা সিদ্ধান্তবোৰ কিমানখিনি কাৰ্যকৰী হ'ল সেইটোহে ডাঙৰ কথা।

অৱশ্যে মহাৰাজৰ এই কেবিনেট, মানে কেবিনত বহা মিটিংবোৰৰ এটা প্লাছ পইণ্ট আছে। ইয়াত বেলেগে শ্ৰোতা-দৰ্শক নালাগে। ৰাজসভাৰ সভাসদ মন্ত্ৰীসকলে নিজে বহি লৈ শ্ৰোতা-দৰ্শকৰ ভূমিকা পালন কৰে। বেলেগে মিটিংবোৰত যেনেকৈ শ্ৰোতা-দৰ্শকৰ একো ক'বলগীয়া নাথাকে, বক্তাসকলে যি কয় তাকেই শুনি থাকে; একেদৰে মহাৰাজে কেবিনত পতা কেবিনেট মিটিংবোৰতো মন্ত্ৰীসকলে একো ক'ব নোৱাৰে। মহাৰাজে যি কয় তাকেই একান্ত বাধ্য হৈ শুনি থাকে। শুনি থকাৰ সময়ত পিঠিত পাখি দুখন টানকৈ বান্ধি লয়। কোন মুহূৰ্তত পাখি কটা যায়, তাৰ একো ঠিকনা নাই। বৰ্তমান ৰাজসভাৰ সভাসদ মন্ত্ৰীসকলক আৰামত দুটা ভাগত ভগাব পৰা যায়। এচাম মন্ত্ৰী আছে যিসকলক বোলা হয় এল জে এম। মানে 'লগত যোৱা মন্ত্ৰী'। আকৌ যিসকলে লগত নাযায়, তেওঁলোকক বোলা হয় পি কে এম। মানে 'পাখি কটা মন্ত্ৰী'। এই পি কে মন্ত্ৰীবোৰৰ যি এখনকৈ পাখি সুৰক্ষিত হৈ আছে, সেইখনকে বুকুত সাবটি কঁপি কঁপি মিটিঙত মহাৰাজৰ বক্তব্যবোৰ শুনি থাকে। দুজনমানে হেনো বাহিৰৰ ডাক্তৰৰ লগত কথাও পাতিছে—ডিঙিটোত কেনেবাকৈ স্প্ৰীং

এডাল লগাই ল'ব নোৱাৰিলে? যাতে ঝুলন যাত্ৰাৰ সেই পকা দাড়িৱালা বুঢ়া পুতলাটোৰ দৰে ডিঙিটো অনবৰতে দুপিয়াই থাকিব পৰা যায়। মহাৰাজে যাতে দেখি ভাবি লয় যে তেওঁৰ সৱ কথাতে তেওঁলোকে হয়ভৰ দি আছে। সেই স্প্ৰীংডাল ডিঙিটোত ফিটিং কৰি ল'ব পাৰিলে এনেহেন মিটিঙত বহি মহাৰাজৰ প্ৰিয়ভাজন হৈ থকাক লৈ কোনো টেনছন নাথাকিব।

জিলাই জিলাই মিটিংবোৰ পতাক লৈ মন্ত্ৰীসকলৰ অৱশ্যে স্ফূৰ্তিৰ সীমা নোহোৱা হৈছে। ৰঙা লাইট জ্বলোৱা গাড়ীকেইখনত উঠি যাব পাৰিছে যে! নিজকে মন্ত্ৰী বুলি জাহিৰ কৰিবলৈ এতিয়া কেৱল এই গাড়ীকেইখনহে আছে। সেইকেইখনো চলাই যোৱাৰ চান্স খুব কমেইহে পোৱা যায়। বেছিভাগ মহাৰাজৰ গাড়ীৰ ড্ৰাইভাৰৰ কাষৰ ছিটটোত হেণ্ডিমেন হৈ যাব লাগে। আকৌ পি কে হ'লে নিজৰ গাড়ীৰে বেলেগ জাগালৈ যোৱাৰ চান্সেই পোৱা নাযায়। জিলাই জিলাই মিটিং হ'লে অন্ততঃ এই চান্সটো হাতলৈ আহে। নহ'লে গাড়ীৰ ৰঙা লাইটটো নজ্বলোতে নজ্বলোতে ভালকৈ নজ্বলাই হৈ গৈছে। কিবা দেখোন ধিপ্ ধিপাই থাকে, মন্ত্ৰীসকলৰ চাকৰিটোৰ দৰে।

পিছে এই জিলাই জিলাই মিটিং পতা কাৰ্যটো সাধাৰণ প্ৰজাসকলে বৰ ভালকৈ বুজি পোৱা নাই। এজনে আনজনক সুধিছে—'এইবোৰ মিটিং আমাৰ ইয়াত কিয়?'

ঃ মহাৰাজৰ সিদ্ধান্ত।

ঃ কিয় লৈছে?

ঃ সৱ কাম যাতে দিছপুৰত হৈ নাথাকে, সেই কাৰণে সৱ জাগাতে মিটিং পতাৰ সিদ্ধান্ত লৈছে।

লগে লগে সিজনে কৈ উঠিল—'আমাৰ ইয়াত কেৱল মিটিংহে হ'ব। বাকী ফিটিং আৰু চিটিংবোৰতো দিছপুৰতে হ'ব।'

(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)

শেষ পৃষ্ঠাৰ প্ৰথম
দৈনন্দিন

এখন কেঁচীৰেই জীৱন সংগ্ৰাম অৰবিন্দ ঠাকুৰৰ

সংগ্ৰামৰ নাথাকে পৰিধি। এক নিৰ্দিষ্ট ভু-খণ্ডৰ মাজত সীমাবদ্ধ নাথাকে জীৱন সংগ্ৰামৰ গতি। হয়তো সেইবাবেই নিজৰ আপোন ঘৰখনৰ পৰা বহুযোজন দূৰত থাকিও জীৱন সংগ্ৰামত ব্ৰতী হ'বলগীয়া হয়। এনে কাৰণতেই বহিঃৰাজ্যৰ পৰা অসমলৈ ঢাপলি মেলিছে বহুতো জীৱন সংগ্ৰামত ব্ৰতী লোকে।

জীৱন মানেই সংগ্ৰাম। সংগ্ৰামৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। নাই কোনো সৰ্বসন্মত গ্ৰহণযোগ্য সংজ্ঞা। সংগ্ৰামৰ নাথাকে পৰিধি। এক নিৰ্দিষ্ট ভূ-খণ্ডৰ মাজত সীমাবদ্ধ নাথাকে জীৱন সংগ্ৰামৰ গতি। হয়তো সেইবাবেই নিজৰ আপোন ঘৰখনৰ পৰা বহুযোজন দূৰত থাকিও জীৱন সংগ্ৰামত ব্ৰতী হ'বলগীয়া হয়। এনে কাৰণতেই বহিঃৰাজ্যৰ পৰা অসমলৈ ঢাপলি মেলিছে বহুতো জীৱন সংগ্ৰামত ব্ৰতী লোকে। এইসকলৰ ভিতৰতেই এজন ক্ষৌৰ কৰ্মী অৰবিন্দ ঠাকুৰ। বিহাৰৰ মজফৰপুৰ জিলাৰ গোপীধনোৱাত গাঁৱৰ অৰবিন্দই আজিৰ পৰা ২৯ বছৰ আগতেই অসমলৈ আহিছিল কামৰ সন্ধানত। অৰবিন্দই সৰুৰে পৰাই সংগ্ৰামৰ স'তে সহাৱস্থান কৰি আহিছে। তেওঁৰ পিতৃও ক্ষৌৰ কৰ্মী আছিল। তিনি ভ্ৰাতৃৰ মাজু অৰবিন্দই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত আৰ্থিক অৱস্থাৰ বাবে মহাবিদ্যালয়ত নামভৰ্তি কৰিব নোৱাৰিলে। তদুপৰি খেতি কৰিবলৈও নাই মাটি। সেইবাবে তেওঁ জ্যেষ্ঠ ভ্ৰাতৃ অসমত থকাত কামৰ সন্ধানত ইয়ালৈ ঢাপলি মেলে। ২৯ বছৰ পূৰ্বে অহা অৰবিন্দই আন কাম বিচাৰিছিল যদিও কোনো ঠাইতে কাম নোপোৱাত জ্যেষ্ঠ ভ্ৰাতৃৰ স'তে মহানগৰীৰ শিলপুখুৰী অঞ্চলত এখন চেলুনত কাম কৰিবলৈ লয়। প্ৰথমতে তেওঁ ১০ টকা হাজিৰাত কাম কৰিছিল। চুলি কটা বিদ্যা ভালদৰে আয়ত্ত কৰাৰ পাছত তেওঁ দুই-তিনিশ টকা দৈনিক উপাৰ্জন কৰিবলৈ লয়। ১৯৯৯ত অৰবিন্দই বিহাৰতেই বিবাহ পাশত আবদ্ধ হয়। এজন পুত্ৰ আৰু দুগৰাকী কন্যা সন্তানৰ পিতৃ অৰবিন্দই বিগত ২৯ বছৰ ধৰি শিলপুখুৰীতেই কাম কৰি আছে।

দীৰ্ঘদিন ধৰি অসমৰ বায়ু-পানী সেৱন কৰি স্থানীয় লোকসকলৰ স'তে এক মধুৰ সম্পৰ্ক গঢ়ি তোলে। অঞ্চলটোৰ বিভিন্ন লোকৰ মাংগলিক কাৰ্যত অৰবিন্দই ক্ষৌৰ কৰ্মী হিচাপে সেৱা আগবঢ়াই আহিছে। লাহে লাহে তেওঁৰ চিনাকি লোকৰ সংখ্যা বৃদ্ধি পোৱাত উপাৰ্জনো বাঢ়িবলৈ ধৰিলে। সেয়েহে জ্যেষ্ঠ ভ্ৰাতৃৰ স'তে মিলি তেওঁ শিলপুখুৰীতেই আন এখন আকৰ্ষণীয় চেলুন আৰম্ভ কৰে। সম্প্ৰতি সেইখন চেলুনতে অৰবিন্দই আৰু এজন লোকক নিয়োগ কৰিছে। পুৱা আঠ বজাতেই চেলুনলৈ আহি অৰবিন্দই দিনটো কাম কৰি নিশা আঠমান বজাত ভাৰা ঘৰলৈ যায়। তেওঁৰ পুত্ৰও ভাৰা ঘৰতেই একেলগে থাকে। পৰিয়াল বিহাৰত থাকে বাবে বছৰত এবাৰ ঘৰলৈ যায়। অৰবিন্দই পিতৃ-মাতৃ থকা বুলি উল্লেখ কৰি কয় যে দূৰত থাকিলেও তেওঁ পিতৃ-মাতৃয়ে যাতে খোৱা-বোৱাত কষ্ট নাপায় তাৰ প্ৰতি সদায় দৃষ্টি ৰাখে। নিজৰ পৰিয়ালৰ লগতে পিতৃ-মাতৃৰ ভৰণ-পোষণৰ বাবে অৰবিন্দই দিনৰ দিনটো কষ্ট কৰে। মাজতে তেওঁৰ পৰিয়ালৰ লোকে বিহাৰতেই কাম কৰাটো বিচাৰিছিল যদিও বিগত ২৯ বছৰ অসমত থকা বাবেই এই ঠাই এৰি যাবলৈ মন কৰা নাই। অসমত বাস কৰা সকলো লোকেই ইমান মৰমিয়াল যে তেওঁ বিহাৰৰ পৰা বহু দূৰত থকাটো কেতিয়াও অনুভৱ নকৰে। স্থানীয় লোকেই বিপদ-আপদত সহায়ৰ হাত আগবঢ়ায় বুলি কয় অৰবিন্দই। তলাবন্ধৰ সময়ত অৰবিন্দই ঘৰলৈ গৈছিল যদিও পৰিয়ালক পোহপাল দিয়াৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছিল। তেওঁ কয়, 'কেঁচী নচলিলে আমাৰ পেট নভৰে। অসুখ হ'লেও আমি কেঁচীখন চলাবই লাগিব। আমাৰ কেঁচীখনেই জীৱন-জীৱিকাৰ উৎস। এই কেঁচীখনত যিমানেই ধাৰ থাকে সিমানেই আমাৰ আয়ৰ পথ মসৃণ হয়।' অৱশ্যে ক'ভিড অতিমাৰীৰ আতংক লাহে লাহে হ্ৰাস পাবলৈ ধৰাত এতিয়া চেলুনলৈ অহা গ্ৰাহকৰ সংখ্যাও বৃদ্ধি পাইছে। অৱশ্যে আগৰ দৰে উপাৰ্জন নাই বুলি উল্লেখ কৰি অৰবিন্দই কয় এতিয়া দৈনিক তিনি-চাৰিশ টকা উপাৰ্জন হয়। ইয়াৰে চেলুনৰ ঘৰৰ ভাড়া আদায় দি বৰ বেছি টকা হাতত নাথাকে। ইয়াৰে কিছু অংশ পৰিয়ালৰ বাবে প্ৰেৰণ কৰি যিখিনি ৰয় সেইখিনিৰে জীৱন সংগ্ৰাম চলাই নিয়া প্ৰত্যাহ্বান হৈ পৰিছে বুলি অৰবিন্দই কয়।

নয়ন কুমাৰ শৰ্মা

কথমপি ৰক্ষা পৰিছিল আইনষ্টাইনৰ বিৰল পাণ্ডুলিপি

শতাধিক বছৰৰ পাছত নিলাম হ'ল প্ৰায় ৯৭ কোটি টকাত

নিউজ ব্যুৰ'
পেৰিছ, ২৫ নৱেম্বৰ ঃ সৌভাগ্যক্ৰমে ডাষ্টবিনৰ নানা আবৰ্জনাৰ ভিৰত সোমাই হেৰাই নগ'ল চিৰকাললৈ। হাতে লিখা যাৱতীয় গাণিতিক সমীকৰণ আৰু সেইবোৰৰ সমাধান, বহু অসমাপ্ত পাণ্ডুলিপি ডাষ্টবিনলৈকে দলিয়াই দিছিল তেওঁ। সেয়াই আছিল তেওঁৰ অভ্যাস। আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদৰ একেবাৰে আৰম্ভণিৰ সময়ছোৱাত হাতে লিখা সেই পাণ্ডুলিপিটো অৱশ্যে ডাষ্টবিনৰ আবৰ্জনাত পৰিণত হোৱাৰ পৰা সৌভাগ্যক্ৰমে ৰক্ষা পৰিছিল। সেয়া ১০৮ বছৰৰ আগৰ ঘটনা। আইনষ্টাইনৰ এজন সহৃদয় বন্ধুৰ সুবাদত ৰক্ষা পৰা সেই পাণ্ডুলিপিয়েই আছিল মহান বিজ্ঞানীজন তথা গণিতজ্ঞজনৰ চাঞ্চল্য সৃষ্টিকাৰী সাধাৰণ আপেক্ষিকতাবাদৰ উৎস। আইনষ্টাইনৰ হাতে লিখা সেই বিৰল পাণ্ডুলিপি সম্প্ৰতি বিক্ৰী হ'ল পেৰিছৰ ক্ৰিষ্টিজৰ নিলামত। যোৱা মঙলবাৰে হোৱা নিলামত সেই পাণ্ডুলিপিৰ দাম উঠিল এক কোটি ৩০ লাখ ডলাৰলৈ। ভাৰতীয় মুদ্ৰাত প্ৰায় ৯৬ কোটি ৭৭ লাখ ২০ হেজাৰ টকা।

৫৪ পৃষ্ঠাৰ সেই পাণ্ডুলিপি আছিল সম্পূৰ্ণৰূপে হাতে লিখা। ইয়াৰ ভিতৰত ২৬ পৃষ্ঠাত লিখিছিল স্বয়ং আইনষ্টাইনে। ১৯১৩ত জুৰিখত। আনহাতে, ২৫ পৃষ্ঠাত লিখিছিল তেওঁৰ অকৃত্ৰিম বন্ধু তথা ছুইজাৰলেণ্ডৰ প্ৰযুক্তিবিদ মিচেল বেছ'ৰে। সাধাৰণ আপেক্ষিকতাবাদক কেন্দ্ৰ কৰি সেই সময়ত জুৰিখত আইনষ্টাইনৰ স'তে বহি বেছ' নানান গাণিতিক সমস্যাৰ জোঁট খোলাৰ নিচাত আচ্ছন্ন হৈ আছিল। আইনষ্টাইন আৰু বেছ'ৰ যিবোৰ গাণিতিক সমীকৰণ আৰু সেইবোৰৰ সমাধান আছে সেই পাণ্ডুলিপিত, সেইবোৰ আছিল ভুলৰে ভৰা। ফলত সেই গাণিতিক সমীকৰণসমূহে যে তেওঁক লক্ষ্যত উপনীত হ'বলৈ নিদিব, সেই কথা আইনষ্টাইনে বুজিব পাৰিছিল। কিছু হতোদ্যম হৈয়েই বেছ' নিজৰ ইটালীৰ বাসগৃহলৈ উভতি গৈছিল। পাছত জুৰিখত থাকিয়েই অন্য পথ অৱলম্বন কৰি আইনষ্টাইনে অকলে অন্যান্য গাণিতিক সমীকৰণৰ মাধ্যমেৰে নিজৰ লক্ষ্যত উপনীত হ'বলৈ সক্ষম হয়। যাৰ ফলত ১৯১৫ৰ নৱেম্বৰত প্ৰকাশিত হয় আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ, যি ব্ৰহ্মাণ্ড সম্পৰ্কে সেই সময়ৰ যাৱতীয় ধ্যান-ধাৰণাই সলনি কৰি পেলায়। ছবছৰৰ পাছত অৰ্থাৎ ১৯২১ত ন'বেল বঁটা লাভ কৰে আইনষ্টাইনে।

ইপিনে, ইটালীলৈ উভতি যোৱাৰ পাছত বেছ'ৰেও ক্ষান্ত নাথাকি গাণিতিক সমীকৰণসমূহৰ ক'ত ভুল আছিল, সেইবোৰ শুধৰাবলৈ চেষ্টা কৰিছিল যদিও সফল নহ'ল। অৱশেষত বেছ'ৰে আশা এৰি দিলে যদিও লগতে ৰাখি থ'লে তেওঁ আৰু আইনষ্টাইনে লিখা ৫৪ পৃষ্ঠাৰ পাণ্ডুলিপিটো। মৃত্যুৰ পূৰ্বে বেছ'ৰে সেই পাণ্ডুলিপি পুত্ৰ ভেৰ'ক অৰ্পণ কৰে। ভেৰ'ৰে পাছত সেই পাণ্ডুলিপি তুলি দিয়ে আইনষ্টাইন আৰু বেছ'ৰ হাতে লিখা পাণ্ডুলিপিটোৰ সম্পাদক পিয়েৰি স্পেজিয়াল্লিৰ হাতত। পৰৱৰ্তী সময়ত আইনষ্টাইনৰ গৱেষণা পত্ৰসমূহৰ সংগ্ৰহ প্ৰকাশৰ সময়ত স্পেজিয়াল্লিয়ে সেই পাণ্ডুলিপি দিয়ে প্ৰকাশকক। ৭৬ বছৰ বয়সত আইনষ্টাইনৰ ১৯৫৫ত মৃত্যু হয়।

ক্ৰিষ্টিজৰ ৱেবছাইটত লিখা হৈছে, 'সাধাৰণ আপেক্ষিকতাবাদৰ একেবাৰে আৰম্ভণিৰ ফালে যি দুটা হাতে লিখা পাণ্ডুলিৰি সন্ধান পোৱা গৈছে, এইটো তাৰে এটা। নিলামত দিয়াৰ পূৰ্বে অনুমান কৰা হৈছিল যে ইয়াৰ মূল্য উঠিব পাৰে ২৪ৰ পৰা ৩৫ লাখ ডলাৰৰ ভিতৰত, কিন্তু যাৱতীয় অনুমান ভুল প্ৰমাণ কৰি তাৰ চাৰি গুণ বৃদ্ধি পালে নিলামৰ অন্তিম পৰ্যায়ত। পাণ্ডুলিপিটো বিক্ৰী হ'ল এক কোটি ৩০ লাখ ডলাৰত। আইনষ্টাইনে লিখা আন কোনো পাণ্ডুলিপিৰ মূল্য নিলামত ইমান দূৰলৈ উঠা নাছিল। আইনষ্টাইনৰ সেই বিখ্যাত 'গড লেটাৰ' নিলামত বিক্ৰী হৈছিল ভাৰতীয় মুদ্ৰাত প্ৰায় ২০ কোটি টকাত। আনহাতে, ২০১৯ত আইনষ্টাইনে লিখা 'লেটাৰ এবাউট দ্য ছিক্ৰেট টু হেপীনেছ' নিলামত বিক্ৰী হৈছিল ভাৰতীয় মুদ্ৰাত প্ৰায় চাৰে ১১ কোটি টকাত।'

পানীৰ দামত পাচলি বিক্ৰী কৰি মূৰে-কপালে হাত দিছে ধিং-মৈৰাবাৰীৰ কৃষকে

ধিঙৰ আঠ টকা প্ৰতি কেজি মূল্যৰ বেঙেনা নগাঁৱত বিক্ৰী হৈছে ৩৫-৪০টকাত

বিশেষ সংবাদদাতা
নগাঁও, ২৫ নৱেম্বৰ ঃ নগাঁও চহৰৰ পাচলি বজাৰ সমূহত প্ৰতিবিধ পাচলিৰে দাম আকাশলংঘী হোৱাৰ সময়তে জিলাখনৰ পাচলিৰ উৎপন্নস্থলীৰ বজাৰত এই একেবিধ পাচলিয়েই পানীৰ দামত বিক্ৰী হৈ থকা পৰিলক্ষিত হৈছে। ফলত বিঘাই বিঘাই মাটিত বিভিন্ন পাচলিৰ খেতি কৰা মৈৰাবাৰী, ধিং, ডুমডুমীয়া আদি বিভিন্ন অঞ্চলৰ কৃষকে পানীৰ দামত পাচলি বিক্ৰী কৰি ভীষণ লোকচানৰ সন্মুখীন হ'ব লগাত তেওঁলোকৰ দুৰ্গতিৰ সীমা নোহোৱা হৈছে।

উল্লেখ্য যে,এইবাৰ উত্তৰ পশ্চিম নগাঁৱৰ ধিং অঞ্চলৰ এক নম্বৰ কান্ধুলিমাৰী, দুই নম্বৰ কান্ধুলিমাৰী, মাঠখলা, বৰবিল, নিজধিং, গায়নগাঁও, সুতাৰগাঁও, লহকৰৰ উপৰি ধিঙৰ পাৰ্শ্বৱৰ্তী লাঠিয়ামাৰী, তিনিটিকীয়া, গৰুখুঁটি, ৰাণীটাপু, মাইছবালি, মুছলিম চৰ, আবেদৰ চৰ আদি বিভিন্ন চৰ-চাপৰি, ডুমডুমীয়াৰ বিভিন্ন গাঁও, পাৰ্শ্বৱৰ্তী চৰৰ লগতে মৈৰাবাৰীৰ বিভিন্ন পথাৰ, ৰংৰাই চাপৰি, চিতলমাৰী আদি বহু চৰত হেজাৰ হেজাৰ বিঘা মাটিত পাচলিৰ খেতি কৰা হৈছিল। সংশ্লিষ্ট অঞ্চলৰ বহু কৃষকৰ বাবে পাচলিৰ খেতিয়েই দীৰ্ঘদিন ধৰি জীৱন আৰু জীৱিকাৰ প্ৰধান অৱলম্বন হৈ আহিছে। পথাৰত বিলাহী, বেঙেনা, ফুলকবি, বন্ধাকবি, ৰঙালাউ, জাতিলাউ, মটৰ, জলকীয়া, উৰহী আদি পূৰ্বৰ বছৰতকৈ এইবাৰ বহু পৰিমাণে ভাল হৈছিল। লগে লগে কৃষকৰো আশাবোৰে ঠন ধৰি উঠিছিল; কিন্তু এই কৃষক সকলৰ আশাবোৰ মৰহিবলৈ সৰহদিন নালাগিল। কৰ্মঠ কৃষক সকলে হাড়ভঙা পৰিশ্ৰমেৰে, বহু টকা খৰচ কৰি পাচলি খেতি কৰিছিল যদিও ইয়াৰ প্ৰকৃত মূল্য লাভ কৰিবলৈ সক্ষম হোৱা নাই। ইয়াৰ অন্যতম প্ৰধান কাৰণ পাচলি বজাৰত চৰকাৰৰ নিয়ন্ত্ৰণহীনতা, যোগান বিভাগৰ অস্তিত্বহীনতা আৰু মধ্যভোগীৰ অবাধ দৌৰাত্ম্য। সংশ্লিষ্ট অঞ্চলৰ পাচলি খেতিয়কসকলে উৎপাদিত পাচলিসমূহ বিক্ৰী কৰা প্ৰধান পাইকাৰী বজাৰ কেইখন হ'ল মৈৰাবাৰী, ধিং আৰু ডুমডুমীয়া বজাৰ। সম্প্ৰতি ধিং-ডুমডুমীয়া-মৈৰাবাৰীৰ পাচলি খেতিয়কে সংশ্লিষ্ট বজাৰসমূহত তেওঁলোকৰ উৎপাদিত উৎকৃষ্ট মানৰ বেঙেনা প্ৰতি কেজিত মাত্ৰ আঠ টকাৰ পৰা ১০ টকা মূল্যত বিক্ৰী কৰি আছে। অথচ এই একেখিনি বেঙেনাৰেই নগাঁও চহৰৰ খুচুৰা বজাৰত দাম প্ৰতি কেজিত ৪০-৪৫টকা। আনহাতে, ধিঙৰ পাইকাৰী বজাৰত ৩০-৩৫ টকা প্ৰতি কেজি মূল্যত বিক্ৰী হোৱা বিলাহীৰ নগাঁও চহৰৰ খুচুৰা বজাৰত দাম হৈছে প্ৰতি কেজিত ৭০-৮৯ টকা। ঠিক একেদৰে ধিং, ডুমডুমীয়া, মৈৰাবাৰী আদি পাচলিৰ পাইকাৰী বজাৰত কৃষকে প্ৰতি কেজি ফুলকবি ১০-১৫ টকাত বিক্ৰী কৰিব লগা হৈছে। আনহাতে, প্ৰতি কেজি বন্ধাকবি আঠৰ পৰা ১০ টকা প্ৰতি কেজি দামত বিক্ৰী কৰিব লগা হৈছে। অথচ সেই একেখিনি কবিৰেই নগাঁও চহৰৰ বজাৰত দাম প্ৰতি কেজিত ৪০-৪৫টকা। জিলাখনৰ উৎসৰ দামৰ তুলনাত চহৰৰ বজাৰৰ বৃহৎ তাৰতম্য হৈছে কেঁচা জলকীয়াৰ দামতো। ধিঙৰ কৃষকে প্ৰতি কেজি কেঁচা জলকীয়া মাত্ৰ ২০-২৫ টকা প্ৰতি কেজি মূল্যত বিক্ৰী কৰিব লগা হোৱাৰ বিপৰীতে সেই একেখিনি কেঁচা জলকীয়াৰ দাম নগাঁও চহৰৰ খুচুৰা বজাৰত হৈছেগৈ প্ৰতি কেজিত ১০০-১২০ টকা।

নগাঁও জিলাৰ ধিঙৰ এক নম্বৰ কান্ধুলিমাৰী গাঁৱৰ পাচলি খেতিয়ক ছফিকুল ইছলাম, আবু চাহেদ, ইক্ৰামুল হুছেইন, আবু তাহেৰ আৰু আব্দুল আলীয়ে আজি অতি দুখেৰে কয়, 'শাক-পাচলিৰ খেতিটো এতিয়া আমাৰ অন্যতম প্ৰধান খেতি। এইবাৰ আমি বহু টকা খৰচ কৰি বিঘাই বিঘাই মাটিত বিলাহী, বেঙেনা, কবি, জলকীয়া আদি খেতি কৰিছিলো। ভাবিছিলো কিছু লাভৱান হ'ব পাৰিম; কিন্তু ওলোটাটোহে হ'ল। পাচলিৰ দামেই নাই। পানীৰ দামত বেচিব লগা হৈছে পাচলিবোৰ। মাটি চহ কৰা,বীজ কিনা, কীটনাশক ঔষধ কিনা, পাচলি তোলা, বজাৰলৈ অনা আদিত আমাৰ বহু টকা খৰচ হৈছিল। এতিয়া পাচলিৰ যি পানী দাম, আমাৰ মূলধন খিনিও উঠাৰ আশা নাই।' বজাৰত মধ্যভোগীৰ দপদপনিৰ বাবেই তেওঁলোকে উচিত মূল্যৰ পৰা বঞ্চিত হ'বলগীয়া হোৱা বুলিও আক্ষেপেৰে কয়। ইপিনে, নগাঁও, মৰিগাঁও আৰু শোণিতপুৰ জিলাৰ অন্তৰ্গত বিভিন্ন চৰৰ একাংশ পাচলি খেতিয়কে জনোৱা মতে পাচলিৰ পাইকাৰী বজাৰ সমূহত পাচলিৰ দাম তেনেই নগণ্য হোৱাত এতিয়া তেওঁলোকে শ্ৰমিক লগাই পাচলি তুলি, গাড়ীৰে সেইবোৰ মৈৰাবাৰী, ধিং, ডুমডুমীয়া আদি বজাৰলৈ আনি বিক্ৰী কৰিলে লাভতকৈ লোকচানহে অধিক হয়। সেয়েহে এতিয়া তেওঁলোকৰ পথাৰলৈ যোৱা একাংশ মধ্যভোগী ব্যৱসায়ীক পথাৰতে পানীৰ দামত পাচলি বিক্ৰী কৰিবলৈ বাধ্য হৈছে। ধিঙৰ পাচলি ব্যৱসায়ীসকলৰ ভাষ্য, 'নগাঁও জিলাত পাচলিৰ বজাৰসমূহৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণ নাথাকিলে পাচলি খেতিয়কে এদিন পাচলিৰ খেতি কৰিবলৈকে বাদ দিব লগা হোৱা এক পৰিস্থিতিৰ সৃষ্টি হ'ব। আমি আঠ টকা প্ৰতি কেজি মূল্যত বেঙেনা বিক্ৰী কৰো। অথচ নগাঁৱৰ ৰাইজে ৩০-৪০ টকা প্ৰতি কেজি মূল্যত বেঙেনা কিনিব লগীয়া হোৱাৰ কাৰণ কি? ২০-২০ টকা প্ৰতি কেজি মূল্যৰ কেঁচা জলকীয়াৰ দাম ১২০ টকা হয় কেনেকৈ?' সমগ্ৰ বিষয়টোত চৰকাৰ-প্ৰশাসনৰ হস্তক্ষেপো বিচাৰিছে ভুক্তভোগী কৃষকসকলে।

'নাছা'-'ৰছকছমছ'ৰ স'তে প্ৰতিদ্বন্দ্বিতাত শক্তি পাব ইছ্ৰ'ৰে

দেশত গঢ়ি উঠিব 'হেক' কৰিব নোৱৰা টেলি যোগাযোগ ব্যৱস্থা

নিউজ ব্যুৰ'
হায়দৰাবাদ, ২৫ নৱেম্বৰ ঃ কোনো পধ্যেই 'হেক' কৰিব নোৱাৰা টেলি যোগাযোগ ব্যৱস্থা গঢ়ি তোলা হ'ব আমাৰ দেশত। সেই ব্যৱস্থা কৰা হ'ব পৃথিৱীৰ কক্ষপথলৈ প্ৰেৰণ কৰা বিভিন্ন উপগ্ৰহৰ মাধ্যমেৰে। এই কথা সদৰী কৰিছে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছ্ৰ'ৰ অধ্যক্ষ কে শিৱনে।

এক অনুষ্ঠানত শিৱনে কয়, 'আগন্তুক দিনত যিসমূহ প্ৰযুক্তি অত্যন্ত তাৎপৰ্যপূৰ্ণ হৈ উঠিব, তাৰ ভিতৰত অন্যতম হৈছে 'হেক-প্ৰুফ কোৱাণ্টাম কমিউনিকেচন'। যাৰ মাধ্যমেৰে দেশৰ যাৱতীয় টেলি যোগাযোগ ব্যৱস্থাক হেকিঙৰ বিপদৰ পৰা মুক্ত কৰাটো সম্ভৱ হৈ উঠিব।' 'ডিটিডিআই-টেকন'লজী কনক্লেভ-২০২১'ত ইছ্ৰ'ৰ অধ্যক্ষজনে লগতে জনায় যে ইয়াৰ লগতে সম্প্ৰতি ইছ্ৰ'ৰ বিজ্ঞানীসকলে একে লগে আৰু কেতবোৰ প্ৰযুক্তিক লৈ গৱেষণা আৰু সিবোৰৰ উন্নয়নত ব্যস্ত হৈ আছে। দেশীয় পদ্ধতিৰে তৈয়াৰী এই প্ৰযুক্তিসমূহে আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা 'নাছা' আৰু ৰুছ মহাকাশ গৱেষণা সংস্থা 'ৰছকছমছ'ৰ স'তে প্ৰতিদ্বন্দ্বিতাত ইছ্ৰ'ক শক্তি যোগাব বুলিও শিৱনে কয়।

সেই প্ৰযুক্তিসমূহ কি কি তাৰ ব্যাখ্যাও আগবঢ়াই ইছ্ৰ'ৰ অধ্যক্ষ শিৱনে লগতে কয়, 'সেই প্ৰযুক্তিসমূহৰ ভিতৰত অন্যতম হৈছে মহাকাশত যি উত্তৰোত্তৰ বৰ্জ্য বা আবৰ্জনা (স্পেচ ডেব্ৰি বা স্পেচ জাংক)ৰ পৰিমাণ বাঢ়ি আছে, সেইবোৰ কমোৱাৰ ব্যৱস্থা। এনে প্ৰযুক্তি, যাৰ জৰিয়তে কোনো ৰকেট বা মহাকাশ যানেই সেই আবৰ্জনাবোৰ খাই পেলাব পাৰে। ইয়াৰ উপৰি চোৰাংচোৱাৰ নিৰীক্ষণ অধিক নিখুঁত কৰি তোলাৰ বাবে নিৰ্মাণ কৰা হ'ব কোৱাণ্টাম ৰেডাৰ। সেই ৰেডাৰ স্থাপন কৰা হ'ব মহাকাশতে। ইয়াৰ উপৰি ইছ্ৰ'ৰে নিৰ্মাণ কৰি আছে কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা পৰিচালিত মহাকাশযান, লেণ্ডাৰ আৰু ৰোভাৰ।'

হিন্দুজাৰ সুখৰ সংঘাৰত ঘন হৈছে অশান্তিৰ কলীয়া ডাৱৰ

১০৭ বছৰীয়া যৌথ ব্যৱসায়ত ভাঙোন ঃ লক্ষ কোটি টকীয়া সম্পত্তিক কেন্দ্ৰ কৰি আদালতত সংঘাত চাৰি ভ্ৰাতৃৰ

নিউজ ব্যুৰ'
লণ্ডন, ২৫ নৱেম্বৰ ঃ পাৰিবাৰিক সম্পত্তিৰ ভাগ-বাতোৰাৰাক কেন্দ্ৰ কৰি এইবাৰ আইনী সংঘাত আৰম্ভ হ'ল হিন্দুজা পৰিয়ালৰ ভিতৰচ'ৰাত। চাৰি ভাৰতীয় বংশোদ্ভৱ ব্ৰিটিছ ধনকুবেৰ ভ্ৰাতৃৰ এই সংঘাতে ইতিমধ্যে আদালতৰ মজিয়া পাইছেগৈ। হিন্দুজা গ্ৰুপৰ বিভিন্ন কোম্পানীৰ মুঠ সম্পত্তিৰ পৰিমাণ প্ৰায় এহেজাৰ পাঁচশ কোটি ডলাৰ। ভাৰতীয় মুদ্ৰাত সেই পৰিমাণ প্ৰায় এক লাখ ১২ হেজাৰ কোটি টকা।এই সম্পত্তিৰ ভাগ-বাতোৰাৰাক কেন্দ্ৰ কৰিয়ে সম্প্ৰতি দ্বন্দ্ব আৰম্ভ হৈছে চাৰি হিন্দুজা ভ্ৰাতৃ শ্ৰীচান্দ, গোপীচান্দ, প্ৰকাশ আৰু অশোকৰ মাজত। হিন্দুজা বেংকৰ নিয়ন্ত্ৰণৰ অধিকাৰ পোৱাৰ বাবেই প্ৰায় এবছৰৰ পূৰ্বেই আদালতত আবেদন জনাইছিল জ্যেষ্ঠ ভ্ৰাতৃ শ্ৰীচান্দে।

প্ৰয়াত পৰমানন্দ হিন্দুজাই প্ৰতিষ্ঠিত কৰা হিন্দুজা গোষ্ঠীৰ বয়স এতিয়া ১০৭ বছৰ। পৰমানন্দৰ মৃত্যুৰ পাছৰ পৰা এই পাৰিবাৰিক ব্যৱসায় চাৰি ভ্ৰাতৃয়ে যৌথভাৱে চলাই আছে। গাড়ী, বেংক, গেছ, তেল, স্বাস্থ্য সেৱা, বিদ্যুৎসহ বিভিন্ন ক্ষেত্ৰত বিশ্বৰ ৩৮খন দেশজুৰি বিয়পি আছে হিন্দুজা পৰিয়ালৰ বিশাল ব্যৱসায়িক সাম্ৰাজ্য। প্ৰতি বছৰে ব্ৰিটেইনৰ সৰ্বাধিক ধনীসকলৰ তালিকাত স্থান লাভ কৰে হিন্দুজা ভ্ৰাতৃসকলে। অথচ এই সুখৰ সংসাৰতে কমাৎ ঘন হৈ আহিছে অশান্তিৰ কলীয়া ডাৱৰ। ৮৫ বছৰীয়া শ্ৰীচান্দ সম্প্ৰতি গুৰুতৰভাৱে অসুস্থ। স্মৃতিভ্ৰংগ ৰোগতো আক্ৰান্ত হৈছে। শ্ৰীচান্দৰ ১হ আইনী যুঁজৰ দায়িত্ব চম্ভালিছে তেওঁৰ কন্যা বিনু আৰু চানুৱে। চানুৰ পুত্ৰ কৰমেই প্ৰকততে কাগজে-পত্ৰই ককাকৰ তিনি ভ্ৰাতৃৰ বিৰুদ্ধে আইনী পদক্ষেপত তদাৰকী কৰিছে। সম্প্ৰতি জেনেভাত এক সাক্ষাৎকাৰত কৰমে কয়, 'ককাই কৈছিল যে পাৰিবাৰিক বন্ধন সুদৃঢ় কৰি ৰাখিবলৈ হ'লে সপ্তাহত এবাৰ সকলো সদস্যই একত্ৰিত হৈ চিনেমা চোৱা উচিত। আমিও সেইদৰেই কৰিছিলো। একত্ৰিত হৈ সকলোবোৰ ভাল-বেয়া সকলোৰে ভাগ কৰি লৈছিলো।' অৱশ্যে এইদৰে কে'বা দশক ধৰি পাৰিবাৰিক বান্ধোন অটুট থাকিলেও এইবাৰ হিন্দুজা পৰিয়ালৰ ভাগ-বাটোৱাৰা অনিবাৰ্য হৈ উঠা বুলিও কৰমে স্বীকাৰ কৰে।

উল্লেখ্য যে ২০১৪ৰ এখন যৌথ ঘোষণা পত্ৰক কেন্দ্ৰ কৰিয়েই হিন্দুজা পৰিয়ালত অশান্তিৰ সৃষ্টি কৰে। চাৰিও হিন্দুজা ভ্ৰাতৃয়ে স্বাক্ষৰ কৰা সেই ঘোষণা পত্ৰত কোৱা হৈছিল যে কোনো এজন ভ্ৰাতৃৰ হাতত থকা সম্পত্তি আচলতে চাৰি ভ্ৰাতৃৰে। যি কোনো ভ্ৰাতৃয়ে সেই সম্পত্তিৰ তদাৰকীত আন ভ্ৰাতৃসকলক নিয়োগ কৰিব পাৰিব। অৱশ্যে শ্ৰীচান্দ আৰু তেওঁৰ দুই কন্যাই দাবী কৰি আহিছে যে উক্ত যৌথ ঘোষণা পত্ৰৰ কোনো আইনী বৈধতা নাই। সেয়ে শ্ৰীচান্দৰ নামত থকা ব্ৰিটেইন আৰু ছুইজাৰলেণ্ডৰ হিন্দুজা বেংক তেওঁৰ নিজস্ব সম্পত্তি। অৱশ্যে গোপীচান্দ, প্ৰকাশ আৰু অশোকে সেই যুক্তি মানিব খোজা নাই। তেওঁলোক এতিয়াও 'অখণ্ড হিন্দুজা সাম্ৰাজ্য'ৰ তত্ত্বতেই অটল হৈ আছে। 'ইণ্ডিয়ান স্কুল অৱ বিজনেছ'ৰ পাৰিবাৰিক ব্যৱসায় সংক্ৰান্তীয় বিশেষজ্ঞ কে ৰামচন্দ্ৰনে অৱশ্যে ধাৰণা কৰিছে যে তেওঁলোকৰ বাবে শেষ পৰ্যন্ত পুৰণি নীতি বৰ্তাই ৰখাটো সম্ভৱ নহ'ব। ৰামচন্দ্ৰনে কয়, 'গোপীচান্দ, প্ৰকাশ আৰু অশোকৰ সমাজতান্ত্ৰিক চিন্তা-ভাৱনা বাস্তৱায়িত কৰাটো এতিয়া অত্যন্ত কঠিন হ'ব।'

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com